● গুৱাহাটী, যোৰহাট আৰু তেজপুৰৰ পৰা প্ৰকাশিত
গুৱাহাটী (০৩৬১) ২২৬১৯২৩
চাৰ্কুলেচন ঃ ম'বাইল ঃ ৮৪৮৬৯৮০২৮১
বিজ্ঞাপন ঃ ম'বাইল ঃ ৯৮৬৪৮৯৭১৭৫
যোৰহাট ঃ (০৩৭৬) ২৩৭১৮৯৫, তেজপুৰ ঃ (০৩৭১২) ২২১৫৫১, ডিব্ৰুগড় ঃ (০৩৭৩) ২৩২৭৮৫৯
হোৱাটছএপ ঃ ৭৬৩৮০৫৮০৫৪ (সম্পাদনা)
agradoot@gmail.com
editor.agradoot@gmail.com
■ কাকত নাপালে ফোন কৰক ঃ ৯১০১২-৩৮০০৩

# দৈনিক অগ্ৰদূত

সামাজিক দায়বদ্ধতাত অবিচল

**দিগ্‌দৰ্শন**

কিছুমান গোলাপ কংক্ৰিটৰ মাজেৰেও ফুলি উঠে। মনত ৰাখিব এই কথা।

ব্ৰেণ্ডি এল বেইটছ
*আমেৰিকান উপন্যাসিক*



www.dainikagradoot.in

৭ জুকাৰবাৰ্গৰ সম্পত্তি ৭১ বিলিয়ন ডলাৰ হ্ৰাস পালে
১৫ প্ৰথম টি-২০ত ভাৰত পৰাস্ত
৪ নিলাম বজাৰত পৰিণত হ'ব নেকি গণতন্ত্ৰ

RNI-Regd No. 62953/96 ■ সপ্তবিংশতিতম বছৰ ● ৩৪১ তম সংখ্যা ● গুৱাহাটী ● বুধবাৰ ৪ আহিন ১৪২৯ ভাস্কৰাব্দ ২১ ছেপ্টেম্বৰ ২০২২ চন ■ DAINIK AGRADOOT ● Guwahati ● Wednesday 21 September 2022 মূল্য ঃ ৯.০০ টকা

## প্ৰায় নিৰপেক্ষ

ধীমান সিন্‌হাৰ পযেকীয়া কলম

### চৰকাৰ আৰু উদ্যোগ



শেহতীয়াকৈ অসমৰ মুখ্যমন্ত্ৰীয়ে ৰাজ্যৰ ঔদ্যোগিক নীতি সম্পৰ্কে চৰকাৰৰ দৃষ্টিভংগী স্পষ্ট কৰি দিছে। তেওঁ কৈছে যে উদ্যোগ চলোৱা চৰকাৰৰ কাম নহয় আৰু ভৱিষ্যতে অসমত নতুনকৈ কোনো উদ্যোগ বৰ্তমানৰ চৰকাৰে স্থাপন নকৰে। আপাতদৃষ্টিত সেয়া ভাজপাৰ কেন্দ্ৰীয় চৰকাৰৰ ঔদ্যোগিক নীতিৰ প্ৰতিফলন বা মনমোহন সিং চৰকাৰৰ দিনৰ পৰা যি গোলকীয় *১০ পৃষ্ঠাত চাওক*

সাংসদ তাছাৰ দাবী

## বিজেপিৰ সভাপতি সলনিৰ কোনো চিন্তা-চৰ্চা নাই

**ষ্টাফ ৰিপ'ৰ্টাৰ**

**গুৱাহাটী, ২০ ছেপ্টেম্বৰ ঃ** পৰৱৰ্তী লোকসভা নিৰ্বাচনৰ প্ৰতি লক্ষ্য ৰাখি অহা আঠ অক্টোবৰত কৰ্মকৰ্তা সন্মিলন অনুষ্ঠিত কৰি নিৰ্বাচনী ৰণদুন্দুভি বজাব বিজেপিয়ে। উক্ত দিনা গুৱাহাটীৰ খানাপাৰাস্থিত *১০ পৃষ্ঠাত চাওক*

## নতুন পেঞ্চন নীতি বাতিলৰ দাবীত ৰাজ্যত প্ৰাথমিক শিক্ষকৰ ধৰ্ণা

**ষ্টাফ ৰিপ'ৰ্টাৰ**

**গুৱাহাটী, ২০ ছেপ্টেম্বৰ ঃ** নতুন পেঞ্চন নীতি বাতিল কৰি পুৰণি পেঞ্চন ব্যৱস্থা প্ৰৱৰ্তন কৰা, ঠিকা ভিত্তিক শিক্ষকৰ চাকৰি নিয়মীয়াকৰণ কৰাকে ধৰি অন্যান্য দাবীৰ সমৰ্থনত *ছয় পৃষ্ঠাত চাওক*

## কোকৰাঝাৰত অত্যধিক ড্ৰাগছ সেৱন কৰি যুৱকৰ মৃত্যু

**অগ্ৰদূত বাৰ্তা**

**কোকৰাঝাৰ, ২০ ছেপ্টেম্বৰ ঃ** ৰাজ্যজুৰি ড্ৰাগছৰ বিৰুদ্ধে চৰকাৰ-প্ৰশাসনৰ অভিযান অব্যাহত থকাৰ সময়তে কোকৰাঝাৰৰ সমীপৰ বালাজান তিনিআলিৰ নিবাসী বসন্ত বৰ্মনৰ পুত্ৰ পুলেন বৰ্মন (২৪)-এ *১০ পৃষ্ঠাত চাওক*



| তাপমাত্ৰা | সৰ্বোচ্চ | সৰ্বনিম্ন |
|---|---|---|
| গুৱাহাটী | ৩৫° | ২৬° |
| ডিব্ৰুগড় | ৩১° | ২৫° |
| দিল্লী | ৩৩° | ২৬° |
| কলকাতা | ৩০° | ২৬° |
| মুম্বাই | ২৭° | ২৫° |
| চেন্নাই | ৩৩° | ২৮° |
| বাংগালুৰু | ২৭° | ১৮° |
| শ্বিলং | ২৫° | ১৮° |

২০ ছেপ্টেম্বৰ, ২০২২

### চেঙা তেল



*কথাটো ঠিকেই, তেওঁ চকীখন এৰি দিলেনো সব সমস্যাৰ সমাধান হ'ব বুলিনো কোনে ক'ব পাৰে!*

■ জনজাতিকৰণৰ দাবীত কাইলৈ বিধানসভা ঘেৰাও কাৰ্যসূচী ঐক্যমঞ্চৰ ■ আন্দোলন স্থগিত কৰিবলৈ তৎপৰ দিছপুৰ ■ মন্ত্ৰীৰে আলোচনা প্ৰত্যাখ্যানৰ পাছত আলোচনালৈ আমন্ত্ৰণ মুখ্যমন্ত্ৰীৰ

# আলোচনাৰ নামত বুজাবুজি নে নেতৃত্ব দখল?



*১৯৪২ৰ ভাৰত ত্যাগ আন্দোলনৰ ছহিদ কনকলতা বৰুৱালৈ শ্ৰদ্ধাঞ্জলি, গহপুৰত মঙলবাৰে।*

পূৰ্বে কৰি অহা ভুল নকৰাৰ প্ৰতিশ্ৰুতি ■ বৈঠকত অংশগ্ৰহণ কৰিব নে নাই আজি সিদ্ধান্ত

**ষ্টাফ ৰিপ'ৰ্টাৰ**

**গুৱাহাটী, ২০ ছেপ্টেম্বৰ ঃ** লোকসভা নিৰ্বাচনৰ দিন চমু চাপি অহাৰ লগে লগে পুনৰ প্ৰাসংগিক হৈ উঠা ৰাজ্যৰ ছয় জনগোষ্ঠীৰ জনজাতিকৰণৰ আন্দোলনক লৈ সাধাৰণ জনতাৰ মাজত বহু প্ৰশ্ন অৱতাৰণা হৈছে। জনতাক আন্দোলনৰ নামত ৰাজপথলৈ উলিয়াই, আলোচনাৰ নামত বিলাসী হোটেলত বহি বিভিন্ন বুজাবুজিৰে আন্দোলনৰ একাংশ নেতা মন্ত্ৰী-বিধায়ক তথা ৰাজনৈতিক দলৰ নেতা হোৱাৰ পাছতো এই দীৰ্ঘদিনীয়া সমস্যাটোৰ আজিকোপতি সমাধান নোহোৱা বাবে সংশ্লিষ্ট জনগোষ্ঠীসমূহৰ মাজতে বিভিন্ন সময়ত বহু প্ৰশ্ন উত্থাপিত হৈ আহিছে। বিভিন্ন সময়ত এই আন্দোলনৰ একাংশ নেতাই বৃহত্তৰ স্বাৰ্থৰ বিপৰীতে নিজ স্বাৰ্থ সিদ্ধিত অধিক গুৰুত্ব দি অহা বাবেই আজিকোপতি ছয় জনগোষ্ঠীৰ জনজাতিকৰণৰ বিষয়টো ওলমি ৰৈছে আৰু ইয়াৰ অনেক উদাহৰণ জিলিকি আছে বুলি অভিযোগ উত্থাপন হৈ আহিছে। ২০১৪ত কেন্দ্ৰত আৰু ২০১৬ত ৰাজ্যত বিজেপি চৰকাৰ শাসনলৈ অহাৰ পাছতে জনজাতিকৰণৰ দাবী উত্থাপন কৰি অহা কোচ ৰাজবংশী, চুতীয়া, চাহ জনগোষ্ঠী, আহোম, মৰাণ আৰু মটক জনগোষ্ঠীৰ ৰাইজে সমস্যাটোৰ সমাধান হ'ব বুলি বিশ্বাস কৰিছিল যদিও চৰকাৰৰ শেহতীয়া *ছয় পৃষ্ঠাত চাওক*

■ ৰাজ্যৰ ছয় জনগোষ্ঠীক জনজাতিকৰণ নকৰাত গৰজি উঠিল শাসকীয় বিধায়কেই ■ ঐক্যমঞ্চক চৰকাৰে পৃথক কৰিবলৈ চেষ্টা কৰিছে যদিও চৰকাৰৰ ষড়যন্ত্ৰ সফল নহ'ব ঃ গোৱালা

## জনজাতিকৰণ নহ'লে নিৰ্বাচনত উছন হ'ম

**বিশেষ সংবাদদাতা**



**ডিব্ৰুগড়, ২০ ছেপ্টেম্বৰ ঃ** ছয় জনগোষ্ঠীক জনজাতিকৰণ নকৰাত শাসকীয় বিধায়কেই এইবাৰ গৰজি উঠিল। চৰকাৰৰ ভূমিকাত তীব্ৰ অসন্তুষ্টি প্ৰকাশ কৰি হুংকাৰ দিয়ে বিজেপি বিধায়ক তেৰছ গোৱালাই। অসমৰ ছয় জনগোষ্ঠীক কেন্দ্ৰই বঞ্চিত কৰি পাঁচখন ৰাজ্যৰ ১৫ টা জনগোষ্ঠীৰ জনজাতিকৰণ কৰাৰ পাছতে ৰাজ্যৰ চৌদিশ প্ৰতিবাদত উত্তাল হোৱাৰ সময়তে এইবাৰ বিধায়ক গোৱালাই দিলে হুংকাৰ। ছয় জনগোষ্ঠীক জনজাতিৰ মৰ্যাদা প্ৰদান নকৰাত বিধায়ক গোৱালাই চাহ জনজাতি ছাত্ৰ সন্থাৰ কেন্দ্ৰীয় সমিতিৰ সভাপতি ধীৰাজ গোৱালাৰ স'তে আজি এক সংবাদমেলত চৰকাৰৰ বিৰুদ্ধে তীব্ৰ ক্ষোভ প্ৰকাশ কৰি কয়, 'আমাক বাৰে বাৰে ঠগিছে, আমি কিন্তু মনে মনে বহি নাথাকো। যেতিয়ালৈকে চৰকাৰে আমাক নিজৰ প্ৰাপ্য প্ৰদান নকৰে তেতিয়ালৈকে আমি ছয় জনগোষ্ঠীয় ঐক্যমঞ্চই সংগ্ৰাম কৰি যাম। অহা *১০ পৃষ্ঠাত চাওক*

## ধৈৰ্যৰ পৰীক্ষা নল'ব, জনজাতিকৰণ নহ'লে অগ্নিগৰ্ভ হ'ব পৰিস্থিতি

আহোম সভাৰ হুংকাৰ

**ষ্টাফ ৰিপ'ৰ্টাৰ**

**গুৱাহাটী, ২০ ছেপ্টেম্বৰ ঃ** ছয় জনগোষ্ঠীৰ জনজাতিকৰণৰ প্ৰসংগত কেন্দ্ৰ আৰু ৰাজ্য চৰকাৰে বাৰম্বাৰ হোঁহকা-পিছলা নীতি অৱলম্বন কৰাত ক্ষুব্ধ সদৌ অসম আহোম সভাই আহোমসকলৰ ধৈৰ্য পৰীক্ষা কৰাৰ পৰা বিৰত থাকিবলৈ দিল্লী-দিছপুৰক আজি কঠোৰ ভাষাৰে সকীয়াই দিছে। শেহতীয়াকৈ দেশৰ কে'বাখনো ৰাজ্যৰ আন কে'বাটাও জনগোষ্ঠীক জনজাতিৰ মৰ্যাদা দিয়াৰ বিপৰীতে আহোমকে ধৰি অসমৰ ছয় জনগোষ্ঠীক জনজাতিকৰণৰ পৰা বঞ্চিত কৰাত ক্ষুব্ধ হৈ পৰা আহোম সভাই আজি সকীয়াই দিয়ে যে হয় *ছয় পৃষ্ঠাত চাওক*

ছেপ্টেম্বৰত সমাপ্ত হ'ব আঁচনিৰ ম্যাদ ■ সন্মুখত জটিল পৰিস্থিতি ঃ বিত্ত দপ্তৰ আগ্ৰহী নহ'লেও শেষ সিদ্ধান্ত ল'ব প্ৰধানমন্ত্ৰী মোদীয়ে

## ৮০ কোটি ভাৰতীয়ক বিনামূলীয়া খাদ্য যোগানৰ আঁচনি বাহাল থাকিবনে?

**■ নিউজ ব্যুৰ'**



**নতুন দিল্লী, ২০ ছেপ্টেম্বৰ ঃ** ক'ভিড অতিমাৰীৰ সময়ত ২০২০ৰ এপ্ৰিলৰ পৰা কেন্দ্ৰীয় চৰকাৰে দেশৰ ৮০ কোটি লোকক যোগান ধৰা বিনামূলীয়া খাদ্য আঁচনি বাহাল থাকিবনে তাকে লৈ প্ৰশ্নৰ উদ্ৰেক হৈছে। কিয়নো এই বিনামূলীয়া আঁচনিয়ে দেশৰ বিত্তীয় পৰিস্থিতিৰ ওপৰত গভীৰ চাপৰ সৃষ্টি কৰিছে। বিত্ত মন্ত্ৰণালয়ে এই আঁচনিৰ ম্যাদ বৃদ্ধিৰ পক্ষত নাই। সেয়েহে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আঁচনিখনৰ ম্যাদ বৃদ্ধি কৰিব নে নাই এই সম্পৰ্কত অচিৰে সিদ্ধান্ত গ্ৰহণ কৰিব। ক'ভিড অতিমাৰীৰ সময়ৰ পৰা আৰম্ভ হোৱা আঁচনিখনৰ ফলত দেশৰ ৰাজকোষে এই পৰ্যন্ত অতিৰিক্ত ৪৪ বিলিয়ন ডলাৰৰ ভৰ বহন কৰিবলগীয়া হৈছে। এতিয়া প্ৰশ্নটো হ'ল প্ৰধানমন্ত্ৰী মোদী এই বোজা বহন কৰিব নে চৰকাৰৰ বিত্তীয় *১০ পৃষ্ঠাত চাওক*

গেছ মাৰ্ক লৈ উত্তীৰ্ণ ১,২৯৮ জন টেট উত্তীৰ্ণক অৱশেষত নিযুক্তি ঃ শিক্ষামন্ত্ৰী

## ৪,৭১৭ জন শিক্ষক-গৃহকে ধৰি কে'বাটাও বিভাগত নিযুক্তি পাব ১০ হেজাৰে



**ষ্টাফ ৰিপ'ৰ্টাৰ**

**গুৱাহাটী, ২০ ছেপ্টেম্বৰ ঃ** বিজেপি মিত্ৰজোঁট চৰকাৰৰ আন এক নিযুক্তি সমাৰেশ অহা ২৩ ছেপ্টেম্বৰত অনুষ্ঠিত হ'ব। আজি সৰ্বশিক্ষাৰ সভাকক্ষত শিক্ষামন্ত্ৰী ডাঃ ৰণোজ পেগুৱে এক সংবাদমেলত এই কথা সদৰী কৰি এই নিযুক্তি সমাৰেশত কে'বাটাও বিভাগৰ পদত ১০ হেজাৰৰো অধিকক নিযুক্তি দিয়া হ'ব বুলি কয়। উল্লেখ্য যে এই নিযুক্তি সমাবেশত শিক্ষা বিভাগৰ অধীনত মুঠ ৪,৭১৭ জন সহকাৰী অধ্যাপক, শিক্ষক পদত নিযুক্তি প্ৰদান কৰা *ছয় পৃষ্ঠাত চাওক*

## নিযুক্তিত প্ৰশ্ন উত্থাপন কৰি আৰক্ষী ৰোষত পৰা ভিক্টৰ দাসক নিলম্বন

**ষ্টাফ ৰিপ'ৰ্টাৰ**

**গুৱাহাটী, ২০ ছেপ্টেম্বৰ ঃ** ৰাজ্য চৰকাৰৰ ২৬ হেজাৰ তৃতীয় আৰু চতুৰ্থবৰ্গৰ পদৰ নিযুক্তি প্ৰক্ৰিয়াত এটা পদৰ দৰ ১০ লাখলৈ উঠা বুলি অভিযোগ তুলি চৰকাৰৰ ৰোষত পৰা ভিক্টৰ দাসক শিক্ষকৰ চাকৰিৰ পৰা নিলম্বন কৰা হৈছে। পানীটেমা ৰাধাকৃষ্ণ যুগল মিলন প্ৰাথমিক বিদ্যালয়ত 'টেট' শিক্ষক ৰূপে কৰ্মৰত *১০ পৃষ্ঠাত চাওক*

■ আগৰ চৰকাৰতকৈ আমাৰ অৰ্থনীতি ভাল ঃ দাবী মুখ্যমন্ত্ৰীৰ

## এপিডিচিএলৰ দাবীৰ বিপৰীতে বিদ্যুতৰ বিলত বিসংগতিৰ কথা স্বীকাৰ ড° শৰ্মাৰ



**ষ্টাফ ৰিপ'ৰ্টাৰ,**

**তেজপুৰ, ২০ ছেপ্টেম্বৰ ঃ** 'বিদ্যুতৰ বিলৰ বৃদ্ধি সন্দৰ্ভত এক সমীক্ষা চলোৱা হৈছিল আৰু এই সমীক্ষাত কিছুলোকৰ ঘৰত মিটাৰ ৰিডিঙত বিসংগতি ধৰা পৰিছে। লগতে বাকী একাংশই তেওঁলোকে গৰমৰ বাবে অধিক বিদ্যুৎ খৰচ কৰা বুলি জনাইছে।' এইদৰেই আজি বিদ্যুতৰ বিল ৰিডিঙত বিসংগতিৰ কথা স্বীকাৰ কৰিলে মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই। লক্ষ্যণীয় যে মুখ্যমন্ত্ৰীৰ এই ভাষ্যৰ বিপৰীতে এপিডিচিএলে বিদ্যুতৰ বিলত বিসংগতি নাই বুলি মিথ্যা দাবীৰে বিভ্ৰান্তিৰ সৃষ্টি কৰি *১০ পৃষ্ঠাত চাওক*

## মালবাহী ট্ৰাকত অসমলৈ অনা হয় গঁড় হত্যাত ব্যৱহৃত অস্ত্ৰ

বিশ্বনাথৰ গুদামৰ পৰা জব্দ হস্তনিৰ্মিত আগ্নেয়াস্ত্ৰ

**অগ্ৰদূত বাৰ্তা**

**বিশ্বনাথ চাৰিআলি, ২০ ছেপ্টেম্বৰ ঃ** বিহাৰৰ পৰা অহা এক ব্যৱসায়ী গোষ্ঠীৰ প্ৰত্যক্ষ সহযোগত ৰাজ্যত অব্যাহত আছে গঁড় চিকাৰ। চোৰাং চিকাৰীক এই ব্যৱসায়ী গোষ্ঠীটোৱে অস্ত্ৰ-ধন আদিকে ধৰি বিভিন্ন প্ৰকাৰে সাহায্য কৰি আহিছে। কালি বন বিভাগে বিশ্বনাথ চাৰিআলিত দুজন লোকক আটক কৰাৰ পাছতে এই তথ্য পোহৰলৈ আহিছে। কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যানত গঁড় হত্যাৰ বাবে বিহাৰৰ পৰা অস্ত্ৰ যোগান ধৰাৰ *ছয় পৃষ্ঠাত চাওক*

■ শক্তি বিভাগত বৃহৎ অনিয়মৰ অভিযোগ অজাপৰ ■ বহিৰাগত প্ৰতিষ্ঠানক বছৰি চাৰি কোটিকৈ আদায় দি ডাটা সংৰক্ষণ কৰিছে

## উৎপাদনকাৰীৰ পৰিৱৰ্তে মধ্যভোগীৰ পৰাহে তিনি লাখ মিটাৰ ক্ৰয় অসমৰ

**ষ্টাফ ৰিপ'ৰ্টাৰ**



**গুৱাহাটী, ২০ ছেপ্টেম্বৰ ঃ** প্ৰায় ৬০ লাখ উপভোক্তাৰ তথ্য জমা ৰখাৰ বাবে ৩৫০ কোটি টকা ব্যয়ৰে এপিডিচিএলে এটা নিজস্ব ডাটা চেণ্টাৰ স্থাপন কৰাৰ পাছতো নিগমটোৰ তথ্যপাতিসমূহ সংৰক্ষণৰ বাবে বছৰি চাৰি কোটি টকাকৈ আদায় দি দিল্লীৰ এটা ব্যক্তিগত কোম্পানীক দায়িত্ব প্ৰদানৰ তথ্য উন্মোচিত হৈছে। গুৱাহাটীৰ ছয়মাইলত এপিডিচিএলে আৰএপিডিআৰপি নামৰ এখন আঁচনিৰ অধীনত স্থাপন কৰা এই ডাটা চেণ্টাৰটো ইমানেই বিশাল যে উত্তৰ-পূৰ্বাঞ্চলৰ আন সাতোখন ৰাজ্যই এপিডিচিএলৰ এই ডাটা চেণ্টাৰটো ভাড়াত ব্যৱহাৰ কৰে। পিছে আশ্চৰ্যকৰ কথা এয়ে যে নিজৰ আন্তঃগাঁথনি আনলৈ ভাড়া দিয়া *১০ পৃষ্ঠাত চাওক*

■ অসম তথা উত্তৰ-পূৰ্বাঞ্চলত মাওবাদৰ শিপা বিয়পাবলৈ তৎপৰ দুৰ্ধৰ্ষ সদস্য জালত ■ বহু বেশধাৰী সম্ৰাট চক্ৰৱৰ্তী ওৰফে নীলকমল

## কাঞ্চনদাৰ সহযোগী অসমত সক্ৰিয় দুৰ্ধৰ্ষ মাওবাদীক গ্ৰেপ্তাৰ পশ্চিমবংগত



**■ নিউজ ব্যুৰ'/ষ্টাফ ৰিপ'ৰ্টাৰ**

**নতুন দিল্লী/গুৱাহাটী, ২০ ছেপ্টেম্বৰ ঃ** দুৰ্ধৰ্ষ মাওবাদী নেতা কাঞ্চনদাৰ গ্ৰেপ্তাৰৰ আঁত ধৰি ৰাষ্ট্ৰীয় তদন্তকাৰী সংস্থা (এনআইএ)ই অসমত ইউনিট স্থাপন কৰিবলৈ তৎপৰ হোৱা আন এজন মাওবাদী সদস্যক পশ্চিমবংগত গ্ৰেপ্তাৰ কৰিছে। এই মাওবাদী সদস্যজন হৈছে সম্ৰাট চক্ৰৱৰ্তী ওৰফে নীলকমল শিকদাৰ। এনআইএৰ মুখপাত্ৰই কয় যে ধৃত শিকদাৰে অসমত নিষিদ্ধ ঘোষিত সংগঠনটোৰ ইউনিট স্থাপনত জড়িত আছিল। ৩৭ বছৰীয়া ধৃত শিকদাৰ হৈছে পশ্চিমবংগৰ উত্তৰ ২৪ পৰগনা জিলাৰ শেঠ বাগান ৰোডৰ বাসিন্দা। ধৃত সম্ৰাট ওৰফে নীলকমলক অমিত, অৰ্ঘ্য, নিৰ্মল আৰু নিৰ্মাণ নামেৰেও জনা যায়। কল্যাণী এক্সপ্ৰেছৱেত অৱস্থিত নাৰায়ণ স্কুলৰ *১০ পৃষ্ঠাত চাওক*

■ বিজেপি চৰকাৰৰ জনবিৰোধী নীতি-মূল্যবৃদ্ধিৰ বিৰুদ্ধে গুৱাহাটীত চিপিএমৰ সমাবেশ

■ মোদীৰ প্ৰিয় বন্ধু আদানীক ধনী কৰিবলৈ সকলো কৰিছে কেন্দ্ৰীয় চৰকাৰে ঃ হেমেন দাস

## মুকলি দুৰ্নীতি-ভ্ৰষ্টাচাৰত নিমজ্জিত চৰকাৰ

**ষ্টাফ ৰিপ'ৰ্টাৰ**

**গুৱাহাটী, ২০ ছেপ্টেম্বৰ ঃ** 'পূৰ্বৰ চৰকাৰসমূহে গঢ়া সম্পদ বিক্ৰী কৰি দেশ চলাই আছে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে। এফালৰ পৰা ৰাজহুৱা খণ্ডৰ উদ্যোগসমূহ বিক্ৰী কৰিবলৈ ধৰিছে বিশ্বগুৰু মোদীয়ে। দেশৰ অন্যান্য স্থানৰ লগতে অসমৰো লোকপ্ৰিয় গোপীনাথ বৰদলৈ আন্তৰ্জাতিক বিমানকোঠ আদানীক গতাই দিলে। দেশৰ সম্পদ বিক্ৰী কৰা বিজেপিৰ বিৰুদ্ধে এতিয়া দেশজুৰি জনজাগৰণৰ সৃষ্টি হৈছে।' কেন্দ্ৰৰ



বিজেপি চৰকাৰৰ জনবিৰোধী আৰু স্বৈৰাচাৰী কাৰ্যকলাপৰ বিৰুদ্ধে আজি গুৱাহাটীত অনুষ্ঠিত চিপিআই (এম)ৰ এখন প্ৰতিবাদী সমাবেশত ভাষণ দি এনেদৰে মোদী চৰকাৰক সমালোচনা কৰে বৰ্ষীয়ান বাঁওপন্থী নেতা তথা প্ৰাক্তন বিধায়ক হেমেন দাসে। চচলত আজি অনুষ্ঠিত এই সমাবেশত ভাষণ দি দাসে লগতে কয় যে মোদী চৰকাৰে এতিয়া চিৰা, মুড়ি, পিঠাগুড়ি আদিতো জিএছটি লগাইছে। যিহেতু এনেবোৰ খাদ্য মূলতঃ নিম্নবিত্ত *১০ পৃষ্ঠাত চাওক*

## চাৰ্ভিছ পিষ্টলৰে গুলীয়াই আত্মহত্যা সেনা জোৱানৰ

**ষ্টাফ ৰিপ'ৰ্টাৰ**

**তেজপুৰ, ২০ ছেপ্টেম্বৰ ঃ** তেজপুৰস্থিত সেনাৰ চতুৰ্থ ক'ৰত কৰ্মৰত এজন জোৱানে আজি পুৱা নিজৰ চাৰ্ভিছ পিষ্টলৰে গুলীয়াই আত্মহত্যা কৰে। পঞ্জাবৰ অমৃত সিং নামৰ জোৱানজনৰ মৃতদেহ আজি দিনৰ প্ৰায় ২.৪৫ বজাত তেজপুৰ কনকলতা অসামৰিক চিকিৎসালয় হাস্পতাললৈ মৰণোত্তৰ পৰীক্ষাৰ বাবে অনা হয় যদিও ইয়াত মৃতদেহৰ ফটো *ছয় পৃষ্ঠাত চাওক*

সমাধিস্থ স্থানৰ পৰা উদ্ধাৰ দুৰ্ঘটনাত নিহত শ্ৰমিকৰ মৃতদেহ ঃ মূল অভিযুক্তক ধৰা নাই

## লিডুৰ অবৈধ কয়লা খনিৰ মাফিয়াসহ আঠজনক সোধ-পোছৰ বাবে আটক

**অগ্ৰদূত বাৰ্তা**

**মাৰ্ঘেৰিটা, ২০ ছেপ্টেম্বৰ ঃ** তিনিচুকীয়া জিলাৰ মাৰ্ঘেৰিটাৰ লিডুত ভূগৰ্ভস্থ অবৈধ কয়লাখনিত মৃত্যু হোৱা তিনিজনকৈ শ্ৰমিকৰ মৃতদেহ উদ্ধাৰৰ পাছতে কয়লাৰ চোৰাং ব্যৱসায়ীৰ বিৰুদ্ধে তৎপৰ হৈ পৰিছে মাৰ্ঘেৰিটা আৰু লিডু আৰক্ষী। মিথেন গেছ নিৰ্গত হৈ মৃত্যুমুখত পৰাৰ শ্ৰমিককেইজনৰ মৃতদেহ ইতিমধ্যে কয়লা মাফিয়াই সমাধিস্থ কৰিছিল। যোৱা নিশা মাৰ্ঘেৰিটা আৰক্ষীয়ে প্ৰশাসনৰ সহযোগত প্ৰায় আঠ ঘণ্টা ধৰি এক্সকেভেটৰেৰে খান্দি মৃতদেহ তিনিটা উদ্ধাৰ কৰে। আনহাতে, কয়লাৰ চোৰাং ব্যৱসায়ত জড়িত থকাৰ অভিযোগত আঠজন লোকক লিডু আৰক্ষীয়ে আটক কৰি সোধপোছ অব্যাহত ৰাখিছে। আটকাধীন শ্ৰমিককেইজন হৈছে যোগীঘোপাৰ মইজাল আলী, *১০ পৃষ্ঠাত চাওক*

দৈনিক অগ্ৰদূত
গুৱাহাটী, ২১ ছেপ্টেম্বৰ, ২০২২ বুধবাৰ পৃষ্ঠা তিনি

**ৰংজুলি বনাঞ্চলত বেদখল উচ্ছেদ অভিযান অব্যাহত**

## দেওশিলা-আঠিয়াবাৰী সংৰক্ষিত বনাঞ্চলত বেদখল কৰা ২০ হেক্টৰ ভূমিত উচ্ছেদ

অগ্ৰদূত বাৰ্তা

**দুধনৈ, ২০ ছেপ্টেম্বৰ ঃ** গোৱালপাৰা বন সংমণ্ডলৰ অন্তৰ্গত ৰংজুলি বনাঞ্চলিক কাৰ্যালয়ৰ অধীনস্থ বনাঞ্চলত আজি পুনৰ চলিল বেদখল উচ্ছেদ অভিযান। একাংশ অসাধু লোকে নিজৰ প্ৰতিপত্তি বঢ়াবৰ বাবে সংৰক্ষিত বনাঞ্চল ধ্বংস কৰি হেজাৰ হেজাৰ বিঘা ভূমিত চাহ বাগিচা গঢ়ি তুলিছে। এই প্ৰক্ৰিয়া চলি থকাৰ মাজতে আজি চাহ খেতি কৰিবলৈ *ছয় পৃষ্ঠাত চাওক*

## অভয়াপুৰীত ৰেলে কাটিলে এজনক

অগ্ৰদূত বাৰ্তা

**অভয়াপুৰী, ২০ ছেপ্টেম্বৰ ঃ** বঙাইগাঁও জিলাৰ অভয়াপুৰীত আজি পুৱতি নিশা ৰেলে যুৱক এজনক মহটিয়াই নিয়াত থিতাতে মৃত্যু হয় যুৱকজন। প্ৰাপ্ত তথ্য মতে, পুৱতি নিশা ৩.১৭ বজাত দেওহাটী-চৌটাকী ৰেল ক্ৰছিঙত সংঘটিত হয় দুৰ্ঘটনাটো। নিহত যুৱকজন দেওহাটীৰে প্ৰাণজিৎ গোস্বামী ওৰফে গুণ (৩৮)। উল্লেখ্য যে যুৱকজন কিছুদিন ধৰি অসুস্থতাত ভুগি আছিল।

### লাখ লাখ টকাৰ বাজেটেৰে পূজা মণ্ডপত কাৰুকাৰ্য-আলোক সজ্জাৰে চমক দিব পূজা সমিতিয়ে

# নগাঁৱৰ তিনি শতাধিক মণ্ডপত দুৰ্গা পূজা



*ইউএছটিএমৰ অষ্টম সমাৱৰ্তনত ডাঃ এন এন দত্তক ডিএছচি ডিগ্ৰী প্ৰদান মেঘালয়ৰ ৰাজ্যপাল সত্যপাল মালিকৰ।*

বিশেষ সংবাদদাতা

**নগাঁও, ২০ ছেপ্টেম্বৰ ঃ** বিগত তিনিটা বৰ্ষত ক'ভিডসৃষ্ট জটিল পৰিস্থিতি আৰু ৰাজ্য চৰকাৰে বলবৎ কৰা স্বাস্থ্য বিধিৰ পৰিপ্ৰেক্ষিতত কেৱল ধৰ্মীয় পৰম্পৰা ৰক্ষা কৰি কোনো ধৰণৰ জাকজমকতা নোহোৱাকৈ অনাড়ম্বৰভাৱে নগাঁও চহৰ আৰু ইয়াৰ পাৰ্শ্বৱৰ্তী অঞ্চলৰ তিনি শতাধিক পূজা মণ্ডপত অনুষ্ঠিত কৰা হৈছিল শাৰদীয় দুৰ্গা পূজা। ক'ভিডৰ পূৰ্বে প্ৰতি বছৰে সেইবোৰ অঞ্চলত দীৰ্ঘকালৰ পৰা অতি আড়ম্বৰপূৰ্ণভাৱে শতাধিক পূজা সমিতিৰ উদ্যোগত ৮০-৯০ হেজাৰৰ পৰা লাখ টকা পৰ্যন্ত বিশাল বাজেটেৰে দুৰ্গা পূজা অনুষ্ঠিত হৈ আহিছিল। নগাঁৱৰ প্ৰতিখন পূজা সমিতিয়ে ধৰ্মীয়-সাংস্কৃতিক পৰম্পৰাগত বৈশিষ্ট্য অটুট ৰাখিও অত্যাধুনিক *ছয় পৃষ্ঠাত চাওক*

## শোণিতপুৰত আঠ লাখৰ অধিক মূল্যৰ হেৰ'ইন জব্দ ঃ ধৃত মহিলা

ষ্টাফ ৰিপ'ৰ্টাৰ

**তেজপুৰ, ২০ ছেপ্টেম্বৰ ঃ** ড্ৰাগছৰ বেহাই উদ্বেগজনক ৰূপ লোৱা শোণিতপুৰত কালি বিয়লি চাৰিদুৱাৰ আৰক্ষীয়ে চলোৱা এক অভিযানত এগৰাকী মহিলাৰ পৰা ৪১ গ্ৰামৰ অধিক পৰিমাণৰ তথা প্ৰায় আঠ লাখ ৫০ হেজাৰ টকাৰ হেৰ'ইন জব্দ কৰা হয়। উল্লেখ্য যে শোণিতপুৰৰ অতিৰিক্ত আৰক্ষী অধীক্ষকৰ কাৰ্যালয়ৰ পৰা লাভ কৰা তথ্যৰ ভিত্তিত চাৰিদুৱাৰ আৰক্ষীয়ে এই অভিযান চলাইছিল। এখন ই-ৰিক্সাত উঠি অহা মহিলাগৰাকীক গুদাম ঘাটৰ অকা বস্তিত আৰক্ষীয়ে আগচি ধৰে যদিও মহিলাগৰাকীয়ে পলায়নৰ চেষ্টা চলায়। পাছত মহিলা আৰক্ষীৰ সহায়ত এই ড্ৰাগছ সৰবৰাহকাৰী মহিলাগৰাকীক কৰায়ত্ত কৰাৰ লগতে তেওঁক খনামুখৰ কেকোকলি নেপালী অঞ্চলৰ নুৰজামানৰ পত্নী তচমিনা বেগম বুলি চিনাক্ত কৰাৰ লগতে তেওঁৰ পৰা তিনিটা চাবোনৰ বাকচত অনা হেৰ'ইনৰ তিনিটা পেকেট উদ্ধাৰ কৰা হয়। উল্লেখ্য যে এই পৰ্যন্ত শোণিতপুৰত উদ্ধাৰ হোৱা এয়াই আটাইতকৈ অধিক পৰিমাণৰ হেৰ'ইন। প্ৰণিধানযোগ্য যে শেহতীয়াকৈ শোণিতপুৰত ড্ৰাগছ আৰু গাঞ্জাৰ বেহা আৰু সৰবৰাহৰে একাংশ মহিলা জড়িত হৈ পৰাটো আৰক্ষীৰ অভিযানত পোহৰলৈ আহিছে। তেজপুৰ আৰু চাৰিদুৱাৰ আৰক্ষী থানাৰ অন্তৰ্গত অঞ্চলত এনে ধৰণৰ কাণ্ডৰে জড়িত চাৰিগৰাকী মহিলা এই পৰ্যন্ত গ্ৰেপ্তাৰ হৈছে।

## লখিমপুৰত ইন্দিৰা মিৰিৰ বিধৱা পেঞ্চন আঁচনিৰ এককালীন সাহায্য প্ৰদানত মন্ত্ৰী বৰাই

অগ্ৰদূত বাৰ্তা

**লখিমপুৰ, ২০ ছেপ্টেম্বৰ ঃ** 'লখিমপুৰ জিলাখন বিশেষকৈ কৃষি প্ৰধান জিলা। সেয়ে কৃষি প্ৰধান জিলা হিচাপে লখিমপুৰ জিলাখনত অত্যাধুনিক পদ্ধতিৰে কৃষিকাৰ্য সম্পাদন কৰি স্ব-নিয়োজন গঢ়াৰ ক্ষেত্ৰত ক্ষিপ্ৰতাৰে কাম কৰি যাব লাগিব।' এই মন্তব্য ৰাজ্য চৰকাৰৰ কৃষি পশুপালন আৰু পশু চিকিৎসা আদি দপ্তৰৰ মন্ত্ৰী অতুল বৰাৰ। লখিমপুৰ *ছয় পৃষ্ঠাত চাওক*



## গোৱালপাৰা মহাবিদ্যালয়ত বৰ্ণাঢ্য বাৰেৰহণীয়া সাংস্কৃতিক শোভাযাত্ৰা

অগ্ৰদূত বাৰ্তা

**মাটিয়া, ২০ ছেপ্টেম্বৰ ঃ** বৰ্ণাঢ্য বাৰেৰহণীয়া সাংস্কৃতিক শোভাযাত্ৰাৰে গোৱালপাৰা মহাবিদ্যালয়ত আজিৰে পৰা আৰম্ভ হৈছে গুৱাহাটী বিশ্ববিদ্যালয়ৰ অধীনস্থ পশ্চিম অসম মণ্ডলৰ যুৱ মহোৎসৱ। আজিৰে পৰা তিনিদিনীয়া বৰ্ণাঢ্য কাৰ্যসূচীৰে অনুষ্ঠিত এই যুৱ মহোৎসৱত গোৱালপাৰাৰ লগতে বঙাইগাঁও, ধুবুৰী, কোকৰাঝাৰ, দক্ষিণ শালমাৰা এই পাঁচ জিলাৰ ২০ খনতকৈ অধিক মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকলে অংশগ্ৰহণ কৰিছে। আজি প্ৰথম দিনাৰ কাৰ্যসূচী অনুসৰি পুৱা ন বজাত মহাবিদ্যালয়ৰ নাম পঞ্জীয়ন, ১০ বজাত পশ্চিম মণ্ডলৰ অন্তৰ্গত মহাবিদ্যালয়সমূহৰ পতাকা উত্তোলন কৰা হয়। ১০.১৫ বজাত ছহিদ তৰ্পণ কৰে গুৱাহাটী বিশ্ববিদ্যালয়ৰ ক্ৰীড়া পৰিষদৰ সচিব ড° ৰঞ্জন কুমাৰ কাকতিয়ে। ইয়াৰ পাছতে উলিওৱা হয় বৰ্ণাঢ্য বাৰেৰহণীয়া সাংস্কৃতিক শোভাযাত্ৰা। উক্ত শোভাযাত্ৰাত বিভিন্ন জাতি-জনগোষ্ঠীৰ সংস্কৃতি যেনে সাজ পাৰ, বিবাহ, কৃষি কাৰ্য, ব্যৱসায়, দৰা-কইনা আদি প্ৰতিফলিত হয়। উক্ত সাংস্কৃতিক শোভাযাত্ৰাৰ উদ্বোধন কৰে গুৱাহাটী বিশ্ববিদ্যালয়ৰ ক্ৰীড়া পৰিষদৰ সচিব ড° কাকতিয়ে আৰু উপস্থিত থাকে গোৱালপাৰা মহাবিদ্যালয়ৰ অধ্যক্ষ ড° সুভাষ বৰ্মনকে ধৰি বিভিন্ন মহাবিদ্যালয়ৰ অধ্যক্ষসকল। দুপৰীয়া ১২ বজাত যুৱ মহোৎসৱৰ উদ্বোধনী সভা অনুষ্ঠিত হয়। গোৱালপাৰা মহাবিদ্যালয়ৰ অধ্যক্ষ ড° সুভাষ বৰ্মনৰ সভাপতিত্বত অনুষ্ঠিত সভাখন উদ্বোধন কৰে গুৱাহাটী বিশ্ববিদ্যালয়ৰ মহাবিদ্যালয় উন্নয়ন পৰিষদৰ সঞ্চালক ড° প্ৰদীপ ফুকনে। সভাত মুখ্য অতিথিৰূপে গোৱালপাৰা জিলা আৰক্ষী অধীক্ষক ভি ভি ৰাকেশ ৰেড্ডীয়ে উপস্থিত থাকি ছাত্ৰ-ছাত্ৰীক উদ্দেশি ভাষণ প্ৰদান কৰে। সভাত বিশিষ্ট অতিথিৰূপে গোৱালপাৰা মহাবিদ্যালয় পৰিচালনা সমিতিৰ সভাপতি ড° অৱনী কুমাৰ ভাগৱতী আৰু সন্মানীয় অতিথিৰূপে গুৱাহাটী বিশ্ববিদ্যালয়ৰ ক্ৰীড়া পৰিষদৰ সচিব ড° ৰঞ্জন কুমাৰ কাকতিয়ে উপস্থিত থাকি যুৱ মহোৎসৱৰ তাৎপৰ্য ব্যাখ্যা কৰে। আবেলি ১.৩০ বজাত সংগীত শাখাৰ প্ৰতিযোগিতা আৰু আবেলি পাঁচ বজাৰ পৰা নাটক শাখাৰ প্ৰতিযোগিতা অনুষ্ঠিত হয়। উক্ত প্ৰতিযোগিতাসমূহত বিভিন্ন মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকলে অংশগ্ৰহণ কৰে।

### মুকুন্দ কাকতিক স্মৰণ মানে অসমীয়াৰ বীৰত্বক স্মৰণ ঃ ময়ূৰ বৰা ■ বৰভাগত ছহিদগৰাকীক স্মৰণ

## বৰভাগত ভাৰত ত্যাগ আন্দোলনৰ ছহিদ মুকুন্দ কাকতিক স্মৰণ

অগ্ৰদূত বাৰ্তা

**নলবাৰী/বৰভাগ/বাহাৰঘাট, ২০ ছেপ্টেম্বৰ ঃ** '৪২ ভাৰত ত্যাগ আন্দোলনৰ বীৰ ছহিদ মুকুন্দ কাকতি এটুকুৰা সোণ আছিল। বৰভাগৰ সোণকানিত জন্ম গ্ৰহণ কৰা মুকুন্দ কাকতি এটুকুৰা সোণ আছিল।' এই মন্তব্য কৰে বিশিষ্ট সাহিত্যিক সমালোচক ময়ূৰ বৰাই। আজি নলবাৰী জিলাৰ বৰভাগৰ ছহিদ মুকুন্দ কাকতি বিদ্যাপীঠ হাইস্কুল, ৰনাকুছিত অনুষ্ঠিত শ্ৰদ্ধাঞ্জলি অনুষ্ঠানত উপস্থিত থাকি তেওঁ এই মন্তব্য কৰে। ভাষা প্ৰসংগত তেওঁ কয় যে ১৯২১ৰ পৰা ১৯৪৭ৰ ভিতৰত অসমীয়া প্ৰান্তীয় সত্তা আৰু ভাৰতীয় সত্তা বিলীন হৈছিল তাৰ উজ্জ্বল নক্ষত্ৰ আছিল মুকুন্দ কাকতি।



ছহিদগৰাকীৰ ৮১ সংখ্যক শ্ৰদ্ধাঞ্জলি অনুষ্ঠানৰ সাৰ্থকতা তেতিয়াহে আহিব যেতিয়া ৰাইজে পণ আৰু সংকল্প লৈ ছহিদৰ স্মৃতি সংৰক্ষিত কৰি ৰাখিব পাৰিব। ছহিদ মুকুন্দ কাকতি বিদ্যাপীঠ হাইস্কুলৰ অৱসৰপ্ৰাপ্ত প্ৰধান শিক্ষক ধীৰেন চৌধাৰীৰ সভাপতিত্ব অনুষ্ঠিত সভাত বৰাই আৰু কয় এই অঞ্চলত বীৰ ছহিদগৰাকীৰ নামেৰে থকা বিদ্যালয়খন *ছয় পৃষ্ঠাত চাওক*

## দুখীয়া নামৰ শব্দটো ৰাজ্যৰ পৰা নোহোৱা কৰিবলৈ চৰকাৰ প্ৰতিশ্ৰুতিবদ্ধ ঃ হাজৰিকা

**বৰ্তমানৰ চৰকাৰৰ দিনত সম্পূৰ্ণ মেধাৰ ভিত্তিত যোগ্যজনেহে চাকৰি লাভ কৰিবলৈ সক্ষম হ'ব ঃ মন্ত্ৰী**

বিশেষ সংবাদদাতা

**মঙলদৈ, ২০ ছেপ্টেম্বৰ ঃ** 'অসম চৰকাৰৰ এখন অন্যতম সফল আঁচনি অৰুণোদয়ৰ জৰিয়তে ৰাজ্যখনৰ দুখীয়া ৰাইজক সকাহ দিয়াৰ প্ৰয়াস কৰা হৈছে। দুখীয়া নামৰ শব্দটো ৰাজ্যখনৰ পৰা নোহোৱা কৰিবলৈ চৰকাৰখন প্ৰতিশ্ৰুতিবদ্ধ। অনাগত সময়ত প্ৰায় ৩২ লাখ মানুহক সামৰি ২৫০০ টকাকৈ অৰুণোদয় আঁচনিৰ অধীনত সাহায্য প্ৰদান কৰাৰ সপোন ৰাজ্য চৰকাৰৰ আছে।' এই মন্তব্য জলসম্পদ, তথ্য আৰু জন সংযোগ আদি বিভাগৰ মন্ত্ৰী পীযুষ হাজৰিকাৰ। *ছয় পৃষ্ঠাত চাওক*






দৈনিক অগ্ৰদূত

গুৱাহাটী বুধবাৰ ৪ আহিন ১৪২৯ ভাস্কৰাব্দ ২১ ছেপ্টেম্বৰ ২০২২

# বিত্তীয় সংকটত ৰাজ্য

ভোট আহৰণৰ লক্ষ্যৰে জধে-মধে বিভিন্ন আঁচনি ঘোষণা কৰি হিতাধিকাৰী সৃষ্টি কৰিবলৈ গৈ অসম চৰকাৰে শিৰ পাতি গ্ৰহণ কৰিবলগীয়া হৈছে শকত ঋণৰ বোজা। এই ঋণৰ বোজা বহন কৰিবলগীয়া হোৱাৰ ফলত ৰাজ্যত হ্ৰাস পাইছে মূলধনী ব্যয়। এই কথাখিনি কোনো বিৰোধী নেতা বা সংবাদ মাধ্যমৰ সাংবাদিকে লিখা কথা নহয়। এই তথ্য আগবঢ়াইছে ভাৰতৰ নিয়ন্ত্ৰক আৰু মহাহিচাপ পৰীক্ষক (কেগ)এ। কেগে বিধানসভাত দাখিল কৰা প্ৰতিবেদনত ৰাজ্যত সংঘটিত এই ভয়াৱহ বিত্তীয় বিশৃংখলাৰ বিষয়ে প্ৰকাশ পাইছে। যোৱা ২০২১ৰ ৩১ মাৰ্চত সমাপ্ত হোৱা বিত্তীয় বছৰটোত বাজেটত ধাৰ্য পুঁজিৰ অধিকাংশ বিনামূলীয়া আঁচনি ৰূপায়ণৰ বাবে ব্যৱহাৰ কৰাৰ ফলত আন্তঃগাঁথনিৰ উন্নয়ন বহু পৰিমাণে হ্ৰাস পাই গৈছে বুলি কেগে উল্লেখ কৰাটো গুৰুত্বপূৰ্ণ।

কেগৰ এই প্ৰতিবেদনত আৰু কোৱা হৈছে যে ৰাজ্যত ২০১৬-১৭ৰ পৰা ২০১৯-২০ বিত্তীয় বছৰটোলৈ মূলধনী ব্যয় ঊৰ্দ্ধমুখী আছিল; কিন্তু প্ৰতিবেদনৰ মতে ২০১৯-২০ৰ পৰা এই মূলধনী ব্যয় হ্ৰাস পাবলৈ ধৰে। কেগৰ প্ৰতিবেদনত কোৱা হৈছে যে ২০১৯-২০ বিত্তীয় বছৰটোত আগৰ বিত্তীয় বছৰটোৰ তুলনাত মূলধনী ব্যয় ১০৬৯.১৬ কোটি টকা হ্ৰাস পাইছে।

ৰাজ্যত অকল মূলধনী ব্যয়েই হ্ৰাস পোৱা নাই, কেগৰ এইবাৰৰ প্ৰতিবেদনে চৰকাৰৰ বিত্তীয় শৃংখলাহীনতাৰ আৰু বহুতো স্বৰূপ উদঙাই দেখুৱাইছে। কেগৰ প্ৰতিবেদনত কোৱা হৈছে যে ৰাজ্যত কৰবিহীন ৰাজহৰ পৰিমাণো প্ৰভূত পৰিমাণে হ্ৰাস পাইছে। ২০১৮-১৯ত ৰাজ্যত কৰবিহীন ৰাজহ সংগ্ৰহৰ পৰিমাণ আছিল ৮২২১.২৯ কোটি টকা। এই ধনৰ পৰিমাণ ২০১৯-২০ত হ্ৰাস পাই ৫৫৩৯.৩৪ কোটি হয়গৈ। ২০২০-২১ বিত্তীয় বছৰটোত ২৮৯৯.৬১ কোটিলৈ কৰবিহীন ৰাজহ পুনৰ হ্ৰাস পায়।

কেগে কৈছে যে অসম চৰকাৰ কৰ সংগ্ৰহৰ ক্ষেত্ৰত চূড়ান্তভাৱে ব্যৰ্থ হৈছে। কৰ সংগ্ৰহ কম হোৱা বাবেই বিত্তীয় ঘাটিৰ পৰিমাণো দেখদেখকৈ বৃদ্ধি পাবলৈ ধৰিছে। কেগে এতিয়া পৰামৰ্শ আগবঢ়াইছে যে অসম চৰকাৰে নিজস্ব উৎসৰ কৰবিহীন ৰাজহ সংগ্ৰহত গুৰুত্ব দিব লাগিব। কেগে ৰাজ্য চৰকাৰৰ বিত্তীয় ব্যৰ্থতাৰ ভালেমান উদাহৰণ দাঙি ধৰিছে। বাজেটত ধাৰ্য কৰা পুঁজি ব্যয়ৰ ক্ষেত্ৰতো অসম চৰকাৰ চূড়ান্তভাৱে ব্যৰ্থ হৈছে বুলি এই প্ৰতিবেদনত কোৱা হৈছে। উল্লেখ কৰিব পাৰি যে অসম চৰকাৰৰ ৫৫টা বিভাগে আজিকোপতি ৩৯,৬২৯.৪৯ কোটি টকা ব্যয়ৰ হিচাপ দাখিল কৰাই নাই। তদুপৰি এইকেইটা ব্যয়ৰ হিচাপ দাখিল নকৰা বিভাগে বৰ্তমানলৈকে ১১,৭১৯ খন পুঁজিৰ ব্যৱহাৰিক প্ৰমাণ পত্ৰ দাখিল কৰিব পৰা নাই।

কেগে এনেদৰে ৰাজ্যত হ'বলগীয়া বিত্তীয় সংকটৰ আগজাননীও দিছে। ক্ৰমবৰ্দ্ধমান ঋণৰ সুত পৰিশোধৰ নামত ৰাজ্য চৰকাৰে হেজাৰ হেজাৰ কোটি টকা ব্যয় কৰিব লাগিব। অহা সাতোটা বছৰৰ ভিতৰতেই ৰাজ্য চৰকাৰে আগেয়ে লোৱা ঋণৰ ৩৭,৬৪১.২২ কোটি টকা পৰিশোধ কৰিব লাগিব। এনেদৰে কেগে ৰাজ্যখনৰ বিত্তীয় পৰিস্থিতিৰ বিষম ছবি এখন দাঙি ধৰিছে। চৰকাৰে খোলা হাতেৰে এনেদৰে হিতাধিকাৰী আঁচনি ঘোষণা কৰি আহিছে যেন চৰকাৰৰ ৰাজকোষত অৰ্বুদ ধন জমা হৈ আছে। সেয়েহে ৰাজ্য চৰকাৰে সস্তীয়া ভোটৰ অংক নকৰি ৰাজ্যখনৰ বিত্তীয় পৰিস্থিতিক সুস্থিৰ কৰি তোলাৰ বাবে বাস্তৱসন্মত ব্যৱস্থা হাতত লওক।

## খোলা মঞ্চ

### এবাৰ মন্ত্ৰীৰ গাদীত বহিলে....



যি লংকালৈ যায় সিয়েই ৰাক্ষস হয় বুলি এষাৰ কথা আছে; কিন্তু সেই লংকাত বিভীষণো আছিল। তেওঁৰ পত্নীৰ লগতে ৰাৱণৰ পত্নী মন্দোদৰীও আছিল। তেওঁলোক সৎ, ধাৰ্মিক আৰু শান্ত প্ৰকৃতিৰ আছিল। গতিকে ৰাক্ষস বুলিলে আমাৰ যিটো ধাৰণা, সেইটোৰ পৰা বহুত আঁতৰত আছিল বিভীষণ বা তেওঁৰ পত্নী বা মন্দোদৰী।আমি বেলতলাত থকা সময়ত অসমৰ মুখ্যমন্ত্ৰী শৰৎ চন্দ্ৰ সিংহৰ ঘৰ আমাৰ ওচৰতে আছিল। তেওঁৰ ঘৰলৈ মই মাজে সময়ে গৈছিলো। ছাৰৰ বাইদেৱে মোক মাতি মাতি পঠিয়াইছিল, কাৰণটো হ'ল তেওঁ অকলশৰীয়া। কাম কৰা ছোৱালীজনীৰ বাহিৰে দিনটো ঘৰত কোনো নাথাকে। ছাৰ পুৱাই ওলাই যায়, দুপৰীয়া কেতিয়াবা আহে আৰু বেছিভাগ নাহে। ছাৰ ক'লৈ যায় বাইদেৱে নাজানে। অৱশ্যে ৰাইজৰ কামতে যে ওলাই যায় সেই কথা বাইদেৱে ভালদৰেই জানে। গতিকে সমাজৰ কামত ঘূৰা মানুহে কেতিয়া ঘৰ সোমায় সেইটোলৈ বাইদেউৰ বৰ বিশেষ কথা নাই। মই বাইদেউক লগ পোৱাৰ সময়ত তেওঁ খোজ কাঢ়িব নোৱাৰে। চকীত বহি থাকে। গতিকে ওলপ ওলাই ইফালে সিফালে যাবও নোৱাৰে। মই দুবাৰমান মোৰ ঘৰলৈ বাইদেউক নিছিলো। চকীৰে সৈতে ডাঙি আনি অট'ত বহাই দিওঁ আৰু ঘৰৰ একেবাৰে চিৰিৰ কাষলৈ অট'খন আনি দুজনে দুই কাষে ধৰি ঘৰত বহাই দিওঁ। মানুহ পালে বাইদেৱে কথাই কৈ থাকে। এবাৰ তেওঁ কৈছিল, জানানে মাজনী, মোৰ যে তেওঁৰ লগত কাজিয়া লাগি থাকে, সেইটো অভাৱৰ বাবে নহয়। অভাৱৰ লগত সহযোগ কৰি চলা অভ্যাস মোৰ হৈ গৈছে। এইজন মানুহ মন্ত্ৰী হৈ থাকোতেও মই এদিনো গাড়ীত ঘূৰিব নাপালোঁ। মোৰ নিজৰ ওপৰত খং উঠিলে তেওঁৰ লগত তেনেকুৱা কৰো। ডেকা বয়সত তেওঁ পাৰ্টীৰ কামত ঘূৰি ফুৰোতে কেতিয়াবা ৰাতি বাৰটা বজাত আঠ-দহজন সতীৰ্থ লগত লৈ আহি ভাত দিবলৈ কয়। বিছনাৰ পৰা উঠি গৈ মই ৰাতি ভাত বনাই তেওঁলোকক খুৱাইছিলো। দিনৰ দিনটো কামত ব্যস্ত থাকি ভাগৰি থাকিলেও তেওঁ কোনো দিনে মোক নুসুধিছিল, তোমাৰ কষ্ট হৈছে নেকি? বিচাৰিলে তেনেকুৱা মন্ত্ৰী হয়তো আৰু ওলাব। কিন্তু আমাৰ মাজত এনে মন্ত্ৰীও আছে যিয়ে নিজেও নাজানে ক'ত কিমান সম্পত্তি আছে! কোৱা বাহুল্য, মন্ত্ৰী, এম এল এ বিলাকৰ গাদীত থাকোতে ক্ষমতা বহুত আৰু যেতিয়া গাদী যায়, তেতিয়া নিজকে বৰ দুৰ্বল দুৰ্বল অনুভৱ কৰে। সেই বাবেই তেওঁলোকে চাৰিওফালে সম্পত্তি কৰি থয়। ধন, টকা-পইচা থাকিলে মনোবল থাকে। মানুহ কিনি থব পাৰে। মেন পাৱাৰ কমি গ'লে কামত আহে। নহ'লে ইমান ধন সম্পত্তি কিহৰ বাবে প্ৰয়োজন?

**অঞ্জলিকা চক্ৰৱৰ্তী,** *লেখিকা*

*ফোন ঃ ৯১০১৭৯৯৫৯৫*

## অভিমত

### ভূগোল-বুৰঞ্জী বাধ্যতামূলক চৰকাৰী সিদ্ধান্তক অভিনন্দন

অহা বছৰৰ পৰা অষ্টম শ্ৰেণীৰ পৰা দশম শ্ৰেণীলৈ বুৰঞ্জী আৰু ভূগোল বিষয় দুটা ছাত্ৰ-ছাত্ৰীৰ মাজত বাধ্যতামূলক কৰাৰ বাবে লোৱা চৰকাৰী সিদ্ধান্তক অভিনন্দন জনালো। ইতিমধ্যে ছাত্ৰ-ছাত্ৰীসকলৰ বহু লোকচান গৈ গ'ল—কাৰণ তেওঁলোকে ভূগোল আৰু বুৰঞ্জীৰ বিষয়ে একো নাজানে। দেশৰ ভৌগোলিক স্থিতি, পৰিৱেশ ইত্যাদি জনাৰ লগতে অতীত গৌৰৱ গাথা, অতীতৰ ইতিহাস ছাত্ৰ-ছাত্ৰীসকলে জনাটো নিতান্তই দৰকাৰী। অৱশেষত চৰকাৰৰ গা লৰা কাৰণে আমি আনন্দ পাইছো।

**গুণেশ্বৰ কৈৱৰ্ত,** ফোন ঃ ৭৮৯৬৯২৫৩৮৮

# অৰ্থহীন হৈছে দলীয় গণতন্ত্ৰ

# নিলাম বজাৰত পৰিণত হ'ব নেকি গণতন্ত্ৰ

নিলাম বজাৰত পৰিণত হ'বলৈ গৈ আছে ভাৰতীয় গণতন্ত্ৰ। যোৱা ২২ জানুৱাৰীত গোৱা বিধানসভা নিৰ্বাচনৰ আটাইবোৰ কংগ্ৰেছ প্ৰাৰ্থীয়ে মন্দিৰ, গিৰ্জাঘৰ আৰু মছজিদৰ চোতালত সেৱা লৈ শপত লৈছিল এইবুলি যে নিৰ্বাচিত হ'লে তেওঁলোকে কেতিয়াও দলত্যাগ নকৰে। কংগ্ৰেছৰ নেতৃত্বই এইবাবেই এইসকল দলীয় প্ৰাৰ্থীক উপাসনা গৃহত শপত লোৱাইছিল যে যোৱা গোৱা বিধানসভাৰ নিৰ্বাচনৰ পাছত কংগ্ৰেছৰ ১৭ গৰাকী নিৰ্বাচনত জয়ী হোৱা প্ৰাৰ্থী তথা বিধায়কৰ ১৫ গৰাকীয়েই বিজেপিত যোগদান কৰিছিল। এনে ঘটনাৰ যাতে পুনৰাবৃত্তি নহয় তাৰ বাবেই কংগ্ৰেছ প্ৰাৰ্থীসকলক এনেদৰে নিৰ্বাচনৰ আগে আগে শপত লোৱাইছিল; কিন্তু ঈশ্বৰ, আল্লা আৰু যীশুৱেও এইসকল বিধায়কক শপত ভংগ কৰি পুনৰ বিজেপিত যোগদানৰ পৰা বাধা দিব নোৱাৰিলে। গোৱাৰ প্ৰাক্তন মুখ্যমন্ত্ৰী বিসম্বাদী কংগ্ৰেছ নেতা দিগম্বৰ কামাতে বিজেপিত যোগদানৰ সপক্ষে যুক্তি দৰ্শাই কৈছে যে তেওঁ মন্দিৰত প্ৰসাদ দান কৰাৰ পাছত ঈশ্বৰে তেওঁক দল সলনি কৰিবলৈ অনুমতি দিছে।



এনেদৰেই ঈশ্বৰক লৈ ভাৰতৰ ৰাজনৈতিক জগতত একপ্ৰকাৰৰ বেহা চলিছে। বিজেপি দলটোৱেই সদায়েই ভাৰতীয় সংস্কৃতি, পৰম্পৰা, বেদ, উপনিষদ, ৰামায়ণ, মহাভাৰতৰ নীতিৰ কথা দোহাৰে। ভাৰতীয় এইবোৰ মহাকাব্য তথা গ্ৰন্থত বাৰে বাৰে নিজৰ বচন ৰক্ষাৰ কথা কোৱা হৈছে। পিতৃ সত্য পালনৰ বাবে ৰাম বনবাসলৈ গৈছিল। ৰামচৰিত মানসত দঢ়াই দঢ়াই কোৱা হৈছে যে প্ৰাণ যায়ে পৰ বচন না যায়ে। পিছে এতিয়া আমাৰ দেশৰ শাসকীয় দলৰ ৰাজনীতিত বচনৰ কোনো মূল্য নাই। আমাৰ দেশত দলত্যাগ তথা বিসম্বাদী ৰাজনীতি বন্ধ কৰাৰ বাবে ১৯৮৫ত তদানীন্তন প্ৰধানমন্ত্ৰী ৰাজীৱ গান্ধীৰ আমোলত বিসম্বাদ বিৰোধী আইন প্ৰণয়ন কৰা হৈছিল। সংবিধান সংশোধন কৰি এই আইন ভাৰতীয় সংবিধানৰ দশম অধ্যায়ত সন্নিবিষ্ট কৰা হৈছিল। পাছলৈ কিহোটা জলোবন বনাম জাছিন্‌হু (১৯৯২) গোচৰত উচ্চতম ন্যায়ালয়ে ৰায় দি এই আইনৰ বৈধতা নিশ্চিত কৰি বিসম্বাদী বিধায়ক সাংসদৰ সদস্য পদ বাতিলকৰণৰ বিষয়টো আইনী বিচাৰৰ বাবে মুকলি থাকিব। এই ৰায়ত ইয়াকো কোৱা হৈছিল যে কোনো নিৰ্বাচিত নেতাই দলৰ নিৰ্দেশৰ বিৰুদ্ধে ভোট দিয়ে, ভোটদানৰ পৰা আঁতৰি থাকে বা আৰু তেনে কোনো ব্যৱস্থা লয় তেনেহ'লে তেওঁলোকৰ সদস্যপদ বাতিলকৰণ যাতে চৰকাৰৰ অস্তিত্ব বিপন্ন হ'লেহে লোৱা হ'ব পাৰে। এনেদৰে উচ্চতম ন্যায়ালয়ে বিসম্বাদী নেতাসকলৰ বাক্ স্বাধীনতাকো স্বীকৃতি দিয়ে।

১৯৬৭ত অনুষ্ঠিত হোৱা ১৬ খন ৰাজ্য বিধানসভা নিৰ্বাচনত কংগ্ৰেছে আঠখন ৰাজ্যত সংখ্যাগৰিষ্ঠতা হেৰুৱায়। ফলত দেশত আৰম্ভ হয় সংযুক্ত চৰকাৰৰ ৰাজনীতি। লগতে ব্যাপক হাৰত আৰম্ভ হয় ৰাজনৈতিক প্ৰব্ৰজনৰ। ১৯৬৭ৰ পৰা ১৯৭১ৰ ভিতৰত সংসদত ১৪২টা বিসম্বাদী প্ৰব্ৰজনৰ ঘটনা সংঘটিত হয় আৰু ৰাজ্য বিধানসভাসমূহত মুঠতে ১৯৬৬টা বিসম্বাদী দলত্যাগৰ ঘটনা ঘটে। ফলত ৩২ খন চৰকাৰৰ পতন ঘটে লগতে ২১২ বিসম্বাদী নেতাই মন্ত্ৰিত্ব লাভ কৰে। হাৰিয়ানাত ভগৱৎ দয়াল মন্ত্ৰীসভাৰ পতনৰ জৰিয়তে প্ৰথমখন কংগ্ৰেছ চৰকাৰৰ পতন ঘটিছিল। এইখন হাৰিয়ানা ৰাজ্যতেই আমাৰ দেশৰ প্ৰথমগৰাকী বিসম্বাদী নেতা মুখ্যমন্ত্ৰী হ'বলৈ সক্ষম হৈছিল বিসম্বাদৰ জৰিয়তে। আনহাতে, এইখন হাৰিয়ানাৰ এগৰাকী বিধায়ক গয়া লালে এপষেকৰ ভিতৰত তিনিবাৰকৈ দল সলনি কৰি দেশখনৰ বিসম্বাদী ৰাজনীতিত খলকনিৰ সৃষ্টি কৰিছিল। এই গয়া লালৰ নামেৰেই ভাৰতীয় বিসম্বাদী ৰাজনীতিৰ অভিধানত আয়াৰাম-গয়াৰাম ফকৰা যোজনাটো সন্নিবিষ্ট হৈছিল। যোৱা ২০০৩ত ৯১ সংখ্যক সংবিধান সংশোধনৰ জৰিয়তে এই বিসম্বাদ বিৰোধী আইনখনৰ কঠোৰতা হ্ৰাস কৰি এটা দলৰ মুঠ বিধায়ক/সাংসদৰ এক তৃতীয়াংশই যদিহে দলত্যাগ কৰি আন দলত যোগদান কৰে, তেতিয়া তেনে নিৰ্বাচিত জনপ্ৰতিনিধিসকলৰ সদস্যপদ বিধানসভা বা সংসদত বাতিল নোহোৱাৰ ব্যৱস্থা কৰা হয়। আমাৰ দেশত বিসম্বাদী আইনৰ জৰিয়তে বিসম্বাদ মুঠেই ৰোধ কৰিব পৰা হোৱা নাই। তাৰ শেহতীয়া প্ৰমাণ হ'ল পশ্চিমবংগৰ তৃণমূল কংগ্ৰেছৰ মুকুল ৰয়। মুকুল ৰয়ে পোনতে কংগ্ৰেছত আছিল পাছলৈ তেওঁ তৃণমূল কংগ্ৰেছত যোগদান কৰে। ২০১৭ৰ ২৫ ছেপ্টেম্বৰত তেওঁ দলৰ পৰা পদত্যাগ কৰে। তেওঁক তৃণমূল কংগ্ৰেছে ছবছৰৰ বাবে নিলম্বিত কৰে দলবিৰোধী কাৰ্যকলাপৰ বাবে। তেওঁ ৰাজ্যসভাৰ সদস্য পদ ত্যাগ কৰে আৰু পাছলৈ বিজেপিত যোগদান কৰে। প্ৰায় চাৰি বছৰৰ পাছত মুকুল ৰয়ে পুনৰ তৃণমূল কংগ্ৰেছত যোগদান কৰে আৰু বিজেপিৰ পৰা পদত্যাগ কৰে। পশ্চিমবংগ



**নিউজ স্কেন**

**গীতাৰ্থ পাঠক**

বিধানসভাৰ ২০২১ত অনুষ্ঠিত নিৰ্বাচনত মুকুল ৰয়ে বিজেপিৰ প্ৰাৰ্থী হৈ পশ্চিমবংগৰ কৃষ্ণনগৰ উত্তৰ সমষ্টিৰ পৰা বিধায়ক হিচাপে নিৰ্বাচিত হয়। তৃণমূল কংগ্ৰেছত যোগদান কৰাৰ পাছতো তেওঁ আনুষ্ঠানিকভাৱে বিজেপিৰ নিৰ্বাচিত বিধায়ক। আনহাতে, বিৰোধী নেতা হোৱাৰ সুবাদত তেওঁক পাব্লিক একাউন্ট সমিতিৰ অধ্যক্ষ পদো দিয়া হৈছিল। বিসম্বাদী আইনৰ অধীনত মুকুল ৰয়ৰ বিধায়কৰ সদস্যপদ বাতিল কৰাৰ বাবে বিৰোধীসকলে দাবী তুলিছিল যদিও অধ্যক্ষই তাক নামানিলে। এনেদৰেই আমাৰ দেশত দলত্যাগ বিৰোধী আইন থকা সত্বেও দলত্যাগ আৰু বিসম্বাদৰ জোৱাৰ কমাব পৰা নাই। বিজেপিয়ে দেশখনক কংগ্ৰেছমুক্ত কৰাৰ বাবে কংগ্ৰেছক নীতিগতভাৱে শেষ কৰাৰ সলনি কংগ্ৰেছৰ কিমান বিধায়ক/সাংসদক চিকাৰ কৰি বিজেপিলৈ আনিব পাৰি, তাৰহে প্ৰতিযোগিতা আৰম্ভ কৰিছে। আমাৰ অসমৰ মুখ্যমন্ত্ৰীগৰাকীকে ধৰি সৰহভাগ মন্ত্ৰী একালৰ কংগ্ৰেছ নেতা। বিজেপিত নিজৰ দলৰ মানুহৰ বিপৰীতে কংগ্ৰেছকে ধৰি অন্যান্য দলৰ নেতাৰহে অধিক পয়োভৰ। প্ৰথমৰ পৰা বিজেপি ৰাজনীতি কৰাসকলৰ স্থান এতিয়া বিজেপিত কম। অসমৰ বিদেশী নাগৰিকৰ সমস্যা সমাধানৰ প্ৰধান অন্তৰায় আইএমডিটি আইনখন আইনী যুঁজেৰে বাতিল কৰি অসমৰ একালৰ জাতীয় নেতা হোৱা অগপ নেতাই পাঁচ বছৰ অসমৰ মুখ্যমন্ত্ৰী হৈ অসমৰ পৰা বিদেশী আঁতৰ কৰাৰ ক্ষেত্ৰত অন্যতম অন্তৰায়ৰ সৃষ্টি কৰা নাগৰিকত্ব সংশোধনী আইনৰ যথাৰ্থতা প্ৰমাণ কৰাৰ বাবে উঠি-পৰি লাগি গ'ল। সি যি কি নহওক, এনেদৰেই ধাৰ কৰা নেতাৰে চলিছে বিজেপি। সেয়া বাৰু সম্পূৰ্ণ সুকীয়া বিষয়।

**বিজেপিত নিজৰ দলৰ মানুহৰ বিপৰীতে কংগ্ৰেছকে ধৰি অন্যান্য দলৰ নেতাৰহে অধিক পয়োভৰ। প্ৰথমৰ পৰা বিজেপি ৰাজনীতি কৰাসকলৰ স্থান এতিয়া বিজেপিত কম**

এতিয়া অন্যান্য দেশৰ কথালৈ আহো। দল বাগৰা ৰাজনীতি অকল ভাৰততেই আছে নে আন আন দেশতো এই সমস্যা আছে তাক পৰ্যালোচনা কৰা প্ৰয়োজন। হয়, ভাৰতৰ বাদেও বিশ্বৰ বিভিন্ন দেশত বিসম্বাদী ৰাজনীতি চলা দেখা যায়। বিশ্বৰ ভালেমান উন্নত গণতান্ত্ৰিক দেশতো বিসম্বাদী ৰাজনীতিৰ সমস্যা আছে। পিছে সেই দেশসমূহৰ সৰহভাগেই বিসম্বাদ বিৰোধী আইন প্ৰণয়ন কৰা নাই। বিসম্বাদ বিৰোধী আইন প্ৰণয়ন নকৰাকৈয়েই প্ৰচলিত আইনৰ মাজেৰে বিসম্বাদৰ সমস্যাটো মোকাবিলা কৰিবলৈ চেষ্টা চলাই আহিছে। ১৯৩১ত লেবাৰ দলৰ ইংলণ্ডৰ প্ৰথম প্ৰধানমন্ত্ৰী ৰামচে মেকডোনাল্ডে অৰ্থনৈতিক সংকট জোৰা মৰাৰ বাবে লোৱা নীতিৰ স'তে মতানৈক্য হোৱাত দলত্যাগ কৰিছিল। ১৯৩১ৰ পৰা ১৯৩৫লৈ তেওঁ কনজাৰভেটিভ দল সংখ্যাধিক্যৰ দ্বাৰা নিয়ন্ত্ৰিত জাতীয় চৰকাৰৰ নেতৃত্ব বহন কৰিছিল। আমেৰিকা যুক্তৰাষ্ট্ৰত বহু কংগ্ৰেছৰ সদস্যই দলৰ নীতিৰ বা কাৰ্যসূচীৰ বিৰুদ্ধে ভোটদান কৰা দেখা যায় অথচ কোনো আন দলতো যোগদান এওঁলোকে নকৰে। অষ্ট্ৰেলিয়াৰ সংসদতো ব্যাপক বিসম্বাদ দেখা যায় আৰু সঘনে চৰকাৰো ভঙা-পতা হোৱা দেখা যায়; কিন্তু আমাৰ দেশৰ দৰে তেৰাৰ শপত লৈ ১০ মাহ নৌহওতেই আকৌ ভগৱানৰ নামতেই শপত ভংগ কৰি বিসম্বাদী ৰাজনীতি কৰাৰ উদাহৰণ নাই। আনহাতে, হাৰিয়ানাৰ গয়া লালৰ দৰেও তেজপিয়াৰ লেখীয়াই সঘনে ৰং পৰিৱৰ্তন কৰা নেতা আন দেশত বিৰল।

দিল্লী বিশ্ববিদ্যালয়ৰ সাহিত্যৰ অধ্যাপক তথা বিশিষ্ট লেখক বদ্ৰি ৰাইনাই এক প্ৰবন্ধত বিসম্বাদ সম্পৰ্কে মনোগ্ৰাহী মত প্ৰকাশ কৰিছে। 'দ্য ৱেৰ' নিউজ পৰ্টেলত লিখা প্ৰবন্ধটোত তেওঁ কৈছে যে ৰাজনৈতিক ক্ষমতালৈ নিৰ্বাচিত হৈ আহিব খোজা ৰাজনীতিকসকলে নিৰ্দলীয় প্ৰাৰ্থী হিচাপে নিৰ্বাচনত প্ৰতিদ্বন্দ্বিতা কৰক। নিৰ্বাচিত হোৱাৰ বাবে তেওঁলোকে ভোটদাতাসকলক যেনেকৈ পাৰে তেনেদৰে প্ৰভাৱান্বিত কৰক। এনেদৰে যিসকল জনপ্ৰতিনিধি বিধানসভা বা সংসদলৈ নিৰ্বাচিত হ'ল তেওঁলোকক লৈ এখন ৰাজনৈতিক মেলা অনুষ্ঠিত হওক। ঠিক আই পি এলৰ দৰেই। নিৰ্বাচনৰ ফলাফল ঘোষণা কৰাৰ পাছতেই এনে প্ৰাৰ্থী মেলা অনুষ্ঠিত হওক। তাত ইচ্ছুক ৰাজনৈতিক দলসমূহে নিলামৰ জৰিয়তে এই নিৰ্বাচিত প্ৰাৰ্থীসকলক ক্ৰয় কৰক। এনে হ'লে নিৰ্বাচন আয়োগৰো প্ৰয়োজন নাথাকিব, চৰকাৰৰ ৰাজহও বাচি যাব। শুনাত হয়তো এয়া হাস্যকৰ; কিন্তু সকলো ধৰণৰ ৰাজনীতিৰ শেষ উদ্দেশ্য যদিহে ক্ষমতা দখল কৰাটোৱেই হয়, তেনেহ'লে এনে নিলামতকৈ উত্তম কি ব্যৱস্থা হ'ব পাৰে আৰু?

মুখৰ বচনক সৰ্বাধিক মূল্য দিয়া ভাৰতীয় সভ্যতাৰ পূজাৰী হিচাপে নিজকে তুলি ধৰা শাসক দলৰ নেতাসকলে যেতিয়া পদে পদে বচন ভংগ কৰে, মিথ্যাচাৰৰ আশ্ৰয় লয় তেনেহ'লে আমাৰ গণতন্ত্ৰৰ ভৱিষ্যৎ কি আমি সহজে কল্পনা কৰিব পাৰো। স্পষ্টভাৱে সমাজবাদৰ আদৰ্শ উল্লেখ কৰা ভাৰতীয় সংবিধান আৰু বিজেপিৰ দলীয় সংবিধানৰ শপত খাই ক্ষমতাত আৰোহণ কৰি সমাজবাদ নামানো বুলি উৰুৱাই দিয়া আৰু নিৰ্বাচনী ঝুমলা বুলি কেন্দ্ৰীয় গৃহমন্ত্ৰীগৰাকীয়ে বিদেশত গচ্ছিত ক'লা ধন ওভতাই আনি প্ৰতিটো পৰিয়ালকেই ১৫ লাখকৈ টকা দিয়া প্ৰতিশ্ৰুতিক প্ৰহসনত পৰিণত কৰাটো প্ৰণিধানযোগ্য।

নিকিতা খুশ্চেভে কৈছিল—ৰাজনীতিকসকলৰ চৰিত্ৰ সকলোতে একেই, তেওঁলোকে নদী নোহোৱা ঠাইতো দলং নিৰ্মাণৰ প্ৰতিশ্ৰুতি দিয়ে। ব্ৰিটিছ প্ৰধানমন্ত্ৰী উইনষ্টন চাৰ্চিলে কৈছিল ঃ সকলো ৰাজনীতিকেই কাইলৈ, পৰৱৰ্তী সপ্তাহত, মাহটোত অথবা বছৰটোত কি ঘটিব, তাক ক'ব পৰা ক্ষমতা থকা প্ৰয়োজন আৰু পাছলৈ ভৱিষ্যদ্বাণী কৰা মতে কিয় একো নঘটিল তাক ভালদৰে ব্যাখ্যা কৰাৰ ক্ষমতাও তেওঁলোকৰ থাকিব লাগিব।

*ফোন ঃ ৯৪৩৫০৪৮৪৮৪*

# দেশ প্ৰগতিৰ পথত নে ধ্বংসৰ গৰাহত?

## অনুৎপাদিত আঁচনিসমূহ বন্ধ কৰি আয়বৰ্ধক আঁচনিত বিনিয়োগ কৰিলে সকলোৰে উপকাৰ হ'ব

**জ্যোতিষ চন্দ্ৰ দত্ত**

**ৰাস্তা**-ঘাট, স্কুল-কলেজ, চিকিৎসালয়, বিশ্ববিদ্যালয়, দলং, উৰণীয়া সেতু মন্দিৰ, নামঘৰ আদিৰে দেশ প্ৰগতিৰ পথত অগ্ৰসৰ হৈছে। পৰ্বত-পাহাৰ সমান কৰি, গছ-গছনি কাটি বৰ বৰ অট্টালিকা সাজিছে। বিল, পুখুৰী, জলাশয় পুতি বাসস্থান কৰিছে। নদীত বান্ধ দি পানীৰ পৰা বিজুলী উৎপাদন কৰি দিন আৰু ৰাতিৰ মাজত পাৰ্থক্য নোহোৱা কৰিছে। ডাঙৰ ডাঙৰ উদ্যোগ গঢ় দি মানুহৰ প্ৰয়োজনীয় সামগ্ৰী উৎপাদন কৰিছে। গাঁৱে-ভূঞে প্ৰকাণ্ড টাৱাৰ বহুৱাই 'ডিজিটেল ইণ্ডিয়া' বনালে। ৰেল ষ্টেছন, বিমানঘাটি বনাই যাতায়াতৰ সুবিধা কৰি দিছে। গৰম, ঠাণ্ডাৰ পৰা হাত সাৰিবলৈ এয়াৰ কুলাৰ, এয়াৰ কণ্ডিচন সংযোগ স্থাপন কৰিছে। ঘৰতে বহি সুস্বাদু আহাৰৰ জুতি ল'ব পৰা ব্যৱস্থা কৰি দিছে। মনৰ চখ পূৰণ কৰিবৰ বাবে বিলাসী গাড়ীৰ ব্যৱস্থা কৰি দিছে। ভূখণ্ডৰ গৰ্ভত থকা খনিজ সম্পদসমূহ খান্দি উলিয়াই মানুহৰ প্ৰয়োজন পূৰণ কৰিছে। দেশৰ সুৰক্ষাৰ বাবে যুদ্ধ বিমানকে আদি কৰি মাৰণাস্ত্ৰসমূহ ক্ৰয় কৰি মজুত কৰি ৰাখিছে। খেতি কৰা পুৰণি সা-সঁজুলিসমূহ আঁতৰাই নতুন পদ্ধতিৰে খেতিবাতি কৰাৰ ব্যৱস্থা কৰিছে। মানুহৰ শাৰীৰিক পৰিশ্ৰম কমাবৰ বাবে নানা ধৰণৰ যন্ত্ৰপাতিৰ যোগান ধৰিছে। মাটিৰ তলত ডাঙৰ ডাঙৰ পাইপ বহুৱাই পানী, গেছ আদিৰ ব্যৱস্থা কৰিছে। নানা ধৰণৰ ঔষধ, অস্ত্ৰোপচাৰ, কৃত্ৰিম অংগ সংযোগ আদিৰে মানুহৰ আয়ুস বৃদ্ধি কৰিছে। জনসংখ্যা নিয়ন্ত্ৰণ কৰি পৃথিৱীৰ ভাৰসাম্যতা ৰক্ষা কৰিবলৈ চেষ্টা কৰিছে। প্ৰয়োজন সাপেক্ষে আইন-কানুন প্ৰস্তুত কৰি সমাজখন শৃংখলাবদ্ধ কৰি ৰাখিবলৈ চেষ্টা কৰিছে। যিমানে সুবিধা প্ৰদান কৰি হৈছে, সিমানে মানুহ ব্যক্তিকেন্দ্ৰিক হৈ কামনা-বাসনা বৃদ্ধি হৈ গৈ আছে। মানুহৰ কামনা-বাসনা পূৰ্ণ কৰিবলৈ নানা ধৰণৰ কৌশল অৱলম্বন কৰি প্ৰকৃতি প্ৰদত্ত সম্পদসমূহ ব্যৱহাৰ কৰিব ধৰিলে। তথাপি মানুহৰ সন্তুষ্টি আনিব পৰা নাই। উপায়বিহীন হৈ পৃথিৱীত থকা প্ৰকৃতি প্ৰদত্ত সম্পদসমূহ পৰ্যাপ্ত পৰিমাণৰ নহ'ব বুলি চিন্তা কৰি অন্যান্য গ্ৰহৰ সন্ধান বিচাৰিবলৈ ধৰিছে। চন্দ্ৰ আৰু মঙল গ্ৰহৰ অনুসন্ধান পোৱা বুলি বৈজ্ঞানিকে প্ৰকাশ কৰাৰ লগে লগে অতিৰিক্ত সুখৰ সন্ধান বিচাৰি চন্দ্ৰ আৰু মঙল গ্ৰহলৈ যাবলৈ ধনী মানুহখিনিয়ে মন মেলিলেই। মনে বিচৰা সুখ বিচাৰি পাবনে? অধিক সুখ বিচাৰোতে থকাখিনিও হেৰাই যাব নেকি? উন্নয়ন আৰু বিকাশৰ পম খেদি দেশখনক ধ্বংসৰ মুখলৈ ঠেলি দিব নেকি? ইতিমধ্যে জলবায়ুৰ পৰিৱৰ্তন, প্ৰাকৃতিক দুৰ্যোগ, মহামাৰীয়ে সংকেত প্ৰদান কৰিছে। সময় থাকোতে মনৰ পৰিৱৰ্তন কৰিবৰ হ'ল।

ধৰ্ম আচৰণ কৰা হয় মনক নিয়ন্ত্ৰণ কৰি কাম, ক্ৰোধ, লোভ, মোহ, মদ, মাৎসৰ্য ষড়ৰিপু দমন কৰিবৰ বাবে অৰ্থাৎ নিজক শুদ্ধ কৰিবৰ বাবে। ষড়ৰিপু দমন হ'লে সেৱাৰ মনোবৃত্তি জাগ্ৰত হয়। সেৱা হ'ল জীৱৰ সনাতন ধৰ্ম। শংকৰদেৱে প্ৰচাৰ কৰা 'একশৰণ হৰিনাম' ধৰ্মৰ মূল উদ্দেশ্যই হ'ল জাতি, বৰ্ণ-নিৰ্বিশেষে প্ৰত্যেকেই প্ৰত্যেকক ঈশ্বৰ জ্ঞান কৰি প্ৰেম ভাৰ জাগ্ৰত কৰি হিংসা, দ্বেষ নাইকিয়া কৰি আনন্দৰ সৃষ্টি কৰা। কিন্তু সুবিধাবাদীসকলে ধৰ্মক অধৰ্ম মানি, অধৰ্মক ধৰ্ম সাজি ৰাজনৈতিক ৰহন সানি অপ্ৰচাৰ কৰি মানুহৰ মাজত সাম্প্ৰদায়িক বীজ সিঁচি সন্ত্ৰাসৰ সৃষ্টি কৰিছে। ধৰ্মই শান্তি সৃষ্টি কৰে, কিন্তু এই সুবিধাবাদীসকলে ধৰ্মৰ নামত ভেদাভেদ, সাম্প্ৰদায়িকতা, হিংসা, দ্বেষ সৃষ্টি কৰি নিজৰ সুবিধাৰ বাবে অশান্তিৰ সৃষ্টি কৰে। ফলস্বৰূপে প্ৰত্যেকেই প্ৰত্যেকক ঘৃণাৰ দৃষ্টিৰে বিচাৰ কৰি কাজিয়াৰ সূত্ৰপাত কৰে। এই সুবিধাবাদীসকলে মুখত উন্নয়ন আৰু বিকাশৰ শ্ল'গান গাই, ধৰ্মৰ নামত ভেদাভেদ আনি দেশ বিভাজনৰ অভিসন্ধি কৰে। এইসকলক চিনাক্ত কৰি উচিত ব্যৱস্থা গ্ৰহণৰ সময় সমাগত।

ভাৰতীয় সংবিধানত মাত্ৰ ১০ বছৰৰ বাবে নিষ্পেষিত, নিপীড়িত সম্প্ৰদায়সমূহক অৰ্থনৈতিক আৰু সামাজিকভাৱে সবলীকৰণৰ উদ্দেশ্যে অনুসূচিত জাতি আৰু অনুসূচিত জনজাতি চিহ্নিত কৰি অনুসূচীৰ অন্তৰ্ভুক্ত কৰা হৈছিল; কিন্তু ১০ বছৰ ১০ বছৰ কৰি ৭৫ বছৰ অতিক্ৰম কৰিলে। তথাপি অৰ্থনৈতিক আৰু সামাজিকভাৱে সবল হ'ল নে নাই, তাৰ পৰ্যালোচনা কৰা পৰিলক্ষিত নহ'ল। প্ৰতি বছৰে কোটি কোটি টকা খৰচ কৰি গৈ থাকিল। 'আদাক দেখি উঠিল গা কেতুৰীয়ে বোলে মোকো খা।' সেয়ে আন জনগোষ্ঠীসমূহে অনুসূচিত জাতি আৰু অনুসূচিত জনজাতি হ'বলৈ মন মেলিলে। ৭৫ বছৰ পূৰ্বে এই ছয় জনগোষ্ঠী অৰ্থনৈতিক আৰু সামাজিকভাৱে সবল আছিল নেকি? নে এই ছয় জনগোষ্ঠীক তালিকাভুক্ত নকৰাকৈ ৰৈ গ'ল? এতিয়া সমাজ ব্যৱস্থা সলনি হ'ল। এই সময়ত আন আন জনগোষ্ঠীক অনুসূচিত জাতি আৰু অনুসূচিত জনজাতিত অন্তৰ্ভুক্ত কৰা কিমান যুক্তিসংগত? বিচাৰ কৰিবৰ হ'ল। প্ৰত্যেক সম্প্ৰদায়তে ধনী, দুখীয়া আছে। গতিকে দুখীয়াসকলক বিশেষ ব্যৱস্থা গ্ৰহণ কৰি অৰ্থনৈতিক সবলীকৰণৰ ব্যৱস্থা কৰিব লাগে; কিন্তু তাকে নকৰি জাতিৰ ভিত্তিত বছৰ বছৰ ধৰি সংৰক্ষণ ব্যৱস্থা কিমান যুক্তিসংগত? সংৰক্ষণৰ ব্যৱস্থাই দেশখনক প্ৰগতি বা বিকাশৰ পৰিৱৰ্তে ধ্বংসৰ মুখলৈ ঠেলি দিব। ভোটৰ আশাত কোনো ৰাজনৈতিক দলে হস্তক্ষেপ কৰিব নিবিচাৰে। মাত্ৰ টোপ দি সময় অতিবাহিত কৰে। ৰাজনৈতিক সমীকৰণ বাদ দি সঁচা অৰ্থত মানৱ সেৱা কৰাৰ সময় সমাগত।

অৰ্থনৈতিকভাৱে দুৰ্বল শ্ৰেণীটোৰ সবলীকৰণৰ বাবে শুভ চিন্তক, বুদ্ধিজীৱী, অৰ্থনীতিবিদ, ৰাজনৈতিক নেতা সকলোৱে মিলি কিছুমান আঁচনি যুগুত কৰিলে। বাতৰি কাকত, বৈদ্যুতিন মাধ্যম, সামাজিক মাধ্যম আদিত বহুলভাৱে প্ৰচাৰ কৰিলে। বিজ্ঞাপনৰ ব্যৱস্থা কৰিলে। এই বিজ্ঞাপন পঢ়ি এনে ভাব হয়, ভাৰতবৰ্ষত দুখীয়া মানুহ নাইকিয়া হ'ব। দুখীয়াৰ পঁজাঘৰ পকীঘৰ বনাব, দুখীয়াসকল লঘোণে থাকিব নালাগে, কল, আপেল খাব পাৰিব, ঔষধৰ অভাৱত মৃত্যু যন্ত্ৰণা ভোগ কৰিব নালাগে, আইসকলে চকুপানী মচি মচি ভাত ৰান্ধিব নালাগে, গেছৰ যোগান ধৰা হ'ব, বিয়া নোহোৱা বয়সীয়া ছোৱালীবোৰ ঘৰৰ বোজা হ'ব নালাগে, বেংকত টকা ভৰাই দিয়া



হ'ব, বিধৱা মহিলাসকলক এককালীন সাহায্য প্ৰদান কৰা হ'ব, বৃদ্ধসকলৰ বাবে বৃদ্ধ পেন্সন দিয়া হ'ব আৰু যে কিমান আঁচনি। বাস্তৱিকতে এই আঁচনিসমূহে দুখীয়াসকলক উপকৃত কৰিছে নে? দুখীয়াসকল অৰ্থনৈতিকভাৱে সবল হৈছেনে? ইয়াৰ আঁতিগুৰি বিশ্লেষণ কৰিলে দেখা যায় যে এই আঁচনিসমূহে সাময়িক সকাহ দিছে যদিও ই দৰিদ্ৰ নিৰ্মূলকৰণৰ পথ নহয়। এই আঁচনিসমূহ ৰূপায়ণত ৰাজভঁৰালৰ অধিকাংশ ধন ব্যয় কৰিব লগা হয়। আয়ৰ অনুপাতে ব্যয় অধিক কৰিব লগা হোৱাত জোৰা-টাপলি মাৰিবলৈ ঋণৰ ব্যৱস্থা ল'ব লগা হয়। ঋণৰ কিস্তি পৰিশোধৰ ক্ষমতা হ্ৰাস পোৱাৰ লগে লগে আয়ৰ উৎস বিচাৰি জনসাধাৰণৰ ওপৰত কৰৰ বোজা জাপি দিয়া হয়। কৰৰ বোজাই জনসাধাৰণক জ্বালা-যন্ত্ৰণা ভোগায়। অনুৎপাদিত আঁচনিসমূহ বন্ধ কৰি আয়বৰ্দ্ধক আঁচনিত বিনিয়োগ কৰিলে সকলোৰে উপকাৰ হ'ব। নহ'লে ভাল বুলি চিন্তা কৰোতে কাল হ'বলৈ বেছিদিন নালাগে।

দুৰ্নীতি ৰোধৰ বাবে বিভিন্ন ব্যৱস্থা গ্ৰহণ কৰিছে; কিন্তু দুৰ্নীতি কমাৰ পৰিৱৰ্তে দুৰ্নীতি বৃদ্ধিহে পাইছে। দুৰ্নীতিকাৰীয়ে নতুন নতুন কৌশল প্ৰয়োগ কৰি চৰকাৰৰ চকুত ধূলি মাৰি দুৰ্নীতি কৰি গৈ আছে। এক শ্ৰেণীৰ অসাধু ব্যৱসায়ী, কৰ্মচাৰী, ৰাজনৈতিক নেতা, উদ্যোগপতি, মন্ত্ৰী, বিধায়ক, সাংসদ আদিয়ে আঁচনিৰ ধন বিভিন্ন কৌশল প্ৰয়োগ কৰি আত্মসাৎ কৰি আহিছে। দৰিদ্ৰ লোকৰ মুখৰ ভাত কাঢ়ি এই লোকসকলে ৰাজ অট্টালিকা, বিলাসী গাড়ী, বেংক বেলেঞ্চ বৃদ্ধি কৰি সমাজত প্ৰতিপত্তিশালী ব্যক্তি হিচাপে প্ৰতিষ্ঠা লাভ কৰিছে। এই লোকসকলক প্ৰচলিত আইন-কানুনে ঢুকি নাপায়। কাৰণ এই ব্যক্তিসকলৰ লগত ক্ষমতাশালী মন্ত্ৰী আৰু ক্ষমতাশালী ব্যক্তিৰ আশীৰ্বাদ থাকে। এজন ভোকাতুৰ ব্যক্তিয়ে পেটৰ জ্বালা সহ্য কৰিব নোৱাৰি ওচৰৰ দোকানীজনৰ পৰা এখন ৰুটি চুৰ কৰি ভোক নিবাৰণৰ চেষ্টা কৰে; কিন্তু তাক চোৰ সাজি মানুহ নামৰ প্ৰাণীবোৰে তাক মাৰপিট কৰে। কিন্তু দুখীয়াৰ ধনেৰে ধনী হোৱা এইসকল লোকৰ প্ৰতি আঙুলি টোঁৱাবলৈও সাহ নাই। ৰুটি চুৰি কৰা মানুহজনক মাৰপিট কৰা মানুহবোৰৰ নিচিনা হেজাৰ হেজাৰ মানুহে সুবিধা পালেই দুৰ্নীতি কৰে। সুবিধা নোপোৱাখিনিয়ে দুৰ্নীতি, দুৰ্নীতি বুলি চিঞৰি ক্ষোভ প্ৰকাশ কৰে। সুবিধা পালেই মনে মনে থাকে। দুৰ্নীতি ৰোধ কৰিবলৈ হ'লে প্ৰতিজন ব্যক্তিয়ে সেৱাৰ মনোবৃত্তিৰে কাম কৰিব লাগিব। ব্যক্তিকেন্দ্ৰিক স্বাৰ্থ বিসৰ্জন দিব লাগিব। প্ৰতিজন মানুহৰ মনত দুৰ্নীতিৰ প্ৰতি ঘৃণাৰ ভাব জন্ম দিব লাগিব। বাস্তৱিকতে 'মুখত দুৰ্নীতি ৰোধৰ শ্ল'গান, হাতে-কামে দুৰ্নীতিৰ বেহা, এনেকৈ চলিছে ৰাইজৰ সেৱা। মুখত উন্নয়ন-বিকাশৰ মহামন্ত্ৰ, আনফালে প্ৰজাৰ তেজ শুহি শুহি গণতন্ত্ৰৰ নামত চলাইছে ৰাজতন্ত্ৰ। বিচাৰ কৰক 'দেশ প্ৰগতিৰ পথত নে ধ্বংসৰ গৰাহত?'

নিবনুৱা সমস্যাই দেশত এক ভয়াৱহ পৰিস্থিতিৰ সৃষ্টি কৰিছে। দিনে দিনে নিবনুৱাৰ সংখ্যা বাঢ়ি গৈ আছে। নিয়োগৰ ব্যৱস্থা কৰিছে যদিও পৰ্যাপ্ত পৰিমাণৰ নহয়। বিভিন্ন ৰাজ্যত নিবনুৱাৰ সমস্যা বিভিন্ন ধৰণৰ। কিছুমান ৰাজ্যই নিবনুৱাক সংস্থাপন দিবলৈ সক্ষম হৈছে। কিন্তু অসমত! শেহতীয়াকৈ অসমত চতুৰ্থ বৰ্গৰ আৰু তৃতীয় বৰ্গৰ চৰকাৰী কৰ্মচাৰীৰ বাবে (২৬ হেজাৰ পদৰ বাবে) বিজ্ঞাপন দিয়া হৈছিল। ২৬ হেজাৰ পদৰ বিপৰীতে ন লাখ ৩৪ হেজাৰ নিবনুৱাই আবেদন দাখিল কৰিলে। ২৬ হেজাৰ নিবনুৱাই চাকৰি পাব, বাকী ন লাখ আঠ হেজাৰ নিবনুৱাৰ চকুপানী কোনে মচিব? জিলাভিত্তিত এই সকল নিবনুৱাৰ লগত আলোচনা কৰি ৰুচি অনুসাৰে কৃষিখণ্ড, উদ্যোগ খণ্ডত নিয়োগৰ ব্যৱস্থা কৰাৰ পৰিকল্পনা কৰিব পাৰে। চৰকাৰৰ সদিচ্ছা, সদ্‌ভাৱনা থাকিলে এই নিবনুৱাসকলক সংস্থাপন কৰাৰ অনেক উৎস ওলাব। নিবনুৱাৰ সংস্থাপনৰ ব্যৱস্থা কৰিব নোৱাৰিলে সমাজলৈ, দেশলৈ এক অশনি সংকেত কঢ়িয়াই আনিব।

ফোন ঃ ৯৮৫৪০৪১৮১৫

# আদালতৰ পৰা গোচৰ প্ৰত্যাহাৰ

**আদালতৰ পৰা গোচৰ প্ৰত্যাহাৰ কৰিবলৈ ৰাজ্য চৰকাৰে বিচৰা এই সমগ্ৰ প্ৰক্ৰিয়াটো আইনগতভাৱে সহজ হয়নে নহয়, সেই বিষয়ে উচ্চতম ন্যায়ালয়ে প্ৰদান কৰা কে'বাটাও ৰায়ৰ ওপৰত ভিত্তি কৰি গোচৰ প্ৰত্যাহাৰৰ বিষয়টো ইয়াত পৰ্যালোচনা কৰা হৈছে এইবাবেই যে গোচৰ প্ৰত্যাহাৰৰ ক্ষেত্ৰত ৰাজ্য চৰকাৰ অগ্ৰসৰ হওঁতে বিশেষ সাৱধানতা অৱলম্বন কৰে**

**পৰ্যালোচনা**
**হৰেন বুঢ়াগোহাঞি**



**মুখ্যমন্ত্ৰী** ড° হিমন্ত বিশ্ব শৰ্মাই আদালত সমূহত বিচাৰাধীন হৈ থকা, চাৰি লাখতকৈ অধিক গোচৰৰ পৰা এক লাখ ফৌজদাৰী গোচৰ, ফৌজদাৰী কাৰ্যবিধিৰ (Criminal Procedure Code) ৩২১ ধাৰা মতে প্ৰত্যাহাৰ কৰিবলৈ লোৱা প্ৰচেষ্টাই গোচৰত জড়িতসকলৰ বাবে এক আশাৰ ৰেঙণি কঢ়িয়াই আনিছে। ইয়াৰ পৰিণাম হিচাপে ৰাজ্যখনৰ নিম্ন আদালত সমূহ বহু পৰিমাণে উপকৃত হ'ব বুলিও ধাৰণা কৰা হৈছে। এই সন্দৰ্ভত প্ৰথম পদক্ষেপ হিচাপে ৰাজ্যিক মন্ত্ৰী সভাই লঘু গোচৰ সমূহ প্ৰত্যাহাৰ কৰিবলৈ অনুমোদন দিয়াৰ ফলত বিষয়টো আগুৱাই নিয়াত

আদালতৰ পৰা ফৌজদাৰী গোচৰ প্ৰত্যাহাৰ কৰা সন্দৰ্ভত ২০০৪ৰ চাৰি মাৰ্চত, অসম বিধান সভাৰ বাজেট অধিৱেশনত, বিৰোধী দলে এক হুলস্থূলীয়া পৰিৱেশৰ সৃষ্টি কৰিছিল। ইয়াৰ প্ৰধান কাৰণ আছিল, ২০০৴ ২৮ জানুৱাৰীত অসম চৰকাৰৰ গৃহ আৰু ৰাজনৈতিক বিভাগে ৩৯ টা ফৌজদাৰী গোচৰ প্ৰত্যাহাৰ কৰিবলৈ ২৩ খন জিলাৰ উপায়ুক্ত, মহকুমাধিপতি, আৰক্ষী অধীক্ষক, আৰক্ষী সঞ্চালক প্ৰধান, অতিৰিক্ত আৰক্ষী সঞ্চালক প্ৰধান (চি আই ডি), আৰক্ষী মহাপৰিদৰ্শক (বিশেষ শাখা), উপ-আৰক্ষী মহাপৰিদৰ্শক আৰু ৰাজ্যখনৰ তিনিটা মণ্ডলৰ আয়ুক্তলৈ এক বেঁতাৰ বাৰ্তা প্ৰেৰণ কৰিছিল (নম্বৰ পি এল এ ৫৮৬য়২০০২য়৫৮) উক্ত বেঁতাৰ বাৰ্তাক কেন্দ্ৰ কৰিয়েই অসম বিধান সভাত বিষয়টো উত্থাপিত হৈছিল।

আদালতৰ পৰা গোচৰ প্ৰত্যাহাৰ কৰিবলৈ ৰাজ্য চৰকাৰে বিচৰা এই সমগ্ৰ প্ৰক্ৰিয়াটো আইনগতভাৱে সহজ হয়নে নহয়, সেই বিষয়ে উচ্চতম ন্যায়ালয়ে প্ৰদান কৰা কে'বাটাও ৰায়ৰ ওপৰত ভিত্তি কৰি গোচৰ প্ৰত্যাহাৰৰ বিষয়টো ইয়াত পৰ্যালোচনা কৰা হৈছে এইবাবেই যে গোচৰ প্ৰত্যাহাৰৰ ক্ষেত্ৰত ৰাজ্য চৰকাৰ অগ্ৰসৰ হওঁতে বিশেষ সাৱধানতা অৱলম্বন কৰে।

ফৌজদাৰী কাৰ্যবিধিৰ ৩২১ ধাৰা মতে আদালতৰ পৰা গোচৰ প্ৰত্যাহাৰ কৰিবলৈ কেৱল পাব্লিক প্ৰচিকিউটৰ (পিপি) আৰু আদালতকহে ক্ষমতা প্ৰদান কৰিছে যদিও পাব্লিক প্ৰচিকিউটৰে ইচ্ছা কৰিলেই গোচৰ এটা প্ৰত্যাহাৰ কৰিব নোৱাৰে। ইয়াৰ বাবে তেওঁ অকাট্য যুক্তিৰে আদালতক সন্তুষ্ট কৰিব লাগিব। ৩২১ ধাৰাত কোৱা হৈছে— 'এটা বা ততোধিক অপৰাধত অথবা সাধাৰণভাৱে বিচাৰাধীন হৈ থকা গোচৰ এটাৰ ৰায়দানৰ পূৰ্বে গোচৰটোৰ দায়িত্বত থকা পাব্লিক প্ৰচিকিউটৰ অথবা সহকাৰী পাব্লিক প্ৰচিকিউটৰে যিকোনো সময়ত, আদালতৰ অনুমতি সাপেক্ষে যিকোনো ব্যক্তিৰ গোচৰ প্ৰত্যাহাৰ কৰিব পাৰে আৰু তেনেকুৱা প্ৰত্যাহাৰ —

(ক) যদিহে অভিযুক্তকৰণৰ (Charge Framed) পূৰ্বে প্ৰত্যাহাৰ কৰা হয়, তেতিয়া অভিযুক্তজন দোষ বা দোষসমূহৰ পৰা খালাচ হ'ব ।

(খ) যদি অভিযুক্তকৰণৰ পাছত প্ৰত্যাহাৰ কৰা হয় অথবা এই ধাৰাৰ অধীনত চাৰ্জফ্ৰেম কৰাৰ আৱশ্যক নহয়, তেতিয়া অভিযুক্তজন দোষ বা দোষসমূহৰ পৰা মুক্ত হ'ব। যদিহে তেনে অপৰাধ সম্পৰ্কীয় বিষয় — (১) যিটো বিষয় কেন্দ্ৰীয় চৰকাৰৰ কাৰ্য্যবাহী ক্ষমতাৰে বিস্তাৰিত যিকোনো আইন বিৰুদ্ধ হয় বা (২) ১৯৪৬ৰ আইন মতে, দিল্লীৰ বিশেষ পুলিচ প্ৰতিষ্ঠানৰ দ্বাৰা কৰা অনুসন্ধান (চি.বি.আই) বা ☒৩) কেন্দ্ৰীয় চৰকাৰৰ যিকোনো সম্পত্তি আত্মসাৎ অথবা ধ্বংস বা নষ্ট কৰাচ অথবা ☒৪) কেন্দ্ৰীয় চৰকাৰৰ চাকৰিয়াল এজনে তেওঁৰ অফিচৰ কাৰ্য সম্পাদন কৰিবলৈ যাওঁতে কৰা অপৰাধ আৰু গোচৰটোৰ দায়িত্বত থকা পাব্লিক প্ৰচিকিউটৰজন, কেন্দ্ৰীয় চৰকাৰৰ দ্বাৰা নিযুক্ত নহ'লে কেন্দ্ৰীয় চৰকাৰে অনুমতি নিদিয়ালৈকে গোচৰ প্ৰত্যাহাৰ কৰিবলৈ আদালতত আবেদন কৰিব নোৱাৰিব আৰু আদালতে সন্মতি দিয়াৰ পূৰ্বে কেন্দ্ৰীয় চৰকাৰে প্ৰত্যাহাৰ কৰিবলৈ দিয়া অনুমতি আদালতত দাখিল কৰিবলৈ পাব্লিক প্ৰচিকিউটৰক নিৰ্দেশ দিব।'

এই সন্দৰ্ভত উচ্চতম ন্যায়ালয়ে পুৰণি আইনৰ ৪৯৪ ধাৰাই দিয়া সুবিধা আৰু ক্ষমতাৰ পৰিধিক ব্যাখ্যা কৰোতে কৈছে— গোচৰ প্ৰত্যাহাৰ কৰিবলৈ পাব্লিক প্ৰচিকিউটৰে বিচৰা অনুমতি যদিহে ক্ষমতাৰ সীমাৰ ভিতৰত নহয়, তেতিয়া ক্ষমতা প্ৰদানৰ ভিতৰত বিবেচনা কৰিবলগীয়া গুৰুত্বপূৰ্ণ বিষয়টো হ'ল এয়ে যে— ই প্ৰশাসনীয় ন্যায়ৰ স্বাৰ্থৰ অনুকুলে হ'ব লাগিব। AIR 1972-SC496 MNS Nair v P.B. Balkrishnan.

চৰকাৰে আদালতৰ পৰা গোচৰ প্ৰত্যাহাৰ কৰিবলৈ বিচৰা সন্দৰ্ভত উচ্চতম ন্যায়ালয়ে শিউ নন্দন পাছোৱান বনাম বিহাৰ চৰকাৰ গোচৰত এটা কথা উল্লেখ কৰিছে এইদৰে— 'অপৰাধ সংক্ৰান্তীয় ন্যায় প্ৰদানৰ ক্ষেত্ৰত চৰকাৰৰ যে এটা ভূমিকা আছে তাক ন্যায়ালয়ে মানি লৈছে আৰু এইক্ষেত্ৰত এনেদৰে সিদ্ধান্তলৈ আহিছে —

'জনসাধাৰণৰ আৱেগ-অনুভূতিৰ প্ৰতি সংবেদনশীল আৰু সহানুভূতিপূৰ্ণ এক নিৰ্বাচিত চৰকাৰে, এক সদিচ্ছামূলক বাতাবৰণ সৃষ্টিৰ স্বাৰ্থত অথবা শান্তি বিঘ্নিত নকৰাৰ স্বাৰ্থত, ঘটনাত জড়িত অপৰাধীৰ বিচাৰ নচলাবৰ বাবে অথবা চলি থকা বিচাৰ আগুৱাই নিনিয়াৰ বাবে সিদ্ধান্ত লব পাৰে। ক্ষতিকাৰকেই হওক বা হিতকাৰীয়েই হওঁক, গোচৰ এটা আৰম্ভ কৰা অথবা চলাই নিয়া বিষয়টোৰ ওপৰত প্ৰাথমিক পদক্ষেপত কেৱল চৰকাৰেহে সিদ্ধান্ত ল'ব পাৰে বা সিদ্ধান্ত লোৱা উচিত, আনে নহয়। যদিহে গোচৰ এটা প্ৰত্যাহাৰৰ ক্ষেত্ৰত চৰকাৰে এনেদৰে সিদ্ধান্ত লয়, তেতিয়াহ'লে চৰকাৰে এই দিশত কেনেদৰে কাম কৰিব আৰু লগতে পাব্লিক প্ৰচিকিউটৰজনে চৰকাৰৰ পৰামৰ্শ অনুসৰি কেনেদৰে কাম কৰিব, বিশেষকৈ যিবোৰ বৃহৎ আৰু সংবেদনশীল গোচৰত ৰাজহুৱা নীতিৰ প্ৰশ্ন জড়িত থাকে, তেনেধৰণৰ গোচৰ ৰুজু অথবা প্ৰত্যাহাৰৰ সিদ্ধান্ত চৰকাৰৰহে।' AIR-1987-SC-897. Sheo Nandan Paswan vs State of Bihar and others.

দেখা যায় যে ৩২১ ধাৰাৰ অধীনত প্ৰত্যাহাৰ কৰিবলৈ বিচৰা গোচৰটোৰ আদেশ এটা বৈধ হ'বলৈ হ'লে তিনিটা উপাদানৰ আৱশ্যক— (১) পাব্লিক প্ৰচিকিউটৰ অথবা সহকাৰী পাব্লিক প্ৰচিকিউটৰ যিজনে গোচৰ প্ৰত্যাহাৰ কৰিবৰ বাবে উপযুক্ত তেওঁহে আবেদন কৰিব পাৰিব, (২) তেওঁ গোচৰটোৰ দায়িত্বত থাকিব লাগিব, (৩) যিখন আদালতত গোচৰটো নিষ্পত্তি নোহোৱাকৈ আছে, সেইখন আদালতৰ সন্মতি পাব লাগিব। AIR-1987-SC-913.

ফৌজদাৰী কাৰ্যবিধিৰ ৩২১ ধাৰাৰ অধীনত আইনৰ স্থিতি সম্পৰ্কে ন্যায়াধীশ চিন্নাপ্পা ৰেড্ডীয়ে সংক্ষেপে আগবঢ়োৱা প্ৰকৃত আইনগত স্থিতিটো এনেধৰণৰ — (১) গুৰুতৰ অপৰাধত অভিযুক্ত এজন ব্যক্তিৰ বিচাৰৰ প্ৰাথমিক দায়িত্ব হ'ল কাৰ্যবাহীৰ, (২) গোচৰ প্ৰত্যাহাৰৰ বিষয়টো পাব্লিক প্ৰচিকিউটৰজনৰ কাৰ্যবাহী কৰ্তব্য, (৩) গোচৰটো প্ৰত্যাহাৰৰ কৰাৰ একমাত্ৰ ক্ষমতা থাকেপাব্লিক প্ৰচিকিউটৰজনৰ হাততহে, আনৰ হাতত নহয়, সেয়ে তেওঁ এই ক্ষমতা আনক হস্তান্তৰ কৰিব নোৱাৰে, (৪) কেৱল চৰকাৰেহে পাব্লিক প্ৰচিকিউটৰজনক যিকোনো গোচৰ প্ৰত্যাহাৰৰ বাবে পৰামৰ্শ দিব পাৰে, আন কোনোৱে নোৱাৰে, (৫) সাধাৰণভাৱ সাক্ষীৰ অভাৱৰ কাৰণতে যে পাৱলিক প্ৰচিকিউটৰজনে গোচৰ প্ৰত্যাহাৰ কৰিব পাৰে এনে নহয়, ৰাজহুৱা ন্যায়, জনস্বাৰ্থ, ৰাজহুৱা শান্তি-শৃংখলা বজাই ৰখাৰ খাতিৰতো পাব্লিক প্ৰচিকিউটৰজনে গোচৰ প্ৰত্যাহাৰ কৰিব পাৰে। জনস্বাৰ্থৰ বহল ব্যাখ্যাই সামাজিক, অৰ্থনৈতিক আৰু ৰাজনৈতিক উদ্দেশ্যসমূহকে সামৰি লয়, (৬) পাব্লিক প্ৰচিকিউটৰজন আদালতৰ বিষয়া আৰু তেওঁ আদালতৰ ওচৰত জবাবদিহি, (৭) গোচৰ প্ৰত্যাহাৰৰ ক্ষেত্ৰত সন্মতি প্ৰদান কৰোতে, আদালতে কেৱল নিৰীক্ষকৰ ভূমিকাহে পালন কৰে, (৮) গোচৰ প্ৰত্যাহাৰ কৰিবৰ বাবে পাব্লিক প্ৰচিকিউটৰ জনে কৰা অনুৰোধৰ যুক্তিক প্ৰশংসা কৰাটো আদালতৰ যুক্তি নহয় কিন্তু তেওঁ মুকলি মনেৰে আৰু নিৰপেক্ষভাৱে কাম কৰিছেনে নাই, অপ্ৰাসংগিক আৰু বাহ্যিকভাৱে প্ৰভাৱান্বিত নোহোৱাকৈ কাম কৰিছে নে নাই, তাকহে আদালতে বিবেচনা কৰিব। গোচৰ প্ৰত্যাহাৰৰ সন্মতি প্ৰদান অথবা স্থগিত ৰখা বিষয়টো যিহেতু বৈধানিক আস্থাৰ বিষয়, সেয়ে এইক্ষেত্ৰত আদালতৰো বিশেষ কৰ্তব্য আছে। AIR 1987-SC.908-Sheo Nandan Paswan v State of Bihar.

ব্যাখ্যাৰ দ্বাৰা আইনৰ ক্ষমতা কাৰ্যকৰীকৰণৰ পৰিস্থিতি তালিকাভুক্ত কৰাটো সম্ভৱ নহয়। এই সন্দৰ্ভত উচ্চতম ন্যায়ালয়ে এম এন এছ নায়াৰ গোচৰত কিছু কথা উল্লেখ কৰিছে। তাত কোৱা হৈছে যে গোচৰ প্ৰত্যাহাৰৰ অনুমতি বিচৰাৰ ক্ষেত্ৰত পাব্লিক প্ৰচিকিউটৰজন স্পষ্টভাৱে যুক্তিসংগত। গোচৰটোত গোচৰীয়া পক্ষই অভিযোগ স্থাপন অথবা প্ৰমাণ কৰিবৰ বাবে পৰ্যাপ্ত পৰিমাণে সাক্ষ্য প্ৰদান কৰিব পৰা নাই, অথবা প্ৰচিকিউটিং এজেঞ্চিৰ আগত দিয়া পৰৱৰ্তী তথ্যই গোচৰীয়া পক্ষৰ সাক্ষী বা একেধৰণৰ আন যিকোনো পৰিস্থিতিক মিছা বুলি কৈছে। ইয়াত আৰু কোৱা হৈছে যে এই ধাৰাৰ অধীনত বিচৰা অনুমতিক 'প্ৰয়োজনীয় সাধাৰণ নিয়ম' বুলি গ্ৰহণ কৰিব নালাগে; কিন্তু উত্থাপন কৰা তথ্য সমূহত আদালত সম্পূৰ্ণভাৱে সন্তুষ্ট হ'ব লাগিব। গোচৰ প্ৰত্যাহাৰ কৰিবলৈ অনুমতি প্ৰদান কৰা কাৰ্যই ন্যায়ৰ প্ৰশাসন সবল কৰিব বুলি পতিয়ন গ'লেহে আদালতে অনুমতি প্ৰদান কৰিব।

আদালতৰ পৰা গোচৰ প্ৰত্যাহাৰ সন্দৰ্ভত উচ্চতম ন্যায়ালয়ে সময়ে সময়ে প্ৰদান কৰা ৰায় সমূহৰ পৰা গুৰুত্বপূৰ্ণ কেইটামান অংশ ইয়াত উল্লেখ কৰা হৈছে যিবোৰৰ যোগেদি সমগ্ৰ বিষয়টো অধিক স্পষ্ট হয়। গোচৰ এটা প্ৰত্যাহাৰ কৰিবলৈ বিচাৰিলে বুলিয়ে প্ৰত্যাহাৰৰ অনুমতি দিয়া উচিত নহয়। উত্থাপিত তথ্য সমূহত আদালত সম্পূৰ্ণভাৱে সন্তুষ্ট হ'ব লাগিব। প্ৰত্যাহাৰৰ অনুমতি প্ৰদান কৰা কাৰ্যই ন্যায়ৰ প্ৰশাসনত সহায় কৰিব বুলি সন্তুষ্ট হ'লেহে আদালতে অনুমতি দিব।

A.I.R.1976 SC 370 Bansi Lal v Chandan Lal. A.I.R. 1987. SC 349 Tek Chand v Tek Chand.

আদালতক অৱগত কৰাটো পাব্লিক প্ৰচিকিউটৰৰ কৰ্তব্য আৰু কি কি কাৰণত গোচৰ প্ৰত্যাহাৰ কৰিবৰ বাবেপাব্লিক প্ৰচিকিউটৰক উদগনি দিছে সেইবোৰ আদালতে জানিব লাগিব।

A.I.R. 1980 SC 1510 Rajendra Kumar v State.

উচ্চতম ন্যায়ালয়ে পাব্লিক প্ৰচিকিউটৰ বনাম মেনদাংগি গোচৰত কৈছে — এই ধাৰাত বিচাৰৰ পৰা প্ৰত্যাহাৰৰ কথাহে কোৱা হৈছে। গোচৰ প্ৰত্যাহাৰৰ কথা কোৱা নাই। এটা গোচৰৰ পৰা প্ৰত্যাহাৰৰ অৰ্থ হ'ল আঁতৰি যোৱা বা পশ্চাদপসৰণ কৰা অথবা বিচাৰৰ পৰা আদেশ প্ৰত্যাহাৰ কৰা।

P.P.v Mandangi 1976 Cr. L.J. 46.

উচ্চতম ন্যায়ালয়ে মমতাজ বনাম নন্দিনী সৎপথি গোচৰটোৰ ৰায়দানত কৈছে — গোচৰটোৰ ৰায়দানাৰ পূৰ্বে আদালতৰ অনুমতি সাপেক্ষে গোচৰটো প্ৰত্যাহাৰ কৰিব পাৰি।

A.I.R. 1987 SC. 870.

কলকাতা উচ্চ ন্যায়ালয়ে বিচাৰ কৰা এটা গোচৰত কৈছে যে এই ধাৰাই নিজৰ আওতাৰ ভিতৰত এনেবোৰ বিচাৰ সামৰি নলয় য'ত ট্ৰায়েল ক'ৰ্টে ৰায় প্ৰদান কৰিছে।

A.I.R. 1927 Cal. 816 A.L. Singha v Zahir Uddin.

যদিও গোচৰ প্ৰত্যাহাৰ কৰাটো পাব্লিক প্ৰচিকিউটৰৰ এদনীয়া ক্ষমতা (Exclusive Power), তথাপি তেওঁৰ সিদ্ধান্ত নিজা হ'ব লাগিব। জিলা দণ্ডাধীশ বা উৰ্দ্ধতন কৰ্তৃপক্ষৰ নিৰ্দেশ মানি লোৱা বিধৰ হ'ব নালাগিব আৰু যুক্তিযুক্ত কাৰণৰ ভিত্তিতহে প্ৰত্যাহাৰৰ সিদ্ধান্ত লব পাৰিব। প্ৰত্যাহাৰৰ ক্ষেত্ৰত আদালতৰ অনুমতি গ্ৰহণ চৰ্তটো, ক্ষমতা কাৰ্যকৰীকৰণৰ ক্ষেত্ৰত এক বাধা হিচাপে আৰোপ কৰা হৈছে। গোচৰ প্ৰত্যাহাৰৰ বাবে অনুকুল পৰিস্থিতিৰ সৃষ্টি নহ'লে বৃহৎ অৰ্থত, ৰাজহুৱা ন্যায় সুনিশ্চিত হ'ব বুলি ভাবিলেহে আদালতে অনুমতি প্ৰদান কৰিব।

A.I.R. 1980 SC 423 Subhas Chand v State Chandigarh Admn.

যদিহে পাব্লিক প্ৰচিকিউটৰে বিচাৰ-বিবেচনা নকৰাকৈ জিলা দণ্ডাধীশৰ আদেশ পালন কৰে, তেনে ক্ষেত্ৰত গোচৰ প্ৰত্যাহাৰৰ অনুমতি অগ্ৰাহ্য কৰিব লাগে।

A.I.R. 1977 SC 2265 Balwant Singh v State of Bihar.

উচ্চতম ন্যায়ালয়ৰ তিনিজনীয়া খণ্ডপীঠে বলৱন্ত সিং বনাম বিহাৰ চৰকাৰ S.L.P (Cr.) No. 863 of 1977 dt 4.10.1977 গোচৰত কৈছে যে ফৌজদাৰী কাৰ্যবিধি হ'ল পাব্লিক প্ৰচিকিউটৰৰ বাবে একমাত্ৰ অস্ত্ৰ। তেওঁ কেৱল উক্ত বিধিৰ দ্বাৰাহে পৰিচালিত হ'ব লাগিব। তেনেকৈ পৰিচালিত হওঁতে তেওঁৰ ক্ষেত্ৰত উচিত বুলি বিবেচিত হোৱা বিষয়টো হ'ল— ৰাজহুৱা ন্যায়ৰ বিষয়টোৱে গুৰুত্ব পাবনে অথবা প্ৰত্যাহাৰৰ দ্বাৰা স্থগিত কৰা হ'বনে বা গোচৰ চলি থাকিবনে। সাধাৰণ ফৌজদাৰী গোচৰত যেতিয়া জিলা দণ্ডাধীশে পাব্লিক প্ৰচিকিউটৰক গোচৰ প্ৰত্যাহাৰ কৰিবলৈ আদেশ দিয়ে আৰু পাব্লিক প্ৰচিকিউটৰেও তাক মানি লয় আৰু আইনমতে সেইটো কৰিব নোৱাৰে আৰু ন্যায়ৰ প্ৰশাসনত জননীতি জড়িত হৈ নাথাকে, তেনেক্ষেত্ৰত আদালতে অনুমতি নিদিব। জিলা দণ্ডাধীশে গোচৰৰ তথ্যপাতিবোৰ পাব্লিক প্ৰচিকিউটৰৰ দৃষ্টিগোচৰলৈ আনিব পাৰে আৰু গোচৰ প্ৰত্যাহাৰ কৰিব পৰা হ'বনে নহয় তাক বিবেচনা কৰিবলৈ পৰামৰ্শ দিব পাৰে। তেওঁ হুকুম দিব নোৱাৰে। তেওঁ মাত্ৰ মতামতহে দিব পাৰে। গোচৰ এটা আদালতত নিষ্পত্তি নোহোৱাকৈ থকাৰ সময়ত আদালত সতৰ্ক হ'ব লাগিব। গোচৰ প্ৰত্যাহাৰৰ বাবে আবেদনৰ আৰ্হিত, প্ৰদত্ত কাৰ্যবাহী পৰামৰ্শৰ ওচৰত সেও মানিব নালাগিব।

উক্ত গোচৰত ন্যায়াধীশ ভি.আৰ কৃষ্ণ আয়াৰে কৈছে— আমি অনুমতি দিবলৈ ইচ্ছুক নহয়। ইয়াৰ কাৰণবোৰ আমি চমুকৈ উল্লেখ কৰিব পাৰো, যাতে এনেধৰণৰ ভুলবোৰ পাছলৈ আৰু নহয়। গোচৰ প্ৰত্যাহাৰৰ বিবেচনাটোৱেই হ'ল ন্যায়ৰ প্ৰশাসনৰ এটা প্ৰধান বিষয়। ই ৰাজনৈতিক অনুগ্ৰহ নহয় অথবা ইয়াত দলীয় হেঁচাও নাই বা তেনেধৰণৰ কোনো কথা নাই। যিহেতু ৰাজহুৱা ন্যায়ৰ স্বাৰ্থটোৱে গুৰুত্ব সহকাৰে বিবেচিত হ'ব লাগিব। সেয়ে বিশেষ গোচৰটোৰ বৈধানিক ন্যায়কো চেৰ পেলাই যাব পাৰে। উদাহৰণ স্বৰূপে সৌহাৰ্দ্যপূৰ্ণভাৱে নিষ্পত্তি কৰিব পৰা সাম্প্ৰদায়িক বিবাদবোৰৰ এটা বা দুটা গোচৰ নিষ্পত্তি নোহোৱাকৈ থকাৰ বাবে পুনৰ মুকলি হ'ব নালাগে। শ্ৰমিক বিবাদবোৰো ফৌজদাৰী গোচৰ হ'বগৈ পাৰে। য'ত বহল অৰ্থত ৰাজহুৱা ন্যায়ৰ স্বাৰ্থতো গোচৰ প্ৰত্যাহাৰ কৰা হ'ব পাৰে। আনকি যোগ্যতাৰ বাহিৰতো গোচৰ প্ৰত্যাহাৰ কৰি ৰাজহুৱা ন্যায় সাধন কৰিব পৰা যায়।

গোচৰ প্ৰত্যাহাৰৰ বাবে কেইটামান জানিবলগীয়া কথা — (১) গোচৰ প্ৰত্যাহাৰৰ বাবে কৰা আবেদনৰ বিৰুদ্ধে তৃতীয় পক্ষই বিৰোধিতা কৰিব পাৰে। A.I.R. 1987 SC 878

(২) গোচৰ প্ৰত্যাহাৰৰ বাবে ৰাজ্য চৰকাৰে নিৰ্দেশ দিব পাৰে। A.I.R. 1983 SC 194.

(৩) শাস্তি অসম্ভৱ বুলি জানিলে প্ৰত্যাহাৰৰ কাৰণ হ'ব পাৰে। A.I.R. 1987 SC 349.

(৪) সহজতে নোপোৱা আচামী প্ৰত্যাহাৰৰ কাৰণ হ'ব নোৱাৰে। A.I.R.1981 Ker. L.T 767, 1981 Cr. L.J. 553

(৫) ব্যক্তিগত অভিযোগ, পাব্লিক প্ৰচিকিউটৰে প্ৰত্যাহাৰ কৰিব নোৱাৰে। A.I.R. 1967 SC 1214.

(৬) আপীল পৰ্যায়ত প্ৰত্যাহাৰ নহয়। A.I.R. 1975 SC 194.

*(লেখক অসম বিধান সভা প্ৰেছ ৰিপৰ্টাৰছ কমিটীৰ সচিব)*

# চুটি জীৱনকালত সাফল্যৰ অভিলেখ

## ৰত্নেশ্বৰ মহন্ত

### জীৱনকাল ২৯ বছৰ মাত্ৰ

### (১৮৬৪-১৮৯৩)

**ড° নীলমোহন ৰায়**
*ফোন ঃ ৯৮৬৪০৬৪২৭৪*

**ক্ষণজীৱী** হৈও জাতীয় জীৱনত অনবদ্য অৰিহণা আগবঢ়াই যোৱা অসমীয়াসকলৰ ভিতৰত ৰত্নেশ্বৰ মহন্ত আছিল অন্যতম। অসমীয়া সাহিত্যৰ 'জোনাকী' যুগৰ অন্যতম লেখক আছিল তেওঁ। 'জোনাকী'ৰ উপৰি তেওঁ 'আসাম বন্ধু'ৰো নিয়মীয়া লেখক আছিল। তেওঁ আছিল একাধাৰে কবি, নাট্যকাৰ আৰু প্ৰবন্ধকাৰ। 'কবিতাহাৰ' নামৰ পুথিখনত তেওঁৰ কবিতাসমূহ সংকলিত হৈছে।

'জোনাকী' যুগৰ অন্যান্য লেখকসকলৰ দৰেই ৰত্নেশ্বৰ মহন্তই একাধিক দিশত বাটকটীয়াৰ ভূমিকা লৈছিল। তেৱেঁই 'জয়মতী কুঁৱৰী' বা 'লাংগি গদাপাণি' শিৰোনামেৰে পোনতে জয়মতী উপাখ্যানটো উদ্ধাৰ কৰে। স্বৰূপতে অসমীয়াত বৰ্তমান চলিত জয়মতীৰ কাহিনীৰ বাবে তেৱেঁই প্ৰশংসাৰ আগভাগ পোৱাৰ যোগ্য। তেওঁৰ 'কবিতাহাৰ' আধুনিক যুগৰ প্ৰথম কবিতা সংগ্ৰহ বুলি ক'ব পাৰি। খেতি কৰা, ধান দোৱা, মাছ মৰা, বিহু পতা আদি বিবিধ বতৰৰ সুকীয়া সুকীয়া গাঁৱলীয়া দৃশ্যবোৰ ৰত্নেশ্বৰ মহন্তই প্ৰথম আধুনিক কবিতাত অৱতাৰণা কৰে।

তেওঁৰ প্ৰকাশিত একমাত্ৰ নাটক 'দ্ৰৌপদী হৰণ' মহাভাৰতীয় কাহিনীৰ অৱলম্বনত ৰচিত। 'জয়মতী কুঁৱৰী', 'অসমত মান', 'ৰাম সৰস্বতী', 'মোৱামৰীয়া বিদ্ৰোহ' আদি বুৰঞ্জীমূলক প্ৰবন্ধসমূহৰ উপৰি 'অসমীয়া আৰু বিদেশী সাজ', 'বিবাহ', 'ভাৱনা' আদি সমাজ-সমালোচনামূলক প্ৰবন্ধসমূহে ৰত্নেশ্বৰ মহন্তক উনবিংশ শতিকাৰ বিদ্বান অসমীয়াসকলৰ মাজত প্ৰখ্যাত কৰি তুলিছিল।



কিন্তু এইজন লেখকৰ জীৱনবৃত্ত সম্পৰ্কে বৰ বেছি তথ্য পোৱা নাযায়। প্ৰাপ্ত তথ্য মতে, ৰত্নেশ্বৰৰ পিতৃ থানেশ্বৰে নগাঁও জিলাৰ পুৰণিগুদামৰ খাউণ্ড পৰিয়ালৰ কন্যা জয়ন্তী দেৱীক বিয়া কৰায়। তেওঁলোকৰ এটি পুত্ৰ আৰু এটি কন্যা সন্তান জন্মে। পুত্ৰ ৰত্নেশ্বৰ গুৱাহাটীতে ওপজে। কন্যা সন্তানটো সৰুতে ঢুকায়। ৰত্নেশ্বৰৰ নিচেই চালুকীয়া অৱস্থাতে পিতৃ থানেশ্বৰৰ মৃত্যু হয়। মাকৰ যত্নত গুৱাহাটীৰ কলেজিয়েট হাইস্কুলত পঢ়ি দ্বিতীয় বিভাগত এণ্ট্ৰেন্স পাছ কৰে। এটি মোকদৰ্মা সূত্ৰে গুৱাহাটীৰ মাটি-ঘৰ হেৰুৱাব লগা হোৱাত মাকক লৈ ৰত্নেশ্বৰ পুৰণিগুদামৰ মোমায়েকৰ ঘৰত থাকিবলৈ লয়। ৰাধানাথ তহচিলদাৰৰ সহায়ত নগাঁৱৰ কাছাৰী ঘৰত মাহিলি কুৰি টকা দৰমহাত ছমাহৰ বাবে ৰত্নেশ্বৰ মহৰী কামত সোমায় আৰু পাছলৈ গুণাভিৰাম বৰুৱাৰ সহায়ত একাউণ্টেণ্ট হয়।

ৰত্নেশ্বৰ মহন্তৰ প্ৰতিভা বিকাশৰ মাধ্যম আছিল 'আসাম বন্ধু' আৰু 'জোনাকী'। নিজ নামৰ উপৰি ৰামদাস গোস্বামী ছদ্মনামতো ৰত্নেশ্বৰে প্ৰবন্ধ লিখিছিল। অৱশ্যে এই ছদ্মনামৰ প্ৰবন্ধসমূহ 'জোনাকী'তহে প্ৰকাশ পাইছিল। ১৮৮৫-৮৬ৰ 'আসাম বন্ধু'ত তেওঁৰ 'গাৰো বৃত্তান্ত', 'স্বাধীনতা নে স্বেচ্ছাপৰ', 'অসমীয়া আৰু বিদেশী সাজ', 'ঘৈণীৰ কৰ্তব্য আৰু স্ত্ৰী শিক্ষা' আৰু 'জান্তৱ জীৱন' প্ৰবন্ধ প্ৰকাশ পাইছিল। আনহাতে, 'পত্নীবিলাপ', 'কিয় প্ৰভু স্ৰজিলাহা মই মহামূঢ়ক, 'মেঘ আৰু বিজুলী', 'গাঁৱলীয়া বোৱাৰী' আৰু 'সুখৰ ঠাই' কবিতা প্ৰকাশ হয়। প্ৰসংগত উল্লেখযোগ্য যে গাৰোসকলৰ সামাজিক জীৱনৰ লগত ৰত্নেশ্বৰ মহন্তৰ এক গভীৰ পৰিচিতি আছিল। সেয়ে উক্ত প্ৰবন্ধত মহন্তই গাৰোসকলৰ গাৰ্হস্থ্য আৰু সামাজিক ৰীতি-নীতি সম্পৰ্কে এক অন্তৰংগ আৰু বস্তুনিষ্ঠ আলোচনা কৰিবলৈ সক্ষম হৈছিল।

'জোনাকী'ত প্ৰকাশিত ৰচনাসমূহ হ'ল 'মনোবৃত্তি', 'ভাৱনা', 'বিবাহ', 'মিনাৱতী', 'ৰামসৰস্বতী', 'অসমত মান', 'মোৱামৰীয়া বিদ্ৰোহ', 'জয়মতী কুঁৱৰী', 'তুলাৰাম সেনাপতি', 'অনন্ত কন্দলী', 'কিতাপ বাছনি', 'অসমৰ উন্নতি' আৰু 'চুটিয়া' প্ৰবন্ধ আৰু 'গোলাপ', 'বনফুল', 'শিশু' আদি কবিতা।

ৰত্নেশ্বৰ মহন্ত এজন নাট্যকাৰো আছিল। 'দ্ৰৌপদী হৰণ', 'জয়দ্ৰথ বধ' আৰু 'গোপলীলা' নামৰ তিনিখন নাট ৰচনা কৰাৰ কথা বিভিন্ন ঠাইত উল্লিখিত আছে। কিন্তু শেষোক্ত দুখন নাট পাবলৈ নাই। তদুপৰি 'হৰিশ্চন্দ্ৰ' নামৰ এখন নাটকো তেওঁ যে ৰচনা কৰিছিল তাৰ কথা তেওঁ নিজেই উল্লেখ কৰি গৈছে। ১৮৮৮ৰ এক অক্টোবৰত হেমচন্দ্ৰ গোস্বামীলৈ লিখা চিঠিত আছে যে তেওঁৰ 'হৰিশ্চন্দ্ৰ'খন আউনীআটি সত্ৰৰ গোসাঁইক দিছিল— "I have made over my 'Harischandra' to him and solicited him to have it printed out. I have not yet come to know his poinion in the book, but have every reason to believe that he will beat the expense of sending the manuscript to press' নাটকখন ছপা হোৱাৰ কোনো প্ৰমাণ নাই আৰু সম্ভৱতঃ আউনীআটিতে 'হৰিশ্চন্দ্ৰ'ৰ পাণ্ডুলিপি বিলুপ্ত হ'ল। অসম সাহিত্য সভাৰ সভাপতিৰ অভিভাষণত ঔপন্যাসিক ৰজনীকান্ত বৰদলৈয়ে ৰত্নেশ্বৰ মহন্তৰ 'জ্ঞানাংকুৰ' নামৰ আন এখন পুথিৰো নাম উল্লেখ কৰিছে যদিও সেইখন পুথিও পাব পৰা অৱস্থাত নাই।

ব্যক্তিগত জীৱনত ৰত্নেশ্বৰ মহন্ত অতিশয় পৰিপাটি আৰু নিয়মানুৱৰ্তী আছিল। তেওঁৰ হাতৰ মুকুতাসদৃশ আখৰবিলাকে অন্ততঃ তাৰেই সাক্ষ্য দিয়ে। হেমচন্দ্ৰ গোস্বামীলৈ লিখা চিঠিকেইখনে নিশ্চয় মহন্তৰ নিৰ্ভীকতা আৰু প্ৰকৃত তথ্য বা সত্য প্ৰকাশৰ প্ৰৱণতাৰে সাক্ষ্য বহন কৰিছে। নিজৰ উপলব্ধ সত্যৰ প্ৰতি অবিচল চিত্ত আৰু পুৰণি ৰীতি-নীতিৰ প্ৰতি তৰ্কাতীত আনুগত্যই আপাততঃ মহন্তৰ আঁকোক-গোঁজ মনোভাৱৰ পৰিচয় দিলেও মহন্তৰ আত্মসচেতনতা আৰু আত্মবিশ্বাসৰ পৰিচয়হে বাৰুকৈয়ে ফুটি ওলাইছে এই চিঠিকেইখনত।

ৰত্নেশ্বৰ মহন্তৰ সাহিত্যিক প্ৰতিভা সেই সময়ত বিদ্বৎ সমাজত লক্ষ্যণীয় আছিল। তেওঁৰ অকাল বিয়োগৰ পাছত 'বাঁহী'ৰ চতুৰ্থ বছৰৰ পঞ্চম সংখ্যাত সম্পাদকে লিখিছিল— 'আসাম বন্ধু আৰু জোনাকীৰ সুলেখক বুলি এইজনা স্বৰ্গগামী পুৰুষৰ সুখ্যাতি আজিলৈকে অসমত ৰৈ আছে। ৰায়বাহাদুৰ গুণাভিৰাম বৰুৱাই নগাঁৱৰ পৰা 'আসাম বন্ধু' উলিয়াবৰ সময়ত এইজনা লেখকৰ প্ৰতিভাৰ চিনাকি পাই সেই কাকতৰ নিয়মিত লেখক স্বৰূপে বাছি লৈছিল। বহুতো গদ্য-পদ্যৰ সুপ্ৰবন্ধৰ পৰা গুণৰ পৰিচয় পাই জোনাকীৰ পৰিচালকসকলেও এওঁক লেখক শ্ৰেণীভুক্ত কৰি লৈছিল।' এওঁ আমাৰ সাহিত্যক এখোজ আগবঢ়াই লৈ গ'ল।' হেমচন্দ্ৰ গোস্বামীৰ ভাষাত 'দুখীয়া দেশৰ ৰত্ন, দুখৰ সোদৰ' ৰত্নেশ্বৰ মহন্ত আছিল বহুত আশাৰ কুমলীয়া ঢোপাকলি।' এই আশা নিশ্চয় অসমীয়া ভাষা-সাহিত্যৰে আশা আছিল। কিন্তু পাহি মুকলি হ'বলৈ নৌপাওঁতেই 'অকালতে কাল তক্ষকৰ বলি' হ'ব লগা হ'ল ৰত্নেশ্বৰ মহন্ত। একুৰি ১০ বছৰ নৌহওঁতেই অনন্ত সম্ভাৱনাপূৰ্ণ এইগৰাকী সাহিত্যিকৰ অবাঞ্ছিত অকাল মৃত্যুত অসমীয়া ভাষা-সাহিত্যৰ অপূৰণীয় ক্ষতি সাধন হ'ল। তেওঁৰ অকাল মৃত্যুত শোকহত হৈ পণ্ডিত হেমচন্দ্ৰ গোস্বামীয়ে লিখা 'ৰত্নেশ্বৰ মহন্ত' শীৰ্ষক কবিতাৰ প্ৰথম স্তৱকৰ উল্লেখেৰে এই লেখাটো সামৰিলো।

দুখীয়া দেশৰ ৰত্ন, দুখৰ সোদৰ
বহুত আশাৰ কুমলীয়া ঢোপাকলি
নৌহওঁতেই হায় পাহিটি মুকলি
হ'লা বলি অকালত কাল তক্ষকৰ।

# ভূতল-জল গুৰুত্ব আৰু নাটনি

**বিকাশ বৰদলৈ**

**বৰ্তমান** বিশ্বত পানীৰ অভাৱ, পানীৰ প্ৰদূষণ, ভূতল জলস্তৰৰ নিম্নগামী গতি, বৰষুণৰ পানী সঞ্চয়ন আদি বিষয়বোৰত সঘন আলোচনা হোৱা দেখা যায়। পানীৰ অনাটনৰ বাবে জলবিদসকল ইমান চিন্তিত হোৱাৰ কাৰণ কি? প্ৰকৃততে আমাৰ ধৰাত জুলীয়া, বাষ্প আৰু বৰফ এই তিনি অৱস্থাত থকা মুঠ পানী সদায় সম পৰিমাণত থাকে। অৰ্থাৎ পানী অক্ষয় সম্পদ। পৃথিৱীত মুঠ পানীৰ পৰিমাণ নাবাঢ়েও, নুটুটেও। সেয়ে জনসংখ্যা বৃদ্ধিৰ লগে লগে প্ৰতিজন ব্যক্তিৰ গড়মূৰি পানীৰ পৰিমাণ হ্ৰাস হৈ আহিছে, পানীৰ ব্যৱহাৰক লৈ সেয়েই জলবিদসকল চিন্তিত হৈছে। অন্যহাতে, পৃথিৱীত পানীৰ উপলব্ধতা আৰু বিতৰণো লক্ষ্য কৰিবলগীয়া। পৃথিৱীৰ মুঠ জলৰাশিৰ ৯৭.৩% সাগৰ, মহাসাগৰৰ খোৱাৰ অনুপযোগী লুণীয়া পানী আৰু মাথোঁ ২.৭% হে বিশুদ্ধ পানী। এই ২.৭% ৰো আকৌ ২.০৩% পৃথিৱীৰ দুই মেৰু আৰু সুউচ্চ পৰ্বতৰ শিখৰত বৰফ আকাৰত থাকে, ০.৬১% ভূগৰ্ভত থাকে। বাকী থকা মাথো ০.০৬% পানীহে ভূ-পৃষ্ঠৰ নদী, বিল, জান-জুৰি ইত্যাদি, জলীয় বাষ্প, উদ্ভিদ-প্ৰাণী দেহ আদিত থাকে। পৃথিৱীৰ বৃহৎ জলৰাশিৰ এক ক্ষুদ্ৰ অংশহে মানুহৰ ব্যৱহাৰৰ বাবে উপলব্ধ যদিও জলবিদসকল চিন্তিত। আনহাতে, জনসংখ্যা বৃদ্ধি, জীৱন ধাৰণৰ শৈলী সলনি হোৱাত মানুহৰ পানীৰ প্ৰয়োজনীয়তা বৃদ্ধি হৈছে যাৰ ফলত ভূগৰ্ভস্থ পানীৰ ওপৰত অত্যধিক নিৰ্ভৰশীল হ'ব লগা হৈছে। মানুহৰ জীৱন ভূগৰ্ভৰ পানীৰ ওপৰত নিৰ্ভৰশীল হোৱাৰ বাবেই ভূতল জলৰ গুৰুত্ব বৃদ্ধি পাইছে।

**ভূগৰ্ভস্থ জলৰ গুৰুত্ব ঃ** পৃথিৱীৰ উপৰিপৃষ্ঠত উপলব্ধ পানীয়ে মানুহৰ প্ৰয়োজনীয়তা পূৰণ কৰিব নোৱৰাত ভূগৰ্ভৰ পানী মানুহৰ বিভিন্ন কাৰ্য যেনে- দৈনন্দিন ব্যৱহাৰ, জলসিঞ্চন, জনস্বাস্থ্য, উদ্যোগ, কৃষি আদিত ব্যৱহাৰৰ বাবে অপৰিহাৰ্য হৈ পৰিছে। ভূতল জল এক মূল্যৱান প্ৰাকৃতিক সম্পদ। বৰষুণৰ পানীৰ এক অংশ পৃথিৱীৰ উপৰিপৃষ্ঠৰ পৰা মাধ্যাকৰ্ষণ শক্তিৰ প্ৰভাৱত ভূগৰ্ভলৈ গতি কৰি ভূগৰ্ভত মানুহৰ অদৃশ্যমান অৱস্থাত এক বৃহৎ জলাধাৰ প্ৰস্তুত কৰে। এই জলাধাৰৰ শীৰ্ষ তৰপ (Layer) টোক জলস্তৰ (Water table) বোলা হয়। অৰ্থাৎ এই জলস্তৰৰ তলত পানী উভৈনদী হৈ থাকে। কিন্তু ভূগৰ্ভৰ পানী অত্যধিক পৰিমাণত নিৰ্গত কৰাত ভূতলৰ জলস্তৰ ক্ৰমান্বয়ে নিম্নগামী হৈছে। অদূৰ ভৱিষ্যতে দিল্লীকে ধৰি ভাৰতৰ কে'বাখনো চহৰত ভূতল জলৰ চূড়ান্ত অভাৱ হ'ব বুলি নিটি আয়োগে শংকা প্ৰকাশ কৰিছে। উদ্বেগজনক কথা এয়ে যে দেশৰ প্ৰায় ৫৪% অঞ্চলত ভূতল স্তৰ নিম্নগামী হৈছে।

মানুহৰ বিভিন্ন কৰ্মৰাজিৰ বাবে বিশেষকৈ উদ্যোগিক যুগ আৰম্ভ হোৱাৰ পৰা ভূ-পৃষ্ঠৰ পানী-প্ৰদূষণৰ মাত্ৰা বৃদ্ধি হৈছে। পেট্ৰ'লজাত সামগ্ৰী, গেছ'লিন, কেমিকেল আদিৰ ৰাসায়নিক দ্ৰব্য, পাইখানাৰ টেংকৰ (Septic tank) দূষিত দ্ৰব্য, আৱৰ্জনা নিক্ষেপিত স্থান (Damping Ground)ৰ পৰা নিগৰিত পানী আদি ভূ-তললৈ গতি কৰি ভূতলৰ পানী প্ৰদূষিত কৰিছে। অসমৰ দৰে অত্যধিক বৰষুণ হোৱা অঞ্চলত চেপ্টিক টেংকৰ পৰা নিষ্কাসিত পানী ভূগৰ্ভলৈ নিক্ষেপ কৰাৰ পূৰ্বে শোহন টেংক (Soak Pit) ৰ মাজেদি গতি কৰাটো অতি প্ৰয়োজন যদিও চহৰৰ বহু লোকে চেপ্টিক টেংকৰ পৰা পাইপ ফুট পাথৰ ড্ৰেইনত সংযোগ কৰে। ফুটপাথৰ পঁকী ড্ৰেইনৰ পানী ওচৰৰ জান-জুৰিলৈ বৈ অহাত এক বৃহৎ অঞ্চলৰ পানী প্ৰদূষিত হয়। উপৰিপৃষ্ঠৰ পানী প্ৰদূষণৰ লগতে ভূগৰ্ভলৈ বৈ যোৱাত ভূগৰ্ভৰ পানীও প্ৰদূষিত হয়। ভূতল জল প্ৰদূষণৰ এক প্ৰধান কাৰক হৈছে ক্ষিপ্ৰ কৃষি সম্প্ৰসাৰণ। ৰাসায়নিক সাৰ, কীটনাশক আদি জল-প্ৰদূষণৰ মূল কাৰক। তৎসত্বেও ভূপৃষ্ঠৰ পানীতকৈ ভূগৰ্ভৰ পানীৰ প্ৰদূষণৰ মাত্ৰা তুলনামূলকভাৱে কম কাৰণ মাটি, শিল, বালি আদিৰ মাজেৰে পানী প্ৰবাহিত হয় যাৰ ফলত প্ৰাকৃতিকভাৱে পানীখিনি ফিল্টাৰ হয়। কিন্তু ভূগৰ্ভৰ পানীত আইৰন, আৰ্চেনিক আদি উপস্থিতিৰ বাবে বিশেষ পদক্ষেপ গ্ৰহণ কৰিব লগা হৈছে। পশ্চিমবংগ, বিহাৰ, অসম, উত্তৰ প্ৰদেশ, মণিপুৰ, চত্তিছগড় আদিত ভূতলৰ পানীত আৰ্চেনিকৰ উপস্থিতিয়ে সকলোকে উদ্বিগ্ন কৰিছে। অন্যহাতে, দিল্লী, গুৱাহাটী আদিত খোৱা পানী পৰ্যাপ্ত নহয়, আৰু ভূগৰ্ভতো খোৱাৰ উপযোগী পানীৰ অৱস্থিতি সীমিত। পৃথিৱীৰ বহু দেশৰ তুলনাত ভাৰতবৰ্ষৰ পানীৰ পৰিমাণ বেছি যদিও জনসংখ্যাৰ আধিক্যই সমস্যাৰ সৃষ্টি কৰিছে। পৃথিৱীৰ মুঠ জলৰ ৪% ভাৰতত উপলব্ধ যদিও পৃথিৱীৰ মুঠ জনসংখ্যাৰ ১৬% লোক ভাৰতত বাস কৰে।

**ভূতল-জল হ্ৰাস হোৱাৰ কাৰণ ঃ** ভূতল-জল অদৃশ্যমান জলৰ এক বৃহৎ ভাণ্ডাৰ। ভূতল-জল হ্ৰাস হোৱাৰ মূল কাৰণসমূহ— (ক) উপৰিপৃষ্ঠৰ পানীৰে মানুহৰ প্ৰয়োজনীয়তা পূৰণ নোহোৱাত পাম্পৰ সহায়ত ভূগৰ্ভৰ পানী অধিক পৰিমাণে ব্যৱহাৰ কৰিছে। উপৰিপৃষ্ঠৰ পানী প্ৰদূষণৰ বাবেও ভূতল-জল ব্যৱহাৰত অধিক গুৰুত্ব দিব লগা হৈছে, (খ) ভূগৰ্ভত প্ৰাকৃতিক প্ৰক্ৰিয়াৰে যি হাৰত পানী জমা হয় তাৰ তুলনাত পাম্পিঙৰ যোগেদি অধিক হাৰত ভূগৰ্ভৰ পানী নিৰ্গত হয়, (গ) কৃষি, জলসিঞ্চন, উদ্যোগ, খোৱাপানী আদি বিভিন্ন কাৰ্যত ভূগৰ্ভৰ পানী ব্যৱহাৰ হয় যদিও কৃষিকৰ্মত সৰ্বাধিক প্ৰায় ৭০% পানী ব্যৱহাৰ হয়। জনসংখ্যা বৃদ্ধিৰ বাবে কৃষিত অধিক গুৰুত্ব দিয়াত পাম্পৰ সংখ্যা বৃদ্ধি হৈছে যাৰ ফলত ভূতল জল হ্ৰাস হৈছে, (ঘ) প্ৰাকৃতিক কাৰণ যেনে খৰাং পৰিস্থিতি, খৰালি কাল আদিতো ভূতল জলস্তৰ হ্ৰাস হয়। খৰালি কালত জলাধাৰসমূহ যেনে— নৈ, জান-জুৰি, পুখুৰী, বিল আদিলৈ ভূতলৰ পৰা পানী বৈ আহে বাবে জলাধাৰত খৰালিতো পানী থাকে। অৰ্থাৎ জলাহ অঞ্চলবোৰ কেৱল বৰষুণৰ পানীৰ ওপৰতেই নহয়, ভূ-তল জলৰ ওপৰতো নিৰ্ভৰ কৰে।

**ভূতল-জল হ্ৰাসৰ প্ৰভাৱ ঃ** ভূতল-জল হ্ৰাস হোৱাৰ ফলত পৃথিৱীৰ বহু দেশত কুপ্ৰভাৱ পৰা পৰিলক্ষিত হৈছে। ভূতল-জল হ্ৰাস হোৱাত উদ্ভৱ হোৱা সমস্যাসমূহ— (ক) প্ৰতি বছৰে পাম্পৰ গভীৰতা বৃদ্ধি কৰিব লগা হৈছে। একেলগে বহু পৰিয়াল বাস কৰা ফ্লেটসমূহত এইটো এক সাধাৰণ সমস্যা হৈছে। ইতিমধ্যে এই সমস্যা গুৱাহাটীতো দেখা গৈছে, (খ) পাইপৰ গভীৰতা বৃদ্ধি হোৱাত দমকল সংস্থাপনৰ খৰচ বৃদ্ধিৰ উপৰি বৈদ্যুতিক খৰচো বৃদ্ধি হৈছে, (গ) ভূতল-জলৰ নিম্নগামী গতিৰ ফলত জলাহ অঞ্চল যেনে- বিল, পুখুৰী, এৰা সুঁতি আদি ক্ৰমান্বয়ে শুকাই গৈছে। মাথোঁ পানীৰ অভাৱৰ বাবেই ১৯৯০ৰ পাছত পৃথিৱীৰ প্ৰায় ৫০% জলাহ অঞ্চলৰ বিলুপ্তি ঘটিছে। জলাহ অঞ্চল শুকাই যোৱাত জৈৱ বৈচিত্ৰ্যতাত প্ৰভাৱ পৰাৰ উপৰি জলাহ অঞ্চলৰ পাৰত বাস কৰা মানুহৰ আৰ্থিক ক্ষতি হৈছে, (ঘ) অত্যধিক পাম্প ব্যৱহাৰ কৰাৰ ফলত ভূগৰ্ভৰ মাটি সংকুচিত/স্থানচ্যুত হোৱাৰ শংকাই জলবিদসকলক উদ্বিগ্ন কৰিছে। ভূগৰ্ভৰ ভূমি স্থানচ্যুতৰ সমস্যা ইতিমধ্যে কলিকতা, ঢাকা, মেক্সিকো, বেংকক আদি ঘনবসতিপূৰ্ণ চহৰবোৰত উদ্ভৱ হৈছে, (ঙ) উপযুক্ত পৰিমাণৰ পানীৰ অভাৱত স্বাস্থ্য হানি, কৃষি উৎপাদন হ্ৰাস, দৰিদ্ৰতা বৃদ্ধি আদি সামাজিক সমস্যা বৃদ্ধি হৈছে।



**সম্ভাব্য সমাধান ঃ** ভূতল-জল ক্ৰমাৎ হ্ৰাস হৈ অহাটো উদ্বেগজনক বিষয় যদিও ইয়াৰ সমাধান এক বৃহৎ প্ৰত্যাহ্বানৰূপে চিহ্নিত হৈছে। পদাৰ্থবিদ্যা, ৰসায়ন বিদ্যা, গণিতশাস্ত্ৰ আদি বিষয়ৰ অধ্যয়ন কে'বা শতিকাৰ পূৰ্বেই আৰম্ভ হৈছিল যদিও জলবিদ্যা (Hydrology) অধ্যয়ন তেনেই নতুন বিষয়। অধ্যয়ন আৰু গৱেষণাত অধিক গুৰুত্ব প্ৰদান কৰিলে ভূতল-জল কৃত্ৰিম উপায়েৰে পুনঃসঞ্চাৰিত (Re-charge) কৰাৰ সফল পদ্ধতি নিশ্চয়কৈ উন্মোচিত হ'ব। এই সম্পৰ্ক সমাধানৰ বাবে ল'বলগীয়া পদক্ষেপসমূহ— (ক) পানী ব্যৱহাৰত মিতব্যয়, (খ) বৰষুণৰ পানী সঞ্চয়ন (Rain Water Harvesting) ত গুৰুত্ব, (গ) ভূতল-জল ব্যৱহাৰত আইনী ব্যৱস্থাৰ প্ৰৱৰ্তন, (ঘ) জলাহ অঞ্চলৰ সংৰক্ষণ আৰু সংবৰ্ধন ইত্যাদি, (ঙ) গুৱাহাটীৰ দৰে ঘনবসতিপূৰ্ণ স্থানত ঘৰবোৰ অতি ওচৰা-ওচৰিকৈ থাকে বাবে ভূগৰ্ভৰ পৰা পানী আহৰণ কৰা পাম্পবোৰো ওচৰা-ওচৰিকৈ সংস্থাপিত হয়। এটা পাম্পে ভূগৰ্ভৰ পৰা পানী তোলাৰ লগে লগে জলস্তৰ শংকু আকৃতিত নিম্নগামী হয় আৰু পাম্প বন্ধ কৰাৰ পাছত পুনৰ জলস্তৰৰ উৰ্ধগামী গতি আৰম্ভ হয়।

পৃথিৱীৰ অত্যধিক বৰষুণ হোৱা অঞ্চলৰ অন্যতম অসমৰ গুৱাহাটীত প্ৰতি বছৰে পাম্পৰ গভীৰতা বৃদ্ধি কৰিবলগীয়া হৈছে যেতিয়া অন্যান্য চহৰ যেনে- দিল্লী, দাক্ষিণাত্যৰ চহৰসমূহৰ অৱস্থাৰ ভয়াবহতা অনুমান কৰিব পাৰি। পানী উভৈনদী হৈ থকাৰ বাবে আমি সম্ভাব্য পৰিস্থিতি অনুধাৱন কৰিব পৰা নাই।

এনে সমস্যা অদূৰ ভৱিষ্যতে পৃথিৱীৰ বহু অঞ্চ ললৈ সম্প্ৰসাৰিত হোৱাৰ সম্ভাৱনা আছে। জনসংখ্যাৰ ক্ৰমাগত বৃদ্ধি আৰু ভূগৰ্ভৰ জলৰ নিম্নগামী গতিৰ প্ৰতি লক্ষ্য আমি পানীৰ ব্যৱহাৰত সচেতন হ'ব লাগিব। উপৰিপৃষ্ঠৰ পানীক প্ৰদূষণ মুক্ত কৰি ৰাখিলে ব্যৱহাৰৰ উপযুক্ত হৈ ৰ'ব আৰু একে সময়তে বৰষুণৰ পানীক সঠিক ৰূপত ব্যৱহাৰ কৰিলে ভূগৰ্ভৰ জলৰ ওপৰত নিৰ্ভৰশীলতা হ্ৰাস হ'ব। ভূগৰ্ভত পানীৰ বৃহৎ ভঁৰাল আছে বুলি ইয়াৰ অত্যধিক পানী ব্যৱহাৰ কৰিলে উদ্ভৱ হ'ব পৰা সম্ভাব্য সমস্যাৰ কথা ইতিমধ্যে উল্লেখ কৰা হৈছে। পানীৰ মিতব্যয়ী ব্যৱহাৰৰ দ্বাৰা ভূগৰ্ভৰ জল ভৱিষ্যতলৈয়ো সংৰক্ষিত হৈ ৰ'ব।

*ফোন ঃ ৭০০২৭১৬৮২৬*

## দুৰ্নীতিত অভিযুক্ত অনুব্ৰতক পুনৰ মুখ্যমন্ত্ৰী মমতাৰ প্ৰশংসা



**নিউজ ব্যুৰ', কলকাতা, ২০ ছেপ্টেম্বৰ ঃ** দুৰ্নীতিত অভিযুক্ত তৃণমূল কংগ্ৰেছৰ নেতা অনুব্ৰত মণ্ডলক আকৌ এবাৰ সততাৰ প্ৰমাণপত্ৰ দিলে পশ্চিমবংগৰ মুখ্যমন্ত্ৰী তথা তৃণমূল কংগ্ৰেছ নেত্ৰী মমতা বেনাৰ্জীয়ে। পশ্চিমবংগ বিধানসভাৰ অধিবেশনত কেষ্ট (অনুব্ৰত)ক পুনৰ বীৰপুৰুষ অভিহিত কৰিলে মুখ্যমন্ত্ৰী মমতাই। কেন্দ্ৰীয় চৰকাৰে চিবিআই, ইডিৰ দৰে তদন্তকাৰী সংস্থাৰ অপব্যৱহাৰ কৰি বিৰোধী দলৰ সদস্যক হাৰাশাস্তি কৰাৰ অভিযোগ উত্থাপন কৰি মমতাই আকৌ এবাৰ তেওঁৰ দলৰ দুৰ্নীতিত অভিযুক্ত নেতা অনুব্ৰতক সততাৰ প্ৰমাণপত্ৰ দি কয়, 'কেষ্ট বীৰপুৰুষ। অৱশ্যেই বীৰপুৰুষ। যিসকলে ডাঙৰ ডাঙৰ কথা কৈছে। বীৰপুৰুষ কবিতা আছে। সেই কবিতাৰ দুই শাৰী কওক।' উল্লেখ্য যে কিছুদিন পূৰ্বেও মমতাই চোৰাং গৰু সৰবৰাহৰ গোচৰত অভিযুক্ত অনুব্ৰতক নিকা আৰু সৎ বুলি দাবী কৰিছিল।

## কেন্দ্ৰীয় মন্ত্ৰী ৰাণেৰ জুহুৰ বেআইনী অট্টালিকাৰ অংশ ভঙাৰ নিৰ্দেশ



**নিউজ ব্যুৰ', মুম্বাই, ২০ ছেপ্টেম্বৰ ঃ** কেন্দ্ৰীয় মন্ত্ৰী তথা বিজেপি নেতা নাৰায়ণ ৰাণেৰ মালিকনাধীন এটা কোম্পানীৰ বেআইনী অট্টালিকাৰ অংশ ভাঙি দিবলৈ কঠোৰ নিৰ্দেশ জাৰি কৰিলে বোম্বে উচ্চ ন্যায়ালয়ে। উল্লেখ্য যে কেন্দ্ৰীয় মন্ত্ৰীজনে বৃহন মুম্বাই পৌৰ নিগম (বি এম চি)ৰ বিৰুদ্ধে উচ্চ ন্যায়ালয়ৰ দ্বাৰস্থ হৈছিল আৰু আজি ন্যায়াধীশ ৰমেশ ডি ধানুকা আৰু কমল আৰ খাটাৰৰ বিচাৰপীঠে ৰাণেৰ আবেদন প্ৰত্যাখ্যান কৰি বি এম চিক আগন্তুক দুসপ্তাহৰ ভিতৰত ৰাণেৰ জুহুত থকা আঠ মহলীয়া অট্টালিকাৰ বেআইনী অংশ ভাঙিবলৈ নিৰ্দেশ দিয়ে। বি এম চিয়ে বেআইনী অংশ ভঙাৰ কাম সম্পূৰ্ণ কৰি তিনি সপ্তাহৰ ভিতৰত এই সন্দৰ্ভত প্ৰতিবেদন আদালতত দাখিল কৰিব লাগিব। উল্লেখ্য যে আদালতে ৰাণেক ১০ লাখ টকাৰ জৰিমনাও বিহে। দুসপ্তাহৰ ভিতৰত উক্ত জৰিমনাৰ ধন কেন্দ্ৰীয় মন্ত্ৰীজনে আদায় দিব লাগিব।

## ছবিৰ দৃশ্যগ্ৰহণত আহত হলিউড তাৰকা কে'ট, চিকিৎসালয়ত ভৰ্তি



**নিউজ ব্যুৰ', হলিউড, ২০ ছেপ্টেম্বৰ ঃ** এখন ছবিৰ দৃশ্যগ্ৰহণত অংশ ল'বলৈ গৈ দুৰ্ঘটনাত আহত হ'ল হলিউডৰ তাৰকা অভিনেত্ৰী কে'ট উইনশ্লেট। সম্প্ৰতি আহত অভিনেত্ৰীগৰাকী চিকিৎসাধীন হৈ আছে। চিকিৎসালয়ৰ সূত্ৰই প্ৰকাশ কৰা অনুসৰি অস্কাৰজয়ী অভিনেত্ৰীৰ শাৰীৰিক অৱস্থা সম্প্ৰতি স্থিতিশীল। ক্ৰ'ৱেছিয়াত 'লী' নামৰ এখন ছবিৰ দৃশ্যগ্ৰহণত অংশ লোৱাৰ সময়তে হঠাতে ভৰি পিছলি কে'ট আহত হৈছিল। ৪৬ বছৰীয়া অভিনেত্ৰীগৰাকীক সম্প্ৰতি চিকিৎসকে পৰ্যবেক্ষণত ৰাখিছে। ১৯৯৪ত হলিউডত অভিনেত্ৰী হিচাপে আত্মপ্ৰকাশ কৰা কে'টে 'টাইটানিক' ছবিৰ জৰিয়তে খ্যাতি অৰ্জন কৰিছিল।

## ফ্লেটত তামিল অভিনেত্ৰী পাউলিনৰ চিপ লোৱা মৃতদেহ উদ্ধাৰ



**নিউজ ব্যুৰ', চেন্নাই, ২০ ছেপ্টেম্বৰ ঃ** ৩৯ বছৰীয়া তামিল ছবিৰ অভিনেত্ৰী পাউলিন জেচিকাৰ চিপ লোৱা মৃতদেহ উদ্ধাৰ হ'ল চেন্নাইস্থিত ফ্লেটত। আত্মহননৰ পূৰ্বে অভিনেত্ৰীগৰাকীয়ে লিখি থৈ যোৱা পত্ৰত প্ৰেমজনিত ব্যৰ্থতাৰ কাৰণত তেওঁ আত্মহত্যা কৰা বুলি উল্লেখ কৰিছে। চলচ্চিত্ৰ জগতত পাউলিন দীপা নামৰে পৰিচিত হৈছিল। একাধিক জনপ্ৰিয় তামিল ছবিত অভিনয় কৰা পাউলিনে প্ৰেমত ব্যৰ্থতাৰ বাবে আত্মহত্যা কৰা বুলি পত্ৰত লিখি থৈ গ'লেও আৰক্ষীয়ে তেওঁৰ মৃত্যুৰ সন্দৰ্ভত তদন্ত অব্যাহত ৰাখিছে।



## আফগানিস্তানত তালিবানে নিষিদ্ধ কৰিব টিক্‌টক-পাবজি

**নিউজ ব্যুৰ', কাবুল, ২০ ছেপ্টেম্বৰ ঃ** আফগানিস্তানৰ তালিবান চৰকাৰে দেশখনত আগন্তুক তিনি মাহৰ ভিতৰত টিক্‌টক এপ আৰু পাবজি গেমিং এপ নিষিদ্ধ কৰিব। সংবাদ মাধ্যমৰ বাতৰি অনুসৰি, যোৱা এপ্ৰিলতে তালিবানে দেশখনত এইসমূহ এপ নিষিদ্ধ কৰাৰ সিদ্ধান্ত লৈছিল। তালিবানে অভিযোগ কৰা অনুসৰি টিক্‌টক আৰু পাবজিৰ দৰে ম'বাইল এপৰ ব্যৱহাৰৰ ফলত আফগান যুৱ প্ৰজন্ম পথভ্ৰষ্ট হৈছে। তালিবানৰ মুখপাত্ৰ ইনামুল্লা ছমাগানিয়ে বিবিচিৰ আগত প্ৰকাশ কৰা অনুসৰি, টিক্‌টক আৰু পাবজি নিষিদ্ধ কৰাটো জৰুৰী হৈছে।

### বিত্তীয় দিশত যথেষ্ট লোকচানৰ সন্মুখীন হৈছে ফে'চবুক, মেটাভাৰ্চৰ জগতে কৰিলে ক্ষতি

# চলিত বৰ্ষত জুকাৰবাৰ্গৰ সম্পত্তি ৭১ বিলিয়ন ডলাৰ হ্ৰাস পালে



**নিউজ ব্যুৰ' নিউয়ৰ্ক, ২০ ছেপ্টেম্বৰ ঃ** মেটাভাৰ্চৰ জগতত প্ৰৱেশ কৰাৰ পাছৰে পৰা বিত্তীয় দিশত যথেষ্ট ক্ষতিগ্ৰস্ত হৈছে ফে'চবুকৰ প্ৰতিষ্ঠাপক মাৰ্ক জুকাৰবাৰ্গ। চলিত বৰ্ষত আমেৰিকাৰ প্ৰায় প্ৰতিজন অৰ্বুদপতিয়ে ব্যৱসায়িক লোকচানৰ সন্মুখীন হৈছে। মেটা প্লেটফৰ্মৰ আই এন চিৰ মুখ্য কাৰ্যবাহী বিষয়া জুকাৰবাৰ্গৰ সম্পত্তিৰ পৰিমাণ অৰ্ধেক হ্ৰাস পালে। চলিত বৰ্ষত জুকাৰবাৰ্গৰ ৭১ বিলিয়ন ডলাৰলৈকে সম্পত্তি হ্ৰাস পালে। ব্লুমবৰ্গ বিলিয়নেৰ ইনডেক্সৰ তথ্য অনুসৰি চলিত বৰ্ষত অৰ্বুদপতি হিচাপে জুকাৰবাৰ্গৰ সৰ্বাধিক সম্পত্তি হ্ৰাস পালে। বৰ্তমানে বিশ্বৰ ধনাঢ্য ব্যক্তিৰ তালিকাত ৫৫.৯ বিলিয়ন ডলাৰৰ সম্পত্তিৰে জুকাৰবাৰ্গে ২০ সংখ্যক স্থান লাভ কৰিছে। এসময়ত এই তালিকাত শীৰ্ষ স্থান দখল কৰা জুকাৰবাৰ্গৰ মেটাভাৰ্চ জগতত প্ৰৱেশৰ পাছৰে পৰা সম্পত্তিৰ দ্ৰুত হ্ৰাস অব্যাহত আছে। দুবছৰ পূৰ্বে জুকাৰবাৰ্গৰ মুঠ সম্পত্তিৰ পৰিমাণ আছিল ১০৬ বিলিয়ন ডলাৰ। ইফালে যোৱা ফেব্ৰুৱাৰীৰ পৰা ফে'চবুকৰ ব্যৱহাৰকাৰীৰ সংখ্যা বৃদ্ধি পোৱা নাই।

## পুনৰ ধনাঢ্য ব্যক্তিৰ তালিকাত দ্বিতীয় স্থানত গৌতম আদানী



**নিউজ ব্যুৰ', নতুন দিল্লী, ২০ ছেপ্টেম্বৰ ঃ** যোৱা সপ্তাহত সাময়িকভাৱে বিশ্বৰ ধনাঢ্য ব্যক্তিৰ তালিকাত দ্বিতীয় স্থান লাভ কৰাৰ পাছত তৃতীয় স্থানলৈ অৱনমিত হৈছিল ভাৰতীয় উদ্যোগপতি গৌতম আদানী। আজি পুনৰ বিশ্বৰ ধনাঢ্য ব্যক্তিৰ তালিকাত আদানী গোষ্ঠীৰ মুৰব্বী আদানীয়ে লাভ কৰিলে দ্বিতীয় স্থান। ফ'ৰ্বছ বিলিয়নেৰ ইনডেক্সৰ ধনাঢ্য ব্যক্তিৰ তালিকাত দ্বিতীয় স্থান দখল কৰিলে আদানীয়ে। আদানী গোষ্ঠীৰ মুৰব্বীয়ে এমেজনৰ প্ৰতিষ্ঠাপক জেফ বেজ'ছ আৰু লুই ভিটনৰ মুৰব্বী বাৰ্ণাৰ্ড আৰ্ণল্টকো অতিক্ৰম কৰি ধনাঢ্য ব্যক্তিৰ তালিকাত পুনৰ দ্বিতীয় স্থান দখল কৰিলে। যোৱা সপ্তাহত সাময়িকভাৱে এই তালিকাত আদানীয়ে দ্বিতীয় স্থান দখল কৰিছিল যদিও পাছত তেওঁ পুনৰ তৃতীয় স্থানলৈ অৱনমিত হৈছিল। মঙলবাৰে পুনৰ বিশ্বৰ দ্বিতীয় ধনাঢ্য ব্যক্তি হিচাপে স্বীকৃত হৈ আদানী। ফ'ৰ্ব্বৰ তথ্য অনুসৰি, আদানীৰ বৰ্তমানে মুঠ সম্পত্তিৰ পৰিমাণ হৈছে ১৫৬.৩ বিলিয়ন ডলাৰ। ভাৰতীয় মুদ্ৰাত এইজন ধনাঢ্য ব্যৱসায়ীৰ সম্পত্তিৰ পৰিমাণ হৈছে ১২.৪৪ লাখ কোটি টকা। আদানীয়ে ভাৰতীয় আৰু এছিয়াৰ প্ৰথমজন ধনাঢ্য ব্যক্তি হিচাপে স্বীকৃতি লাভ কৰাৰ বিপৰীতে বিশ্বৰ ধনাঢ্য ব্যক্তিৰ তালিকাত বৰ্তমানে অষ্টম সংখ্যক স্থানত আছে ৰিলায়েন্স ইণ্ডাষ্ট্ৰিজৰ মুৰব্বী মুকেশ আম্বানী। ফ'ৰ্ব্বৰ তথ্য অনুসৰি আম্বানীৰ বৰ্তমানৰ সম্পত্তিৰ পৰিমাণ হৈছে ৯২ বিলিয়ন ডলাৰ। ধনাঢ্য ব্যক্তিৰ তালিকাখনত প্ৰথম স্থানত আছে টেছলা আৰু স্পেচ এক্সৰ মুৰব্বী এলন মাস্ক। মাস্কৰ মুঠ সম্পত্তিৰ পৰিমাণ হৈছে ২৭৭ বিলিয়ন ডলাৰ অৰ্থাৎ ভাৰতীয় মুদ্ৰাত ২২.০৫ লাখ কোটি টকা।

## বিজেপিৰ দাবী ঃ সুৰা কেলেংকাৰিৰ প্ৰমাণে নিদ্ৰাহৰণ কৰিব কেজৰিৱালৰ



**নিউজ ব্যুৰ', নতুন দিল্লী, ২০ ছেপ্টেম্বৰ ঃ** দিল্লীৰ মুখ্যমন্ত্ৰী তথা আম আদমী পাৰ্টি (আপ)ৰ মুৰব্বী অৰবিন্দ কেজৰিৱালৰ বিৰুদ্ধে সুৰা কেলেংকাৰিৰ অভিযোগ উত্থাপন কৰি সৰৱ হৈছে বিজেপি। আজি বিজেপিয়ে কেজৰিৱালক 'বেইমান' বুলি অভিহিত কৰি কয় যে দিল্লীৰ মুখমন্ত্ৰীৰ এটাৰ পাছত আন এটা কেলেংকাৰি ফাদিল হ'বলৈ ধৰিছে আৰু অচিৰে ৰাইজৰ কাষলৈ যাবলৈও যোগ্যতা হেৰুৱাব কেজৰিৱালে। এখন সংবাদমেলত বিজেপিৰ মুখপাত্ৰ গৌৰৱ ভাটিয়াই আজি দাবী কৰি কয় যে আবকাৰী কেলেংকাৰিৰ প্ৰমাণে কেজৰিৱালৰ নিদ্ৰাহৰণ কৰিব আৰু তেওঁ ৰাইজৰ কাষ চাপিবলৈ সাহস নকৰিব। 'ষ্টিং অপাৰেচন'ৰ জৰিয়তে কেজৰিৱালে কিদৰে আবকাৰী নীতিৰ নামত ধন দাবী কৰিছিল, তাৰ সবিশেষ প্ৰমাণ বিজেপিয়ে লাভ কৰা বুলি দাবী কৰি ভাটিয়াই কয় যে এইসমূহ প্ৰমাণ ৰাজহুৱা হোৱাৰ পাছত কেজৰিৱাল কিমান দুৰ্নীতিগ্ৰস্ত সেয়া স্পষ্ট হ'ব। আবকাৰী নীতিৰ জৰিয়তে লাভ কৰা কমিছনৰ ধন কেজৰিৱালে আত্মসাৎ কৰা বুলিও বিজেপিৰ মুখপাত্ৰজনে সংবাদমেলত অভিযোগ কৰে।

## হিমাচলৰ নিৰ্বাচনৰ বাবে প্ৰাৰ্থীৰ তালিকা প্ৰকাশ আপৰ



**নিউজ ব্যুৰ', ছিমলা, ২০ ছেপ্টেম্বৰ ঃ** আম আদমী পাৰ্টি (আপ)য়ে হিমাচল প্ৰদেশত অনুষ্ঠিত হ'ব লগা বিধানসভা নিৰ্বাচনৰ বাবে দলৰ প্ৰথমখন প্ৰাৰ্থীৰ তালিকা প্ৰকাশ কৰিলে। আপৰ ৰাজ্যিক সভাপতি সুৰজিৎ ঠাকুৰ আৰু সহপ্ৰভাৰী ডাঃ সন্দীপ পাঠকে আজি ঘোষণা কৰা প্ৰথমখন প্ৰাৰ্থীৰ তালিকাত আপে ডাঃ ৰাজন সুশান্ত, মনিষ ঠাকুৰ, সুদৰ্শন যশপা, উমাকান্ত ডোগৰাক প্ৰাৰ্থিত্ব প্ৰদান কৰে। উল্লেখ্য যে হিমাচল প্ৰদেশ বিধানসভাৰ নিৰ্বাচনৰ বাবে প্ৰাৰ্থী তালিকা ঘোষণা কৰা প্ৰথমটো দল হিচাপে পৰিচিত হ'ল আপ।



## হেলিকপ্টাৰৰে ম্যানমাৰৰ বিদ্যালয়ত গুলিবৰ্ষণত নিহত ছয় শিশু

**নিউজ ব্যুৰ' য়াংগুন, ২০ ছেপ্টেম্বৰ ঃ** গৃহযুদ্ধত ৰক্তাক্ত ম্যানমাৰৰ এইবাৰ বাৰ্মিজ সেনাই এখন বিদ্যালয়ত হেলিকপ্টাৰৰে গুলিবৰ্ষণ কৰিলে। এই ঘটনাত ছটা শিশুৰ মৃত্যু হোৱাৰ লগতে কমেও ১৭ শিশু আহত হৈছে। মধ্য ম্যানমাৰৰ ছাগাইং প্ৰদেশৰ লেট ইয়েত কোনে গাঁৱত বাৰ্মিজ সেনা বাহিনীয়ে এই নৃশংস ঘটনা সংঘটিত কৰিলে। প্ৰকাশিত বাতৰি অনুসৰি এখন বিদ্যালয়ত হেলিকপ্টাৰৰ জৰিয়তে বাৰ্মিজ সেনাই গুলিবৰ্ষণ কৰিছে। সেনাৰ এই অতৰ্কিত আক্ৰমণত ঘটনাস্থলীতে ছটি শিশুৰ মৃত্যু হ'ল।

## গুজৰাটত কেজৰিৱালৰ সন্মুখত দিলে 'মোদী মোদী' ধ্বনি, বিব্ৰত আপৰ মুৰব্বী



**নিউজ ব্যুৰ', আহমেদাবাদ, ২০ ছেপ্টেম্বৰ ঃ** গুজৰাট বিধানসভাৰ আসন্ন নিৰ্বাচনক লৈ ইতিমধ্যে ৰাজ্যখনৰ ৰাজনীতি উত্তপ্ত হৈ উঠিছে। ৰাজনৈতিক দলৰ মুৰব্বী আৰু কৰ্মীয়ে সম্প্ৰতি গুজৰাটত অনুষ্ঠিত কৰিছে এখনৰ পাছত আন এখন নিৰ্বাচনী সভা। এই ক্ষেত্ৰত বিশেষ সক্ৰিয়তা প্ৰদান কৰিছে অৰবিন্দ কেজৰিৱাল নেতৃত্বাধীন আম আদমী পাৰ্টি (আপ)য়ে। আজি কেজৰিৱালে দলৰ প্ৰচাৰ চলোৱাৰ বাবে গুজৰাটৰ বড়োদৰাত উপস্থিত হৈছিল। এক অনুষ্ঠানত আপৰ মুৰব্বীক স্বাগতম জনোৱাৰ সময়তে উক্ত স্থানত উপস্থিত থকা একাংশ লোকে হঠাতে 'মোদী মোদী' শ্ল'গান দিবলৈ ধৰে। এই ঘটনাত স্বাভাৱিকতে কিছু বিব্ৰত হয় কেজৰিৱাল। অৱশ্যে 'মোদী মোদী' শ্ল'গান দিয়া দেখি কেজৰিৱালৰ সমৰ্থকে লগে লগে 'কেজৰিৱাল কেজৰিৱাল' ধ্বনি দিবলৈ ধৰে। এই ঘটনাৰ ভিডিঅ' সামাজিক মাধ্যমত ভাইৰেল হৈছে। আম আদমী পাৰ্টিয়ে গুজৰাটত প্ৰচাৰত আগভাগ লৈছে। কেজৰিৱালৰ লগতে আপৰ নেতা তথা পঞ্জাৱৰ মুখ্যমন্ত্ৰী ভগৱন্ত মান আৰু দলৰ অন্যান্য কে'বাজনো নেতাই গুজৰাটত সক্ৰিয়তা প্ৰদান কৰিছে।

## অৰ্পিতাৰ ডেৰ কোটিৰ এল আই চিৰ প্ৰিমিয়াম আদায় দিছিল পাৰ্থই



**নিউজ ব্যুৰ' কলকাতা, ২০ ছেপ্টেম্বৰ ঃ** ৩১ টা জীৱন বীমা পলিচিৰ ধাৰক হৈছে অৰ্পিতা মুখাৰ্জী। এইসমূহ এল আই চি পলিচিৰ বাবদ অৰ্পিতাই বছৰি প্ৰায় ডেৰ কোটি টকা বীমা কোম্পানীক আদায় দিব লগা হৈছিল। এই সম্পূৰ্ণ ধন অৰ্পিতাৰ হৈ বীমা কোম্পানীক আদায় দিছিল পশ্চিমবংগৰ প্ৰাক্তন শিক্ষামন্ত্ৰী পাৰ্থ চেটাৰ্জীয়ে। প্ৰৱৰ্তক সঞ্চালকালয় (ই ডি)-এ দাখিল কৰা অভিযোগনামাত এই তথ্য উল্লেখ কৰিছে। স্মৰ্তব্য যে পশ্চিমবংগৰ শিক্ষক নিযুক্তি কেলেংকাৰিৰ গোচৰত ই ডিয়ে প্ৰাক্তন শিক্ষামন্ত্ৰী পাৰ্থ আৰু তেওঁৰ ঘনিষ্ঠ অৰ্পিতাক গ্ৰেপ্তাৰ কৰিছিল। অভিযোগনামাত ই ডিয়ে পাৰ্থ আৰু অৰ্পিতাৰ ঘনিষ্ঠ যোগাযোগৰ সন্দৰ্ভত কেতবোৰ চাঞ্চল্যকৰ তথ্য সদৰী কৰিছে। এনে এক তথ্য অনুসৰি অৰ্পিতাৰ ৩১ টাকৈ জীৱন বীমাৰ পলিচি আছিল। ইয়াৰ বাবদ বছৰি ডেৰ কোটি টকাৰ প্ৰিমিয়াম আদায় দিছিল অৰ্পিতাৰ হৈ পাৰ্থই। উল্লেখ্য যে কালি শিক্ষক নিযুক্তি দুৰ্নীতিৰ গোচৰত পাৰ্থ আৰু অৰ্পিতাৰ বিৰুদ্ধে আদালতত অভিযোগনামা দাখিল কৰিছিল ই ডিয়ে। অৰ্পিতাৰ নামত থকা ৩১ বীমা পলিচিৰ কোনোবাটোৰ বাৰ্ষিক প্ৰিমিয়াম আছিল ৫০ হেজাৰ টকা আৰু আন কোনোবাটোৰ তাতোকৈও অধিক। পাৰ্থৰ ম'বাইল ফোনৰ জৰিয়তে এই সন্দৰ্ভত সবিশেষ তথ্য আহৰণ কৰা বুলি অভিযোগনামাত কেন্দ্ৰীয় তদন্তকাৰী সংস্থাটোৱে উল্লেখ কৰিছে। উক্ত তথ্য পাৰ্থৰ বেংকৰ লেনদেনৰ বিৱৰণৰ স'তেও মিলাই চোৱাত সত্যতাৰ প্ৰমাণ লাভ কৰা হয়। কেৱল এয়াই নহয়, ই ডিয়ে অভিযোগনামাত উল্লেখ কৰা অনুসৰি অৰ্পিতাৰ নামত থকা উক্ত এল আই চি পলিচিসমূহৰ অধিকাংশৰে 'নমিনি' আছিল পাৰ্থ। অৰ্পিতাৰ জীৱন বীমা বিষয়ক এই সমূহ তথ্যই পাৰ্থৰ স'তে থকা তেওঁৰ ঘনিষ্ঠ সম্পৰ্কৰ কথা প্ৰমাণ কৰে বুলিও ই ডিয়ে শপতনামাত দাবী কৰিছে। কেন্দ্ৰীয় তদন্তকাৰী সংস্থাটোৱে বেংকচাল আদালতত সোমবাৰে ১৭২ পৃষ্ঠাৰ অভিযোগনামা দাখিল কৰে।



## বিহাৰত বজ্ৰপাতত ১১ জনৰ মৃত্যু

**নিউজ ব্যুৰ' পাটনা, ২০ ছেপ্টেম্বৰ ঃ** বিহাৰত প্ৰবল বৃষ্টিপাতৰ মাজতে হোৱা বজ্ৰপাতৰ ঘটনাত ১১ জন লোকৰ মৃত্যু হ'ল। প্ৰকাশিত বাতৰি অনুসৰি ৰাজ্যখনৰ পূৰ্ণিয়া আৰু আৰাৰিয়া জিলাত বজ্ৰ পৰি আঠজন লোকে প্ৰাণ হেৰুৱালে। ইফালে চুপাল জিলাতো বজ্ৰপাতৰ ঘটনাত আন তিনিজন লোকৰ মৃত্যু হ'ল। এই ঘটনাৰ সন্দৰ্ভত আজি শোক প্ৰকাশ কৰিলে বিহাৰৰ মুখ্যমন্ত্ৰী নীতিশ কুমাৰে। মুখ্যমন্ত্ৰীজনে মৃতকৰ পৰিয়ালক চাৰি লাখ টকাকৈ ক্ষতিপূৰণ কৰা হ'ব বুলিও ঘোষণা কৰিছে।

## ২৪ ঘণ্টাত নিম্নমুখী দেশৰ ক'ভিড ৰেখাচিত্ৰ, মৃত্যু ১৫ জনৰ



**নিউজ ব্যুৰ', নতুন দিল্লী, ২০ ছেপ্টেম্বৰ ঃ** যোৱা ২৪ ঘণ্টাত নিম্নমুখী হ'ল ভাৰতৰ ক'ভিড সংক্ৰমণৰ ৰেখাচিত্ৰ। কেন্দ্ৰীয় স্বাস্থ্য মন্ত্ৰণালয়ৰ পৰিসংখ্যা অনুসৰি যোৱা ২৪ ঘণ্টাত দেশত নতুনকৈ ক'ভিড সংক্ৰমিত হ'ল ৪০৪৩ জন লোক। বৰ্তমানে দেশত ৪৭,৩৭৯ জন সক্ৰিয় ক'ভিড ৰোগী আছে। ইফালে বিগত এদিনত এই মাৰাত্মক ভাইৰাছৰ সংক্ৰমণত দেশত প্ৰাণ হেৰুৱালে ১৫ জন লোকে। বৰ্তমানলৈকে দেশত ৫,২৮,৩৭০ জন লোকৰ ক'ভিডত মৃত্যু হ'ল।

## হিজাবৰ বিৰুদ্ধে আন্দোলন অব্যাহত ইৰানত, বিশ্ববিদ্যালয়ৰ পৰা ৰাজপথলৈকে সৰ্বত্ৰ প্ৰতিবাদ



**নিউজ ব্যুৰ', তেহৰান, ২০ ছেপ্টেম্বৰ ঃ** হিজাব পৰিধানক বাধ্যতামূলক কৰাৰ বিৰুদ্ধে ইৰানত ব্যাপক আন্দোলন গঢ় লৈ উঠিছে। শেহতীয়াভাৱে আৰক্ষীয়ে এগৰাকী যুৱতীক হিজাব পৰিধান নকৰাৰ কাৰণত গ্ৰেপ্তাৰ কৰি নিৰ্যাতন চলোৱাৰ ফলত চিকিৎসালয়ত যুৱতীৰ মৃত্যু হৈছিল। ২২ বছৰীয়া মহচা অমিনিৰ শোকাৱহ মৃত্যুৰ পাছত আৰক্ষী আৰু প্ৰশাসনৰ বিৰুদ্ধে ক্ষোভত ফাটি পৰিছে ইৰানৰ মহিলা। একাংশ মহিলাই ইতিমধ্যে হিজাব জ্বলাই আৰু নিজৰ চুলি কাটি হিজাব বাধ্যতামূলক কৰাৰ বিৰুদ্ধে প্ৰতিবাদ সাব্যস্ত কৰিছে। প্ৰথমে ইৰানৰ একাংশ বিশ্ববিদ্যালয়ৰ চৌহদত হিজাব বিৰোধী প্ৰতিবাদ আৰম্ভ হৈছিল আৰু বৰ্তমানে ইৰানৰ মহিলাই ৰাজপথত প্ৰশাসনৰ বিৰুদ্ধে প্ৰতিবাদ অব্যাহত ৰাখিছে। ইৰানৰ দ্বিতীয়খন বৃহৎ চহৰ মচহাদত এনে বিক্ষোভে ব্যাপক ৰূপ ধাৰণ কৰিছে। একেদৰে মধ্য তেহৰানতো সহস্ৰাধিক মহিলাই হিজাব বাধ্যতামূলক কৰাৰ বিৰুদ্ধে প্ৰতিবাদ সাব্যস্ত কৰিছে। প্ৰতিবাদত অংশ লোৱা সহস্ৰাধিক মহিলাই চৰকাৰৰ বিৰুদ্ধে শ্ল'গান দিয়াৰ লগতে নিজৰ হিজাব খুলি দলিয়াই দিছিল। আৰক্ষীয়ে এনে বিক্ষোভ নিয়ন্ত্ৰণৰ বাবে লাঠিচালনা কৰাৰ লগতে কন্দুৱা গেছো প্ৰয়োগ কৰিছে। একাংশ অঞ্চলত ক্ষুব্ধ মহিলাই 'ইছলামিক ৰিপাব্লিক মুৰ্দাবাদ' ধ্বনিও দিছে। এনে প্ৰতিবাদৰ পাছতো তেহৰান আৰক্ষীয়ে কয় যে মহিলাই ইছলামিক পোছাক বিধি উলংঘন কৰিলে তেনে মহিলাৰ বিৰুদ্ধে প্ৰশাসনে কঠোৰ ব্যৱস্থা গ্ৰহণ কৰিব।

## নিচাসক্ত আছিল বাবেই পঞ্জাৱৰ মুখ্যমন্ত্ৰী মানক বিমানৰ পৰা দিছিল নমাই, তদন্তৰ ইংগিত কেন্দ্ৰীয় মন্ত্ৰী জ্যোতিৰাদিত্যৰ



**নিউজ ব্যুৰ', চণ্ডীগড়, ২০ ছেপ্টেম্বৰ ঃ** পঞ্জাৱৰ মুখ্যমন্ত্ৰী ভগৱন্ত মানক জাৰ্মানীৰ লুফথাংছা এয়াৰলাইন্সে বিমানৰ পৰা নমাই দিয়া বুলি উত্থাপিত এক অভিযোগৰ সন্দৰ্ভত প্ৰতিক্ৰিয়া প্ৰকাশ কৰিলে অসামৰিক বিমান পৰিবহণ মন্ত্ৰী জ্যোতিৰাদিত্য সিন্ধিয়াই। আজি সংবাদ মাধ্যমৰ আগত এই সন্দৰ্ভত মন্তব্য কৰি কেন্দ্ৰীয় মন্ত্ৰীজনে কয় যে নিচাগ্ৰস্ত হোৱাৰ ফলত নে আন কাৰণত পঞ্জাৱৰ মুখ্যমন্ত্ৰী মানক ফ্ৰাংকফৰ্ট বিমানকোঠত দিল্লী অভিমুখী লুফথাংছা বিমানৰ পৰা নমাই দিয়া হৈছিল সেই বিষয়ত অনুসন্ধান চলোৱা হ'ব। উল্লেখ্য যে পঞ্জাৱৰ মুখ্যমন্ত্ৰীক লুফথাংছা এয়াৰলাইন্সে অত্যধিক সুৰাপানৰ কাৰণত বিমানত যাত্ৰা কৰাৰ ক্ষেত্ৰত বাধাদান কৰা বুলি এক অভিযোগ শেহতীয়াভাৱে উত্থাপিত হৈছিল। এই ঘটনাৰ সন্দৰ্ভতে তদন্তৰ ইংগিত দিলে অসামৰিক বিমান পৰিবহণ মন্ত্ৰী সিন্ধিয়াই। শিৰোমণি আকালী দলৰ নেতা সুখবীৰ সিং বাদলে যোৱা সোমবাৰে অভিযোগ উত্থাপন কৰি কৈছিল যে নিচাগ্ৰস্ত হোৱা হেতুকে পঞ্জাৱৰ মুখ্যমন্ত্ৰীক লুফথাংছা এয়াৰলাইন্সে বিমানৰ পৰা নমাই দিছিল। মানে সুৰাপান কৰি বিমানত যাত্ৰা কৰিবলৈ গৈ পঞ্জাৱক অপমান কৰাৰো অভিযোগ শিৰোমণি আকালী দলে উত্থাপন কৰিছিল। মানে সোমবাৰে আঠদিনীয়া জাৰ্মানী যাত্ৰা সম্পূৰ্ণ কৰি দিল্লীলৈ উভতি আহিছিল। বিনিয়োগকাৰীৰ সন্ধানত মান জাৰ্মানীলৈ গৈছিল।

## সোণৰ মূল্য ৪৯,৩৭৪ টকালৈ হ্ৰাস, ৰূপৰ মূল্য ৫৭ হেজাৰ টকালৈ বৃদ্ধি



**নিউজ ব্যুৰ', নতুন দিল্লী, ২০ ছেপ্টেম্বৰ ঃ** ছমাহৰ সৰ্বনিম্ন স্তৰতে থাকিল সোণৰ মূল্য। ভাৰতীয় বজাৰত মঙলবাৰে প্ৰতি ১০ গ্ৰাম ২২ কেৰেটৰ সোণৰ মূল্য ৪৯,৩৭৪ টকালৈ হ্ৰাস পালে। একেদৰে ২৪ কেৰেটৰ ১০ গ্ৰাম সোণৰ মূল্য আজি ৪৯,৯০০ টকা হ'ল। ২২ কেৰেটৰ ১০ গ্ৰামৰ হলমাৰ্ক সোণৰ মূল্য ৪৮,০৫০ টকা হ'ল। ইফালে প্ৰতি এক কিলো ৰূপৰ মূল্য আজি ৫৭,০০৫ টকালৈ বৃদ্ধি পালে।

# দলগোমা সমবায় সমিতিৰ বছৰেকীয়া সাধাৰণ সভা

অগ্ৰদূত বাৰ্তা

**মাটিয়া, ২০ ছেপ্টেম্বৰ ঃ** পূব গোৱালপাৰাৰ বুদুচৰ গাঁও পঞ্চায়ত কাৰ্যালয়ৰ প্ৰেক্ষাগৃহত দলগোমা সমবায় সমিতি লিমিটেডৰ সঞ্চালক মণ্ডলীৰ সভাপতি কাশেম আলীৰ পৌৰোহিত্যত যোৱা ১৮ ছেপ্টেম্বৰত সমিতিখনৰ ২০২২-২৩ৰ বছৰেকীয়া সাধাৰণ সভা অনুষ্ঠিত হয়। বিভাগীয় পৰ্যবেক্ষক ইনামুল দেওৱানৰ উপস্থিতত অনুষ্ঠিত সভাৰ উদ্দেশ্য ব্যাখ্যা, বিগত বৰ্ষৰ বছৰেকীয়া সাধাৰণ সভাৰ প্ৰস্তাৱ পাঠৰ লগতে সম্পাদকীয় প্ৰতিবেদন পাঠ কৰে সমিতিখনৰ সম্পাদক আজিজুল হকে। সভাত সমিতিখনৰ মুঠ ১০৪৭ গৰাকী অংশীদাৰৰ ভিতৰত ১২০ গৰাকীয়ে উপস্থিত থাকে। আভ্যন্তৰীণ হিচাপ পৰীক্ষক আতোৱাৰ ৰহমান আৰু নজৰুল ইছলামে যুগুত কৰি উলিওৱা তথা নজৰুল ইছলামে পাঠ কৰা প্ৰতিবেদন মতে, বিগত বৰ্ষত সমিতিখনে দুই লাখ ৩১ হেজাৰ ২৯০ টকা লাভ কৰিবলৈ সক্ষম হৈছে। সক্ৰিয় অংশীদাৰ তথা প্ৰাক্তন বিধায়ক জ্যোতিষ দাসৰ লগতে আতোৱাৰ ৰহমান, ডিম্বেশ্বৰ দাস, ৰফিকুল ইছলাম প্ৰমুখ্যে কে'বাগৰাকী লোকে বিভিন্ন বিষয়বস্তুৰ ওপৰত বক্তব্য ৰাখে। কে'বাটাও গুৰুত্বপূৰ্ণ প্ৰস্তাৱ গ্ৰহণ কৰা সভাখনত আগন্তুক বৰ্ষৰ বাবে তিনি লাখ টকাৰ ৰাহি বাজেট গ্ৰহণ কৰা হয়। ইপিনে, সভাৰ আৰম্ভণিৰ আগমুহূৰ্তত স্থানীয় বৰকান্দাৰ বাসিন্দা তথা সমিতিখনৰ সদস্য আতোৱাৰ ৰহমানৰ পুত্ৰ আকিমূল ৰহমানে নীটত ৬৫৪ নম্বৰ লাভ কৰি অঞ্চলটোলৈ গৌৰৱ কঢ়িয়াই আনিবলৈ সক্ষম হোৱা বাবেই সমবায় কৰ্তৃপক্ষই তেওঁক বিশেষভাৱে সম্বৰ্ধনা জ্ঞাপন কৰে।

### ■ অংশীদাৰৰ মাজত লভ্যাংশৰ ধন বিতৰণ

# স্বাধীনতাৰ ৭৫ বছৰৰ পাছতো এটুপি বিশুদ্ধ খোৱাপানীৰ বাবে হাহাকাৰ যোৰহাটবাসীৰ

### ■ উপায়ুক্তক স্মাৰকপত্ৰযোগে আছুৰে দিলে ১৫ দিনৰ সময়সীমা

ষ্টাফ ৰিপ'ৰ্টাৰ

**যোৰহাট, ২০ ছেপ্টেম্বৰ ঃ** কোটি কোটি টকাৰে সৰ্বসাধাৰণ ৰাইজৰ বাবে যি সময়ত চৰকাৰে জলজীৱন মিছনৰ লগতে অন্যান্য আঁচনিৰে বিশুদ্ধ খোৱাপানী যোগানৰ পৰিকল্পনা কৰিছে সেই সময়তেই এই আঁচনি যেন অলীক কল্পনা হৈ পৰিছে যোৰহাট নগৰবাসীৰ ৰাইজৰ বাবে। যোৰহাট পৌৰসভা আৰু নগৰ পানীযোগান বিভাগে বিশুদ্ধ খোৱাপানীৰ নামত বৰণযুক্ত, দুৰ্গন্ধময় পানী যোগান ধৰাৰ ফলত একপ্ৰকাৰ দুৰ্বিষহ আৰু যন্ত্ৰণাদায়ক জীৱন অতিবাহিত কৰিবলগীয়া হৈছে যোৰহাট নগৰবাসী ৰাইজে। ইয়াকেই লৈ ক্ষুব্ধ হৈ পৰিছে যোৰহাট মহকুমা ছাত্ৰ সন্থা। ৰাইজৰ এই খোৱাপানীৰ সমস্যা আগন্তুক ১৫ টা দিনৰ ভিতৰত সমাধানৰ জৰিয়তে ৰাইজক সকাহ প্ৰদান কৰিবলৈ কালি যোৰহাট মহকুমা ছাত্ৰ সন্থাই জিলা উপায়ুক্তক এক স্মাৰকপত্ৰ প্ৰেৰণ কৰে। এক প্ৰেছ বিবৃতিত যোৰহাট মহকুমা ছাত্ৰ সন্থাৰ সভাপতি নীহাৰিকা শইকীয়া আৰু সাধাৰণ সম্পাদক ৰিয়াজ হুছেইনে কয় যে স্বাধীনতা লাভ কৰাৰ ৭৫ বছৰ অতিক্ৰম কৰাৰ পাছতো এটুপি বিশুদ্ধ খোৱাপানীৰ বাবে যোৰহাট নগৰবাসী ৰাইজে হাহাকাৰ কৰিবলগা হোৱাৰ কথাটোৱে আচলতে চৰকাৰৰ কোটিটকীয়া জলজীৱন মিছনকে ধৰি অন্যান্য আঁচনিসমূহৰ প্ৰকৃত ফোঁপোলা স্বৰূপ উদঙাই দিছে। বিভিন্ন সময়ত বিভিন্ন নিৰ্বাচনী প্ৰতিশ্ৰুতিৰূপে বিশুদ্ধ খোৱাপানীৰ সমস্যা সমাধানৰ বিষয়টোক জনতাৰ আবেগৰ ঢাল হিচাপে ব্যৱহাৰ কৰি আহিছে যদিও নিয়মিতভাৱে বিশুদ্ধ স্বাস্থ্যকৰ খোৱাপানী নগৰবাসীয়ে আজি পৰ্যন্ত লাভ নকৰিলে। উপযুক্ত সময়ত নিয়মীয়াকৈ পানী যোগান ধৰাৰ ক্ষেত্ৰত নগৰ পালিকাৰ পানী যোগান বিভাগৰ দায়িত্বজ্ঞানহীন কৰ্মকাণ্ডৰ বাবে নগৰবাসী ৰাইজে যি অশান্তিজৰ্জৰ পৰিৱেশৰ মাজেৰে খোৱানী ক্ৰয় কৰিবলগীয়া হৈছে, ছাত্ৰ সন্থাই এনে কাৰ্য কেতিয়াও গ্ৰহণ নকৰে। ছাত্ৰ সন্থাৰ স্পষ্ট দাবী ১৫ দিনৰ সময়সীমাৰ ভিতৰত, অসম চৰকাৰ, যোৰহাট পৌৰসভা আৰু নগৰ পানী যোগান বিভাগে যদি বিশুদ্ধ খোৱাপানী যোৰহাটবাসী ৰাইজে লাভ কৰাৰ ক্ষেত্ৰত কোনো ব্যৱস্থা গ্ৰহণ নকৰে, তেন্তে অনাগত দিনত ৰাইজৰ বৃহত্তৰ স্বাৰ্থৰ প্ৰতি লক্ষ্য ৰাখি, কঠোৰ, ধাৰাবাহিক গণতান্ত্ৰিক আন্দোলনৰ কাৰ্যসূচী গ্ৰহণ কৰা হ'ব বুলি ছাত্ৰ সন্থাৰ নেতৃত্ববৃন্দই হুংকাৰ প্ৰদান কৰে।

# তেজপুৰত ছদিনীয়া দক্ষতা পৰীক্ষণ-প্ৰামাণীকৰণ কাৰ্যসূচী উদ্বোধন

ষ্টাফ ৰিপ'ৰ্টাৰ

**তেজপুৰ, ২০ ছেপ্টেম্বৰ ঃ** তেজপুৰৰ আৱৰ্ত ভৱনত কালি আয়োজিত এখন সভাত ৰান্ধনী আৰু পৰিচালকৰ বাবে এক ছয়দিনীয়া দক্ষতা পৰীক্ষণ আৰু প্ৰামাণীকৰণ কাৰ্যসূচী উদ্বোধন কৰে শোণিতপুৰৰ উপায়ুক্ত দেৱ কুমাৰ মিশ্ৰই। উপায়ুক্ত মিশ্ৰই তেওঁৰ ভাষণত কয় যে সমগ্ৰ জিলাখনৰ বিভিন্ন চৰকাৰী আৰু ব্যক্তিগত অতিথিশালা, হোটেল আদিত জিলাখনলৈ অহা পৰ্যটকসকলক আগবঢ়োৱা সেৱাৰ মান উন্নত কৰাৰ উদ্দেশ্যে ৰান্ধনী আৰু পৰিচালকসকলৰ বাবে এই ছয় দিনীয়া প্ৰশিক্ষণৰ আয়োজন কৰা হৈছে। তেওঁ লগতে জনায় যে শোণিতপুৰ প্ৰশাসন আৰু জিলা উদ্যোগ আৰু বাণিজ্য কেন্দ্ৰৰ সহযোগত আই এইছ এম, গুৱাহাটীয়ে চলিত বৰ্ষৰ ভিতৰতে আন তিনিটা প্ৰশিক্ষণৰো আয়োজন কৰিব। ইয়াৰে ভিতৰত, হোটেল আৰু ধাবাৰ কৰ্মচাৰী, গাড়ীচালক, টেক্সিচালক, অট'ৰিক্সা চালক, ৰিক্সা চালক, ই-ৰিক্সা চালক, নাৱৰীয়া আদিৰ বাবে এক পৰ্যটন ক্ষেত্ৰৰ বিষয়ে সজাগতা কাৰ্যসূচীৰো আয়োজন কৰা হ'ব। এই কাৰ্যসূচীৰ অধীনত অনাগত মাহত ৰান্ধনীশালৰ সহায়কৰ লগতে বেকাৰী ব্যৱসায়ৰ বাবে ইচ্ছুক লোকৰ বাবেও দুটা পৃথক প্ৰশিক্ষণ অনুষ্ঠিত কৰা হ'ব বুলিও তেওঁ কয়। প্ৰশিক্ষণত মুঠ ৩৮ জন ৰান্ধনী আৰু পৰিচালকে অংশগ্ৰহণ কৰে আৰু এই প্ৰশিক্ষণ অহা ২৪ ছেপ্টেম্বৰত সমাপ্ত হ'ব। উল্লেখ্য যে আই এইছ এম, গুৱাহাটীয়ে দেশৰ কেন্দ্ৰীয় চৰকাৰৰ পৰ্যটন মন্ত্ৰণালয়ৰ অধীনৰ নেচনেল কাউন্সিল ফৰ হোটেল মেনেজমেন্ট এণ্ড কেটাৰিং টেকনল'জিৰ অধীনত গন্তব্যস্থান ভিত্তিক দক্ষতা বিকাশ কাৰ্যসূচীৰ অংশ হিচাপে এই প্ৰশিক্ষণৰ আয়োজন কৰিছে। কালিৰ উদ্বোধনী অনুষ্ঠানত শোণিতপুৰ জিলা পৰিষদৰ মুখ্য কাৰ্যবাহী বিষয়া কৰবী শইকীয়া, গুৱাহাটীৰ হোটেল ব্যৱস্থাপনা প্ৰতিষ্ঠানৰ অধ্যক্ষ অমিতাভ দে, বিভাগীয় মুৰব্বী সাক্য সিন্হা, জিলা উদ্যোগ আৰু বাণিজ্য কেন্দ্ৰৰ মহাপ্ৰৱন্ধক ৰঞ্জন ভট্টাচাৰ্য আৰু ভাৰপ্ৰাপ্ত জিলা পৰ্যটন বিষয়া বাসব বৰাসহ আন বিষয়াববীয়াসকল উপস্থিত থাকে।

# কুকুৰমাৰা আঞ্চলিক সাৰ্বজনীন দুৰ্গাপূজাৰ প্ৰস্তুতি

**ছয়গাঁও, ২০ ছেপ্টেম্বৰ ঃ** দক্ষিণ কামৰূপৰ অন্যতম শাৰদীয় দুৰ্গাপূজা কুকুৰমাৰা আঞ্চলিক সাৰ্বজনীন দুৰ্গাপূজাখনে এইবেলি ৪৬ সংখ্যক বৰ্ষত পদাৰ্পণ কৰিছে। সেই উপলক্ষে ৰাতুল বৰাক সভাপতি আৰু ৰিংকু কলিতা (ধন)ক সম্পাদক হিচাপে লৈ এখন কমিটী গঠন কৰা হৈছে। অহা একৰ পৰা পাঁচ অক্টোবৰলৈ চলিবলগীয়া এই পূজাৰ ষষ্ঠীৰ সন্ধিয়া আমতলা গাঁৱৰ প্ৰদুন্য কাকতিৰ বাসগৃহৰ পৰা বেলবৰণ কৰিব। সপ্তমী পূজাৰ সন্ধিয়া আধুনিক নৃত্য প্ৰতিযোগিতা অনুষ্ঠিত কৰা হ'ব। অষ্টমীৰ আবেলি বাইহাটা চাৰিআলিৰ লুইতপৰীয়া ছোৱালী নাগাৰা দলৰ নাম প্ৰদৰ্শন কৰাৰ পাছতে সন্ধিয়া সাংস্কৃতিক কাৰ্যসূচী অনুষ্ঠিত হ'ব। নৱমীৰ সন্ধিয়া নিমন্ত্ৰিত শিল্পীৰ গীত পৰিৱেশন কৰা হ'ব। দশমীৰ আবেলি কুকুৰমাৰাৰ কলহী নদীত ঐতিহাসিক নাওখেল প্ৰতিযোগিতা অনুষ্ঠিত কৰা হ'ব। তাৰ পাছতে অনুষ্ঠিত হ'বলগা মুকলি আৰু বঁটা বিতৰণী সভাত উপস্থিত থাকিব শংকৰদেৱ বিশ্ববিদ্যালয় অধ্যাপক ড° গজেন্দ্ৰ অধিকাৰী, সাংসদ কুইন ওজা, ছয়গাঁৱৰ বিধায়ক ৰেকিবুদ্দিন আহমেদ, পলাশবাৰীৰ বিধায়ক হেমাংগ ঠাকুৰীয়া আৰু ৰাজ্যিক বিজেপিৰ সাধাৰণ সম্পাদক হিমাংশু শেখৰ বৈশ্য। সন্ধিয়া কলহী নদীত দেৱীৰ প্ৰতিমা বিসৰ্জন দিয়াৰ পাছতে ছয়গাঁৱৰ বিষ্ণুজ্যোতি নাট্য গোষ্ঠীৰ যাত্ৰাভিনয় প্ৰদৰ্শন কৰা হ'ব।

### ■ কলহী নদীৰ বুকুত ঐতিহাসিক নাওখেল প্ৰতিযোগিতাৰ আয়োজন

# জাতীয়তাবাদী যুৱ পৰিষদৰ মাৰ্ঘেৰিটা আঞ্চলিক সমিতি

অগ্ৰদূত বাৰ্তা

**মাৰ্ঘেৰিটা, ২০ ছেপ্টেম্বৰ ঃ** অসম জাতীয়তাবাদী যুৱ পৰিষদ মাৰ্ঘেৰিটা আঞ্চলিক সমিতিখন যোৱা ১৮ ছেপ্টেম্বৰত গঠন কৰা হয়। মাৰ্ঘেৰিটা নগৰৰ ইণ্ডিয়া ক্লাবত পৰিষদৰ তিনিচুকীয়া জিলা সমিতিৰ সভাপতি সঞ্জীৱ বৰাৰ সভাপতিত্বত আৰু জিলাৰ সম্পাদক মিঠুন বৰুৱাই পৰিচালনা কৰা সভাতে মাৰ্ঘেৰিটা আঞ্চলিক সমিতিখন গঠন কৰা হয়। অসম জাতীয়তাবাদী যুৱ পৰিষদৰ নৱগঠিত আঞ্চলিক সমিতিৰ বাবে ৰাজু দাসক সভাপতি, শৈলেনজিৎ গগৈৰ সাধাৰণ সম্পাদক, পিণ্টু দাসক কোষাধ্যক্ষ ৰূপে লৈ এখন ২৯জনীয়া কমিটী গঠন কৰা হয়। সভাত জিলা সমিতিৰ সহকাৰী সম্পাদক বিনোদ দাস, দিৱজিৎ গগৈ, উপ-সভাপতি প্ৰদীপ দাস, গোলাপ চেতিয়া, কোষাধ্যক্ষ বাবুল বিশ্বাসৰ লগতে অৰ্ধশতাধিক সদস্য-সদস্যা উপস্থিত থাকে।



*ভূমিকেন্দ্ৰীক সংঘাতত মুকালমুৱাৰ চৰত অগ্নিকাণ্ডত বিধ্বস্ত বাসগৃহ।*

# অসম গণিত শিক্ষায়তন-শোণিতপুৰ জিলা শাখাৰ প্ৰতিষ্ঠা দিৱস উদ্‌যাপন

ষ্টাফ ৰিপ'ৰ্টাৰ

**তেজপুৰ, ২০ ছেপ্টেম্বৰ ঃ** শোণিতপুৰ জিলা শাখাৰ প্ৰতিষ্ঠা দিৱস তেজপুৰ চৰকাৰী উচ্চতৰ মাধ্যমিক বিদ্যালয়ত অধ্যক্ষ ৰিমনি নেওগ বৰাৰ সভাপতিত্বত কালি অনুষ্ঠিত হয়। তেজপুৰ চৰকাৰী উচ্চতৰ বহুমুখী মাধ্যমিক কন্যা বিদ্যালয়ৰ ছাত্ৰীসকলে অসম গণিত শিক্ষায়তনৰ প্ৰতীকী গীতৰে সভা আৰম্ভ কৰে। সভাৰ উদ্দেশ্য ব্যাখ্যা কৰাৰ লগতে অসম গণিত শিক্ষায়তন জন্মৰ বিষয়ে অৱগত কৰে শশী উপাধ্যায়ে। প্ৰতিষ্ঠা দিৱসৰ প্ৰথম বক্তৃতানুষ্ঠান 'জ্যামিতিৰ সাধাৰণ কথা' শীৰ্ষক আলোচনা আগবঢ়ায় ড° ৰামচৰণ ডেকাই। তেজপুৰ বিশ্ববিদ্যালয়ৰ ড° ভীম প্ৰসাদ শৰ্মাই 'গণিতৰ যাদু' শীৰ্ষক দ্বিতীয় বক্তৃতানুষ্ঠানৰ আলোচনা কৰে। তেওঁ কয়, 'গণিত কেৱল যোগ-বিয়োগেই নহয়, গণিতৰ জৰিয়তে আমি আনন্দ লাভ কৰিব পাৰো।' তেওঁ নেওতাৰ যাদু আৰু গণিতৰ আমোদজনক খেলো প্ৰদৰ্শন কৰে। অসম গণিত শিক্ষায়তন শোণিতপুৰ শাখাই তেজপুৰ চৰকাৰী উচ্চতৰ মাধ্যমিক বহুমুখী কন্যা বিদ্যালয়ৰ শিক্ষয়িত্ৰী অনামিকা গগৈক তেওঁলোকৰ নিজ নিজ বিদ্যালয়ত গণিতৰ লেবৰেট'ৰী নিৰ্মাণত বিশেষ পদক্ষেপ লোৱাৰ বাবে দুয়োকে সম্বৰ্ধনা জনায়। ৰাজ্যৰ চৰকাৰী বিদ্যালয়ত এই দুটাই হৈছে প্ৰথম দুটা গণিতৰ লেবৰেট'ৰী। এই লেবৰেট'ৰী দুটা পঞ্চমৰ পৰা দশম শ্ৰেণীৰ ছাত্ৰ-ছাত্ৰীৰ মনোগ্ৰাহী হোৱাকৈ গঢ়ি তোলা হৈছে। সভাত সম্পাদিকা অনামিকা গগৈয়ে অসম গণিত শিক্ষায়তনে অনুষ্ঠিত কৰি অহা অলিম্পিয়াড পৰীক্ষাৰ সম্বন্ধে জনোৱাৰ লগতে ইয়াৰ প্ৰশিক্ষণৰ বিষয়েও অৱগত কৰে। সভাপতি ৰিমনি নেওগে অসম গণিত শিক্ষায়তনৰ সকলো কৰ্মকৰ্তাক ধন্যবাদ জ্ঞাপন কৰাৰ লগতে বক্তৃতানুষ্ঠানৰ বাবে ছাত্ৰসকল বিভিন্ন ধৰণে উপকৃত হৈছে বুলি প্ৰকাশ কৰে।

### দুই শিক্ষয়িত্ৰীক সম্বৰ্ধনা

# পূজাত আইন শৃংখলা বৰ্তাই ৰাখিবলৈ মৰিগাঁও প্ৰশাসনৰ পূজা সমিতিবে বৈঠক

অগ্ৰদূত বাৰ্তা

**মৰিগাঁও, ২০ ছেপ্টেম্বৰ ঃ** মৰিগাঁও জিলা উপায়ুক্ত কাৰ্যালয়ৰ সভাকক্ষত কালি উপায়ুক্ত দেৱাশীষ শৰ্মাৰ পৌৰোহিত্যত জিলাখনত আগন্তুক দুৰ্গা পূজা সুকলমে আৰু শান্তিপূৰ্ণভাৱে অনুষ্ঠিত হোৱাৰ স্বাৰ্থত বিভিন্ন পূজা কমিটীৰ প্ৰতিনিধি বৰ্গৰ লগত এখন সভা অনুষ্ঠিত হয়। সভাত উপস্থিত বিভিন্নজনৰ পৰামৰ্শ গ্ৰহণ কৰাৰ উপৰি আইন শৃংখলাজনিত ৰাজ্য চৰকাৰৰ স্থায়ী নিৰ্দেশনাসমূহো পূজা কমিটীসমূহক অৱগত কৰা হয়। সভাত জিলা উপায়ুক্তৰ উপৰি জিলা পৰিষদৰ মুখ্য কাৰ্যবাহী বিষয়া ক্ষীতিশ চন্দ্ৰ পেগু, জাগীৰোড উন্নয়ন সমিতিৰ দিব্যজ্যোতি নেওগ, মৰিগাঁৱৰ পৌৰপতি যোগেশ তামুলী, অতিৰিক্ত উপায়ুক্ত অৰুন্ধতী নৰহ মিপুন, অতিৰিক্ত আৰক্ষী অধীক্ষক সুপ্ৰতিভ লাল বৰুৱা আৰু মৰিগাঁও জাগীৰোড পূজা সমিতিৰ প্ৰতিনিধিসকল উপস্থিত থাকে।

# শিল্পী অৰুণ দাসক সম্বৰ্ধনা



অগ্ৰদূত বাৰ্তা

**লাহদৈগড়, ২০ ছেপ্টেম্বৰ ঃ** কাকজান তিনিকুৰীয়াৰ ৪১৮ নম্বৰ প্ৰাথমিক বিদ্যালয়ত অনুষ্ঠিত এক অনুষ্ঠানত নাট্যকাৰ তথা শিল্পী অৰুণ দাসক ১৩ ছেপ্টেম্বৰত অনুষ্ঠিত এক অনুষ্ঠানত সম্বৰ্ধনা জনায়। বিদ্যালয়খনৰ ছাত্ৰ-ছাত্ৰীসকলক বিভিন্ন সময়ত গীত-মাত শিকোৱা শিল্পীজনক সম্বৰ্ধনা জনোৱা অনুষ্ঠানত মধ্য যোৰহাট শিক্ষা খণ্ডৰ সমন্বয়ক নিৰঞ্জন ভূঞা, বীণা হাজৰিকা বৰকোচ, ৰঞ্জন ৰাজখোৱা, বিদ্যালয় পৰিচালনা সমিতিৰ সভাপতি পাৰ্থপ্ৰতিম হাজৰিকা কপাহতলি প্ৰাথমিক বিদ্যালয়ৰ প্ৰধান শিক্ষক মাণিক চন্দ্ৰ দাস প্ৰমুখ্যে বিভিন্নজন উপস্থিত থাকে। বিদ্যালয়ৰ প্ৰধান শিক্ষক যতীন চন্দ্ৰ বৰাই শিল্পী দাসক সম্বৰ্ধনা জনায়। উল্লেখ্য যে দাসে সেৱা আগবঢ়োৱা মাছৰহাট নিম্ন বুনিয়াদী বিদ্যালয়ে দুৱাৰ এ, এবাৰ এ প্লাছ গ্ৰেড, ৪১৮ নম্বৰ বিদ্যালয়ে একেৰাহে দুবছৰ এ প্লাছ গ্ৰেড লাভ কৰিছে।

# ৰঙাপৰাত অমৃত সৰোবৰ আঁচনিৰ নিৰ্মাণ কাৰ্যৰ আৰম্ভ মন্ত্ৰী সিংহলৰ

বিশেষ সংবাদদাতা

**ৰঙাপৰা, ২০ ছেপ্টেম্বৰ ঃ** দেশজুৰি চলি থকা আজাদি কা অমৃত মহোৎসৱৰ লগত সংগতি ৰাখি যোৱা ১৭ ছেপ্টেম্বৰত অসম চৰকাৰৰ জলসিঞ্চন, গৃহ আৰু নগৰ পৰিক্ৰমা বিভাগৰ মন্ত্ৰী অশোক সিংহলে শোণিতপুৰৰ কে'বা ঠাইৰ লগতে ৰঙাপৰা মহাবিদ্যালয়ত অমৃত সৰোবৰ আঁচনিৰ নিৰ্মাণ কাৰ্য উদ্বোধন কৰে। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ জন্মদিন উপলক্ষে আয়োজন কৰা কাৰ্যসূচীত ৰঙাপৰাৰ বিধায়ক কৃষ্ণ কমল তাঁতী, জিলা উপায়ুক্ত দেৱ কুমাৰ মিশ্ৰ, জিলা পৰিষদৰ মুখ্য কাৰ্যবাহী বিষয়া কৰবী শইকীয়া কৰণ, ৰঙাপৰা মহাবিদ্যালয়ৰ অধ্যক্ষ ড° ৰঞ্জন কলিতা, ৰঙাপৰা উন্নয়ন খণ্ডৰ খণ্ড উন্নয়ন বিষয়া নিশিনাথ শৰ্মা, ঠাকুৰবাৰী গাঁও পঞ্চায়তৰ সচিব অজিত শৰ্মা, নাহৰণি গাঁও পঞ্চায়তৰ সভাপতি শিৱেশ্বৰ গোৱালা, ফুলবাৰী গাঁও পঞ্চায়তৰ সভানেত্ৰী ৰূপালী বাৰিক, সোণাজুলি গাঁও পঞ্চায়তৰ সভানেত্ৰী মোনমী মুনিয়াৰ লতে আঞ্চলিক তথা গাঁও পঞ্চায়তৰ প্ৰতিনিধিসকল উপস্থিত থাকে। অমৃত সৰোবৰ আঁচনি প্ৰকল্প উদ্বোধন কৰি মন্ত্ৰী সিংহলে কয় যে পানী সংৰক্ষণ আৰু মৎস্য উৎপাদন কৰি অঞ্চলটোৰ ৰাইজ স্বাৱলম্বী হোৱাৰ বাবে এই আঁচনি ৰূপায়ণ কৰা হৈছে। এই অমৃত সৰোবৰ আঁচনিয়ে আগন্তুক দিনত গ্ৰাম্য অৰ্থনীতিৰ ভেটি সবল কৰি তোলাত এক গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিব বুলিও তেওঁ কয়। উল্লেখ্য যে যোৱা ২৮ এপ্ৰিলত প্ৰধানমন্ত্ৰী মোদীয়ে দেশৰ জলাশয়সমূহ সংৰক্ষণৰ অৰ্থে এই অভিলাষী আঁচনিখন উদ্বোধন কৰিছিল। যোৱা ১৭ ছেপ্টেম্বৰৰ দিনটোত শোণিতপুৰ জিলাৰ বিভিন্ন স্থানত মুঠ ৭৬ টা অমৃত সৰোবৰ আঁচনিৰ আৰম্ভ কৰা হয়। ইয়াৰ উপৰি সমগ্ৰ অসমত প্ৰধানমন্ত্ৰী আৱাস যোজনা (গ্ৰামীণ)ৰ অধীনত এক লাখ নতুনকৈ গৃহ নিৰ্মাণ কৰিবলৈ স্থিৰ কৰা লক্ষ্যৰ ভিতৰত শোণিতপুৰ জিলাৰ বিভিন্ন গাঁও পঞ্চায়ত অঞ্চলত একেলগে ১৬০৪ টা আৱাস গৃহ নিৰ্মাণৰ কাম আৰম্ভ কৰা হয়। এই উপলক্ষে ৰঙাপৰা উন্নয়ন খণ্ডৰ নাহৰণি গাঁও পঞ্চায়তত প্ৰধানমন্ত্ৰী আৱাস যোজনা (গ্ৰামীণ)ৰ অধীনত আৱাস গৃহ নিৰ্মাণৰ কাম আৰম্ভ কৰা হয়।

# নৱম বাৰ্ষিক ঢেকেনাবড়ী শাৰদীয় দুৰ্গাপূজাৰ আয়োজন

**ছয়গাঁও, ২০ ছেপ্টেম্বৰ ঃ** ছয়গাঁও টাউনৰ নিচেই সমীপৰ ঢেকেনাবড়ী গাঁৱত বিগত বৰ্ষসমূহৰ দৰে এইবেলিও ঢেকেনাবড়ী শাৰদীয় দুৰ্গাপূজা উদ্‌যাপন কৰাৰ প্ৰস্তুতি চলিছে। নৱম বৰ্ষত পদাৰ্পণ কৰা এইবেলিৰ পূজা সাফল্যমণ্ডিত কৰি তুলিবলৈ কিৰণ চন্দ্ৰ দাসক সভাপতি আৰু গোপাল সাহাক সম্পাদক হিচাপে লৈ এখন পূজা পৰিচালনা সমিতি গঠন কৰে। অহা একৰ পৰা পাঁচ অক্টোবৰলৈ চলিবলগীয়া ঢেকেনাবড়ী শাৰদীয় দুৰ্গাপূজাত হোম, যজ্ঞ, পূৰ্ণাহুতিৰ উপৰি দশমীৰ দিনা ছয়গাঁৱৰ কলহী নদীত দেৱীক বিসৰ্জন দিয়া হ'ব।

# মিচিং ভাষাৰ ছমহীয়া পাঠ্যক্ৰমৰ ফলাফল ঘোষণা

অগ্ৰদূত বাৰ্তা

**লখিমপুৰ, ২০ ছেপ্টেম্বৰ ঃ** বহু প্ৰতীক্ষাৰ অন্তত অৱশেষত মিচিং ভাষাৰ ছমহীয়া পাঠ্যক্ৰমৰ ফলাফল কালি ঘোষণা কৰা হয়। ১৬,৭৯৮ গৰাকী পৰীক্ষাৰ্থী অৱতীৰ্ণ হোৱাৰ বিপৰীতে ১৫,৫৬৫ গৰাকী উত্তীৰ্ণ হয়। পৰীক্ষাৰ উত্তীৰ্ণ হাৰ ৯৪.৬৫ শতাংশ। উক্ত পৰীক্ষাত অৱতীৰ্ণ সকলো পৰীক্ষাৰ্থীৰ ভিতৰত সৰ্বোচ্চ নম্বৰ লাভ কৰে জোনাইৰ লাইমেকুৰী ৰিভা দলে। প্ৰথম বিভাগত ১,৭০২, দ্বিতীয় বিভাগত ৭,৯৭৯ আৰু তৃতীয় বিভাগত ৫,৮৮৪ গৰাকী পৰীক্ষাৰ্থী উত্তীৰ্ণ হয়।

# জামুগুৰিহাটত গোৰ্খা অট'নমাছ কাউন্সিলৰ ডিমাণ্ড কমিটীৰ সভা



অগ্ৰদূত বাৰ্তা

**নদুৱাৰ, ২০ ছেপ্টেম্বৰ ঃ** শোণিতপুৰ জিলাৰ জামুগুৰিহাটৰ টৌভঙাৰ কাৰেং ধাবাৰ সভা কক্ষত আজি গোৰ্খা অট'নমাছ কাউন্সিল ডিমাণ্ড কমিটী অসমৰ এখন গুৰুত্বপূৰ্ণ সভা অনুষ্ঠিত হয়। সভাত অসমৰ গোৰ্খাসকলক প্ৰতিনিধিত্ব কৰা ভালেকেইটা জনগোষ্ঠীয় সংগঠনৰ প্ৰতিনিধি বৰ্গ উপস্থিত থাকে। সভাই অসমৰ গোৰ্খাসকলক খিলঞ্জীয়াৰ স্বীকৃতি প্ৰদানৰ লগতে গোৰ্খাসকলৰ দীৰ্ঘদিনীয়া সমস্যাসমূহ সমাধানৰ দাবী তোলে। অসম চৰকাৰৰ ওচৰত বিভিন্ন সময়ত গোৰ্খাসকলৰ মূল সমস্যাসমূহ সমাধানৰ হেতু কে'বালানি আলোচনা কৰা হৈছে যদিও কোনো সুফল নোপোৱা বুলি আক্ষেপ প্ৰকাশ কৰে গোৰ্খা মহাজাতিৰ বিষয়ববীয়াসকলে। অসমৰ সকলো শ্ৰেণীৰ গোৰ্খা ৰাইজক এখন মঞ্চত একত্ৰিত হৈ গোৰ্খাসকলৰ সংস্কৃতি সুৰক্ষিত কৰাৰো সভাত আহ্বান জনায় গোৰ্খা নেতৃত্বই।

# ৰঙাপৰাত উত্তৰ-পূব সীমান্ত ৰেলৰ ৰঙিয়া মণ্ডলৰ স্বচ্ছতা পষেকীয়া কাৰ্যসূচীৰ আয়োজন

বিশেষ সংবাদদাতা

**ৰঙাপৰা, ২০ ছেপ্টেম্বৰ ঃ** ভাৰত চৰকাৰৰ এক অভিলাষী আঁচনি 'স্বচ্ছ ভাৰত আঁচনি'ৰ লগত সংগতি ৰাখি উত্তৰ-পূব সীমান্ত ৰেলৱে ৰঙিয়া মণ্ডলৰ উদ্যোগত ৰঙিয়া, নিউ বঙাইগাঁও, গোৱালপাৰা আদি ৰেলৱে ষ্টেছনৰ লগতে ৰঙাপৰা ৰেলৱে ষ্টেছনত যোৱা ১৬ ছেপ্টেম্বৰৰ পৰা ৩০ ছেপ্টেম্বৰলৈ 'স্বচ্ছতা পষেকীয়া' শীৰ্ষক এক কাৰ্যসূচী অনুষ্ঠিত কৰা হয়। ৰাইজৰ মাজত স্বচ্ছতা সম্পৰ্কে সজাগতা সৃষ্টি কৰাৰ উদ্দেশ্যে কস্তুৰীবাঈ গান্ধী বালিকা বিদ্যালয়ৰ ছাত্ৰীসকলৰ দ্বাৰা ৰঙাপৰা ৰেলৱে ষ্টেছনত ১৬ ছেপ্টেম্বৰৰ পুৱা ন বজাত প্ৰায় অৰ্ধশতাধিক ৰেলৱে যাত্ৰী, ৰেলৱে বিভাগৰ বিষয়া-কৰ্মচাৰী, বিদ্যালয়ৰ শিক্ষক-শিক্ষয়িত্ৰী, স্থানীয় সাংবাদিক আদিৰ উপস্থিতিত এক বাটৰ নাট প্ৰদৰ্শন কৰা হয়। পৰৱৰ্তী পৰ্যায়ত ১৭ ছেপ্টেম্বৰত ৰঙাপৰা ৰেলৱে ষ্টেছনৰ যাত্ৰী প্ৰতীক্ষালয়ত স্বচ্ছতা সম্পৰ্কীয় এক আলোচনাচক্ৰৰ আয়োজন কৰা হয়। ৰেলৱে বিভাগৰ মুখ্য শ্ৰম আৰু কল্যাণ পৰিদৰ্শক বলেন দাসে আঁত ধৰা আলোচনাচক্ৰত ষ্টেছন অধীক্ষক কমলেশ পাণ্ডে, ৰেলৱে অভিযন্তা পলাশ বৰা, এন এফ ৰেলৱে মজদুৰ ইউনিয়নৰ ৰঙিয়া মাণ্ডলিক যুৱ সমিতিৰ সম্পাদক অসীম ডেকা, নিৰঞ্জন শইকীয়া, পম্পী মিশ্ৰ, সংহিতা শইকীয়া, এনি ৰাণী কনগাড়ী আদি উপস্থিত থকাৰ লগতে ৰাইজক উদ্দেশি স্বচ্ছতা সম্পৰ্কে বক্তৃতা প্ৰদান কৰে।

# দক্ষিণ মান্দাকাটাত জানাজা গৃহৰ আধাৰশিলা স্থাপন

অগ্ৰদূত বাৰ্তা

**দুমুনিচকী, ২০ ছেপ্টেম্বৰ ঃ** জালুকবাৰী সমষ্টিৰ মান্দাকাটা গাঁও পঞ্চায়তৰ অন্তৰ্গত দক্ষিণ মান্দাকাটাত যোৱা ১৮ ছেপ্টেম্বৰ বিয়লি জানাজা গৃহৰ আধাৰশিলা স্থাপন কৰে মুখ্যমন্ত্ৰীৰ বিশেষ কৰ্তব্যৰত বিষয়া হেমন্ত চৌধুৰীয়ে। মান্দাকাটা আঞ্চলিক কবৰস্থানত এই জানাজাগৃহৰ আধাৰশিলা স্থাপনৰ পাছতে দক্ষিণ মান্দাকাটা গাঁও উন্নয়ন সমিতি তথা আঞ্চলিক কবৰস্থান সমিতিৰ সম্পাদক আয়েজুল হকৰ পৰিচালনাত অনুষ্ঠিত এখন সভাত বক্তব্য প্ৰদান কৰে মুখ্যমন্ত্ৰীৰ বিশেষ কৰ্তব্যৰত বিষয়া হেমন্ত চৌধুৰীয়ে। সভাত অংশগ্ৰহণ কৰে মান্দাকাটা গাঁও পঞ্চায়তৰ সভাপতি জাহিদুল ইছলাম, আঞ্চলিক সদস্য বীৰেন্দ্ৰ বৈশ্য, আঞ্চলিক কবৰস্থান সমিতিৰ সভাপতি ইছলামুদ্দিন আহমেদ, বিজেপি সংখ্যালঘু মৰ্চাৰ বেজেৰা মণ্ডলৰ সভাপতি আমিনুল হক, সাধাৰণ সম্পাদক ৰিজুল আলী, বিজেপিৰ জ্যেষ্ঠ কৰ্মী বাবুল ছেত্ৰী, ছাইনিং মাৰাক, অচ্যুত দাস, বাবুল আলী, আৰিফ আহমেদ, মইনুল হক, মজিবৰ ৰহমান প্ৰমুখ্যে কে'বাজনো গণ্য-মান্য লোক।

# খনিকৰ উচ্চ বুনিয়াদী বিদ্যালয়ত সজাগতা সভা

অগ্ৰদূত বাৰ্তা

**বৰুৱাবামুণগাঁও, ২০ ছেপ্টেম্বৰ ঃ** গোলাঘাট উত্তৰ প্ৰাথমিক শিক্ষা খণ্ড (দেৰগাঁও)ৰ অন্তৰ্গত খনিকৰ উচ্চ বুনিয়াদী বিদ্যালয়ত যোৱা প্ৰায় এপষেক ধৰি গোলাঘাট জিলা শিক্ষা আৰু প্ৰশিক্ষণ প্ৰতিষ্ঠান (ডায়েট)ৰ ন গৰাকী শিক্ষাৰ্থীয়ে শৈক্ষিক আৰু সহ-শৈক্ষিক দিশত আগবঢ়াই অহা অনুশীলনৰ অন্তত যোৱা ১৬ ছেপ্টেম্বৰত বিদ্যালয়খনত বিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰী, প্ৰাক্তন ছাত্ৰ-ছাত্ৰী, শিক্ষক-শিক্ষয়িত্ৰী, অভিভাৱক-অভিভাৱিকাসকলৰ উপস্থিতিত ঋতুস্ৰাৱ আৰু মাদক দ্ৰব্য সেৱনৰ অপকাৰিতা বিষয়ত শিক্ষাৰ্থীসকলে এখন সজাগতা সভা অনুষ্ঠিত কৰে। বিদ্যালয়ৰ পৰিচালনা সমিতিৰ সভাপতি যতীন ফুকনৰ সভাপতিত্বত অনুষ্ঠিত সভাখনৰ উদ্দেশ্য ব্যাখ্যা কৰে ডায়েটৰ শিক্ষাৰ্থী সবিস্মিতা দত্তই। সভাত ডায়েটৰ শিক্ষাৰ্থী মানসী বৰুৱাই ঋতুস্ৰাৱৰ সময়ত ছাত্ৰী আৰু মহিলাসকলে ল'বলগীয়া সাৱধানতা আৰু অভিভাৱকসকলৰ দায়বদ্ধতা দিশত আলোকপাত কৰে। সভাত অন্য এগৰাকী শিক্ষাৰ্থী প্ৰাচুৰ্য শইকীয়াই মাদক দ্ৰব্য সেৱনৰ অপকাৰিতা আৰু সমাজৰ সকলো স্তৰৰ ব্যক্তিৰ এই ক্ষেত্ৰত ল'বলগীয়া পদক্ষেপৰ বিষয়ে আলোচনা আগবঢ়ায়। বিদ্যালয়খনৰ তত্বাৱধায়ক ডায়েটৰ প্ৰৱক্তা বন্তি চেতিয়াই লেব এৰিয়া বিদ্যালয়ৰ বিষয়ে সভাত অৱগত কৰি বিদ্যালয়খনৰ পদক্ষেপক শলাগ লয়। সভাত বিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত প্ৰধান শিক্ষক অৰুণবিকাশ বৰুৱা, বৰ্তমানৰ প্ৰধান শিক্ষক অজিত বৰা আদিয়ে সভাৰ বিষয়বস্তুৰ সন্দৰ্ভত বক্তব্য আগবঢ়ায়। বিদ্যালয়খনত যোৱা দিনকেইটাত ডায়েটৰ শিক্ষাৰ্থীসকলে ছাত্ৰ-ছাত্ৰীসকলৰ শৈক্ষিক তথা সহ-শৈক্ষিক দিশত লোৱা পদক্ষেপক সকলোৱে শলাগ লয়।

# বাগ্‌সাত ৪১ টা অমৃত সৰোবৰ, তিনি হেজাৰৰ অধিক আবাস যোজনাৰ গৃহৰ আৰম্ভ

অগ্ৰদূত বাৰ্তা

**জালাহ, ২০ ছেপ্টেম্বৰ ঃ** বাগ্‌সা জিলা প্ৰশাসনৰ উদ্যোগত ভাৰত-ভূটান সীমান্তৰ জিলাখনৰ দাওধাৰাত যোৱা ১৭ ছেপ্টেম্বৰত মন্ত্ৰী উৰ্খাও গৌৰা ব্ৰহ্মই ২৩,৫৯,৬১০ টকা ব্যয়ৰে খান্দিবলৈ লোৱা অমৃত সৰোবৰৰ কামৰ আৰম্ভ কৰে। কামৰ আধাৰশিলা স্থাপন কৰি মন্ত্ৰী গৌৰা ব্ৰহ্মই কয়, 'সমগ্ৰ ভাৰতবৰ্ষৰ লগতে আজি অসমত অমৃত সৰোবৰৰ কামৰ উদ্বোধন কৰি ভাৰতৰ প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ জন্মদিনটো উদ্‌যাপন কৰা হৈছে। সমগ্ৰ ভাৰতবৰ্ষত প্ৰায় ৮০ হেজাৰৰো অধিক অমৃত সৰোবৰ চিনাক্ত কৰা হৈছে আৰু অসমত ২৬শ কৈ অধিক অমৃত সৰোবৰৰ আঁচনি চিনাক্ত কৰা হৈছে। ইয়াৰে আজিৰ দিনটোত ৪১টা আঁচনিৰ আৰম্ভ কৰা হয়।' অনুষ্ঠানত বিটিআৰৰ কাৰ্যবাহী সদস্য ৰাকেশ ব্ৰহ্ম, বিটিআৰৰ এম চি এল এ মণ্টু বড়ো, বাগ্‌সা জিলাৰ উপায়ুক্ত মাচান্দা মেগডালিন পাটিন, অতিৰিক্ত উপায়ুক্ত আশ্ৰাফুল আমিন, ইউপিপিএলৰ ককলাবাৰী ব্লক কমিটীৰ সভাপতি বিজু বৰকাকতিকে ধৰি কে'বাগৰাকী বিশিষ্ট ব্যক্তিয়ে অংশগ্ৰহণ কৰে। উল্লেখ্য যে দেশৰ প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ জন্মদিনটো বাগ্‌সা জিলাত প্ৰধানমন্ত্ৰী আৱাস যোজনাৰ অধীনত তিনি হেজাৰো অধিক গৃহ নিৰ্মাণৰ কামৰ আৰম্ভ কৰা হয়।

# বেংক একত্ৰীকৰণত গ্ৰাহক ৰাইজৰ মাজত হাহাকাৰ হোজাইত

অগ্ৰদূত বাৰ্তা

**হোজাই, ২০ ছেপ্টেম্বৰ ঃ** অসম গ্ৰামীণ বিকাশ বেংকৰ কৰ্তৃপক্ষই হোজাইৰ দক্ষিণ দেৱস্থান শাখাৰ গ্ৰাহকৰ লগত আলোচনা নকৰি হঠকাৰী সিদ্ধান্ত গ্ৰহণ কৰাত গ্ৰাহক বিমোৰত পৰিছে। হঠাৎ বেংকৰ এই শাখাটো বন্ধ কৰাৰ সিদ্ধান্ত লোৱাত তীব্ৰ প্ৰতিক্ৰিয়াৰ সৃষ্টি হৈছে। লগতে বেংক একত্ৰীকৰণত কে'বা হেজাৰ গ্ৰাহকৰ মাজত হাহাকাৰ সৃষ্টি হৈছে। হোজাইৰ মোৱাঝাৰ থানাৰ অন্তৰ্গত দক্ষিণ দেৱস্থান শাখা অসম গ্ৰামীণ বিকাশ বেংকটো কাৰ্বি আংলং জিলাৰ হাওৰাঘাট শাখাৰ লগত চামিলকৰণ কৰিবলৈ ইতিমধ্যে কাম সম্পূৰ্ণ হৈছে। মাত্ৰ এটা সপ্তাহৰ ভিতৰত অসম গ্ৰামীণ বিকাশ বেংকৰ দক্ষিণ দেৱস্থান শাখা সম্পূৰ্ণৰূপে বন্ধ হ'ব। প্ৰায় ৪০ বছৰ পূৰ্বে লখিমী গাঁৱলীয়া বেংক নামেৰে এই শাখা স্থাপন কৰা হৈছিল। পাছলৈ অসম গ্ৰামীণ বিকাশ বেংক নামেৰে শাখা চলি আছিল। হোজাই জিলাৰ যমুনামুখ বিধানসভা সমষ্টিৰ বৃহত্তম চৌধুৰী বজাৰ, চামৰালী, অকচেক, বৰবালি, বৰহাওৰ গাঁও পঞ্চায়ত অঞ্চলৰ লক্ষাধিক ৰাইজৰ বাবে আছিল অসম গ্ৰামীণ বিকাশ বেংকৰ দক্ষিণ দেৱস্থান শাখাটো। স্থানীয় বিধায়ক ছিৰাজউদ্দিন আজমলে শাখা একত্ৰীকৰণত কৰ্তৃপক্ষক সহযোগিতা আগবঢ়োৱা গুৰুতৰ অভিযোগ উত্থাপিত হৈছে। উপায়ান্তৰ হৈ স্থানীয় ৰাইজে অসম গ্ৰামীণ বিকাশ বেংক দক্ষিণ দেৱস্থান একত্ৰীকৰণৰ বিৰোধিতা কৰি অসম গ্ৰামীণ বিকাশ বেংকৰ অধ্যক্ষ আৰু আঞ্চলিক বিষয়া, মুখমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মা, বিত্তমন্ত্ৰী অজন্তা নেওগ, নগাঁও লোকসভাৰ সাংসদ প্ৰদ্যুৎ বৰদলৈ আৰু হোজাই জিলাৰ উপায়ুক্তলৈ স্মাৰকপত্ৰ প্ৰদান কৰে। উল্লেখ্য যে বৃহত্তৰ অঞ্চলটোত মাত্ৰ এটা বেংক যদিও ইয়াৰ পৰা উঠাই নি কাৰ্বি আংলঙৰ হাওৰাঘাট শাখাত চামিল কৰিব বিচৰা কাৰ্যক বৃহৎ অঞ্চলৰ গ্ৰাহকৰ লগতে ৰাইজৰ মাজত এক উদ্বেগজনক পৰিস্থিতিৰ সৃষ্টি হৈছে।

# জনজাতিকৰণ নহ'লে নিৰ্বাচনত উছন

*এক পৃষ্ঠাৰ পৰা* ২২ ছেপ্টেম্বৰত জনতা ভৱন ঘেৰাও কৰি ২৬ ছেপ্টেম্বৰত অসম বন্ধৰ ইতিমধ্যে ঘোষণা কৰা হৈছে। ঐক্যমঞ্চক চৰকাৰে পৃথক কৰিবৰ বাবে চেষ্টা কৰিছে যদিও চৰকাৰৰ ষড়যন্ত্ৰ সফল নহ'ব।' বিধায়ক গোৱালাই কয়, 'মই এই জনগোষ্ঠীৰ ছাত্ৰ মঞ্চৰ পৰাই সংগ্ৰাম কৰি জনজাতিকৰণৰ দাবী উত্থাপন কৰি আজি বিধায়ক হ'লো; কিন্তু চৰকাৰৰ এই সিদ্ধান্তত মই দুখ পাইছো। মুখ্যমন্ত্ৰী আৰু প্ৰধানমন্ত্ৰীক এই সন্দৰ্ভত বিশেষভাৱে পদক্ষেপ হাতত ল'বলৈ অনুৰোধ কৰিছো। যদি অহা নিৰ্বাচনৰ আগে আগে জনজাতিৰ মৰ্যাদা প্ৰদান নকৰে তেতিয়া ৰাজনৈতিকভাৱে বিফল হ'ব লাগিব। প্ৰতিটো নিৰ্বাচনত আমি জনজাতিকৰণৰ ইছ্যু লৈ ভোটাৰৰ কাষ চাপো যদিও এতিয়া জনপ্ৰতিনিধি হৈ সেই ভোটাৰক সু-স্পষ্ট উত্তৰ দিবলৈ সমৰ্থ নহওঁ।' এইদৰে অসহায় পৰিস্থিতি ব্যক্ত কৰে শাসকীয় বিধায়কজনে। চৰকাৰে অসমৰ ছয় জনগোষ্ঠীক জনজাতিকৰণ কৰিব নে নকৰে বুলিও গোৱালাই প্ৰশ্ন উত্থাপন কৰে। আটছাৰ কেন্দ্ৰীয় সমিতিৰ সংবাদমেলত অংশগ্ৰহণ কৰি দুলীয়াজানৰ বিধায়ক গোৱালাই এনেদৰে তীব্ৰ ক্ষোভ প্ৰকাশ কৰা কাৰ্যই স্বাভাৱিকতেই শাসকীয় দলটোৰ মাজত প্ৰতিক্ৰিয়াৰ সৃষ্টি কৰিছে। আনহাতে, ছয় জনগোষ্ঠীৰ জনজাতিকৰণৰ আন্দোলন ছয় জনগোষ্ঠীয় ঐক্যমঞ্চই গ্ৰহণ কৰা সিদ্ধান্ত অনুসৰিয়েই আগুৱাই নিয়া হ'ব বুলিও স্পষ্ট কৰি দিয়ে চাহ জনগোষ্ঠীৰ নেতাসকলে।

**শান্তি চুক্তিৰ দফাৰ বিৰুদ্ধাচৰণ**

উল্লেখ্য যে একে সময়তে অসমৰ আঠটা আদিবাসী সশস্ত্ৰ সংগঠন আৰু চৰকাৰৰ মাজত সদ্য সম্পাদিত শান্তি চুক্তিয়ে আটছাকে ধৰি একাধিক চাহ জনগোষ্ঠীয় সংগঠনলৈ অসন্তুষ্টিহে কঢ়িয়াই আনিছে। এই চুক্তিৰ কে'বাটাও দফাৰ বিৰুদ্ধাচৰণ কৰে বিধায়ক গোৱালাসহ চাহ জনগোষ্ঠীয় সংগঠনসমূহে। এই চুক্তি অনুসৰি চাহজনজাতি উন্নয়ন সঞ্চালকালয়ৰ নাম সলনি কৰি আদিবাসী উন্নয়ন সঞ্চালকালয় বুলি নামকৰণ কৰা কাৰ্যৰ তীব্ৰ বিৰোধিতা কৰিছে চাহ জনগোষ্ঠীয় সংগঠনসমূহে। এই শান্তি চুক্তি সন্দৰ্ভত আলোচনা কৰিবলৈ আজি ডিব্ৰুগড় চাহ জনজাতি ছাত্ৰ সন্থাৰ জৰুৰী সাধাৰণ পৰিষদৰ সভা অনুষ্ঠিত হয়। সভাত আটছাৰ লগতে চাহ জনগোষ্ঠীৰ জাতীয় মহাসভা, চাহ জনজাতি সাহিত্য সভা, অসম চাহ মজদুৰ সংঘৰ প্ৰতিনিধিৰ লগতে কে'বাজনো প্ৰাক্তন আটছা নেতাই অংশগ্ৰহণ কৰে। ইয়াত উপস্থিত থাকে দুলীয়াজানৰ বিধায়ক গোৱালাও। আজিৰ সভাই শান্তি চুক্তিক আদৰণি জনায় যদিও চুক্তিখনৰ কে'বাটাও দফাৰ বিৰোধিতা কৰে। বিশেষকৈ জনগোষ্ঠীটোৰ নামকৰণৰ সিদ্ধান্তক কেতিয়াও মানি লোৱা নহ'ব বুলি কয়। চৰকাৰে ইয়াৰ দ্বাৰা জনগোষ্ঠীটোৰ মাজত বিভেদৰ সৃষ্টি কৰিব বিচাৰিছে বুলি সভাই অভিযোগ কৰে।

# উৎপাদনকাৰীৰ পৰিৱৰ্তে মধ্যভোগীৰ

*এক পৃষ্ঠাৰ পৰা* এপিডিচিএলে দিল্লীৰ এটা ব্যক্তিগত কোম্পানীক নিজৰ তথ্যপাতি ডাটা চেণ্টাৰত ৰখাৰ বাবে বছৰি প্ৰায় চাৰি কোটি টকাকৈ আদায় দি আছে। কোনো প্ৰভাৱশালী চক্ৰৰ ব্যক্তিগত মুনাফাৰ বাবেই যে এপিডিচিএলে এনেদৰে নিজৰ আন্তঃগাঁথনি আনলৈ ভাড়া দি নিজেই আকৌ আন কোম্পানীক মূল্য ভৰি ডাটা মজুত ৰাখিবলগীয়া হৈছে তাত কোনো সন্দেহ নাই। শেহতীয়াকৈ ৰাজ্যখনত বিদ্যুতৰ মাচুল ব্যাপক হাৰত বৃদ্ধি পোৱা প্ৰসংগত ৰাজ্যজুৰি তীব্ৰ প্ৰতিক্ৰিয়া অব্যাহত থকাৰ সময়তে এপিডিচিএলৰ অভ্যন্তৰত সংঘটিত এনে ভালেমান অনিয়মৰ তথ্য আজি ৰাজহুৱা কৰিছে অসম জাতীয় পৰিষদে। দলৰ কেন্দ্ৰীয় সাধাৰণ সম্পাদক জগদীশ ভূঞাই দলৰ মুখ্য কাৰ্যালয়ত এক সংবাদমেলত কয় যে ৩৫০ কোটি টকা ব্যয় কৰি নিজা ডাটা চেণ্টাৰ স্থাপন কৰাৰ পাছতো বাহিৰা কোম্পানীৰ ডাটা চেণ্টাৰ কিয় ব্যৱহাৰ কৰিবলগীয়া হৈছে তাৰ তথ্য ৰাজহুৱা কৰিব লাগে এপিডিচিএলে। লক্ষ্যণীয় যে এই ডাটা চেণ্টাৰটো পৰিচালনাৰ বাবে এপিডিচিএলে ১৫০জনকৈ আইটি ইঞ্জিনিয়াৰ নিযুক্তি দিছিল। সম্প্ৰতি এই আইটি ইঞ্জিনিয়াৰসকলক ডাটা চেণ্টাৰৰ সলনি আন কামত ব্যৱহাৰ কৰা হৈছে বুলি তেওঁ অভিযোগ কৰে। উল্লেখ্য যে এপিডিচিএলে দিল্লীৰ ছাই ফিউচাৰ নামৰ যিটো কোম্পানীৰ স'তে ডাটা সংৰক্ষণৰ বাবে চুক্তি কৰিছিল সেই চুক্তি চলিত ২০২২ত অন্ত পৰিব। সেয়েহে ইতিমধ্যে পুনৰ অহা তিনি বছৰৰ বাবে ডাটা সংৰক্ষণৰ ঠিকা অৰ্পণ কৰিবলৈ নতুন নিবিদা আহ্বান কৰিছে এপিডিচিএলে। এই কামৰ বাবে যিসমূহ প্ৰতিষ্ঠানে নিবিদা জমা কৰিছে তাৰ ভিতৰত সবাতোকৈ নিম্ন মূল্য দিয়া প্ৰতিষ্ঠানটোৱে চাৰি বছৰৰ বাবে ৪.৫ কোটি টকা বিচাৰিছে। ভূঞাই কয় যে যদিহে এইটো খৰচত আই ক্লাউড চাৰি বছৰৰ বাবে ভাড়ালৈ ল'ব পাৰি তেন্তে বিগত তিনিটা বছৰত ছাই ফিউচাৰ নামৰ কোম্পানীটোক বছৰি চাৰি কোটি টকাকৈ অৰ্থাৎ প্ৰতি বছৰে ২.৫ কোটি টকা অধিক হাৰত কিয় ঠিকা অৰ্পণ কৰা হৈছিল সেয়া সন্দেহজনক।

ইফালে, উপভোক্তাৰ ঘৰত মিটাৰ সংযোগৰ ক্ষেত্ৰতো ভয়ংকৰ অনিয়ম হোৱাৰ অভিযোগ উত্থাপন কৰিছে অসম জাতীয় পৰিষদে। দলৰ সাধাৰণ সম্পাদকজনে আজি সংবাদমেলত তথ্য সহকাৰে কয় যে ২০২০ত এপিডিচিএলে তিনি লাখ ডিজিটেল মিটাৰ ক্ৰয় কৰাৰ বাবে বিক্ৰেতাৰ পৰা নিৰিখ বিচাৰি বিজ্ঞাপন প্ৰকাশ কৰিছিল। সেইমৰ্মে এপিডিচিএলে নিবিদাৰ জৰিয়তে এনভিল কেবল নামৰ প্ৰতিষ্ঠান এটাক মিটাৰ যোগানৰ দায়িত্ব অৰ্পণ কৰিছিল। প্ৰথম অৱস্থাত তেওঁলোকক গুৱাহাটী, ডিব্ৰুগড়, যোৰহাট আৰু শিলচৰ চহৰত আংশিকভাৱে ডিজিটেল মিটাৰ লগোৱাৰ ঠিকা দিয়া হৈছিল। ইয়াৰ বাবে ধাৰ্য কৰা হৈছিল ১০৮ কোটি টকা। লক্ষ্যণীয় যে মিটাৰ যোগানৰ ঠিকা পোৱা এই প্ৰতিষ্ঠানটো মিটাৰ উৎপাদনকাৰী প্ৰতিষ্ঠান নহয়। তেওঁলোকে ক্ৰিষ্টেল মিটাৰ নামৰ এটা আন কোম্পানীৰ পৰা মিটাৰসমূহ ক্ৰয় কৰি আনি এপিডিচিএলক অৰ্পণ কৰিছিল; অৰ্থাৎ এই প্ৰতিষ্ঠানটো আছিল মধ্যভোগী। দেশত কে'বাটাও মিটাৰ উৎপাদনকাৰী প্ৰতিষ্ঠান থকাৰ পাছতো এনভিল কেবলক কিয় অসমত মিটাৰ সংস্থাপনৰ দায়িত্ব দিয়া হৈছিল তাক লৈ এতিয়া সন্দেহৰ সৃষ্টি হৈছে। লক্ষ্যণীয় যে যিসমূহ ডিজিটেল মিটাৰ সংস্থাপন কৰা হৈছিল এই মিটাৰবোৰৰ নিৰ্ভৰযোগ্যতাৰ তথ্য পৰীক্ষা নকৰাকৈয়ে এপিডিচিএলে গ্ৰাহকৰ ঘৰত সংস্থাপনৰ অনুমতি দিছিল বুলিও অভিযোগ উঠিছে। কোম্পানীটোৱে প্ৰতিটো মিটাৰ পৰীক্ষা কৰা বুলি যি দাবী জনায় সেই দাবীতে এপিডিচিএল সন্তুষ্ট হৈছিল নেকি বুলি প্ৰশ্ন উত্থাপন কৰি ভূঞাই কয় যে যদিহে এপিডিচিএলে নিজাববীয়াকৈ মিটাৰ পৰীক্ষা কৰিছিল, তেন্তে তাৰ তথ্য ৰাজহুৱা কৰিব লাগে। এপিডিচিএলত অব্যাহত থকা এনে বিভিন্ন অনিয়মৰ বাবে প্ৰতিষ্ঠানটোৱে লোকচান ভৰিবলগীয়া হৈছে বুলি অভিযোগ তুলি এজেপিৰ শীৰ্ষ নেতাজনে কয় যে লোকচানৰ বোজা হ্ৰাস কৰিবলৈ এতিয়া মাচুল বৃদ্ধিৰে গ্ৰাহকৰ মূৰত ৰাম টাঙোন শোধোৱা হৈছে। সংবাদমেলত তেওঁ লগতে কয় যে যি ব্যৱস্থাৰ অধীনত এপিডিচিএলে বিদ্যুতৰ বিল প্ৰস্তুত কৰে সেই ব্যৱস্থাটো চলাবলৈ ই-সুবিধা নামৰ ছফ্টৱেৰটো যোগান ধৰিছিল কলকাতাৰ সিংঘাল উদ্যোগ নামৰ এটা প্ৰতিষ্ঠানে। ২০২০ৰ অক্টোবৰত সিংঘাল উদ্যোগক এই কামৰ দায়িত্ব দিছিল এপিডিচিএলে। পিছে ই-সুবিধা ছফ্টৱেৰটো এপিডিচিএলে ক্ৰয় কৰিছিল নে ভাড়ালৈ লৈছিল সেই কথা এতিয়াও স্পষ্ট হোৱা নাই। কিয়নো সিংঘালৰ স'তে হোৱা চুক্তিত উল্লেখ আছে যে ই-সুবিধা ছফ্টৱেৰটোৰ আইপি অধিকাৰ সিংঘাল উদ্যোগৰ হাততে থাকিব। অৰ্থাৎ অসমৰ ৬৫ লাখ বিদ্যুৎ গ্ৰাহকৰ যাৱতীয় তথ্য এটা বাহিৰা ব্যক্তিগত কোম্পানীৰ হাতত গতাই দিবলৈ কুণ্ঠাবোধ কৰা নাই এপিডিচিএলে। বহিৰাগত এই প্ৰতিষ্ঠানটোৰ বাবেই ৰাজ্যত বিদ্যুতৰ বিলৰ বিসংগতি ধৰা পৰা বুলিও অভিযোগ উত্থাপন কৰিছে অসম জাতীয় পৰিষদৰ জ্যেষ্ঠ নেতাজনে। আজিৰ সংবাদমেলত দলৰ আন এজন নেতা জিয়াউৰ ৰহমানো উপস্থিত আছিল।

# এপিডিচিএলৰ দাবীৰ বিপৰীতে বিদ্যুতৰ

*এক পৃষ্ঠাৰ পৰা* আহিছিল। তেজপুৰত আজি সংবাদ মাধ্যমৰ মুখামুখি হৈ মুখ্যমন্ত্ৰীয়ে বিদ্যুতৰ বিলৰ শেহতীয়া বিতৰ্কৰ সন্দৰ্ভত বিসংগতিৰ কথা স্বীকাৰ কৰি লগতে কয়, 'বিদ্যুৎ বিলৰ বিসংগতি দূৰ কৰিবলৈ এপিডিচিএলে বিজ্ঞাপন প্ৰকাশ কৰিব।' উল্লেখ্য যে মুখ্যমন্ত্ৰী ড° শৰ্মাই আজি তেজপুৰত ইন্দিৰা মিৰি সাৰ্বজনীন বিধৱা পেঞ্চন আঁচনি মুকলি কৰে। উক্ত অনুষ্ঠানৰ পাছতে সংবাদ মাধ্যমত সম্প্ৰতি অসমৰ অৰ্থনীতি সন্দৰ্ভত কেগৰ প্ৰতিবেদনৰ প্ৰসংগতো প্ৰতিক্ৰিয়া ব্যক্ত কৰে। মুখ্যমন্ত্ৰীয়ে কয়, 'কেগে কৈছে আমাৰ অৰ্থনীতি বেয়া; কিন্তু আমি একলাখ চাকৰি দিছো, আগৰ চৰকাৰে দিব পৰা নাছিল। আমি অৰুণোদয় দিছো, আগৰ চৰকাৰে দিয়া নাছিল। আমি ২৫ হেজাৰ টকাৰ সাহায্য আঁচনি দিছো। গতিকে আমাৰ অৰ্থনৈতিক অৱস্থা আগতকৈ ভাল নোহোৱা হ'লে আমি এইবোৰ কৰিব নোৱাৰিলোহেঁতেন।' মুখ্যমন্ত্ৰী ড° শৰ্মাই লগতে কয়, 'কেগৰ প্ৰতিবেদন মই পঢ়া নাই। হ'ব পাৰে আমাৰ অৰ্থনীতি দিল্লী-মুম্বাইতকৈ বেয়া; কিন্তু আগৰ আমাৰ চৰকাৰতকৈ এতিয়া আমাৰ অৰ্থনীতি ভাল। এতিয়া ২৪-২৫খন চিকিৎসা মহাবিদ্যালয় স্থাপন হৈছে। বানত ক্ষতিগ্ৰস্তসকলৰ বহুতে আগৰ ২০০৯, ২০১১, ২০১৪ৰে ধন এতিয়ালৈকে পোৱা নাই। এতিয়া আমি মাত্ৰ দুমাহৰ ভিতৰতে দিছো। গতিকে অসমৰ অৰ্থনৈতিক অৱস্থা আগতকৈ ভাল হ'ব লাগিব।' মুখ্যমন্ত্ৰীয়ে লগতে কয় যে সকলো বিভাগৰে পাবলৈ বাকী থকা বিল ৩১ মাৰ্চৰ আগতে সম্পূৰ্ণৰূপে আদায় দিয়া হৈছে। আনহাতে, দৰিদ্ৰৰ বাবে আঁচনি ৰূপায়ণ কৰিবই লাগিব বুলি বিনামূলীয়া আঁচনিৰ সপক্ষে মত প্ৰকাশ কৰি সাংবাদিকৰ আগত মুখ্যমন্ত্ৰীয়ে, 'বিপদত পৰা লোকক যদি সহায় কৰা নহয়, তেনেহ'লে চৰকাৰৰ প্ৰয়োজন ক'ত?'

উল্লেখ্য যে আজি তেজপুৰ কলেজিয়েট হাইস্কুল খেলপথাৰত দিনৰ ১১ বজাত আৰম্ভ হয় ইন্দিৰা মিৰি সাৰ্বজনীন বিধৱা পেঞ্চন আঁচনি অনুষ্ঠান। এই আঁচনিৰ অধীনত ১৮ বছৰৰ উৰ্ধ্বৰ বিধৱা মহিলাক মাহিলি পেঞ্চন আগবঢ়োৱা হয়। লগতে ৰজ্জ-৪৫ বছৰ বয়সৰ বিধৱা মহিলাক এককালীনভাৱে ২৫ হেজাৰ টকাৰ আৰ্থিক সাহায্য আগবঢ়োৱা হয়। ২০২২ৰ পহিলা এপ্ৰিল বা তাৰ পাছত স্বামীৰ মৃত্যু হোৱা মহিলাই এই আঁচনিৰ বাবে নতুনকৈ আবেদন কৰিব পাৰিব বুলি সভাত ঘোষণা কৰে মুখ্যমন্ত্ৰীয়ে। তদুপৰি শেহতীয়া বানত সম্পূৰ্ণৰূপে ঘৰ-বাৰী উটি যোৱা বিপদগ্ৰস্ত পৰিয়াললৈ ৰাজহ আৰু দুৰ্যোগ ব্যৱস্থাপনা বিভাগৰ পুনৰ সংস্থাপনৰ উপৰি মুখ্যমন্ত্ৰী সাহায্য পুঁজিৰ পৰা অতিৰিক্ত এক লাখ টকাকৈ অনুদান আগবঢ়োৱা হয়। শোণিতপুৰ জিলাৰ পাঁচটা বিধান সভা সমষ্টিৰ ৪৪টা পৰিয়ালক মুখ্যমন্ত্ৰীয়ে এই অনুদান আগবঢ়ায়। লগতে ৰাজ্যৰ বানত ঘৰ-ভেটি উছন হোৱা মুঠ ৩০৮টা পৰিয়ালক একলাখ টকাকৈ সাহায্য প্ৰদান কৰা হয়। আজি তেজপুৰত মুখ্যমন্ত্ৰীয়ে ইন্দিৰা মিৰি সাৰ্বজনীন বিধৱা পেঞ্চন আৰু বান ক্ষতিগ্ৰস্ত সকলৰ ভিতৰত ন গৰাকীক প্ৰতীকী ৰূপত সাহায্যৰ চেক বিতৰণ কৰে। ৰাজ্য চৰকাৰে ঘোষণা বিধবা পেঞ্চন, দিব্যাংগ সকলৰ পেঞ্চনকে ধৰি সকলো আঁচনিৰ ধন প্ৰতি মাহৰ ১০ তাৰিখৰ ভিতৰত হিতাধিকাৰীসকলৰ নিজ নিজ বেংক একাউণ্টত আদায় দিয়াৰ ব্যৱস্থা কৰা হৈছে বুলিও ভাষণত কয় মুখ্যমন্ত্ৰীয়ে। ৰাজ্যত মুঠ আঠ লাখ নতুন হিতাধিকাৰীৰ নাম অৰুণোদয় আঁচনিৰ তালিকাত নতুনকৈ অন্তৰ্ভুক্ত কৰা হ'ব বুলি ঘোষণা কৰি মুখ্যমন্ত্ৰীয়ে কয়, 'ইতিমধ্যে অৰুণোদয় আঁচনিৰ ক্ষেত্ৰত হোৱা জৰীপত নতুনকৈ এই আঁচনিৰ সুবিধা লাভ কৰিবলগীয়া পৰিয়ালক চিনাক্ত কৰা হৈছে। আনহাতে, একাংশ লোকে এই সময়ছোৱাত তেওঁলোকে লাভ কৰা অৰুণোদয় আঁচনি আৰ্থিকভাৱে স্বচ্ছল হোৱাৰ বাবে উভতাই দিছে। অৰুণোদয় আঁচনিৰ অধীনত ছয় লাখ নতুন হিতাধিকাৰীৰ লগতে আন দুই লাখ লোককো সামৰি লোৱা হ'ব বুলি মন্তব্য কৰি মুখ্যমন্ত্ৰীয়ে কয়, 'ৰাজ্যৰ মহিলা সমাজৰ আৰ্থ-সামাজিক উত্তৰণৰ বাবে ৰাজ্য চৰকাৰে নিৰন্তৰভাৱে কাম কৰি আহিছে। প্ৰতি মাহে ৮৩০ টকাৰে আৰম্ভ কৰা এই আঁচনিখনৰ ধন এহেজাৰ টকালৈ বৃদ্ধি কৰা হৈছে। অহা কেইদিনমানৰ ভিতৰত আৰু ২৫০ টকাকৈ বৃদ্ধি কৰা হ'ব।' তেওঁ লগতে কয় যে বহু পৰিয়ালে এতিয়াও ৰেচন কাৰ্ড পোৱা নাই। সেয়ে নতুনকৈ আৰু ১০ লাখ পৰিয়ালক ৰেচন কাৰ্ড প্ৰদান কৰা হ'ব আৰু ইয়াৰ জৰিয়তে তেওঁলোকে বিনামূলীয়া চাউল লাভ কৰিবলৈ সমৰ্থ হ'ব। শাৰদীয় দুৰ্গা পূজাৰ পাছত ৫০ লাখ লোক বা ১৮ লাখ পৰিয়ালক বিনামূলীয়া চাউল দিয়াৰ ব্যৱস্থা কৰা হ'ব বুলি ঘোষণা কৰি মুখ্যমন্ত্ৰীয়ে পুনৰ কয়, 'যিসকল পৰিয়ালৰ ৰেচন কাৰ্ড আছে, তেওঁলোকক আন এখন কাৰ্ড ৰাজ্য চৰকাৰে দিব বিচাৰিছে। এই কাৰ্ডৰ জৰিয়তে তেওঁলোকে পাঁচ লাখ টকাকৈ বছৰি বিনামূলীয়া চিকিৎসা সাহায্য লাভ কৰিব।' আনহাতে, ভাষণত মহিয়সী নাৰী ইন্দিৰা মিৰিৰ জীৱন আৰু কৰ্মৰ বিষয়ে আলোকপাত কৰি মুখ্যমন্ত্ৰীয়ে কয়, 'বিশিষ্ট শিক্ষাবিদগৰাকীয়ে শৈক্ষিক আৰু সামাজিক বিকাশৰ বাবে যথেষ্ট অৱদান আগবঢ়াই গৈছে। জনজাতীয় সমাজখনক শিক্ষাৰ আলোকেৰে আলোকিত কৰিবলৈ তেওঁ অহোপুৰুষাৰ্থ কৰিছিল।' এই মহান নাৰীগৰাকীৰ স্মৃতিত ৰাজ্য চৰকাৰে ইন্দিৰা মিৰি সাৰ্বজনীন বিধৱা আঁচনিখন আৰম্ভ কৰাৰ কথা সদৰী কৰি মুখ্যমন্ত্ৰীয়ে কয়, 'কেন্দ্ৰীয় চৰকাৰৰ দ্বাৰা সামৰি নোলোৱা বিধৱা মহিলাসকলক এই আঁচনিৰ জৰিয়তে সামৰি লোৱা হৈছে। পূৰ্বতে কেন্দ্ৰীয় আৰু ৰাজ্য চৰকাৰৰ আঁচনিসমূহৰ অধীনত হিতাধিকাৰীসকলে নিয়মিত পেঞ্চন লাভ কৰিবলৈ সমৰ্থ হোৱা নাছিল। বৰ্তমানৰ চৰকাৰৰ পদক্ষেপৰ বাবে প্ৰতি মাহৰ ১০ তাৰিখে এই আঁচনিসমূহৰ ধন হিতাধিকাৰীসকলে লাভ কৰিবলৈ সমৰ্থ হৈছে।' এই আঁচনিখনৰ অধীনত যিসকলে এতিয়াও উপকৃত হ'ব পৰা নাই, তেওঁলোকক গাঁও পঞ্চায়ত আৰু খণ্ড উন্নয়ন বিষয়াৰ কাৰ্যালয়ত যোগাযোগ কৰিবলৈ তেওঁ আহ্বান জনায়। লগতে পঞ্চায়ত আৰু গ্ৰামোন্নয়ন বিভাগক এই আঁচনিখন অধিক জনপ্ৰিয় কৰি তুলিবলৈও মুখ্যমন্ত্ৰীয়ে আহ্বান জনায়। প্ৰসংগক্ৰমে মুখ্যমন্ত্ৰীয়ে কয়, 'এইবাৰৰ বানত ক্ষতিগ্ৰস্ত হোৱা লোকসকলে দুমাহৰ ভিতৰতে আৰ্থিক সাহায্য লাভ কৰিবলৈ সক্ষম হৈছে।' বানৰ কবলত পৰা লোকসকলক উদ্ধাৰ আৰু সাহায্য কাৰ্য, শিবিৰত খাদ্য-সামগ্ৰী যোগান, শিবিৰৰ পৰা অহাৰ সময়ত প্ৰয়োজনীয় সামগ্ৰী ক্ৰয়ৰ বাবে আৰ্থিক সাহায্য, বানত মৃত্যু হোৱা লোকৰ পৰিয়াললৈ চাৰি লাখ টকাকৈ সাহায্য প্ৰদানৰ বিষয়তো তেওঁ আলোকপাত কৰে। তেওঁ কয় যে ঘৰ-বাৰী উটুৱাই নিয়া পৰিয়ালসমূহক পূৰ্বতে দিয়া ধনৰ উপৰি আজি অতিৰিক্তভাৱে এক লাখ টকাকৈ প্ৰদান কৰা হৈছে। ইপিনে, শেহতীয়া নিযুক্তি প্ৰক্ৰিয়াৰ প্ৰসংগ উল্লেখ কৰি মুখ্যমন্ত্ৰীয়ে কয় যে স্বচ্ছভাৱে নিযুক্তি প্ৰক্ৰিয়াটো সম্পূৰ্ণ হোৱাৰ বাবে মেধাসম্পন্ন দৰিদ্ৰ পৰিয়ালৰ সন্তানেও চৰকাৰী চাকৰি লাভ কৰিবলৈ সমৰ্থ হৈছে। মুখ্যমন্ত্ৰীয়ে লগতে কয়, 'অহা ছয়-সাত মাহৰ ভিতৰত এক লাখ লোকক চৰকাৰী চাকৰিত নিযুক্তি প্ৰদান কৰা হ'ব।'

ইফালে, আজিৰ সভাৰ আৰম্ভণিতে পঞ্চায়ত আৰু গ্ৰামোন্নয়ন বিভাগৰ মন্ত্ৰী ৰঞ্জিত কুমাৰ দাসে ভাষণ প্ৰদান কৰি কয় যে মুখ্যমন্ত্ৰীৰ দৃঢ় পদক্ষেপৰ বাবে ইন্দিৰা মিৰি সাৰ্বজনীন বিধৱা পেঞ্চন আঁচনিখনৰ সফল ৰূপায়ণ সম্ভৱ হৈ উঠিছে। এই আঁচনিখনৰ জৰিয়তে বিধৱা মহিলাসকল উপকৃত হ'ব পাৰিছে বুলিও তেওঁ কয়। এই অনুষ্ঠানত গৃহ আৰু নগৰ পৰিক্ৰমা বিভাগৰ মন্ত্ৰী অশোক সিংহল, স্বাস্থ্য আৰু পৰিয়াল কল্যাণ মন্ত্ৰী কেশৱ মহন্ত, তেজপুৰৰ সাংসদ পল্লৱ লোচন দাস, বিধায়ক পৃথিৰাজ ৰাভা, গণেশ লিম্বু, কৃষ্ণকমল তাঁতী, পঞ্চায়ত আৰু গ্ৰামোন্নয়ন বিভাগকে ধৰি বিভিন্ন বিভাগৰ শীৰ্ষ বিষয়াসকল উপস্থিত আছিল।

# লিডুৰ অবৈধ কয়লা খনিৰ

*এক পৃষ্ঠাৰ পৰা* ইছাৰ আলী, গোৱালপাৰাৰ মুস্তফা শ্বেইখ, আলতাফ আলী আৰু হুছেইন আলী। তদুপৰি কয়লা মাফিয়াৰূপে পৰিচিত আনোৱাৰ হুছেইন ওৰফে চুফি বাবাৰ লগতে লিডু বজাৰ নিবাসী তথা ব্যৱসায়ী বিজন ৰয় আৰু ৰাণা দাসকো আৰক্ষীয়ে আটক কৰিছে। উল্লেখ্য যে এই চুফি বাবাই বিভিন্ন পক্ষক 'মেনেজ' কৰি কয়লাৰ চোৰাং ব্যৱসায় চলাই নিয়াৰ অভিযোগ তুলিছে একাংশ স্থানীয় লোকে। লগতে অবৈধ বাংলাদেশী নাগৰিককো এই চোৰাং ব্যৱসায়ত জড়িত কৰোৱাৰো অভিযোগ উঠিছে চুফি বাবাৰ বিৰুদ্ধে। ইপিনে, ঘটনাৰ সন্দৰ্ভত তিনিচুকীয়া আৰক্ষীয়ে এটা গোচৰ ৰুজু কৰি চোৰাং কয়লা মাফিয়াৰ বিৰুদ্ধে অভিযান অব্যাহত ৰখা বুলি উল্লেখ কৰি অতিৰিক্ত আৰক্ষী অধীক্ষক ৰিপুঞ্জয় বৰাই তদন্ত অব্যাহত থকা বুলিও সদৰী কৰে। ইতিমধ্যে দণ্ডাধীশৰ উপস্থিতিত পুতি থোৱা অৱস্থাৰ পৰা শ্ৰমিককেইজনৰ মৃতদেহ উদ্ধাৰ কৰি ইতিমধ্যে মৰণোত্তৰ পৰীক্ষাৰ বাবে পঠোৱা বুলিও আৰক্ষীয়ে সদৰী কৰিছে। আজি সমগ্ৰ ঘটনা সন্দৰ্ভত প্ৰতিক্ৰিয়া প্ৰকাশ কৰে ছাত্ৰ মুক্তি সংগ্ৰাম সমিতিয়ে। সমিতিৰ তিনিচুকীয়া জিলা সমিতিৰ সভাপতি পাপু দত্তই মুখ্য অভিযুক্তক আৰক্ষীয়ে কৰায়ত্ত কৰিবলৈ সক্ষম হোৱা নাই বুলি অভিযোগ কৰি উচ্চতম ন্যায়ালয়ে কঠোৰভাৱে নিৰ্দেশনা জাৰি কৰি থোৱাৰ পাছতো কাৰ সাহসত বা কাৰ সেউজ সংকেতত অবৈধ 'ৰেটহ'ল মাইনিং' স্থাপন কৰিছে বুলি প্ৰশ্ন উত্থাপন কৰে। সমগ্ৰ বিষয়টো বিধানসভাৰ মজিয়াত উত্থাপন হোৱাৰ পাছতো এই পৰ্যন্ত আৰক্ষী বিভাগে মূল অভিযুক্তক আটক কৰিবলৈ সক্ষম হোৱা নাই বুলি দোষাৰোপ কৰে ছাত্ৰ নেতা দত্তই।

# কোকৰাঝাৰত অত্যধিক ড্ৰাগছ

*এক পৃষ্ঠাৰ পৰা* অত্যাধিক ড্ৰাগছ সেৱনৰ পৰিণতিতে কালি সন্ধিয়া কৰুণ মৃত্যুক সাবটি লয়। পুলেনে দীৰ্ঘদিন ড্ৰাগছ সেৱন কৰি আহিছিল। ইয়াৰ সমান্তৰালভাৱে পুলেনে ড্ৰাগছ যোগনিয়াৰৰ দৰে অবৈধ কাৰ্যতো নামি পৰিছিল। তাৰ ফলস্বৰূপে যোৱা জুলাইত ধুবুৰী জিলাৰ চাপৰত আৰক্ষীয়ে পুলেনক গ্ৰেপ্তাৰ কৰিছিল। প্ৰায় এমাহ ধৰি জেলত থকাৰ পাছত মুকলি হৈ পুলেনে পুনৰ ড্ৰাগছ সেৱনৰ লগতে বেজীৰে দেহত ড্ৰাগছ ল'বলৈ আৰম্ভ কৰে। অভিযোগ অনুসৰি পুলেনে ক্ৰমান্বয়ে অত্যাচাৰী হোৱা আৰম্ভ কৰিছিল আৰু ঘৰ-পৰিয়ালৰ সদস্যৰ ওপৰত অত্যাচাৰ কৰিছিল। কালি পুলেনে অত্যাধিক ড্ৰাগছ সেৱন কৰি ঘৰলৈ আহে আৰু তেওঁৰ মুখেৰে ফেন ওলাবলৈ ধৰে। পৰিয়ালৰ লোকে কোকৰাঝাৰৰ এখন নাৰ্ছিংহোমলৈ নিয়ে যদিও ৰোগীৰ গুৰুতৰ অৱস্থালৈ লক্ষ্য ৰাখি উন্নত চিকিৎসাৰ বাবে বঙাইগাঁৱলৈ প্ৰেৰণ কৰে। বঙাইগাঁৱৰ এখন ব্যক্তিগত খণ্ডৰ চিকিৎসালয়তে শেষনিশা তেওঁ অকাল মৃত্যুক সাবটি লয়। ইপিনে, অত্যাধিক ড্ৰাগছ সেৱন কৰি মৃত্যুমুখত পৰা পুলেনৰ পিতৃ বসন্ত বৰ্মনে সদৰী কৰা মতে তেওঁৰ পুত্ৰই ড্ৰাগছ সেৱন কৰাৰ উপৰি বেজীৰে দেহত ড্ৰাগছ সুমুৱাই লৈছিল।

# বিজেপিৰ সভাপতি সলনিৰ

*এক পৃষ্ঠাৰ পৰা* অসম পশু চিকিৎসা মহাবিদ্যালয় খেলপথাৰত অনুষ্ঠিত হ'বলগীয়া এই কৰ্মকৰ্তা সন্মিলনত বিজেপিৰ ৰাষ্ট্ৰীয় সভাপতি জে পি নড্ডা আৰু কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহ উপস্থিত থাকিব। উল্লেখ্য যে এই কৰ্মকৰ্তা সন্মিলনত দলীয় দায়িত্বত থকা প্ৰায় ৪০ হেজাৰ দলীয় কৰ্মকৰ্তাই অংশগ্ৰহণ কৰিব বুলি দলৰ মুখ্য মুখপাত্ৰ তথা সাংসদ কামাখ্যা প্ৰসাদ তাছাই আজি সদৰী কৰে। শাসকীয় দলটোৰ এই সন্মিলনখনৰ প্ৰসংগত দলৰ মুখপাত্ৰজনে আজি এক প্ৰেছ বিজ্ঞপ্তিযোগে কয় যে ৰাজ্যিক বিজেপিৰ ৰাজনৈতিক নেতৃত্ব পৰিৱৰ্তনক লৈ দলৰ শীৰ্ষ মহলত সম্প্ৰতি কোনো ধৰণৰ চিন্তা-চৰ্চা হোৱা নাই। শেহতীয়াকৈ ৰাজ্যিক বিজেপিৰ সভাপতি সলনি হ'ব বুলি একাংশ সংবাদ মাধ্যমত অব্যাহত থকা চৰ্চাক কেন্দ্ৰ কৰি তাছাই বিবৃতিটোত কয় যে বৰ্তমান দলৰ ৰাজ্যিক সভাপতি সলনি হোৱাৰ কোনো চিন্তা-চৰ্চা দলৰ মজিয়াত হোৱা নাই। বৰ্তমানৰ ৰাজ্যিক সভাপতি ভবেশ কলিতাৰ নেতৃত্বতে আঠ অক্টোবৰত গুৱাহাটীত কৰ্মকৰ্তা সন্মিলনখন অনুষ্ঠিত হ'ব বুলিও তেওঁ মন্তব্য কৰে। তাছাই কয় যে ভাৰতীয় জনতা পাৰ্টিৰ সংগঠন সৰ্বব্যাপী আৰু সৰ্বস্পৰ্শী। অসমৰ সকলো ভৌগোলিক ক্ষেত্ৰ সামৰি বিজেপিৰ ৪০ খন সাংগঠনিক জিলা, চাৰিশটা মণ্ডল, ছয় হেজাৰ পাঁচশটা শক্তিকেন্দ্ৰৰ উপৰি ৰাজ্যৰ বিভিন্ন জাতি-জনগোষ্ঠীকে ধৰি সৰ্বস্তৰৰ লোকৰ ৰাজনৈতিক অংশীদাৰিত্ব নিশ্চিত কৰি দলৰ আঠটাকৈ মৰ্চাই অতি সবলভাৱে সাংগঠনিক কামত উৎসৰ্গা কৰি আহিছে। সম্প্ৰতি ৰাজ্যখনত ৪৫ লাখতকৈ অধিক কৰ্মকৰ্তাই আগবঢ়োৱা সেয়া আৰু সহযোগিতাই ২৮ হেজাৰতকৈ অধিক বুথ সমিতিৰ এক দলীয় সংগঠন গঢ়ি তুলিছে বুলি তাছাই মন্তব্য কৰে।

# ৮০ কোটি ভাৰতীয়ক

*এক পৃষ্ঠাৰ পৰা* পৰিস্থিতি আৰু খাদ্য যোগানৰ ব্যৱস্থাৱলীক সকাহ দিব।

মন কৰিবলগীয়া যে ২০২০ৰ এপ্ৰিলৰ পৰা প্ৰতি মাহে দেশৰ ৮০ কোটি লোকক পাঁচ কিলোগ্ৰামকৈ ঘেঁহু বা চাউল যোগান ধৰা হয়। ইয়াৰ বাবে বাৰ্ষিক ব্যয় হয় ১.৫ ট্ৰিলিয়ন। এই ছেপ্টেম্বৰতে আঁচনিখনৰ অন্ত পৰিব। ক'ভিডৰ সময়ত ২০২০ৰ মাৰ্চৰ পৰা আৰম্ভ হোৱা বিশ্বৰ ভিতৰতে সৰ্বাধিক দীঘলীয়া সময়ৰ বাবে হোৱা তলাবন্ধৰ ফলত লক্ষ লক্ষ কৰ্মহীন হৈ লক্ষ লক্ষ প্ৰব্ৰজিত শ্ৰমিকে অবৰ্ণনীয় দুৰ্ভোগৰ সন্মুখীন হৈ নিজ গাঁও-চহৰলৈ প্ৰত্যাৱৰ্তন কৰিছিল। এই পৰিস্থিতিত প্ৰধানমন্ত্ৰী মোদীয়ে বিনামূলীয়া খাদ্য আঁচনি হাতত লয়। এতিয়া আঁচনিখনৰ ম্যাদ অন্ত পৰাৰ সময়ত বিত্ত মন্ত্ৰণালয়ে ইয়াৰ পৰিসৰ বৃদ্ধিৰ পোষকতা কৰা নাই যদিও চূড়ান্ত সিদ্ধান্ত গ্ৰহণ কৰিব প্ৰধানমন্ত্ৰী মোদীৰ কাৰ্যালয়ে। সূত্ৰত প্ৰকাশ যে সমাগত উৎসৱৰ কমেও তিনিমাহ তথা স্থানীয় নিৰ্বাচনসমূহ অতিক্ৰম কৰালৈকে কিদৰে এই বিনামূলীয়া আঁচনিক জীয়াই ৰাখিব পাৰি সেই পথৰ সন্ধানত ব্যস্ত হৈছে প্ৰধানমন্ত্ৰীৰ কাৰ্যালয়ে। সূত্ৰত প্ৰকাশ যে এই বিনামূলীয়া খাদ্য যোগান ধৰিবলৈ গৈ অস্বাভাৱিক ধৰণৰ প্ৰত্যাহ্বানৰ সন্মুখীন হৈছে মোদী। বৰ্ধিত উচ্চ হাৰৰ কৰ্মসংস্থাপনহীনতা, আয়ৰ বৈষম্য আৰু জনপ্ৰিয় ৰাজনীতিৰ চেপাত বিশ্বৰ দ্ৰুত বিকশিত ভাৰতৰ অৰ্থনীতিয়ে উজুটি খাবলগীয়া পৰিস্থিতি হৈছে।

সূত্ৰত প্ৰকাশ যে এই জনমোহিনী খাদ্য আঁচনি বন্ধ কৰি দিয়াটো প্ৰধানমন্ত্ৰীৰ বাবেও সহজ বিষয় নহয়। সন্মুখত আছে মোদীৰ গৃহৰাজ্য গুজৰাটৰ লগতে হিমাচল প্ৰদেশৰো বিধানসভা নিৰ্বাচন। বিজেপিয়ে গুজৰাটৰ লগতে হিমাচল প্ৰদেশতো পুনৰ ক্ষমতা হস্তগত কৰিব বিচাৰে। চলিত বৰ্ষৰ শেষৰ সময়ছোৱাত এই নিৰ্বাচন অনুষ্ঠিত হ'ব। এই প্ৰসংগতে দিল্লীৰ 'চেণ্টাৰ ফৰ দ্য ষ্টাডি অৱ ডেভেলপিং ছ'চাইটিজ'ৰ অধ্যাপক সঞ্জয় কুমাৰে কয়, 'যদি আঁচনি বন্ধ কৰা হয় তেন্তে ই নিশ্চিতভাৱে মানুহৰ ভোটৰ পছন্দত নেতিবাচক ক্ৰিয়া কৰিব। চলিত বৰ্ষত উত্তৰ প্ৰদেশৰ নিৰ্বাচনত এনে খাদ্য আঁচনিৰ দ্বাৰা উপকৃত হোৱা বৃহৎসংখ্যক হিতাধিকাৰীয়ে ৰাজ্যখনৰ শাসকীয় বিজেপিক ভোটদান কৰা বুলি অধ্যাপকজনে কয়। বিশেষজ্ঞসকলৰ মতে এই খাদ্য আঁচনি নিশ্চিতভাৱে অতি জনপ্ৰিয় যদিও ইয়াক বাহাল ৰখাটো অতিকৈ ব্যয়বহুল হৈছে। চলিত বৰ্ষত বতৰৰ প্ৰতিকূলতাৰ বাবে শস্য উৎপাদন ক্ষতিগ্ৰস্ত হোৱাৰ পাছত ভাৰতে ঘেঁহু আৰু চাউলৰ ৰপ্তানি নিয়ন্ত্ৰিত কৰিবলগীয়া পৰিস্থিতিৰ উদ্ভৱ হয়। তদুপৰি ইয়াৰ ফলত খাদ্য সামগ্ৰীৰ মূল্যবৃদ্ধি হোৱাৰ লগতে বিশ্বজুৰি কৃষি বজাৰ থৰক-বৰক হৈছে। বিশেষজ্ঞসকলে কয় যে এই খাদ্য আঁচনি আৰু এমাহ বাহাল ৰাখিবলৈ হ'লে বাজেটৰ পৰা ব্যয় হ'ব সাতশ বিলিয়ন ডলাৰ টকা। ইয়াৰ ফলত চৰকাৰৰ বিত্তীয় ঘাটি হ্ৰাসৰ লক্ষ্য বিপদৰ মুখত পৰিব পাৰে। ২০২৩ৰ মাৰ্চত অন্ত পৰিবলগীয়া বিত্তীয় বৰ্ষত মুঠ ঘৰুৱা উৎপাদনৰ ৬.৪ শতাংশলৈ বিত্তীয় ঘাটি হ্ৰাসৰ লক্ষ্য লৈছে ভাৰত চৰকাৰে। ইয়াৰ পূৰ্ববৰ্তী বৰ্ষত এই ঘাটিৰ পৰিমাণ আছিল ৬.৯ শতাংশ আৰু অতিমাৰীৰ প্ৰথম বৰ্ষটোত ৯.২ শতাংশৰে অভিলেখ সৃষ্টি হৈছিল। সম্প্ৰতি প্ৰধানমন্ত্ৰীৰ কাৰ্যালয়ে আঁচনিখনৰ সন্দৰ্ভত কি স্থিতি গ্ৰহণ কৰিব সেয়া স্পষ্ট হোৱা নাই যদিও নানা জল্পনা-কল্পনা আৰম্ভ হৈছে। সূত্ৰত প্ৰকাশ যে প্ৰধানমন্ত্ৰীৰ কাৰ্যালয়ে বিতৰণ কৰা বিনামূলীয়া শস্যৰ পৰিমাণ হ্ৰাস কৰাৰো সম্ভাৱনা আছে। দেশৰ খাদ্যসূচীত সুধাংশু পাণ্ডেই কয় যে এইবোৰ অতি বৃহৎ সিদ্ধান্ত হ'ব, সেয়েহে চৰকাৰে বিভিন্ন মহলৰ পৰামৰ্শ গ্ৰহণ কৰিব। ইপিনে, বিত্ত মন্ত্ৰণালয়ৰ মুখপাত্ৰই বিষয়টো সন্দৰ্ভত এই মুহূৰ্তত ক'ব পৰা অৱস্থাত নাই বুলি কয়।

ইপিনে, আঁচনিখন অব্যাহত থাকিলে অহা বছৰ খাদ্য শস্যৰ ভাণ্ডাৰ হ্ৰাস হ'ব পাৰে বুলি শংকা ব্যক্ত কৰে প্ৰসন্ন অনন্তসুব্ৰমণিয়মৰ নেতৃত্বৰ আইচিআইচিআই ছিকিউৰিটি লিমিটেড নামৰ বিশ্লেষক সংস্থাটোৱে। আঁচনিখন অব্যাহত ৰাখিলে মুদ্ৰাস্ফীতিতো প্ৰভাৱ পৰিব পাৰে বুলি কোৱা হৈছে। ভাৰতৰ খুচুৰা মুদ্ৰাস্ফীতিৰ ১০ শতাংশই হৈছে চাউল আৰু ঘেঁহুৰ মূল্য আৰু গ্ৰীষ্মপ্ৰবাহ তথা মৌচুমীৰ অস্থিৰতাৰ বাবে উৎপাদন হ্ৰাস হোৱাত এই মুদ্ৰাস্ফীতি বৃদ্ধি হৈয়ে আছে। বিশ্বৰ ভিতৰতে দ্বিতীয় বৃহৎ পৰিমাণৰ খাদ্য শস্য উৎপাদনকাৰী দেশ ভাৰতত এইবাৰ বিশেষকৈ গ্ৰীষ্মপ্ৰবাহে উৎপাদন অতিকৈ ক্ষতিগ্ৰস্ত কৰিছে। ফলত ভাৰতৰ পৰা ঘেঁহু-চাউল ৰপ্তানি কৰা দেশসমূহৰ বাবেও সেমেকা পৰিস্থিতিৰ সৃষ্টি হৈছে আৰু বিশ্বজুৰি খাদ্য শস্যৰ নাটনিৰ আশংকা বাঢ়িছে। মন কৰিবলগীয়া যে যিকোনো পৰিস্থিতিত বিনামূলীয়া খাদ্য শস্য বিতৰণ বন্ধ হ'লে উপভোক্তাই পুনৰ বজাৰৰ পৰা ক্ৰয় কৰিবলগীয়া হ'ব। ফলত মূল্যবৃদ্ধিৰ আশংকাৰ লগতে মুদ্ৰাস্ফীতি ৰোধত ৰিজাৰ্ভ বেংকৰ প্ৰচেষ্টা প্ৰত্যাহ্বানৰ সন্মুখীন হ'ব বুলি কোৱা হৈছে। সেয়েহে প্ৰধানমন্ত্ৰী মোদী চৰম দোলুল্যমান অৱস্থাৰ মাজত আছে। কিয়নো তেওঁ অৰ্থনীতিৰ ভাৰসাম্যতা ৰক্ষা, দেশত বিনামূলীয়া বিতৰণৰ সংস্কৃতিৰ অন্ত পেলোৱাৰ উদাহৰণ দাঙি ধৰাৰ লগতে এই আঁচনিৰ দ্বাৰা লাভৱান্বিত হ'ব পৰা নিৰ্বাচনী অংকৰ দৰে উপাদানসমূহ জুলাঞ্জলি দি সিদ্ধান্ত ল'ব লাগিব বুলি কয় নতুন দিল্লীৰ ৰাজনৈতিক বিশ্লেষক আৰতি জেৰাথে। প্ৰকৃতাৰ্থত মোদীৰ বাবে সিদ্ধান্ত গ্ৰহণ এক কঠিন প্ৰত্যাহ্বান হৈ পৰিছে। বিশ্বৰ সৰ্ববৃহৎ বিনামূলীয়া খাদ্য আঁচনিৰ ভাগ্য এতিয়া তেওঁৰ হাতত।

# নিযুক্তিত প্ৰশ্ন উত্থাপন কৰি আৰক্ষী

*এক পৃষ্ঠাৰ পৰা* দাসক যোৱা ১৩ ছেপ্টেম্বৰতে নিলম্বন কৰা হৈছে বুলি আজি শিক্ষামন্ত্ৰী ডাঃ ৰণোজ পেগুৱে সদৰী কৰি কয়, 'ভিক্টৰ দাসৰ নিলম্বন শিক্ষা বিভাগৰ নিয়মানুৱৰ্তিতা আইনৰ অধীনত কৰা হৈছে। অৰ্থাৎ 'অসম ছাৰ্ভিছ ডিচিপলিন এণ্ড এপিল ৰোল-১৯৬৪'ৰ দফা ছয় (এক)(দুই)ত উল্লেখ আছে যে যিকোনো চাকৰিয়াল যদি ৪৮ ঘণ্টা ধৰি আৰক্ষীৰ জিম্মাত থাকে, তেতিয়া তেওঁক নিলম্বন কৰা হয়। গতিকে ভিক্টৰ যিহেতু ৪৮ ঘণ্টা ধৰি আৰক্ষীৰ জিম্মাত আছিল, সেয়ে স্বয়ংক্ৰিয়ভাৱে নিলম্বিত হ'ল।'

# কাঞ্চনদাৰ সহযোগী অসমত সক্ৰিয় দুৰ্ধৰ্ষ

*এক পৃষ্ঠাৰ পৰা* সমীপৰ মহিছপাটা অঞ্চলৰ পৰা মাওবাদীজনক গ্ৰেপ্তাৰ কৰা হয় বুলি এনআইএৰ মুখপাত্ৰজনে কয়। দুৰ্ধৰ্ষ মাওবাদী নেতা অৰুণ কুমাৰ ভট্টাচাৰ্য ওৰফে জ্যোতিষ ওৰফে কবিৰ ওৰফে কনক ওৰফে কাঞ্চনদাক পশ্চিমবংগৰ পৰা গ্ৰেপ্তাৰৰ গোচৰৰ স'তে সম্ৰাটৰ গ্ৰেপ্তাৰ সম্পৰ্কিত বুলি কয় এনআইএই। দুৰ্ধৰ্ষ কাঞ্চনদা হৈছে চি পি আই (মাওবাদী)ৰ চেণ্ট্ৰেল কমিটীৰ সদস্য আৰু দুৰ্ধৰ্ষ সংগঠনটোৰ অন্যতম কৌশল ৰচয়িতা তথা গভীৰভাৱে মাওবাদৰ মতাদৰ্শত বিশ্বাসী। কাঞ্চনদাক অসমত মাওবাদৰ সংগঠন প্ৰতিষ্ঠাৰ দায়িত্ব অৰ্পণ কৰা হৈছিল। তদুপৰি সামগ্ৰিকভাৱে অসমত তথা বিশেষভাৱে উত্তৰ-পূবত মাওবাদৰ শিপা বিয়পাবলৈ দায়িত্ব দিয়া হৈছিল ধৃত কাঞ্চনদাক। এই তথ্য সদৰী কৰে মুখপাত্ৰজনে। যোৱা দুই ছেপ্টেম্বৰত গুৱাহাটীৰ এনআইএৰ বিশেষ আদালতত কাঞ্চনদাকে ধৰি ছয় ধৃত অভিযুক্তৰ বিৰুদ্ধে তদন্তকাৰী সংস্থাটোৱে অভিযোগনামা দাখিল কৰে।

মুখপাত্ৰজনে কয়, 'তদন্ত কালত এই কথা উন্মোচিত হয় যে অভিযুক্ত চক্ৰৱৰ্তী ওৰফে কাঞ্চনদা পশ্চিমবংগত মাওবাদী সংগঠনৰ এজন সক্ৰিয় সদস্য। সংগঠনটোৰ শীৰ্ষ মহলৰ স'তে যোগসূত্ৰ ৰক্ষাৰ এজন অন্যতম যোগাযোগকাৰী আছিল দুৰ্ধৰ্ষ কাঞ্চনদা। অসমত গোপন অৱস্থান কৰি তেওঁ কাম-কাজ চলাই আছিল।' বিষয়াজনে কয় যে কাঞ্চনদাই বহুবাৰ বিভিন্ন কাৰণত অসমৰ কাছাৰ জিলা ভ্ৰমণ কৰিছিল আৰু উত্তৰ-পূৰ্বাঞ্চলৰ ৰাজ্যসমূহত মাওবাদীৰ কাৰ্যকলাপ অধিকভাৱে সক্ৰিয় কৰিছিল। দলটোৰ পূব মাণ্ডলিক ব্যুৰ'ৰ বিশেষ নিৰ্দেশমৰ্মে কাঞ্চনদাই এই দায়িত্ব পালন কৰিছিল বুলি বিষয়াজনে কয়। এই বিষয়টোৰ তদন্ত অব্যাহত থকা বুলি তেওঁ সদৰী কৰে।

# মুকলি দুৰ্নীতি-ভ্ৰষ্টাচাৰত নিমজ্জিত চৰকাৰ

*এক পৃষ্ঠাৰ পৰা* আৰু গ্ৰামাঞ্চলৰ ৰাইজৰ নিয়মীয়া খাদ্য তালিকাত অন্তৰ্ভুক্ত, সেয়েহে এনেবোৰ খাদ্য সামগ্ৰীত জিএছটি লগাই নিম্নবিত্ত শ্ৰেণীৰ লোকক লুণ্ঠন চলাবলৈ পাং পাতিছে বিজেপি চৰকাৰখনে। সমাজৰ নিম্ন স্তৰৰ লোকৰ হাতত যাতে এটকাও জমা ধন নাথাকে, সেয়া নিশ্চিত কৰাৰ বাবে মোদী চৰকাৰে গ্ৰহণ কৰিছে এই জনবিৰোধী স্থিতি। জ্যেষ্ঠ বাঁওপন্থী নেতাজনে কয় যে ১৪০ কোটি ভাৰতীয়ৰ ভিতৰত প্ৰায় এশ কোটি লোকেই গৰিব। এই এশ কোটি লোকৰ মূল খাদ্যভ্যাস হ'ল চাউল অথবা আটা। মোদী চৰকাৰে অতি কৌশলেৰে এতিয়া আটা আৰু চাউলৰ ওপৰত পাঁচ শতাংশকৈ জিএছটি আৰোপ কৰি শোষণ আৰম্ভ কৰিছে। তেওঁ কয় যে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ প্ৰিয় বন্ধু আদানীক ধনী কৰাৰ বাবে যিমান যি কৰিব লাগে সকলো কৰিছে কেন্দ্ৰীয় চৰকাৰখনে। বিজেপি চৰকাৰে ৰাষ্ট্ৰপ্ৰদত্ত প্ৰতিষ্ঠানসমূহ এটাৰ পাছত এটাকৈ আদানীৰ দৰে পুঁজিপতিক গতাই দি দেশৰ ৰাজকোষ যিদৰে নিশকতীয়া কৰিছে ঠিক তেনেদৰে আদানীক বিশ্বৰ দ্বিতীয়জন ধনী ব্যক্তিৰূপে প্ৰতিষ্ঠাপিত কৰিছে। তেওঁক ধনী কৰাৰ বাবেই মোদীয়ে কাম কৰি আছে বুলিও দাসে মন্তব্য কৰে। ৰাজ্যৰ ভিন্ন প্ৰান্তৰ পৰা অহা সহস্ৰাধিক নেতা-কৰ্মীৰ উপস্থিতিত অনুষ্ঠিত এই সমাৱেশত ভাষণ দি চিপিআই (এম)ৰ ৰাজ্যিক সাধাৰণ সম্পাদক সুপ্ৰকাশ তালুকদাৰেও কেন্দ্ৰৰ বিজেপি চৰকাৰৰ জনবিৰোধী নীতিক তীক্ষ্ণ সমালোচনা কৰে। অসমত শাসনাধিষ্ঠিত হিমন্ত বিশ্ব শৰ্মা নেতৃত্বাধীন বিজেপি চৰকাৰখনে সমাজৰ নিম্ন মধ্যবিত্ত শ্ৰেণীৰ লোকৰ বিৰুদ্ধে কাম কৰি গৈছে বুলি অভিযোগ কৰি তালুকদাৰে কয় যে এফালে মূল্যবৃদ্ধিৰ দৰে জনবিৰোধী স্থিতি গ্ৰহণ কৰিছে আৰু আনফালে দুৰ্নীতি-ভ্ৰষ্টাচাৰেৰে তুংগত আৰোহণ কৰিছে। তেওঁ কটাক্ষ কৰে যে কেন্দ্ৰৰ মোদী চৰকাৰে দুৰ্নীতি-ভ্ৰষ্টাচাৰ সংগোপনে কৰি তেওঁলোকৰ এনে অনিয়মৰ কথা লোকচক্ষুৰ পৰা আঁতৰত ৰাখিবলৈ চেষ্টা চলাইছিল যদিও অসমৰ হিমন্ত বিশ্ব শৰ্মাৰ চৰকাৰখনে আৰম্ভণিৰে পৰা মুকলিকৈ দুৰ্নীতি-ভ্ৰষ্টাচাৰত নিমজ্জিত হৈছে। উল্লেখ্য যে বিজেপি চৰকাৰৰ জনবিৰোধী আৰু স্বৈৰাচাৰী কৰ্মকাণ্ডৰ বিৰুদ্ধে চিপিআই (এম)ৰ কেন্দ্ৰীয় কমিটীয়ে ১৪ ছেপ্টেম্বৰৰ পৰা ২৪ ছেপ্টেম্বৰলৈ দেশজুৰি প্ৰচাৰ অভিযান, প্ৰতিবাদী কাৰ্যসূচী গ্ৰহণ কৰিবলৈ জনোৱা আহ্বানৰ প্ৰতি সঁহাৰি জনাই দলটোৰ অসম ৰাজ্যিক সমিতিয়ে আজি গুৱাহাটীত অনুষ্ঠিত কৰে এই সমাৱেশৰ। অসমৰ বিজেপি চৰকাৰখনে সৰ্বক্ষেত্ৰতে জনবিৰোধী নীতি লৈ ৰাজ্য শাসন কৰিছে বুলি অভিহিত কৰি আজি অনুষ্ঠিত সমাৱেশত উপস্থিত থকা প্ৰাক্তন সাংসদ তথা আন এজন বৰ্ষীয়ান বাঁওপন্থী নেতা উদ্ধৱ বৰ্মনে কয় যে বিজেপি চৰকাৰৰ জনবিৰোধী কাৰ্যকলাপৰ বিৰুদ্ধে জনসাধাৰণৰ মাজত ক্ষোভ আৰু সজাগতা ক্ৰমান্বয়ে বৃদ্ধি পাবলৈ ধৰিছে। এনে পৰিস্থিতিত প্ৰতিবাদী আন্দোলনক বাধা দিবলৈ বিজেপি চৰকাৰে চৰম স্বৈৰাচাৰী ব্যৱস্থা গ্ৰহণ কৰিছে। উল্লেখ্য যে বাঁওপন্থী দলটোৱে পেট্ৰ'ল-ডিজেল আৰু ৰন্ধন গেছৰ লগতে অত্যাৱশ্যকীয় সামগ্ৰীৰ মূল্যবৃদ্ধি ৰোধ কৰিবলৈ দাবী জনাইছে। একেদৰে সকলো লোকক চাউল, আটা, দাইল, মিঠাতেল, চেনি, নিমখ আদি সস্তা দামত যোগান ধৰা, ডিজিটেল ৰেছন কাৰ্ডৰ নামত হাৰাশাস্তি বন্ধ কৰা, বৰ্ধিত বিদ্যুৎ মাচুল হ্ৰাস কৰা, মাটি জৰীপ কৰি দীৰ্ঘদিন ধৰি ভোগ দখল কৰি থকাসকলক মাটিৰ পট্টা প্ৰদান কৰা, ৰাজহুৱা শিল্পদ্যোগসমূহ বেচৰকাৰীকৰণ কৰাৰ নীতি প্ৰত্যাহাৰ কৰাৰো দাবী জনাইছে চিপিআই (এম)-এ। কৃষক ৰাইজক সাৰ, কীটনাশক, বীজ আদি সুলভ মূল্যত যোগান ধৰাৰ লগতে উৎপাদিত ফচলৰ ন্যায্য দাম সুনিশ্চিত কৰাৰো দাবী তুলিছে বাঁওপন্থী দলটোৱে। সৰভোগৰ বিধায়ক মনোৰঞ্জন তালুকদাৰকে ধৰি কে'বাজনো জ্যেষ্ঠ বাঁওপন্থী নেতাই অংশগ্ৰহণ কৰা আজিৰ এই সমাৱেশত দলটোৱে চাহ শ্ৰমিকক দৈনিক ন্যূনতম মজুৰি ৩৫১ টকাকৈ আদায় দিয়া, এমজি এনৰেগাৰ দৈনিক মজুৰি ছশ টকালৈ বৃদ্ধি কৰা, আক্ৰোশমূলকভাৱে বন্দী কৰি ৰখা ৰাজনৈতিক নেতা-কৰ্মী, সমাজকৰ্মী, সাংবাদিকসকলক শীঘ্ৰে মুক্তি দিয়াৰ লগতে অসমত প্ৰতিবাদী সভা-সমদল কৰাৰ অধিকাৰ সুনিশ্চিতকৰণ আৰু ৰাজহুৱা শিক্ষানুষ্ঠান আৰু উদ্যোগ-প্ৰতিষ্ঠান ধ্বংস অভিযান বন্ধ কৰিবলৈ আজিৰ সমাৱেশৰ জৰিয়তে বাঁওপন্থী দলটোৱে দাবী জনাইছে।

# প্ৰায় নিৰপেক্ষ

*এক পৃষ্ঠাৰ পৰা* মুক্ত বজাৰ অৰ্থনীতিৰ আৰম্ভ কৰা হৈছিল তাৰ ধাৰাবাহিকতাকে সূচায়। আমি কিয় চৰকাৰৰ উদ্যোগ চলোৱাটো কাম নহয় সেই ধাৰণাটো সম্পৰ্কে আজি আলোচনা কৰিম।

প্ৰথমতে উদ্যোগ আৰু চৰকাৰৰ সম্বন্ধৰ কথা বুৰঞ্জীমূলক প্ৰেক্ষাপটত উনুকিয়াব লাগিব। তথাকথিত ঔদ্যোগিক বিপ্লৱ (ইণ্ডাষ্ট্ৰিয়েল ৰিভ'লিউচন)ৰ আৰম্ভ হৈছিল ইউৰোপত, বিশেষকৈ ইংলেণ্ডত। এটাৰ পাছত এটাকৈ যুগান্তকাৰী বৈজ্ঞানিক আৱিষ্কাৰ আৰু যন্ত্ৰৰ বিকাশে অতি কম সময়ৰ ভিতৰতে মানুহৰ জীৱনযাত্ৰাৰ মান উন্নত কৰিছিল আৰু পোনপ্ৰথমবাৰৰ বাবে সংগঠিত অৰ্থত গোলকীয় বজাৰৰ সন্ধান আৰম্ভ কৰিছিল। কিন্তু সেই সময়ত আৱিষ্কাৰসমূহ আৰু তাৰ অধিকাৰ, সেইবোৰৰ প্ৰয়োগত হোৱা উদ্যোগসমূহ মূলতঃ ব্যক্তিগত মালিকানাধীন আছিল। সুলভ আমদানি আৰু চৰা মূল্যত ৰপ্তানিৰ বাবে বিভিন্ন দেশৰ সন্ধান কৰিছিল ইউৰোপৰ দেশসমূহৰ উদ্যোগৰ মালিকসকলে আৰু সামন্তীয় অভিজাত বৰ্গই, যিসকলে সেই উদ্যোগসমূহত বিনিয়োগ কৰিছিল। মূলতঃ উদ্যোগৰ চাহিদা আৰু মুনাফাৰ বাবেই বিভিন্ন উপনিৱেশিক শক্তিসমূহ গঢ় লৈ উঠে। লক্ষ্য কৰিবলগীয়া কথাটো হ'ল সেই দেশসমূহৰ চৰকাৰৰ সমৰ্থনপ্ৰাপ্ত কোম্পানীবিলাকেহে প্ৰথমে এছিয়া আৰু আফ্ৰিকাত উপনিৱেশ স্থাপন কৰে আৰু দীৰ্ঘদিন চৰকাৰ চলায়। তাৰ পাছতহে আনুষ্ঠানিকভাৱে কোম্পানীসমূহৰ হাতৰ পৰা চৰকাৰে উপনিৱেশৰ দায়িত্ব গ্ৰহণ কৰে। আমেৰিকাও এখন ব্ৰিটিছ উপনিৱেশ আছিল; কিন্তু ১৭৭৬ত স্বাধীনতা যুদ্ধৰ পাছত আমেৰিকাই স্বাধীনতা ঘোষণা কৰে আৰু ১৮ শতিকাৰ শেষৰ ভাগৰ পৰা আমেৰিকাত তথাকথিত আমেৰিকান ঔদ্যোগিক বিপ্লৱৰ সূচনা হয়। সেই ঔদ্যোগিক বিকাশ মূলতঃ মুনাফাৰ বাবে ব্যক্তিগত প্ৰচেষ্টাৰে হৈছিল (লেইজেছ্ ফেয়াৰ) আৰু আনকি অভিজাত শ্ৰেণীটোৱে কোনো কোনো ক্ষেত্ৰত এই বিনিয়োগ প্ৰক্ৰিয়াৰ পৰা আঁতৰি আছিল। এটা শতিকাৰ ভিতৰত আমেৰিকাৰ ঔদ্যোগিক বিকাশে বিৰাট ৰূপ ধাৰণ কৰে আৰু আধুনিক ভোগবাদী গণতন্ত্ৰৰ বাটকটীয়া হ'লেও আমেৰিকাকো উপনিৱেশিক বজাৰৰ প্ৰয়োজন হয়। যদিও ২০ শতিকাত তাৰ বাবে উপনিৱেশ গঠন কৰা সম্ভৱ নাছিল তাৰ বিকল্প হিচাপে আমেৰিকাই আধুনিক যুদ্ধপ্ৰভুৰ ৰূপত অৱতীৰ্ণ হ'বলগীয়া হয়। কেঁচামাল আৰু ৰপ্তানিৰ বজাৰৰ বাবে যিকোনো দেশৰ স'তে মিত্ৰতা আৰু যুদ্ধ সেয়া আমেৰিকাৰ পৰিচায়ক হৈ উঠে, যি এতিয়ালৈকে অব্যাহত আছে। আধুনিক বিশ্লেষকসকলে ধাৰণা কৰে যে ব্ৰিটেইনৰ অনানুপাতিক উপনিৱেশ বিস্তাৰ আৰু নতুন বিৰাট ঔদ্যোগিক শক্তি আমেৰিকাৰ নতুন বজাৰৰ সন্ধান আছিল দ্বিতীয় বিশ্বযুদ্ধৰ পাছৰ চালিকা শক্তি। দ্বিতীয় বিশ্বযুদ্ধৰ পাছত উপনিৱেশসমূহক নিয়ন্ত্ৰণ কৰিবলৈ সক্ষম নহ'ল ইউৰোপীয় দেশসমূহ আৰু উপনিৱেশিকতাবাদৰ ছন্দপতন ঘটে ১৯৪০ৰ পাছৰ পৰা। কিন্তু সেইখিনি সময়তে সমাজবাদী আদৰ্শৰ দুখন বিৰাট দেশ ছোভিয়েট ইউনিয়ন আৰু কমিউনিষ্ট চীনৰ জন্ম হয়। এই দুখন দেশত আৰু পাছলৈ পূৰ্ব ইউৰোপৰ দেশসমূহত ব্যক্তিগত প্ৰচেষ্টাৰ উদ্যোগসমূহ চৰকাৰে সম্পূৰ্ণভাৱে ৰাষ্ট্ৰৰ তত্ত্বাৱধানত চলিবলৈ লয়। কেন্দ্ৰীয়ভাৱে উৎপাদন আৰু বিতৰণ দুয়োটা কাৰ্যই চলিব ধৰে। কিন্তু আমি যোৱাটো কলম কিস্তিত আলোচনা কৰাৰ দৰে চৰকাৰীভাৱে অৰ্থনীতি আৰু উদ্যোগ চলোৱা ব্যৱস্থাটো সফল নহ'লগৈ। ১৯৮০ৰ দশকৰ শেষৰ ফালৰ পৰা কমিউনিষ্ট আদৰ্শ কেৱল ব্যৱস্থাপনা আৰু নীতি নিৰ্ধাৰণ ক্ষেত্ৰত ৰাখি বাকী প্ৰায়বোৰ ঔদ্যোগিক আৰু বাণিজ্য ক্ষেত্ৰ আধুনিক চীনে মুক্ত অৰ্থনীতিৰ আধাৰত মুকলি কৰিবলৈ লয়। ডেং ঝিওপিং চৰকাৰৰ দিনৰ আজিলৈকে সেই নীতি চীনত অব্যাহত আছে আৰু চীন আজি বিশ্বৰ ২য় বৃহৎ অৰ্থনৈতিক শক্তি। আনকি ভাৰততো মনমোহন সিং চৰকাৰৰ পৰা আজিলৈকে চলি অহা মুক্ত গোলকীয় অৰ্থনীতিৰ নীতিৰ জৰিয়তে অৰ্থনৈতিক বৃদ্ধি দৰ যথেষ্ট বৃদ্ধি কৰিবলৈ সক্ষম হৈছে। শেহতীয়া অৰ্থনৈতিক বৃদ্ধি দৰ আৰু আন্তঃৰাষ্ট্ৰীয় মুদ্ৰা নিধিৰ স্থান সূচকাংক অনুসৰি যোৱা দুই ছেপ্টেম্বৰত পোনপ্ৰথমবাৰৰ বাবে উপনিৱেশিকতাবাদৰ পাছত ভাৰতে যুক্তৰাজ্য (ইউ কে) বা আধুনিক ব্ৰিটেইনৰ অৰ্থনীতিক চেৰ পেলাই বিশ্বৰ ৫ম বৃহৎ অৰ্থনীতি হিচাপে প্ৰতিষ্ঠিত হ'বলৈ সক্ষম হৈছে। কিন্তু এতিয়াও ভাৰতত জনমূৰি আয় সূচকাংক বিশ্বৰ ১৯৪ খন অৰ্থনীতিৰ ভিতৰত কেৱল ১৪৪সংখ্যক স্থানত আছে, সেয়া নিঃসন্দেহে চিন্তাৰ বিষয়। কিন্তু সফলতাৰ কথাটো হ'ল মনমোহন সিং চৰকাৰে যেতিয়া মুক্ত গোলকীয় অৰ্থনীতি আৰম্ভ কৰিছিল তাৰ পিছে পিছে ১৯৯৩ত বিশ্ব জনমূৰি আয়ৰ অংশ হিচাপে ভাৰতৰ জনমূৰি আয় আছিল ৬.৪৫ শতাংশ যি ২০১৯ত ১৮.০৪ শতাংশ লৈ বৃদ্ধি পায় (মুঠ ঘৰুৱা উৎপাদনৰ শতাংশ হিচাপে)।

সি যি কি নহওক, আশীৰ দশকত ডাচ্চ অৰ্থনীতিবিদ আৰু ন'বেল পুৰস্কাৰ বিজয়ী জান টিনবাৰ্জিনে এটা তত্ত্ব আগবঢ়ায় যে দ্বন্দ্বমূলক অৰ্থনৈতিক ব্যৱস্থাসমূহে ক্ৰমশঃ এক কেন্দ্ৰিক বা কেন্দ্ৰাভিমুখী গতি লাভ কৰিছে। সেই ভৱিষ্যৎ বাণীৰ কিছু বছৰ পাছতে আশীৰ দশকৰ শেষৰ ফালে চীনত ক্ৰমাৎ মুক্ত গোলকীয় অৰ্থনীতিৰ সূচনা হয়। তাৰ কিছু বছৰৰ পাছত ছোভিয়েট ইউনিয়ন আৰু পূৰ্ব ইউৰোপৰ দেশসমূহত সমাজবাদৰ পতনৰ জৰিয়তে চৰকাৰ নিয়ন্ত্ৰিত অৰ্থনীতিসমূহে তুলনামূলকভাৱে খোকোজা নলগাকৈ গোলকীয় পুঁজিবাদৰ দিশলৈ গতি কৰে।

এইবোৰ কাৰণতে পুঁজিবাদক এক স্বাভাৱিক প্ৰৱণতা বুলি আধুনিক নীতি নিৰ্দেশকসকলে বিশ্বাস কৰে আৰু গণতান্ত্ৰিক দেশত চৰকাৰৰ কাম প্ৰশাসনিক (আইন-শৃংখলা), মুদ্ৰানীতি তথা বিত্তীয় নিৰ্ধাৰণৰ মাজতে সীমিত বুলি ধৰা হয়। এখন প্ৰতিযোগিতামূলক বজাৰত ব্যক্তিগত মুনাফা আৰু উচ্চাকাংক্ষাৰ তাগিদাত উদ্যোগী নিজেই আগবাঢ়ি আহিব বুলি ধৰা হয়। এইটো সপ্তাহতে গুজৰাটত কেৱল দুটা কোম্পানীয়ে ১.৫৪ লাখ কোটি টকা বিনিয়োগৰ চুক্তি ৰাজ্য চৰকাৰৰ স'তে স্বাক্ষৰ কৰিছে। যদি অসমকে ধৰি অইন কোনো ৰাজ্যই মুক্ত গোলকীয় নীতিৰ পাছতো বিনিয়োগ অনাত সফল হোৱা নাই, তেনেহ'লে সেয়া ৰাজ্য চৰকাৰসমূহৰ আৰু ৰাজ্যিক নীতি নিৰ্ধাৰণৰ ব্যৰ্থতা বা কেন্দ্ৰীয় চৰকাৰৰ হেমাহি । আমি সেই কে'বাবাৰো এই বিষয়ে আলোচনা কৰিছো, এইটো কলমতে।

শেষত এটা প্ৰসংগৰ অৱতাৰণা কৰাটো উচিত হ'ব, যদিহে নীতি নিৰ্ধাৰকসকলে পাহৰি যায়। প্ৰায় এটা শতকৰ ঔদ্যোগিক বিপ্লৱ আৰু অপৰিসীম অৰ্থনৈতিক বৃদ্ধিৰ পাছত আমেৰিকাত ১৯২৯ ৰ পৰা ১৯৩৯লৈ বিৰাট মন্দাৱস্থা গা কৰি উঠে। শ্বেয়াৰ বজাৰত অস্বাভাৱিক পতন আৰম্ভ হয় আৰু বিনিয়োগকাৰীসকলে বৃহৎ লোকচানৰ সন্মুখীন হয়। আনকি বহুত বিনিয়োগকাৰী আত্মহত্যা পৰ্যন্ত কৰিবলগীয়া হয়। সেইখিনি সময়তে এজন ইংৰাজ গণিতজ্ঞ আৰু অৰ্থনীতিবিদ লৰ্ড কেইন্সে সামগ্ৰিক অৰ্থব্যৱস্থাক সামৰি এক সাধাৰণ সূত্ৰ উদ্ভাৱন কৰে। তেওঁ পুঁজিবাদী অৰ্থব্যৱস্থাত বিত্তীয় আৰু মুদ্ৰা বিষয়ত চৰকাৰী হস্তক্ষেপ অনিবাৰ্য বুলি যুক্তি আগবঢ়ায়। মন্দাৱস্থাত বিপৰ্যস্ত আমেৰিকাই তাৎক্ষণিকভাৱে সেই সূত্ৰ চৰকাৰী নীতি নিৰ্ধাৰণ ব্যৱস্থাত অন্তৰ্ভুক্ত কৰে আৰু তাৰ পাছৰ ২০ বছৰত সকলো উন্নত পুঁজিবাদী দেশত সেয়া অৰ্থনৈতিক নীতি হিচাপে গ্ৰহণ কৰা হয়। কেইন্স আৰু নব্য শাস্ত্ৰীয় (নিও ক্লাছিকেল) অৰ্থনীতিৰ আধুনিকোত্তৰ সমালোচনা আৰু আংশিক বিফলতা সত্ত্বেও আজিও মুদ্ৰানীতি আৰু বিত্তীয় হস্তক্ষেপ আধুনিক চৰকাৰসমূহৰ আৰু ৰিজাৰ্ভ বেংকসমূহৰ এৰাব নোৱাৰা সমল। গতিকে চৰকাৰসমূহে প্ৰাত্যহিক অৰ্থনীতিত জড়িত নহ'লেও নীতি নিৰ্ধাৰণৰ গুৰু দায়িত্ব আৰু বিনিয়োগৰ অনুঘটকৰ দ্বায়িত্বৰ পৰা আঁতৰি থাকিব নোৱাৰে।

সকলো পাঠক আৰু 'অগ্ৰদূত' পৰিয়াললৈ শাৰদীয় শুভেচ্ছা জনালো।

চলিব।

লেখকৰ পৰিচিতি ঃ ধীমান সিন্হা বৃত্তিত টেলিভিছন সাংবাদিক আৰু নিবন্ধকাৰ। কটন কলেজ আৰু ভাৰতীয় জনসঞ্চাৰ সংস্থান, দিল্লীৰ পৰা শিক্ষা লাভ কৰা সিন্হা বৰ্তমান শাৰীৰিক অসুস্থতাৰ বাবে অ-কাৰ্যৰত অৱস্থাত আছে। ম'বাইল ঃ +918822091544, ই মেইল ঃ dheemansinha.ds@gmail.com ফলো কৰিব পাৰে ঃ www.facebook.com/dheeman.sinha.3

## Solved GS Question Paper of Assam Public Service Commission's Combined Competitive (Pre) Exam

**The following is the solved General Studies question paper of Combined Competitive (Preliminary) Examination 2009 of the Assam Public Service Commission. Read the solved questions to upgrade your preparation for various competitive examinations.**



**36. Article 80 of the Indian Constitution deals with the formation of the**
(A) Rajya Sabha
(B) Lok Sabha
(C) Legislative Council
(D) District Council
Ans: (A)

**37. The Fundamental Duties were incorporated into the Constitution of India on the basis of the recommendation of**
(A) S.V. Singh Committee
(B) Swaran Singh Committee
(C) C. Hanumantha Rao Committee
(D) None of the above
Ans: (B)

**38. In the formal sense, Panchayati Raj was established in Assam in the year**
(A) 1961
(B) 1962
(C) 1963
(D) 1964
Ans: (D)

**39. The Planning Commission in India was established by**
(A) an act of the Parliament
(B) the Constitution of India
(C) resolution of the Central Government
(D) presidential order
Ans: (C)

**40. Which of the following methods is not provided by the Citizenship Act, 1955 to acquire Indian citizenship?**
(A) By birth
(B) By descent
(C) By registration
(D) By exercising right to vote
Ans: (D)

## নাবাৰ্ডত ডেভেলপমেণ্ট অফিচাৰ হোৱাৰ সুযোগ

**নে**চনেল বেংক ফৰ এগ্ৰিকালচাৰ এণ্ড ৰুৰেল ডেভেলপমেণ্ট (নাবাৰ্ড) ত এছিষ্টেণ্ট পদত দিয়া হ'ব নিযুক্তি। এই পদৰ সন্দৰ্ভত সবিশেষ জানিব বিচাৰিলে প্ৰাৰ্থীয়ে নাবাৰ্ডৰ ৱেবছাইটত ভিজিট কৰিব লাগিব। নাবাৰ্ডে বিজ্ঞাপনত উল্লেখ কৰা অনুসৰি ডেভেলপমেণ্ট এছিষ্টেণ্টৰ ১৭৭ পদত নিযুক্তি দিয়া হ'ব। প্ৰাৰ্থীয়ে অহা ১০ অক্টোবৰৰ ভিতৰত এই পদৰ বাবে অনলাইনত আবেদন জমা দিব লাগিব।

**খালী পদৰ সবিশেষ ঃ** মুঠ খালী পদৰ সংখ্যা ১৭৭ টা। ইয়াৰে ডেভেলপমেণ্ট এছিষ্টেণ্টৰ ১৭৩ টা পদ আৰু ডেভেলপমেণ্ট এছিষ্টেণ্ট (হিন্দী)ৰ চাৰিটা পদত নিযুক্তি দিয়া হ'ব।



**প্ৰাৰ্থীৰ বয়স ঃ** ডেভেলপমেণ্ট এছিষ্টেণ্টৰ পদত আবেদন কৰিবলৈ হ'লে প্ৰাৰ্থীৰ বয়স সবনিম্ন ২১ বছৰ আৰু সৰ্বাধিক ৩২ বছৰ হ'ব লাগিব।

**শৈক্ষিক অৰ্হতা ঃ** এই পদৰ বাবে আবেদনকাৰীৰ শিক্ষাগত অৰ্হতা যিকোনো বিশ্ববিদ্যালয়/কলেজৰ পৰা যিকোনো বিষয়ত কমেও ৫০ শতাংশ নম্বৰসহ স্নাতক ডিগ্ৰীধাৰী হ'ব লাগিব। অনুসূচিত জাতি, জনজাতি আৰু দিব্যাংগৰ ক্ষেত্ৰত স্নাতকত ন্যূনতম নম্বৰৰ বাধ্যকতা প্ৰযোজ্য নহ'ব। ডেভেলপমেণ্ট এছিষ্টেণ্ট (হিন্দী) পদৰ ক্ষেত্ৰত আবেদনকাৰী যিকোনো বিষয়ত স্বীকৃতিপ্ৰাপ্ত বিশ্ববিদ্যালয়ৰ পৰা কমেও ৫০ শতাংশ নম্বৰসহ স্নাতক ডিগ্ৰীধাৰী হ'ব লাগিব। লগতে প্ৰাৰ্থীয়ে হিন্দী বিষয়টো বাধ্যতামূলক বা ইলেকটিভ হিচাপে অধ্যয়ন কৰা হ'ব লাগিব। এই পদৰ ক্ষেত্ৰতো অনুসূচিত জাতি, জনজাতি আৰু দিব্যাংগৰ ক্ষেত্ৰত ৫০ শতাংশ নম্বৰৰ বাধ্যকতা নাথাকিব।

১৫ ছেপ্টেম্বৰৰ পৰা আবেদনৰ অনলাইন প্ৰক্ৰিয়া আৰম্ভ হ'ব আৰু প্ৰাৰ্থীয়ে ১০ অক্টোবৰৰ ভিতৰত আবেদন জমা দিব লাগিব।

**আবেদন মাচুল ঃ** এই পদৰ আবেদনকাৰী সাধাৰণ শ্ৰেণী, ইডব্লিউএএছ আৰু অন্যান্য পিছপৰা শ্ৰেণীৰ হ'লে ৪৫০ টকাৰ আবেদন মাচুল জমা দিব লাগিব। অনুসূচিত জাতি-জনজাতি আৰু দিব্যাংগ প্ৰাৰ্থীয়ে ৫০ টকাৰ আবেদন মাচুল দিব লাগিব। আবেদনৰ সন্দৰ্ভত সবিশেষ তথ্য আহৰণৰ বাবে ইচ্ছুক প্ৰাৰ্থীয়ে নাবাৰ্ডৰ ৱেবছাইট www.nabard.org। ভিজিট কৰক।

## কৰ্কটত মাতৃৰ মৃত্যুৰ পাছত মাটি বন্ধকত ৰাখি কৰিছিল হাজিৰা, দাৰিদ্ৰৰে যুঁজ দি ইউ পি এছ চিত লভিলে সফলতা

**প্ৰে ৰ ণা**

**কে**ন্দ্ৰীয় লোকসেৱা আয়োগ (ইউ পি এছ চি)ৰ সৰ্বভাৰতীয় প্ৰশাসনিক সেৱাৰ পৰীক্ষা দেশৰ অন্যতম এটি কঠিন নিযুক্তি পৰীক্ষা। এই পৰীক্ষাত সফলতা অৰ্জন কৰিবলৈ হ'লে প্ৰাৰ্থীয়ে নিৰ্দিষ্ট পদ্ধতি অৱলম্বন কৰি প্ৰস্তুতি চলাব লাগে। সাধাৰণতে অতি প্ৰতিযোগিতামূলক ইউ পি এছ চিৰ পৰীক্ষাত প্ৰতি বছৰে এনে একাংশ প্ৰাৰ্থীয়ে সফলতা লাভ কৰি আহিছে, যিসকলে এই পৰীক্ষাত অৱতীৰ্ণ হোৱাৰ পূৰ্বে দীৰ্ঘদিন কঠোৰ পৰিশ্ৰম কৰিব লগা হৈছিল আৰু জীৱনত বহু ঘাত-প্ৰতিঘাতৰ সন্মুখীন হৈছিল। ভাৰতীয় প্ৰশাসনিক সেৱাৰ পৰীক্ষাত ব্যক্তিগত জীৱনত একাধিক সংগ্ৰামৰ পাছত সফলতা লাভ কৰা এনে এজন ব্যক্তি হৈছে মাধৱ গিট্টে। ২০১৮ৰ ভাৰতীয় প্ৰশাসনিক সেৱাৰ পৰীক্ষাত মাধৱে ৫৬৭ সংখ্যক স্থান লাভ কৰিছিল। সৰুৰে পৰা মাধৱে সন্মুখীন হৈছিল এটাৰ পাছত আন এটা পাৰিবাৰিক জীৱনৰ সমস্যাৰ। কিন্তু এনেবোৰ সমস্যাত হাৰ নামানি অধ্যয়ন অব্যাহত ৰাখি অৱশেষত ইউ পি এছ চিৰ পৰীক্ষাত সফলতা অৰ্জন কৰিলে মাধৱ গিট্টেয়ে।

মহাৰাষ্ট্ৰৰ নাংডেৰ জিলাৰ বাসিন্দা মাধৱৰ ভ্ৰাতৃ-ভগ্নীৰ সংখ্যা আছিল পাঁচজন। মাধৱে এবাৰ নহয়, দুবাৰকৈ ইউ পি এছ চিৰ পৰীক্ষাত সফলতা অৰ্জন কৰিছিল। প্ৰথমবাৰ তেওঁ ২০১৮ত ৫৬৭ সংখ্যক স্থান লাভ কৰিছিল আৰু ২০১৯ত পুনৰ এই পৰীক্ষাত অৱতীৰ্ণ হৈ মাধৱে সৰ্বভাৰতীয় পৰ্যায়ত ২১০ সংখ্যক স্থান লাভ কৰিছিল। সৰুৰে পৰা অধ্যয়নত মাধৱ যথেষ্ট আগ্ৰহী আৰু চোকা বুদ্ধিৰ আছিল। কিন্তু ঘৰুৱা বিশেষকৈ আৰ্থিক পৰিস্থিতি দুৰ্বল হোৱাত তেওঁ অধ্যয়নৰ ক্ষেত্ৰত সমস্যাৰ সন্মুখীন হৈছিল। মাধৱৰ পিতৃয়ে খেতিপথাৰত কাম কৰিছিল আৰু যেনে তেনে পৰিয়াল পোহপাল দিছিল। দশম শ্ৰেণীত অধ্যয়নৰ সময়ত মাধৱে ভয়াৱহ সমস্যাৰ সন্মুখীন হৈছিল। সেই সময়তে মাধৱৰ মাতৃৰ শৰীৰত কৰ্কট ৰোগ ধৰা পৰিছিল। মাতৃৰ চিকিৎসাৰ বাবে মাধৱৰ পৰিয়ালে প্ৰয়োজনীয় ধনৰ যোগান কৰিব পৰা নাছিল। কৰ্কট ৰোগ চিনাক্ত হোৱাৰ এবছৰৰ পাছতে মাধৱৰ মাতৃৰ মৃত্যু হৈছিল। মাতৃৰ মৃত্যুৱে মাধৱক যথেষ্ট আঘাত দিছিল আৰু তেওঁ মানসিকভাৱে ভাগি পৰিছিল। কিন্তু লাহে লাহে নিজক চম্ভালি লৈ মাধৱে একাদশ শ্ৰেণীৰ পঢ়া-শুনা আৰম্ভ কৰিছিল। দৈনিক ১১ কিলোমিটাৰ চাইকেল চলাই মাধৱে একাদশৰ শিক্ষাগ্ৰহণ কৰিছিল। একাদশত পঢ়া-শুনাৰ সময়তে ভয়াৱহ বিত্তীয় সমস্যাত ভোগাত মাধৱে পঢ়া-শুনা বাদ দিবলৈ বাধ্য হৈছিল। ইয়াৰ পাছতে তেওঁ আনৰ খেতি-মাটিত শ্ৰমিক হিচাপে দিন হাজিৰা কৰিবলৈ লৈছিল। এইদৰে খেতিপথাৰত হাজিৰা কৰি কিছু ধন উপাৰ্জন কৰাৰ পাছত মাধৱে পুনৰ অধ্যয়ন আৰম্ভ কৰাৰ সিদ্ধান্ত লৈছিল আৰু তেওঁ দ্বাদশত নামভৰ্তি কৰিছিল। দ্বাদশ উত্তীৰ্ণ হোৱাৰ পাছত পুনৰ আৰ্থিক সংকটত ভোগা মাধৱে পৰিয়ালক সহায় কৰিবলৈ আই টি আই পঢ়াৰ সিদ্ধান্ত লৈছিল। কিন্তু আই টি আইৰ পাঠ্যক্ৰমত নামভৰ্তিৰ বাবে চৰকাৰী কলেজত সুবিধা লাভ নকৰাত মাধৱ হতাশ হৈছিল। উপায়হীন হৈ মাধৱে পুনেত এটা



কাৰখানাত শ্ৰমিক হিচাপে কাম কৰিবলৈ আৰম্ভ কৰিছিল আৰু এইদৰে তেওঁ ২৪০০ টকাৰ বেতন লাভ কৰিছিল। ইয়াৰ পাছত কাৰখানাৰ কাম বাদ দি পুনৰ নিজৰ গাঁৱলৈ আহি খেতি-বাতিৰ কামত ব্যস্ত হৈছিল মাধৱ। এই সময়তে তেওঁ পলিটেকনিক পাঠ্যক্ৰমত নামভৰ্তি কৰিছিল আৰু ভাল নম্বৰ লাভৰে উত্তীৰ্ণ হৈছিল।

পলিটেকনিকৰ ডিপ্ল'মা গ্ৰহণৰ পাছত মাধৱে চাকৰি লাভ কৰিছিল যদিও তেওঁ পুনৰ উচ্চ শিক্ষা আহৰণৰ সিদ্ধান্ত লৈছিল। ইয়াৰ বাবে পিতৃৰ পৰা অনুমতি লৈ মাধৱে এইবাৰ ইঞ্জিনিয়াৰিং পাঠ্যক্ৰমত নামভৰ্তি কৰিলে। অৱশ্যে ইঞ্জিনিয়াৰিং পঢ়িবলৈ গৈ পুনৰ আৰ্থিক সংকটত ভুগিছিল মাধৱে। প্ৰথম বছৰ যেনে তেনে কলেজৰ মাচুল যোগাৰ কৰিবলৈ সফল হৈছিল যদিও পাছৰ বছৰত মাধৱে মাচুল আদায় দিবলৈ ব্যৰ্থ হৈছিল। উপায়হীন হৈ মাধৱৰ পিতৃয়ে খেতিৰ মাটি বন্ধকত ৰাখি এক লাখ টকাৰ যোগাৰ কৰিছিল আৰু এইদৰে ভূমি বন্ধকত ৰাখি মাধৱে ইঞ্জিনিয়াৰিঙৰ ডিগ্ৰী গ্ৰহণৰ স্বপ্ন পূৰণ কৰিছিল। ইয়াৰ পাছতে তেওঁ এটা কোম্পানীত ছফটৱেৰ ইঞ্জিনিয়াৰ হিচাপে নিযুক্তি লাভ কৰে। ইঞ্জিনিয়াৰ হিচাপে তিনি বছৰ কাম কৰি মাধৱে বন্ধকত ৰখা মাটি মুকলি কৰিছিল। কোম্পানীত চাকৰি কৰি থকাৰ সময়তে মাধৱে ইউ পি এছ চিৰ পৰীক্ষাত অৱতীৰ্ণ হোৱাৰ সিদ্ধান্ত লৈছিল। ইয়াৰ বাবে তেওঁ আৰম্ভ কৰিছিল সম্পূৰ্ণ নিজাববীয়া প্ৰস্তুতি। ২০১৭ত ইউ পি এছ চিৰ বাবে অধ্যয়ন আৰম্ভ কৰা মাধৱে ২০১৮ৰ ভাৰতীয় প্ৰশাসনিক সেৱাৰ পৰীক্ষাত অৱতীৰ্ণ হৈ ৫৬৭ সংখ্যক স্থান লাভ কৰিছিল। প্ৰথমবাৰৰ এই সফলতাত সন্তুষ্ট নহৈ মাধৱে ২০১৯ত দ্বিতীয়বাৰৰ বাবে ইউ পি এছ চিৰ পৰীক্ষাত অৱতীৰ্ণ হৈছিল। এইবাৰ তেওঁ লাভ কৰিলে ২১০ সংখ্যক স্থান। মাধৱে প্ৰকাশ কৰা অনুসৰি তেওঁ কোনো ক'চিং অবিহনে সম্পূৰ্ণ নিজা প্ৰচেষ্টাৰে ইউ পি এছ চিৰ পৰীক্ষাত অৱতীৰ্ণ হৈ সফলতা লাভ কৰিছিল। মানুহ মানসিকভাৱে সবল আৰু ইতিবাচক হ'লে দাৰিদ্ৰই তেনে ব্যক্তিক সফলতা অৰ্জনৰ ক্ষেত্ৰত বাধা দিব নোৱাৰে বুলি মাধৱে মত পোষণ কৰে।

## ডি আৰ ডি অ'ত ১৯০১ টা খালী পদত দিয়া হ'ব নিযুক্তি

**ডি**ফেন্স ৰিচাৰ্ছ এণ্ড ডেভেলপমেণ্ট অৰ্গেনাইজেচন (ডি আৰ ডি অ')ত খালী থকা ১৯০১ টা পদত অৰ্হতাসম্পন্ন প্ৰাৰ্থীক নিযুক্তি দিয়া হ'ব। আগ্ৰহী প্ৰাৰ্থীয়ে ডি আৰ ডি অ'ৰ ৱেবছাইট drdo.gov.in ভিজিট কৰি এই পদসমূহৰ বাবে আবেদন কৰিব পাৰিব। ডি আৰ ডি অ'ই ছিনিয়ৰ টেকনিকেল এছিছটেণ্ট 'বি' আৰু ছিনিয়ৰ টেকনিকেল এছিছটেণ্ট 'এ' পদত নিযুক্তি দিব। মুঠ খালী পদৰ সংখ্যা ১৯০১ টা। ইয়াৰে ১০৭৫ টা ছিনিয়ৰ টেকনিকেল এছিছটেণ্ট 'বি' আৰু ৮২৬ টা পদ ছিনিয়ৰ টেকনিকেল এছিছটেণ্ট 'এ'ৰ। প্ৰাৰ্থীয়ে ২৩ ছেপ্টেম্বৰৰ ভিতৰত আবেদন দাখিল কৰিব লাগিব।



**বয়সৰ সীমা ঃ** এই পদসমূহৰ বাবে আবেদনকাৰীৰ সৰ্বনিম্ন বয়স ১৮ বছৰ আৰু সৰ্বাধিক ২৮ বছৰ হ'ব লাগিব। সংৰক্ষিত শ্ৰেণীৰ প্ৰাৰ্থীয়ে চৰকাৰী নিয়ম অনুসৰি বয়সৰ ঊৰ্ধ্বসীমাৰ ৰেহাই লাভ কৰিব। অধিক তথ্যৰ বাবে প্ৰাৰ্থীয়ে ডি আৰ ডি অ'ৰ ৱেবছাইট ভিজিট কৰক।

**শৈক্ষিক যোগ্যতা ঃ** এই পদসমূহৰ বাবে আবেদন কৰিবলৈ হ'লে প্ৰাৰ্থী সংশ্লিষ্ট বিষয়ত স্নাতক ডিগ্ৰীধাৰী হ'ব লাগিব। দুয়োটা পদৰ বাবে প্ৰাৰ্থীৰ শিক্ষাগতা অৰ্হতা পৃথক। ৱেবছাইটত শৈক্ষিক অৰ্হতাৰ সন্দৰ্ভত সবিশেষ তথ্য উল্লেখ কৰা আছে।

**নিযুক্তি প্ৰক্ৰিয়া ঃ** পদসমূহত নিযুক্তিৰ বাবে দুটা পৰ্যায়ত পৰীক্ষা অনুষ্ঠিত কৰা হ'ব। প্ৰথমতে প্ৰাৰ্থীৰ স্ক্ৰিণিং টেষ্ট লোৱা হ'ব আৰু ইয়াৰ পাছত ছিলেকচন টেষ্ট অনুষ্ঠিত কৰা হ'ব। দুয়োটা পৰ্যায়ত সফল হোৱা প্ৰাৰ্থীক পদত নিযুক্তি দিয়া হ'ব।

ছিনিয়ৰ টেকনিকেল এছিছটেণ্ট 'বি' পদত নিযুক্ত প্ৰাৰ্থীয়ে মাহে ৩৫,৪০০ টকাৰ পৰা ১,১২,৪০০ টকাৰ বেতন লাভ কৰিব। আনহাতে ছিনিয়ৰ টেকনিকেল এছিছটেণ্ট 'এ' পদত নিযুক্ত প্ৰাৰ্থীক মাহে ১৯,৯০০ টকাৰ পৰা ৬৩,২০০ টকাৰ বেতন দিয়া হ'ব।

## দ্বাদশ উত্তীৰ্ণৰ বাবে চি আই এছ এফত পদ খালী



**চে**ণ্ট্ৰেল ইণ্ডাষ্ট্ৰিয়েল ছিকিউৰিটি ফ'ৰ্চেছ (চি আই এছ এফ)ত কৰ্মৰত হ'ব বিচৰা যুৱক-যুৱতীৰ বাবে সুখবৰ। চি আই এছ এফে হেড কনিষ্টবল আৰু এছিছটেণ্ট ছাব ইন্সপেক্টৰ (ষ্টেন'গ্ৰাফাৰ) পদত নিযুক্তিৰ বাবে অৰ্হতাধাৰী প্ৰাৰ্থীৰ পৰা আবেদন আহ্বান কৰিছে। আগ্ৰহী প্ৰাৰ্থীয়ে চি আই এছ এফৰ ৱেবছাইট cisf.gov.in/cisfeng ভিজিট কৰি অনলাইনযোগে আবেদন জমা দিব পাৰিব। এইসমূহ পদৰ আবেদন প্ৰক্ৰিয়া ২৬ ছেপ্টেম্বৰত আৰম্ভ হ'ব।

**খালী পদৰ সংখ্যা ঃ** চি আই এছ এফে মুঠ ৫৪০ টা খালী পদত নিযুক্তি দিব। ইয়াৰে ৪১৮ টা হেড কনিষ্টবলৰ পদ আৰু ১২২ টা এছিছটেণ্ট ছাব ইন্সপেক্টৰ (ষ্টেন'গ্ৰাফাৰ)ৰ পদ।

এইসমূহ পদৰ বাবে আবেদনকাৰীয়ে ২৫ অক্টোবৰৰ ভিতৰত অনলাইনযোগে আবেদন দাখিল কৰিব লাগিব।

**শৈক্ষিক অৰ্হতা ঃ** আবেদনকাৰীৰ শৈক্ষিক অৰ্হতা যিকোনো স্বীকৃতিপ্ৰাপ্ত ব'ৰ্ডৰ পৰা কমেও দ্বাদশ শ্ৰেণী উত্তীৰ্ণ হ'ব লাগিব।

**বয়সৰ সীমা ঃ** আবেদনকাৰীৰ বয়স কমেও ১৮ বছৰ আৰু সৰ্বাধিক ২৫ বছৰৰ ভিতৰত হ'ব লাগিব।

**আবেদন মাচুল ঃ** আবেদনপত্ৰৰ স'তে প্ৰাৰ্থীয়ে ১০০ টকাৰ আবেদন মাচুল জমা দিব লাগিব।

**প্ৰাৰ্থী নিৰ্বাচন প্ৰক্ৰিয়া ঃ** হেড কনিষ্টবল আৰু এছিছটেণ্ট ছাব ইন্সপেক্টৰ পদত নিযুক্তিৰ বাবে ফিজিকেল ষ্টেণ্ডাৰ্ড টেষ্ট আৰু ডকুমেণ্টেচন অ' এম আৰ/কম্পিউটাৰ আধাৰিত টেষ্ট (চি বি টি) ম'ডৰ অধীনত প্ৰাৰ্থীৰ লিখিত পৰীক্ষা লোৱা হ'ব। ইয়াৰ পাছত প্ৰাৰ্থীৰ স্কিল টেষ্ট আৰু মেডিকেল টেষ্ট লোৱা হ'ব।

## থোৰতে নিয়োগ বাৰ্তা



### ইউ পি এছ চিয়ে ডেপুটি ডাইৰেক্টৰ পদত দিব নিযুক্তি

কেন্দ্ৰীয় লোকসেৱা আয়োগ (ইউ পি এছ চি)-এ ডেপুটি ডাইৰেক্টৰ আৰু অন্যান্য পদত নিযুক্তিৰ বাবে অৰ্হতাসম্পন্ন প্ৰাৰ্থীৰ পৰা আবেদন আহ্বান কৰিছে। এইসমূহ পদত আবেদনৰ বাবে আগ্ৰহী প্ৰাৰ্থীয়ে ইউ পি এছ চিৰ ৱেবছাইট ভিজিট কৰি অনলাইনত আবেদন কৰিব লাগিব। প্ৰাৰ্থীয়ে https://www.upsc.gov.in ৱেবছাইট লগ ইন কৰিব লাগিব। ইউ পি এছ চিয়ে মুঠ ৫৪ টা খালী পদত নিযুক্তি দিব। আগ্ৰহী প্ৰাৰ্থীয়ে পদৰ সন্দৰ্ভত সবিশেষ তথ্য ইউ পি এছ চিৰ ৱেবছাইটত লাভ কৰিব।

**আবেদনৰ অন্তিম দিন ঃ** ডেপুটি ডাইৰেক্টৰ আৰু অন্যান্য পদত নিযুক্তিৰ বাবে প্ৰাৰ্থীয়ে ২৯ ছেপ্টেম্বৰৰ ভিতৰত অনলাইনযোগে আবেদন কৰিব লাগিব।

**আবেদন মাচুল ঃ** আবেদনকাৰীয়ে আবেদন পত্ৰৰ স'তে ২৫ টকাৰ আবেদন মাচুল জমা দিব লাগিব। অনুসূচিত জাতি, জনজাতি, পি ডব্লিউ বি ডি আৰু মহিলা প্ৰাৰ্থীয়ে আবেদন মাচুল আদায় দিব নালাগে। প্ৰাৰ্থীয়ে আবেদন মাচুল নগদ অথবা এছ বি আইৰ নেট বেংকিং পদ্ধতিৰে জমা দিব পাৰিব। তদুপৰি ভিছা/মাষ্টাৰ ক্ৰেডিট/ডেবিট কাৰ্ড ব্যৱহাৰ কৰিও আবেদন মাচুল আদায় দিব পাৰিব।

**খালী পদৰ সবিশেষ ঃ** ইউ পি এছ চিয়ে ৩৪ টা ডেপুটি ডাইৰেক্টৰ আৰু ২০ টা অন্যান্য পদত নিযুক্তিৰ বাবে বিজ্ঞপ্তি প্ৰকাশ কৰিছে। ছিনিয়ৰ ইনষ্ট্ৰাকটৰৰ এটা পদ, ডেপুটি ডাইৰেক্টৰৰ এটা পদ, ছাইণ্টিষ্টৰ নটা পদ, জুনিয়ৰ ছাইণ্টিষ্ট অফিচাৰৰ এটা পদ আৰু শ্ৰম প্ৰৱৰ্তন বিষয়াৰ ৪২ টা পদত ইউ পি এছ চিৰ অৰ্হতাসম্পন্ন প্ৰাৰ্থীক নিযুক্তি দিব।

## ৰামলাল আনন্দ কলেজত সহকাৰী অধ্যাপকৰ পদ

**য**দিহে আপুনি শিক্ষকতাৰ প্ৰতি আগ্ৰহী আৰু ইয়াৰ বাবে প্ৰয়োজনীয় অৰ্হতা ইতিমধ্যে আহৰণ কৰিছে, তেন্তে আপোনাৰ বাবে আছে দিল্লী বিশ্ববিদ্যালয়ৰ অধীনত ৰামলাল আনন্দ কলেজত নিয়োগৰ সুযোগ। ৰামলাল আনন্দ কলেজত খালী থকা এছিছটেণ্ট প্ৰ'ফেছাৰ (সহকাৰী অধ্যাপক) পদত নিযুক্তি দিয়া হ'ব। ৰামলাল আনন্দ কলেজত খালী থকা মুঠ ৭৩ টা এছিছটেণ্ট প্ৰ'ফেছাৰ পদত অৰ্হতাসম্পন্ন প্ৰাৰ্থীক নিযুক্তি দিয়া হ'ব। ইচ্ছুক প্ৰাৰ্থীয়ে কলেজৰ ৱেবছাইট rlacollege.edu.in ভিজিট কৰি আবেদন জনাব পাৰিব।

**আবেদনৰ অন্তিম দিন ঃ** ৰামলাল আনন্দ কলেজত এছিছটেণ্ট প্ৰ'ফেছাৰ পদৰ বাবে প্ৰাৰ্থীয়ে অহা আঠ অক্টোবৰৰ ভিতৰত আবেদন পত্ৰ জমা দিব লাগিব।

**মুঠ খালী পদ ঃ** বিজ্ঞাপনত উল্লেখ কৰা অনুসৰি, ৰামলাল আনন্দ কলেজত মুঠ ৭৩ টা এছিছটেণ্ট প্ৰ'ফেছাৰৰ পদত খালী আছে। খালী থকা বিভাগ তথা বিষয়ৰ সন্দৰ্ভত সবিশেষ জানিবলৈ প্ৰাৰ্থীয়ে rlacollege.edu.in ৱেবছাইট ভিজিট কৰিব লাগিব।

**প্ৰাৰ্থীৰ শিক্ষাগত অৰ্হতা ঃ** এছিছটেণ্ট প্ৰ'ফেছাৰ পদত আবেদনৰ বাবে প্ৰাৰ্থীৰ শৈক্ষিক অৰ্হতা সংশ্লিষ্ট বিষয়ত কমেও ৫৫ শতাংশ



নম্বৰসহ স্নাতকোত্তৰ ডিগ্ৰীধাৰী হ'ব লাগিব। যদি গ্ৰেডিং পদ্ধতিৰে স্নাতকোত্তৰ ডিগ্ৰী গ্ৰহণ কৰিছিল তেন্তে সংশ্লিষ্ট বিষয়ত ৫৫ শতাংশ নম্বৰৰ সমকক্ষ গ্ৰেড লাভ কৰিব লাগিব। বিদেশৰ পৰা স্নাতকোত্তৰ ডিগ্ৰী লাভ কৰা প্ৰাৰ্থীয়েও এই পদৰ বাবে আবেদন দাখিল কৰিব পাৰিব। এই ক্ষেত্ৰত প্ৰাৰ্থীয়ে বিদেশৰ স্বীকৃতিপ্ৰাপ্ত বিশ্ববিদ্যালয়ৰ পৰা সমকক্ষ ডিগ্ৰী লাভ কৰিব লাগিব।

**আবেদন মাচুল ঃ** এই পদৰ বাবে আবেদন কৰা সাধাৰণ শ্ৰেণী, অন্যান্য পিছ পৰা সম্প্ৰদায় আৰু ই ডব্লিউ এছ শ্ৰেণীৰ প্ৰাৰ্থীয়ে আবেদন মাচুল হিচাপে ৫০০ টকা জমা দিব লাগিব। অনুসূচিত জাতি, জনজাতি আৰু মহিলা প্ৰাৰ্থীয়ে আবেদন মাচুল জমা দিব নালাগে।

**বেতনৰ নিৰিখ ঃ** নিৰ্বাচিত প্ৰাৰ্থীক এছিছটেণ্ট প্ৰ'ফেছাৰৰ পদত নিযুক্তিৰ পাছত মাহে ৫৭,৭০০ টকাৰ বেতন নিৰিখ প্ৰদান কৰা হ'ব।

অৰ্হতাসম্পন্ন প্ৰাৰ্থীক সাক্ষাৎকাৰ আৰু শৈক্ষিক অৰ্হতাৰ আধাৰত নিযুক্তিৰ বাবে নিৰ্বাচন কৰা হ'ব। পদত আবেদনৰ বাবে সবিশেষ তথ্য আহৰণৰ বাবে প্ৰাৰ্থীয়ে rlacollege.edu.in ৱেবছাইট ভিজিট কৰক।

## ভেলত ১৫০ টা পদত ইঞ্জিনিয়াৰ ট্ৰেইনীক নিযুক্তিৰ বাবে বিজ্ঞাপন প্ৰকাশ




**য**দি আপোনাৰ ইঞ্জিনিয়াৰিঙৰ ডিগ্ৰী আছে আৰু প্ৰতিযোগিতামূলক পৰীক্ষাৰ বাবে প্ৰস্তুতি চলাই আছে তেন্তে আপোনাৰ বাবে ভাল খবৰ। ভাৰত হেভী ইলেকট্ৰিকেলছ লিমিটেড (ভেল)-এ ইঞ্জিনিয়াৰ ট্ৰেইনী আৰু এগজিকিউটিভ ট্ৰেইনী পদত নিযুক্তি দিব। ভেলে ইতিমধ্যে নিযুক্তি প্ৰদানৰ বাবে বিজ্ঞাপন প্ৰকাশ কৰিছে। এই নিযুক্তি প্ৰক্ৰিয়াৰ জৰিয়তে ভেলে মুঠ ১৫০ টা পদত অৰ্হতাসম্পন্ন প্ৰাৰ্থীক নিযুক্তি দিব। আগ্ৰহী প্ৰাৰ্থীয়ে আবেদন কৰাৰ বাবে ভেলৰ বেৱছাইট www.bhel.co ভিজিট কৰিব লাগিব।

**আবেদনৰ অন্তিম দিন ঃ** আগ্ৰহী প্ৰাৰ্থীয়ে অহা চাৰি অক্টোবৰৰ ভিতৰত এই পদৰ বাবে আবেদন কৰিব লাগিব।

**পদৰ সবিশেষ ঃ** ইঞ্জিনিয়াৰ ট্ৰেইনী পদত হ'ব লগা নিযুক্তিত চিভিল, মেকানিকেল, আই টি ইলেকট্ৰিকেল/কেমিকেল/মেটালৰ্জী বিভাগত নিযুক্তি দিয়া হ'ব। এগজিকিউটিভ ট্ৰেইনী শ্ৰেণীত ফাইনেন্স আৰু এইছ আৰ পদত নিযুক্তি দিয়া হ'ব।

**আবেদন মাচুল ঃ** ইঞ্জিনিয়াৰ ট্ৰেইনী আৰু এগজিকিউটিভ ট্ৰেইনী পদৰ আবেদনকাৰীৰ সাধাৰণ শ্ৰেণী, ই ডব্লিউ এছ আৰু অন্যান্য পিছ পৰা শ্ৰেণীৰ প্ৰাৰ্থীয়ে ৫০০ টকাৰ আবেদন মাচুল জমা দিব লাগিব। অনুসূচিত জাতি, জনজাতি, পি ডব্লিউ ডি আৰু সৈনিক প্ৰাৰ্থীয়ে আবেদন মাচুল জমা দিব নালাগে।

**নিযুক্তি প্ৰক্ৰিয়া ঃ** ইঞ্জিনিয়াৰ ট্ৰেইনী আৰু এগজিকিউটিভ ট্ৰেইনী পদত নিযুক্তিৰ বাবে লিখিত পৰীক্ষা অনুষ্ঠিত কৰা হ'ব। নিযুক্তিৰ বাবে এই পৰীক্ষা অহা ৩১ অক্টোবৰ, এক আৰু দুই নৱেম্বৰত অনুষ্ঠিত কৰা হ'ব। অৱশ্যে পৰীক্ষাৰ দিন জৰুৰী কাৰণত সলনি কৰা হ'ব পাৰে।

**কেনেকৈ আবেদন কৰিব ঃ** প্ৰাৰ্থীয়ে প্ৰথমে www.bhel.com ৱেবছাইট ভিজিট কৰিব লাগিব। ইয়াৰ পাছত হোমপেজত ৰিক্ৰুইটমেণ্ট অপচনত ক্লিক্ কৰক। এতিয়া প্ৰাৰ্থীয়ে অনলাইনত আবেদন পত্ৰ পূৰণ কৰিব লাগিব। ইয়াৰ পাছত প্ৰাৰ্থীয়ে অনলাইনত মাচুল জমা দিব লাগিব। এতিয়া প্ৰাৰ্থীয়ে প্ৰয়োজনীয় নথিপত্ৰৰ কপি জমা দিব লাগিব। এতিয়া এপ্লিকেচন ফ'ৰ্ম ছাবমিট কৰিব লাগিব। আবেদন পত্ৰ জমা দিয়াৰ পাছত আবেদনৰ এখন প্ৰিণ্ট কৰা কপি আপোনাৰ লগত ভৱিষ্যতৰ বাবে সংগ্ৰহ কৰি ৰাখক।



# ৰাজগড়ত ব্যৱসায়ীৰ অৱস্থান ধৰ্মঘট

## ■ কে'বাদফীয়া দাবীৰে চক্ৰ বিষয়ালৈ স্মাৰক

অগ্ৰদূত বাৰ্তা

**ৰাজগড়, ২০ ছেপ্টেম্বৰ ঃ** টিংখাং সমষ্টিৰ ব্যৱসায় বাণিজ্যৰ মুখ্য কেন্দ্ৰস্থল ৰাজগড়ত কালি কে'বা শতাধিক ব্যৱসায়ীয়ে দোকান-পোহাৰ বন্ধ কৰি অৱস্থান ধৰ্মঘট ৰূপায়ণ কৰে। ৰাজগড় ব্যৱসায়ী সন্থাৰ উদ্যোগত ছহিদবেদীৰ সমীপত গ্ৰহণ কৰা উক্ত ধৰ্মঘট কাৰ্যসূচীত অংশগ্ৰহণ কৰা ব্যৱসায়ীসকলে অসম মালাৰ অধীনত নিৰ্মাণ হ'বলগীয়া চাৰিলেনযুক্ত ঘাইপথৰ বাবে অধিগ্ৰহণ আৰু ছুপাৰ মাৰ্কেট সম্পৰ্কে দাবী উত্থাপন কৰে। উল্লেখ্য যে মৰাণৰ পৰা ৰাজগড়-টিংখাং স্পৰ্শ কৰি নাহৰকটীয়া হৈ ডিগবৈ পৰ্যন্ত নিৰ্মাণ হ'বলগীয়া ঘাইপথটোৰ বাবে ইতিমধ্যে বিভাগে জৰীপ চলাইছে। যাৰ পৰিপ্ৰেক্ষিতত ৰাজগড় অঞ্চলৰ শতাধিক ব্যৱসায়িক প্ৰতিষ্ঠান ক্ষতিগ্ৰস্ত হোৱাটো নিশ্চিত হৈ পৰিছে। এনে ক্ষেত্ৰত এতিয়া ইয়াৰ ব্যৱসায়ীসকলে শংকিত হৈ নিৰাপত্তা বিচাৰি এইদৰে প্ৰতিবাদমুখৰ হৈ পৰিছে। তদুপৰি কেইবছৰ মানৰ পূৰ্বে প্ৰায় ৭০খন ব্যৱসায়িক প্ৰতিষ্ঠান ভাঙি কাছৰ গতিৰে নিৰ্মীয়মাণ অৱস্থাত থকা দৈনিক বজাৰস্থিত ছুপাৰ মাৰ্কেটৰ কাম ক্ষিপ্ৰ গতিৰে সম্পূৰ্ণ কৰি পদপথৰ ওপৰত ব্যৱসায় কৰি অহা ব্যৱসায়ীক উক্ত মাৰ্কেটত সংস্থাপন দিবলৈ দাবী জনাইছে। ৰাজগড় ব্যৱসায়ী সন্থাৰ সভাপতি বিপ্লৱ




ধাদুমীয়া, যুটীয়া সম্পাদকদ্বয় নিৰজ জয়ছোৱাল, দীপ ফুকনৰ লগতে স্থানীয় কে'বাটাও দল-সংগঠনৰ নেতা-কৰ্মীয়ে অংশগ্ৰহণ কৰা প্ৰতিবাদ স্থলীত ব্যৱসায়ীসকলে ঘাইপথৰ বাবে ক্ষতিগ্ৰস্ত হোৱা ব্যৱসায়ীক উচিত ক্ষতিপূৰণৰ লগতে পুনৰ সংস্থাপনৰ দাবী উত্থাপন কৰি টিংখাং ৰাজহ চক্ৰ বিষয়াক স্মাৰকপত্ৰ প্ৰদান কৰে।

# হাউলীত পুনৰ ড্ৰাগছসহ এজন ব্যৱসায়ী আটক

অগ্ৰদূত বাৰ্তা

**হাউলী, ২০ ছেপ্টেম্বৰ ঃ** আৰক্ষীৰ ব্যাপক তৎপৰতাৰ পাছতো একাংশ দুষ্টচক্ৰই গোপনে চলাই গৈছে ড্ৰাগছৰ ব্যৱসায়। হাউলী আৰক্ষীয়ে প্ৰায় প্ৰতিদিনে অভিযান চলাই এজনৰ পাছত আনজন ড্ৰাগছ ব্যৱসায়ীক আটক কৰি জেললৈ পঠিয়াবলৈ সক্ষম হৈছে। হাউলী আৰক্ষীয়ে এক গোপন খবৰৰ ভিত্তিত যোৱা ১৮ ছেপ্টেম্বৰৰ নিশা হাউলীৰ মিলন বজাৰত অভিযান চলাই এজন ড্ৰাগছ ব্যৱসায়ৰ লগত জড়িত লোকক আটক কৰে। আটকাধীন লোকজন হাউলীৰ কঠলিঝাৰৰ লালচান আলী বুলি জানিবলৈ দিছে আৰক্ষীয়ে। ধৃত লালচান আলীৰ পৰা ২৭.৩৬ গ্ৰাম ব্ৰাউন ছুগাৰ জব্দ কৰে বুলি আৰক্ষীয়ে জনাইছে। স্থানীয় লোকে জনোৱা মতে, হাউলীৰ মিলন বজাৰত ড্ৰাগছ বিক্ৰী কৰিবলৈ আহি গ্ৰাহকৰ সন্ধানত আছিল ধৃত ড্ৰাগছ ব্যৱসায়ীজন। ড্ৰাগছ ব্যৱসায়ীজনে ব্যৱহাৰ কৰা এখন ই-ৰিক্সা আৰু এটা ম'বাইল ফোন আৰক্ষীয়ে জব্দ কৰিছে। উল্লেখ্য যে যোৱা নিশা চক্ৰ আৰক্ষী বিষয়া চাণক্য দেউৰী, হাউলী থানাৰ ভাৰপ্ৰাপ্ত বিষয়া গোপাল বৰাসহ আৰক্ষীৰ এটা দলে এই অভিযান চলায়।

# পূব তামুলপুৰৰ বহুমুখী সমবায় সমিতিৰ বাৰ্ষিক সাধাৰণ সভা সম্পন্ন

অগ্ৰদূত বাৰ্তা

**তামুলপুৰ, ২০ ছেপ্টেম্বৰ ঃ** তামুলপুৰ জিলাৰ অন্তৰ্গত পূব তামুলপুৰ বহুমুখী সমবায় সমিতি লিমিটেডৰ ২০২২-২৩ৰ সাধাৰণ সভাখন আজি দিনজোৱা কাৰ্যসূচীৰে অনুষ্ঠিত হৈ যায়। তামুলপুৰ জিলা সদৰৰ বৰখোপাস্থিত মুখ্য কাৰ্যালয়ত আজি দুপৰীয়া অনুষ্ঠিত বাৰ্ষিক সভাখনত সভাপতিত্ব কৰে পূব তামুলপুৰ সমবায় সমিতিৰ স্থায়ী সভাপতি লেবেন্দ্ৰ বসুমতাৰীয়ে। সভাত ২০২১-২২ৰ বাৰ্ষিক প্ৰতিবেদন পাঠ কৰি পূব তামুলপুৰ সমবায় সমিতিৰ সম্পাদক সোণেশ্বৰ বসুমতাৰীয়ে কয় যে কোনো ধৰণৰ চৰকাৰী আঁচনি আৰু সা-সুবিধা অবিহনে সমবায় সমিতিখনৰ অন্তৰ্গত ২৭ খন ৰাজহ গাঁৱৰ দুখীয়া ৰাইজৰ মাজত চৰকাৰী ৰাজহুৱা বিতৰণ আঁচনিৰ চাউল সময় মতে যোগান ধৰি আহিছে। ক'ভিড সৃষ্ট পৰিৱেশৰ মাজতো যথেষ্ট অসুবিধাত ৰাইজৰ মাজত চাউল বিতৰণ কৰি অহা হৈছে। সম্পাদকজনে পুনৰ কয় যে ২০১৫ৰ পৰা এই বৰ্ষৰ ৩১ মাৰ্চলৈ ৰাষ্ট্ৰীয় খাদ্য সুৰক্ষা আইনৰ অধীনৰ চাউল ৰাইজৰ মাজত বিতৰণ কৰাৰ বাবে চৰকাৰৰ পৰা পৰিবহণৰ খৰচ তথা কমিছনৰ ধন ৮০,০৪,১১৪.৬৪ টকা পাব লগা আছে। সমবায় সমিতিখনে অস্থায়ী ঋণ পৰিশোধ কৰিব লগা আছে ২৯,১৬,৯৪৩.৪৮ টকা। তাৰ মাজতো বিগত বৰ্ষত ৰাষ্ট্ৰীয় খাদ্য সুৰক্ষা আইন আৰু প্ৰধানমন্ত্ৰী গ্ৰামীণ খাদ্য সুৰক্ষা আইনৰ আঁচনিৰ মুঠ ২৫,৫১৮.৯৮ কুইণ্টল বিনামূলীয়া চাউল ৰাইজৰ মাজত বিতৰণ কৰিছিল। বিগত বৰ্ষত পূব তামুলপুৰ বহুমুখী সমবায় সমিতিখনে পৰিবহণ খৰচ, কৰ্মচাৰীৰ দৰমহা তথা অস্থায়ী লোন পৰিশোধ কৰি ১,২২,৪২৪.৮৮ টকা লাভ কৰিবলৈ সক্ষম হয় বুলি উল্লেখ কৰি সমবায় সমিতিৰ সম্পাদকজনে সমবায় সমিতিয়ে চৰকাৰৰ ঘৰত পাবলগীয়া পৰিবহণৰ খৰচ আৰু কমিছনৰ ধনখিনি সোনকালে মোকলাই দিবলৈ আহ্বান জনায়। পূব তামুলপুৰ সমবায় সমিতিৰ আভ্যন্তৰীণ হিচাপ পৰীক্ষক নীলকণ্ঠ পাটগিৰিয়ে হিচাপ দাখিল কৰা আজিৰ সভাত সমবায় সমিতিখনৰ সঞ্চালক সৰ্বেশ্বৰ মহন্ত, গোপী পাঠক, মহিন্দ্ৰ দাস, লংকেশ্বৰ ঠাকুৰীয়া, ধৰ্মকান্ত তালুকদাৰ আৰু কে'বাজন প্ৰাক্তন সভাপতি তথা দুই শতাধিক অংশীদাৰ উপস্থিত থাকে।

# হাজোত সৈনিক শিল্পী ব্ৰজনাথ শৰ্মা সোঁৱৰণী নাট্য সপ্তাহ-শিল্পী সমাৰোহৰ সামৰণি



অগ্ৰদূত বাৰ্তা

**হাজো, ২০ ছেপ্টেম্বৰ ঃ** অসম নাট্য সন্মিলন হাজো শাখাৰ উদ্যোগত কেন্দ্ৰীয়ভাৱে শিল্পী সৈনিক ব্ৰজনাথ শৰ্মা সোঁৱৰণী নাট্য সপ্তাহ আৰু শিল্পী সমাৰোহৰ সামৰণি অনুষ্ঠান কালি তীৰ্থনগৰী হাজোৰ চন্দ্ৰমা হোটেল এণ্ড ৰেষ্টুৰেন্ট সভাকক্ষত অনুষ্ঠিত হয়। সেই অনুসৰি, পুৱা মুক্তিযুঁজাৰী ডঃ শম্ভুৰাম মেধি কমপ্লেক্স প্ৰাংগণত পতাকা উত্তোলন কৰে অসম নাট্য সন্মিলনৰ সভাপতি কুমাৰ দীপক দাসে। স্মৃতি তৰ্পণ আৰু বন্তি প্ৰজ্বলন কৰে অসম নাট্য সন্মিলনৰ কাৰ্যকৰী সভাপতি মাণিক গোস্বামীয়ে। পুৱা শিল্পী সৈনিক ব্ৰজনাথ শৰ্মাৰ প্ৰতিচ্ছবিত মাল্যৰ্পণ কৰে হাজো শাখাৰ কাৰ্যকৰী সভাপতি শংকৰ দাসে। মুকলি সভাত পৌৰোহিত্ব কৰে অসম নাট্য সন্মিলনৰ সভাপতি কুমাৰ দীপক দাসে। সভাত অতিথিৰূপে অংশগ্ৰহণ কৰে অসম নাট্য সন্মিলনৰ কাৰ্যকৰী সভাপতি মাণিক গোস্বামী, অসম নাট্য সন্মিলনৰ উপ-সভাপতি বসন্ত বৰ্মন, সন্মিলনৰ কেন্দ্ৰীয় সমিতিৰ কোষাধ্যক্ষ জয়ন্ত হাজৰিকা, কামপীঠ মণ্ডলৰ সভাপতি অৰূপ বৰঠাকুৰ, হাজো সুৰেন দাস মহাবিদ্যালয়ৰ অসমীয়া বিভাগৰ মুৰব্বী অধ্যাপিকা ডঃ ৰঞ্জু ঠাকুৰীয়া উপস্থিত থাকি শিল্পী সৈনিক ব্ৰজনাথ শৰ্মাৰ বৰ্ণিল জীৱন পৰিক্ৰমাৰ ওপৰত আলোকপাত দাঙি ধৰি নৱ প্ৰজন্মৰ মাজত ব্ৰজনাথ শৰ্মাৰ বিষয়ে অৱগত কৰাটো অতিকৈ প্ৰয়োজন বুলি উল্লেখ কৰে। সভাত অভিনেতা মথুৰ মজুমদাৰ আৰু নৃত্য শিল্পী প্ৰফুল্ল দাসক সম্বৰ্ধনা জ্ঞাপন কৰা হয়। সভাত সন্মিলনৰ হাজো শাখাৰ সম্পাদক কিচিন দাস, প্ৰচাৰ সম্পাদক বিবেকানন্দ দাসকে ধৰি কে'বাগৰাকী নাট্যকৰ্মী, সমাজসেৱী উপস্থিত থাকে। সভাত শলাগৰ শৰাই আগবঢ়াই অসম নাট্য সন্মিলনৰ প্ৰধান সম্পাদক গিৰিধৰ ৰয়ে।

# প্ৰধানমন্ত্ৰীৰ জন্মদিন উপলক্ষে বাগ্‌সাত বৃক্ষৰোপণ

অগ্ৰদূত বাৰ্তা

**জালাহ/শালবাৰী, ২০ ছেপ্টেম্বৰ ঃ** দেশৰ প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ ৭২ সংখ্যক জন্ম দিৱস উপলক্ষে বাগ্‌সা জিলাৰ ডুমুনীত গ্ৰীণ মিছন বজালীৰ উদ্যোগত আৰু হাৰিয়ালি স্বেচ্ছাসেৱী সংগঠনৰ সহযোগত যোৱা ১৭ ছেপ্টেম্বৰত ৭২ জোপা গছ ৰোপণ কাৰ্যসূচীৰ আৰম্ভ কৰে। গ্ৰীণ মিছন বজালীৰ সঞ্চালক প্ৰকৃতিপ্ৰেমী আনন্দ খাটনিয়াৰে উদ্বোধন কৰা উদ্বোধনী অনুষ্ঠানত বিজেপি বাগ্‌সা জিলাৰ যুৱ মৰ্চাৰ সম্পাদক মানস প্ৰতিম কলিতা, ডাঃ অনন্ত একাডেমী, জালাহৰ অধ্যক্ষ ভৱেশ শৰ্মা, ডুমুনী বীৰ বিৰছা ইংলিছ একাডেমীৰ অধ্যক্ষ ৰাজেশ তিৰ্কী, এছ চি ব'ৰ্ডৰ অধ্যক্ষ পুলিন দাস, ডাঃ কৰ্ণ নাগ, সূৰ্য নাগ, সাংবাদিক ধ্ৰুৱ শৰ্মা, দামোদৰ তালুকদাৰকে আদি কৰি কে'বাগৰাকী বিশিষ্ট ব্যক্তিয়ে অংশগ্ৰহণ কৰে। পাঁচ শতাধিক ছাত্ৰ-ছাত্ৰী আৰু ডুমুণী অঞ্চলৰ কে'বাটাও জাতীয় সংগঠনক লগত লৈ অনুষ্ঠিত কৰা কাৰ্যসূচীত গ্ৰীণ মিছনৰ সঞ্চালক আনন্দ খাটনিয়াৰে সকলো ছাত্ৰ-ছাত্ৰীৰ জন্মদিনত একোজোপাকৈ গছপুলি ৰোপণ কৰি প্ৰকৃতিৰ ভাৰসাম্য ৰক্ষা কৰিবলৈ আহ্বান জনায়। বিগত তিনি বছৰ ধৰি প্ৰধানমন্ত্ৰীৰ জন্মদিনত বৃক্ষৰোপণ কাৰ্যসূচী গ্ৰহণ কৰি অহাৰ কথা উল্লেখ কৰি আগলৈ ধৰণীখনক সেউজীয়া কৰি ৰখাৰ স্বাৰ্থত বৃক্ষৰোপণ কাৰ্যসূচী গ্ৰহণ কৰি থাকিব বুলি উল্লেখ কৰে গ্ৰীণ মিছনৰ সঞ্চালক তথা ৰাজ্যিক বন বিভাগৰ ব্ৰেণ্ড এম্বেছাদৰ আনন্দ খাটনিয়াৰে।

# বৰমা মটৰ শ্ৰমিক সন্থাৰ ২৯ সংখ্যক অধিবেশন সম্পন্ন

**বৰমা, ২০ ছেপ্টেম্বৰ ঃ** 'শ্ৰমিকসকলৰ সমস্যা অনেক। তেওঁলোকৰ পৰিয়ালসমূহৰ আৰ্থিক অৱস্থা একেবাৰে বেয়া। বহুতে আৰ্থিক দুৰৱস্থাৰ বাবে পৰিয়াল চলোৱাত অসুবিধাত পৰিছে। শ্ৰমিকসকলৰ ল'ৰা-ছোৱালী আৰ্থিক দুৰৱস্থাৰ বাবে আধাতে পঢ়া এৰিব লগা হৈছে। চৰকাৰে তেওঁলোকৰ বাবে উন্নয়ন মূলক আঁচনি গ্ৰহণ কৰিব লাগে।' ১৭ ছেপ্টেম্বৰত বৰমাত অনুষ্ঠিত হোৱা বৰমা আঞ্চলিক মটৰ শ্ৰমিক সন্থাৰ ২৯ সংখ্যক বাৰ্ষিক অধিবেশনত নিৰ্দিষ্ট বক্তাৰূপে বক্তব্য ৰাখি এই মত প্ৰকাশ কৰে বৰমা মহাবিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত অধ্যাপক দিলীপ কুমাৰ শৰ্মাই। তেওঁ সকলো শ্ৰমিকক ঐক্যবদ্ধ হ'বলৈ আহ্বান জনায়। দিনজোৱা কাৰ্যসূচীৰে বৰমাৰ বাগ্‌সা প্ৰেছ ক্লাবৰ সভাগৃহত অনুষ্ঠিত হোৱা অধিবেশনত পুৱা পতাকা উত্তোলন কৰে বৰমা মটৰ শ্ৰমিক সন্থাৰ সভাপতি শ্ৰমিক নেতা জগত চন্দ্ৰ গোস্বামীয়ে। ইয়াৰ পাছতে স্মৃতি তৰ্পণ আৰু বন্তি প্ৰজ্বলন কৰে ক্ৰমে বাগ্‌সা প্ৰেছ ক্লাবৰ সভাপতি ধ্ৰুৱ শৰ্মা আৰু শ্ৰমিক প্ৰতাপ ৰাজবংশীয়ে। ইয়াৰ পাছতে পুৱা ১০ বজাত হোৱা মুকলি সভাত সভাপতিত্ব কৰে সন্থাৰ সভাপতি গোস্বামীয়ে। সভাত অতিথিৰূপে অংশগ্ৰহণ কৰে, শ্ৰমিক নেতা সীমান্ত দাস, সমাজকৰ্মী অজয় দাস, সাংবাদিক দিলীপ কুমাৰ হালৈ, বৰমা থানাৰ ভাৰপ্ৰাপ্ত আৰক্ষী বিষয়া দীতুমনি গোস্বামী, অৱসৰপ্ৰাপ্ত শিক্ষক স্বপন কুমাৰ শৰ্মা, বৰমা চেম্বাৰ অৱ কমাৰ্চৰ সভাপতি ভুবনেশ্বৰ ৰাভা, নলবাৰী জিলা উন্নতি সভাৰ সম্পাদক গোবিন্দ ভূঞা, মটৰ শ্ৰমিক সন্থাৰ কাৰ্যকৰী সভাপতি বিপিন চন্দ্ৰ কলিতা, ৰূপম দাস আদিয়ে। সভাৰ উদ্দেশ্য ব্যাখ্যা কৰে সম্পাদক লোহিত হালৈয়ে। মুকলি সভাত সাতজন বয়োজ্যেষ্ঠ শ্ৰমিক ক্ৰমে ইছমাইল আলী, অৰুণ দাস, মহেন্দ্ৰ দাস, বৰুণ বৈশ্য, বাহাদুৰ দাস, প্ৰফুল্ল ৰাজবংশী, ৰামমোহন বৈশ্যক মানপত্ৰ, জাপি, গামোচাৰে সম্বৰ্ধনা জনোৱা হয়। অধিবেশনত আগন্তুক বৰ্ষৰ বাবে জগত চন্দ্ৰ গোস্বামীক সভাপতি, বিপিন চন্দ্ৰ কলিতাক কাৰ্যকৰী সভাপতি আৰু লোহিত হালৈক সম্পাদকৰূপে এখন ২১ জনীয়া নতুন সমিতি গঠন কৰা হয়।

# কৃষ্ণাইৰ দোমনীপাৰাত বন্যহস্তীৰ সন্ত্ৰাস

অগ্ৰদূত বাৰ্তা

**কৃষ্ণাই, ২০ ছেপ্টেম্বৰ ঃ** বিশ্ব কৰ্মা পূজাৰ আনন্দ-উল্লাসৰ মাজতে গোৱালপাৰা জিলাৰ কৃষ্ণাইৰ দোমনীপাৰাত বন্যহস্তীয়ে সন্ত্ৰাস চলায়। বন্যহস্তীয়ে গাঁওখনত সন্ত্ৰাস চলাই নিদ্ৰাহৰণ কৰিলে কৃষক ৰাইজৰ। বন্যহস্তীয়ে এটা পৰিয়ালৰ বাসগৃহ লণ্ডভণ্ড কৰাৰ লগতে ভঁৰালৰ ধান খাই তহিলং কৰে আৰু গছ-গছনি ভাঙি বিনষ্ট কৰে। প্ৰাপ্ত তথ্য মতে, খাদ্যৰ সন্ধানত নিশা দুটা প্ৰকাণ্ড বন্যহস্তী দোমনীপাৰা গাঁৱত প্ৰৱেশ কৰি সন্ত্ৰাস চলায়। হস্তী দুটাই এফালৰ পৰা কলগছ, চেগুণ আদি গছ ভাঙি বিনষ্ট কৰে। ইয়াতে শান্ত নাথাকি বন্যহস্তী দুটাই এটা পৰিয়ালৰ বাসগৃহত আক্ৰমণ কৰি ঘৰ-দুৱাৰ লণ্ড-ভণ্ড কৰাৰ লগতে ভঁৰালৰ ধান খাই তহিলং কৰে। পাছত স্থানীয় ৰাইজে জুই জ্বলাই ফটকা ফুটাই প্ৰকাণ্ড বন্যহস্তী দুটাক গাঁৱৰ পৰা খেদি পঠিয়াবলৈ সক্ষম হয়। উল্লেখ্য যে উক্ত বন্যহস্তী দুটাই কিছুদিনৰে পৰা প্ৰায়ে গাঁওখনত খাদ্যৰ সন্ধানত প্ৰৱেশ কৰি সন্ত্ৰাসৰ সৃষ্টি কৰি আহিছে।

# শিৱসাগৰ জিলাত অমৃত সৰোবৰ আঁচনি আৰম্ভ

বিশেষ সংবাদদাতা

**শিৱসাগৰ, ২০ ছেপ্টেম্বৰ ঃ** প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ ৭২ সংখ্যক জন্মদিন উপলক্ষে যোৱা ১৭ ছেপ্টেম্বৰত সমগ্ৰ অসমৰ লগতে শিৱসাগৰ জিলাতো অমৃত সৰোবৰ আঁচনিৰ আৰম্ভ কৰা হয়। এই উপলক্ষে থাওৰা বিধানসভা সমষ্টিৰ বিধায়ক সুশান্ত বৰগোহাঁয়ে যোৱা ১৭ ছেপ্টেম্বৰত ডিমৌ উন্নয়ন খণ্ডৰ অন্তৰ্গত শুকানপুখুৰী, ৰূপজ্যোতি আৰু নঙলামৰা গাঁও পঞ্চায়তৰ অধীনত অমৃত সৰোবৰ আৰু প্ৰধানমন্ত্ৰী আৱাস যোজনাৰ কে'বাটাও গৃহ নিৰ্মাণৰ কাম আৰম্ভ কৰে। উল্লেখ্য যে জিলাখনত মুঠ ৪২টা অমৃত সৰোবৰ আঁচনিৰ নিৰ্মাণ কাৰ্য সম্পন্ন কৰিবলৈ লোৱা হৈছে। ইয়াৰে ডিমৌ উন্নয়ন খণ্ডৰ অধীনত ৩৬টা, গৌৰীসাগৰ উন্নয়ন খণ্ডৰ অধীনত চাৰিটা আৰু নাজিৰা উন্নয়ন খণ্ডৰ অধীনত দুটা কামৰ আৰম্ভ কৰা হৈছে। অনুষ্ঠানত শিৱসাগৰ জিলাৰ উপায়ুক্ত আদিত্য বিক্ৰম যাদৱ, শিৱসাগৰ জিলা পৰিষদৰ সভাপতি ধ্ৰুৱজ্যোতি মাউত, শিৱসাগৰ জিলা পৰিষদৰ মুখ্য কাৰ্যবাহী বিষয়া অশ্বিনী কুমাৰ দলে, খণ্ড উন্নয়ন বিষয়া বিহংগিনী দাস ভাগৱতীৰ লগতে জিলা পৰিষদ, আঞ্চলিক পঞ্চায়ত আৰু গাঁও পঞ্চায়তৰ সভাপতি-সভানেত্ৰী, সদস্যসকলৰ লগতে চৰকাৰী কৰ্মচাৰী আৰু স্থানীয় ৰাইজ উপস্থিত থাকে।

# তিনিচুকীয়া অসামৰিক চিকিৎসালয়ত আন্তঃৰাষ্ট্ৰীয় ৰোগী সুৰক্ষা দিৱস উদ্‌যাপন

**তিনিচুকীয়া, ২০ ছেপ্টেম্বৰ ঃ** ভাৰত চৰকাৰৰ স্বাস্থ্য আৰু পৰিয়াল কল্যাণ মন্ত্ৰণালয়ৰ নিৰ্দেশ অনুসৰি তিনিচুকীয়া লোকপ্ৰিয় গোপীনাথ বৰদলৈ অসামৰিক চিকিৎসালয়ত আন্তঃৰাষ্ট্ৰীয় ৰোগী সুৰক্ষা দিৱস উদ্‌যাপন কৰা হয়। ১৭ ছেপ্টেম্বৰত আন্তঃৰাষ্ট্ৰীয় ৰোগী সুৰক্ষা দিৱসৰ লগত সংগতি ৰাখি তিনিচুকীয়া অসামৰিক চিকিৎসালয়ৰ উদ্যোগত ১২ ছেপ্টেম্বৰৰ পৰাই বিভিন্ন কাৰ্যসূচী ৰূপায়ণ কৰা হয়। ৰোগীৰ সুৰক্ষা তথা ঔষধ সন্দৰ্ভত আলোচনাচক্ৰ অনুষ্ঠিত কৰাৰ লগতে ৰোগী সুৰক্ষা সন্দৰ্ভত ৱেবিনাৰ আৰু চিকিৎসালয়খনৰ বিভিন্ন বিভাগৰ মাজত প'ষ্টাৰ নিৰ্মাণৰ প্ৰতিযোগিতা অনুষ্ঠিত কৰা হয়। আন্তঃৰাষ্ট্ৰীয় ৰোগী সুৰক্ষা দিৱস উপলক্ষে চিকিৎসালয়ৰ প্ৰতিগৰাকী চিকিৎসক, নাৰ্ছ তথা কৰ্মচাৰীয়ে ৰোগী সম্পূৰ্ণ সুৰক্ষা তথা সুৰক্ষিত ঔষধ প্ৰদানৰ শপত গ্ৰহণ কৰে। আনহাতে, ১৭ ছেপ্টেম্বৰৰ আন্তঃৰাষ্ট্ৰীয় ৰোগী সুৰক্ষা দিৱসৰ সামৰণি অনুষ্ঠানত চিকিৎসালয়খনৰ অধীক্ষক ডাঃ মৃদুল গগৈয়ে আন্তঃৰাষ্ট্ৰীয় ৰোগী সুৰক্ষা দিৱসৰ তাৎপৰ্য ব্যাখ্যা কৰে। উক্ত অনুষ্ঠানত স্বাস্থ্য বিভাগৰ অতিৰিক্ত উপায়ুক্ত দিপু কুমাৰ ডেকাই চিকিৎসালয়খনৰ প্ৰতিগৰাকী চিকিৎসক, নাৰ্ছ তথা কৰ্মচাৰীক চিকিৎসালয়ত ৰোগীৰ সম্পূৰ্ণ সুৰক্ষা সুনিশ্চিত কৰিবৰ বাবে নিস্বাৰ্থ সেৱা আগবঢ়াবলৈ আহ্বান জনায়। আনহাতে, আন্তঃৰাষ্ট্ৰীয় ৰোগী সুৰক্ষা দিৱস উপলক্ষে সন্ধিয়া ৰোগী সুৰক্ষাৰ প্ৰতীক কমলা ৰঙৰ আলোকসজ্জাৰে সজাই তোলা হয় অসামৰিক চিকিৎসালয়খন। উল্লেখ্য যে তিনিচুকীয়া অসামৰিক চিকিৎসালয়ত অতিৰিক্ত উপায়ুক্ত ডেকাৰ উপস্থিতিত অনুষ্ঠিত বাৰ্ষিক সভাত ২০২১-২২ত নিষ্ঠাৰে কৰ্তব্য সম্পাদন কৰা এগৰাকীকৈ চিকিৎসক, পেৰা মেডিকেল ষ্টাফ, নাৰ্ছ তথা চতুৰ্থ বৰ্গৰ কৰ্মচাৰীক একোখনকৈ শ্ৰেষ্ঠ কৰ্মচাৰীৰ মানপত্ৰ প্ৰদান কৰা হয়। সভাত অধীক্ষক মৃদুল গগৈ উপস্থিত আছিল।

# সমবায় সমিতিৰ বাৰ্ষিক সাধাৰণ সভা

অগ্ৰদূত ব্যুৰ'

**বঙাইগাঁও, ২০ ছেপ্টেম্বৰ ঃ** চিৰাং জিলাৰ বিজনী মহকুমা পাইকাৰী গ্ৰাহক সমবায় সমিতি লিমিটেডৰ ২০২২-২৩ৰ বছৰেকীয়া সাধাৰণ সভাখন অহা ২৬ ছেপ্টেম্বৰত অনুষ্ঠিত কৰা হ'ব। এই বছৰেকীয়া সাধাৰণ সভাখন বিজনী চহৰৰ কালীবাৰী তৰুণ দত্ত অতিথি নিৱাসত দিনৰ ১১ বজাৰ পৰা অনুষ্ঠিত হ'ব। সেয়েহে বাৰ্ষিক সাধাৰণ সভাখনত সকলো অংশীদাৰক যথা সময়ত উপস্থিত থাকিবলৈ সমবায় সমিতিখনৰ সচিব ৰবীন্দ্ৰ চৌধুৰীয়ে এক বিবৃতি যোগে আহ্বান জনাইছে।

# নলবাৰীত মজলীয়া বিদ্যালয় শিক্ষক সন্থাৰ কেন্দ্ৰীয় অধিবেশনৰ প্ৰস্তুতি

## অভ্যৰ্থনা সমিতি গঠন

অগ্ৰদূত বাৰ্তা

**নলবাৰী, ২০ ছেপ্টেম্বৰ ঃ** সদৌ অসম মজলীয়া বিদ্যালয় শিক্ষক সন্থাৰ কেন্দ্ৰীয় অধিৱেশন এইবাৰ নলবাৰীত অনুষ্ঠিত হ'ব। এই অধিবেশনৰ বাবে ইতিমধ্যে সন্থাৰ জিলা সমিতিয়ে ব্যাপক প্ৰস্তুতি আৰম্ভ কৰিছে। এই সন্দৰ্ভত যোৱা ১৫ ছেপ্টেম্বৰত হৰিমন্দিৰ প্ৰেক্ষাগৃহত সন্থাৰ এখন সাধৰণ সভা অনুষ্ঠিত হৈ যায়। সন্থাৰ জিলা সভাপতি বিজয় বৰুৱাৰ সভাপতিত্বত অনুষ্ঠিত সভাত জিলা সমিতিৰ সাধাৰণ সম্পাদক প্ৰণৱ তালুকদাৰে আঁত ধৰা সভাত ২০২৩ৰ আৰম্ভণিতে অনুষ্ঠিত হ'বলগীয়া 'সদৌ অসম মজলীয়া স্কুল শিক্ষক সন্থা'ৰ কেন্দ্ৰীয় দ্বি-বাৰ্ষিক অধিবেশনখন সুচাৰুৰূপে পৰিচালনা কৰিবলৈ অভ্যৰ্থনা সমিতি গঠন কৰা হয়। সেইমৰ্মে গণেশ তামুলীক সভাপতি, শৰৎ বৰ্মনক কাৰ্যকৰী সভাপতি আৰু লোহিত চন্দ্ৰ ডেকাক সাধাৰণ সম্পাদকৰূপে লৈ এখন অভ্যৰ্থনা সমিতি গঠন কৰা হয়। সভাত উপস্থিত থাকি সন্থাৰ কেন্দ্ৰীয় সভাপতি ৰঞ্জিত বৰঠাকুৰে কয় যে অতিথিপৰায়ণতাৰ ক্ষেত্ৰত নলবাৰী জিলাৰ সুনাম আছে আৰু ইয়াত আয়োজিত সকলো অনুষ্ঠানৰ দৰে সন্থাৰ আগন্তুক কেন্দ্ৰীয় অধিবেশনখনো সফলকাম হ'ব। আৰু তেওঁ লগতে কয় যে দুই এজন শিক্ষকৰ হেমাহিৰ অজুহাতত আজি সমগ্ৰ শিক্ষা ব্যৱস্থাটোকেই ব্যক্তিগতকৰণ কৰাৰ গুপুত কুচকাৱাজ আৰম্ভ হৈছে। এনে পৰিৱৰ্তিত সময়ৰ আহ্বানত সকলো শিক্ষক সন্থাকে একেটা ছাতিৰ তলত একত্ৰিত হ'বলৈ তেওঁ আহ্বান জনায়। সভাত সন্থাৰ কেন্দ্ৰীয় সমিতিৰ সম্পাদক প্ৰধান লক্ষ্যজ্যোতি শইকীয়া, যুটীয়া সম্পাদক জয়ন্ত দাস, তেজপুৰ জিলা সমিতিৰ হিৰণ্য বৰকটকী আৰু বিকাশ শৰ্মা, শোণিতপুৰ জিলা সমিতিৰ প্ৰাক্তন সম্পাদক কমল দাস, গুৱাহাটী জিলা সমিতিৰ কাৰ্যনিৰ্বাহক সদস্য নিৰঞ্জন কলিতা, নলবাৰী জিলা কৰ্মচাৰী পৰিষদৰ সাধাৰণ সম্পাদক পংকজ বৰ্মনকে ধৰি নলবাৰী জিলা মাধ্যমিক শিক্ষক সন্থা, নলবাৰী জিলা প্ৰাথমিক শিক্ষক সন্মিলনী, নলবাৰী জিলা মধ্য-ইংৰাজী শিক্ষক সন্থা, নলবাৰী জিলা ছাত্ৰ সন্থা, অসম জাতীয়তাবাদী যুৱ-ছাত্ৰ পৰিষদ, নলবাৰী জিলা সমিতি আদিকে ধৰি কে'বাটাও দল-সংগঠনৰ নেতৃত্বৰ উপৰি দুশৰো অধিক শিক্ষক-শিক্ষয়িত্ৰী উপস্থিত থাকে।

# ভাওৰাগুৰিত বিন্যাখাতা সমবায় সমিতিৰ সাধাৰণ সভা সম্পন্ন

অগ্ৰদূত বাৰ্তা

**দোতমা, ২০ ছেপ্টেম্বৰ ঃ** গোসাঁইগাঁও মহকুমাৰ ভাওৰাগুৰিস্থিত বিন্যাখাতা সমবায় সমিতিৰ কাৰ্যালয়ত সমবায় সমিতিখনৰ বছৰেকীয়া সাধাৰণ সভা অনুষ্ঠিত হয়। সমবায় সমিতিৰ সভাপতি দ্বিজেন্দ্ৰ নাৰ্জাৰীৰ সভাপতিত্বত অনুষ্ঠিত সভাত সমবায় সমিতিৰ এটা বছৰৰ সম্পূৰ্ণ হিচাপ-নিকাচৰ বিৱৰণি দাঙি ধৰে। ৩২৩১ জন অংশীদাৰিত্ব আৰু ৩৭ খন সুলভ মূল্যৰ দোকান থকা সমবায় সমিতিখনে ২০২২-২৩ত ২,১৩,৩১৮ টকা লাভ দেখুৱাবলৈ সক্ষম হয়।

# নাজিৰা মহাবিদ্যালয়ত নিচাযুক্ত দ্ৰব্য নিবাৰণী সজাগতা সভা



অগ্ৰদূত বাৰ্তা

**নাজিৰা, ২০ ছেপ্টেম্বৰ ঃ** নিচামুক্তিৰ অন্যতম স্বেচ্ছাসেৱী অনুষ্ঠান নাজিৰা ৰিক'ভাৰী ফাউণ্ডেছনৰ উদ্যোগত অসম চৰকাৰৰ ৰাজ্যিক নিচামুক্তি আৰু মাদক দ্ৰব্য নিবাৰণী পৰিষদ আৰু নাজিৰা মহাবিদ্যালয়ৰ সহযোগত আজি নিচা দ্ৰব্য নিবাৰণৰ বাবে ছাত্ৰ-ছাত্ৰীৰ মাজত সজাগতা সৃষ্টি কৰাৰ উদ্দেশ্যে এখন সজাগতা সভা অনুষ্ঠিত হয়। ৰাজ্যিক নিচামুক্তি আৰু মাদক দ্ৰব্য নিবাৰণী পৰিষদৰ উপাধ্যক্ষ জিতু বৰগোহাঁয়ে বন্তি প্ৰজ্বলনেৰে আৰম্ভ কৰা, নাজিৰা মহাবিদ্যালয়ৰ উপাধ্যক্ষ যোগল ভৰালীৰ সঞ্চালনাত ভাস্কৰজ্যোতি মহন্তই আঁত ধৰা আৰু উদ্দেশ্য ব্যাখ্যা কৰা সজাগতা সভাখনত বিশিষ্ট অতিথিৰূপে অংশগ্ৰহণ কৰি ৰাজ্যিক নিচামুক্তি আৰু মাদক দ্ৰব্য নিবাৰণী পৰিষদৰ উপাধ্যক্ষ বৰগোহাঁই, নাজিৰা মহকুমা সহায়ক আয়ুক্ত প্ৰিতম গগৈ, মহকুমা আৰক্ষী বিষয়া শুভলক্ষ্মী দত্ত, নাজিৰা আদৰ্শ আৰক্ষী থানাৰ ভাৰপ্ৰাপ্ত বিষয়া ভৱেন দাস, সংবাদসেৱী দিলীপ হাজৰিকা, মাধুৰী বড়া আদিকে ধৰি ভালেকেইজনে সাম্প্ৰতিক সময়ত যুৱপ্ৰজন্মৰ মাজত ড্ৰাগছ, মদ, ভাং, গুট্‌খা আদি নিচাযুক্ত দ্ৰব্যই গ্ৰাস কৰি চাৰিওফালে সুস্থ-সামাজিক পৰিৱেশ বিনষ্ট কৰিছে। যাৰ ফলত পিতৃ-মাতৃয়ে নিজ সন্তানৰ হাতত প্ৰহৃত হৈ জীৱন হেৰুওৱাব লগা পৰিস্থিতিও উদ্ভৱ হৈছে। এনে এক পৰিস্থিতিত নাজিৰাৰ উদীয়মান যুৱক তুহিন হাজৰিকাৰ প্ৰচেষ্টাত গঢ় লৈ উঠা ৰিক'ভাৰী ফাউণ্ডেছনৰ উদ্যোগক সকলোৱে শলাগ লৈ মাদক দ্ৰব্য সেৱনৰ ফলত সমাজত সৃষ্টি হোৱা বিভিন্ন অসামাজিক কাৰ্যকলাপ আৰু নিচাযুক্ত দ্ৰব্য নিবাৰণৰ দিশসমূহৰ ওপৰত বিশদভাৱে আলোচনা আগবঢ়ায়। অধ্যাপক ডঃ জ্যোতি ৰঞ্জন মিলিকে ধৰি ৰিক'ভাৰী ফাউণ্ডেছনৰ ভালেকেইজন কৰ্মকৰ্তা, শতাধিক ছাত্ৰ-ছাত্ৰীয়ে অনুষ্ঠানৰ উদ্দেশ্য সাৰ্থক কৰি তোলে।

# অজাযুছাপৰ চাউলধোৱা বালিগাঁও শাখা সমিতিৰ দিহানাম প্ৰতিযোগিতাৰ সামৰণি

**গোগামুখ, ২০ ছেপ্টেম্বৰ ঃ** গোগামুখ যুৱ-ছাত্ৰ পৰিষদ গোগামুখ আঞ্চলিক সমিতিৰ অন্তৰ্গত চাউলধোৱা বালিগাঁও শাখা সমিতিৰ উদ্যোগত গোগামুখ আঞ্চলিক সমিতি, গাঁও পৰিচালনা সমিতি, চিলাৰায় যুৱ-সমাজৰ সহযোগত ৰজ্জ ছেপ্টেম্বৰত বালিগাঁও বৰনামঘৰ প্ৰাংগণত অনুষ্ঠিত কৰে দিহানাম প্ৰতিযোগিতা। পুৱা নাম-প্ৰসংগৰে অনুষ্ঠান আৰম্ভ কৰে, পৰৱৰ্তী পৰ্যায়ত সাংগঠনিক পতাকা উত্তোলন, ছহিদ তৰ্পণ কৰে আঞ্চলিক সমিতিৰ সভাপতি-সম্পাদকে। মঞ্চ উদ্বোধন কৰে কেন্দ্ৰীয় সমিতিৰ সাংস্কৃতিক সম্পাদক দেৱজিৎ দাসে। উক্ত প্ৰতিযোগিতাত অংশগ্ৰহণ কৰে দূৰণিবটীয়া প্ৰায় ২০টা দিহানাম দলে। অনুষ্ঠানত অংশগ্ৰহণ কৰা প্ৰতিটো দলক ধন্যবাদ জ্ঞাপন কৰে উদ্যোক্তাই। তেওঁলোকে অৱগত কৰে যে পৰৱৰ্তী পৰ্যায়তো এনেধৰণৰ অনুষ্ঠান কৰি যাব। এই অনুষ্ঠানৰ জৰিয়তে সমাজৰ নৱপ্ৰজন্ম আধ্যাত্মিক দিশত এখোজ আগবাঢ়ি যাব পাৰিব বুলি আশা কৰে। লগতে কয় যে এনে অনুষ্ঠান গোগামুখ আঞ্চলিক সমিতিয়ে আগতেও অনুষ্ঠিত কৰি আহিছে। যাৰ বাবে সাংস্কৃতিক দিশসমূহৰ বাবে গোগামুখ আঞ্চলিক সমিতিৰ এক সুকীয়া পৰিচয় আছে। তেওঁলোকে এইসমূহ অনুষ্ঠানৰ বিপৰীতে সামাজিক কাম-কাজৰ উপৰি স্থানীয় সমস্যাসমূহৰ ওপৰত মাত মাতি আহিছে। যাৰ জৰিয়তে গোগামুখ অঞ্চলৰ ৰাইজৰ মাজত এই সংগঠনৰ এক সুকীয়া পৰিচয় আছে। ধেমাজি জিলাখনৰ ভিতৰত এখন শক্তিশালী আঞ্চলিক সমিতি হিচাপে পৰিচিত।

# এখন সৌন্দৰ্যৰে ভৰা ভাৰতবৰ্ষ নিৰ্মাণৰ বাবে প্ৰধানমন্ত্ৰীয়ে আকৰ্ষণীয় আঁচনিৰ চিন্তা কৰিছে

## ■ বাগ্‌সাত মন্ত্ৰী উৰ্খাও গৌৰাৰ অমৃত সৰোবৰৰ আধাৰশিলা স্থাপন

অগ্ৰদূত বাৰ্তা

**শালবাৰী, ২০ ছেপ্টেম্বৰ ঃ** ভাৰতৰ প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে দেশৰ প্ৰাকৃতিক সৌন্দৰ্যবৰ্দ্ধনৰ লগতে জল সুৰক্ষাৰ বাবে অমৃত সৰোবৰ নিৰ্মাণৰ আঁচনি প্ৰস্তুত কৰিছে। এখন সৌন্দৰ্যৰে ভৰা ভাৰতবৰ্ষ নিৰ্মাণৰ বাবে প্ৰধানমন্ত্ৰীয়ে আকৰ্ষণীয় আঁচনিৰ চিন্তা কৰিছে। য'ত ভাৰতবৰ্ষ বিদেশী পৰ্যটকৰো আকৰ্ষণৰ স্থলী হৈ পৰে। তেনেদৰে এখন অতি উন্নত ভাৰতবৰ্ষ নিৰ্মাণৰ চিন্তাৰে দেশৰ জনসাধাৰণৰ কল্যাণৰ বাবে আঁচনি ৰূপায়ণ হৈছে প্ৰধানমন্ত্ৰী মোদীৰ পৃষ্ঠপোষকতাত। এইদৰে কয় অসম চৰকাৰৰ কেবিনেট মন্ত্ৰী উৰ্খাও গৌৰা ব্ৰহ্মই কালি বাগ্‌সাৰ দাওধাৰা-খামাৰদৈছাত অমৃত সৰোবৰৰ আধাৰশিলা স্থাপন কৰি



দিয়া ভাষণত। উল্লেখ্য যে কালি মন্ত্ৰী ব্ৰহ্মই বাগ্‌সাৰ ওদালবাৰী আৰু কদমতলতো দুটা অমৃত সৰোবৰৰ আধাৰশিলা পৃথকে পৃথকে স্থাপন কৰে। মন্ত্ৰী ব্ৰহ্মই বাগ্‌সাৰ ওদালবাৰীত দুটাকৈ পিএমএৱাই আঁচনিৰ গৃহৰ আধাৰশিলা স্থাপন কৰি বাগ্‌সা জিলাত আঁচনিখনৰ আৰম্ভ কৰে। আধাৰশিলাবোৰৰ স্থাপন কাৰ্যসূচীত বিটিআৰৰ কাৰ্যবাহী সদস্য ৰাকেশ ব্ৰহ্ম, কোকলাবাৰী সমষ্টিৰ এমচিএলএ মণ্টু বড়ো, বাগ্‌সা জিলা উপায়ুক্ত মাছান্দী মাগদালিম পৰ্টিমৰ লগতে কে'বাগৰাকীও চৰকাৰী বিষয়া উপস্থিত থাকে। মন্ত্ৰী ব্ৰহ্মই বাগ্‌সাৰ এখন পোষণ মেলাতো মুখ্য অতিথিৰূপে উপস্থিত থাকে। আনহাতে, বাগ্‌সাৰ শালবাৰী সমষ্টিত কালি হুদুখাটা পথাৰ, উধিয়াগুৰি, বগৰীৰটাৰীতো তিনিটাকৈ অমৃত সৰোবৰৰ আধাৰশিলা স্থাপন কৰে শালবাৰী সমষ্টিৰ টিচিএলচিচিৰ অধ্যক্ষ বিনোদ মুছাহাৰীয়ে। আধাৰশিলা স্থাপন কাৰ্যসূচীত ইউপিপিএলৰ যুৱ শাখাৰ শালবাৰী জিলা সমিতিৰ সভাপতি সত্যজিৎ বড়ো, শালবাৰী ভিচিডিচিৰ অধ্যক্ষ বিমল বসুমতাৰী, ৰামচাৰটাৰী ভিচিডিচিৰ অধ্যক্ষ বিষ্টি বসুমতাৰীৰ লগতে কে'বাগৰাকীও চৰকাৰী বিষয়া, সমাজকৰ্মী উপস্থিত থাকে। শালবাৰীৰ টিচিএলচিচিৰ অধ্যক্ষ বিনোদ মুছাহাৰীয়ে কে'বাটাও পিএমএৱাইৰ গৃহৰো আধাৰশিলা স্থাপন কৰে।

# এপিডিচিএলৰ গ্ৰাহকৰ বাবে গুৰুত্বপূৰ্ণ সূচনাক প্ৰত্যাহ্বান

**কৃষ্ণাই, ২০ ছেপ্টেম্বৰ ঃ** অসম শক্তি বিতৰণ কোম্পানী লিমিটেডৰ মুখ্য মহাপ্ৰবন্ধক (পিপিএণ্ডডি)য়ে গ্ৰাহকলৈ প্ৰেৰণ কৰা গুৰুত্বপূৰ্ণ সূচনা সম্পৰ্কীয় জাননীটোক প্ৰত্যাহ্বান জনাইছে গোৱালপাৰা জিলা বিদ্যুৎ উপভোক্তা সমিতিয়ে। আজি কাকতলৈ প্ৰেৰণ কৰা এক প্ৰেছ বিবৃতিৰ জৰিয়তে সমিতিয়ে উল্লেখ কৰিছে যে স্মাৰ্ট মিটাৰ লগোৱাৰ পাছত প্ৰতিজন বিদ্যুৎ উপভোক্তাৰ বিদ্যুতৰ বিল বৃদ্ধি হৈ হৈ পঞ্চম মাহত পাঁচগুণ বৃদ্ধি হৈছে। সমিতিৰ মতে স্মাৰ্ট মিটাৰৰ এপ্লিকেশ্বনটো ত্ৰুটিযুক্ত আৰু ই কৰ্তৃপক্ষৰ অপাৰেটৰৰ নিয়ন্ত্ৰণাধীন। সমিতিয়ে লগতে উল্লেখ কৰিছে যে পুঁজিপতিৰ বেংকৰ ঋণ ৰেহাই দিয়া চৰকাৰৰ নিৰ্দেশ মৰ্মে ৰাজহ সংগ্ৰহৰ মাহিলি নিৰিখ পুৰাবলৈ জনতাৰ পৰা পৰিকল্পিতভাৱে অত্যাধিক মাত্ৰাত বিদ্যুৎ মাচুল আদায় কৰিবলৈ লৈছে। মুখ্য মহাপ্ৰবন্ধকে কোৱাৰ দৰে স্মাৰ্ট মিটাৰ সংযোগৰ দ্বাৰা বিদ্যুৎ বিভাগৰ লাভ হৈছে সঁচা, কিন্তু সৰ্বসাধাৰণ জনতা লোকচানৰ সন্মুখীন হৈছে বুলি উল্লেখ কৰিছে সমিতিয়ে। গোৱালপাৰা জিলা বিদ্যুৎ উপভোক্তা সমিতিৰ কাৰ্যকৰী সভাপতি আব্দুল হাই স্বাক্ষৰিত প্ৰেছ বিবৃতিখনত পাঁচ মাহৰ ব্যৱধানত কিদৰে বিদ্যুতৰ বিল পাঁচগুণ বৃদ্ধি হৈছে বুলি প্ৰশ্ন উত্থাপন কৰি বিষয়টো ক্ষেত্ৰ ভিত্তিক বুজাই দিবলৈ মুখ্য প্ৰবন্ধকক আহ্বান জনাইছে সমিতিয়ে। মুখ্য মহা প্ৰৱন্ধকে কাৰোবাৰ শ্ৰুতলিপি মতে এখন জাননীৰে দায় সাৰিব বিচৰা বুলি অভিযোগ তুলি একেখন প্ৰেছ বিবৃতিৰ জৰিয়তে উক্ত কাৰ্যক গোৱালপাৰা জিলা বিদ্যুৎ উপভোক্তা সমিতিয়ে গৰিহণা দিয়ে ।




## মৎস্য কন্যাৰ সাধু

● ছৈয়দা আঞ্জুম আৰা হুছেইন

এটি ৰাজপ্ৰসাদ আৰু এটুপি পানী
মেটেকনি ভৰাই গিলি থই অমৰাৱতীৰ ৰাজপ্ৰসাদ
তাৰেই বাসিন্দা মই বহু কাল ধৰি

বন্ধ পানীৰ ৰাজসিংহাসন মেটেকা ফুলত বহি
ৰ'দ পুৱাওঁ, পি থওঁ বেঙুনীয়া সোমৰস,
সাপৰ শিপাই মেৰিয়াই থয়, মোৰ পদুম কোমল দুভৰি
শেলাই ধৰা বেৰত স্বৰ্ণৰ বন্ধ দুৱাৰ
মৎস্য কন্যাৰ দুচকুত বগাই মেৰবিলৰ সাধুকথা

সোণৰ নাৱত পাতাল কোঁৱৰ, হাতত মিনা কৰা যাদুকাঠি
যি কাঠিৰ স্পৰ্শত জপাই থ'লো
বেলি অহা বাটৰ স্বৰ্ণাভ পথ



আচলতে মেটকনিবোৰ সাগৰ তলিৰ অষ্টপদ
মোক দুচকু আৰু ওঁঠত শতিকাৰ আঠডাল শিকলি
এটুপি পানীৰ সন্ধানত মই কমলা কুঁৱৰী
সাধুকথাত ৰাজকোঁৱৰে সাপ হৈ গিলি থয়
এজনী ভেলেঙী হৰিণী

## মোহনীয়া শৰৎ

শৰৎ আহিল শেৱালি ফুলিল
ফুলিল বকুল ফুল
সুগন্ধি সুৱাসত চৌদিশ
হ'ল আমোলমোল।
নীল আকাশত শুকুলা মেঘে
খেলিলে লুকা-ভাকু খেলা
সোণবৰণীয়া বেলিটিয়ে চাই
পাতিলে ৰঙৰ মেলা।
লুইতৰ পাৰত বগা পাখি মেলি
হালিলে-জালিলে কঁহুৱা বন
তাকে দেখি অশান্ত আমাৰ
উৰণীয়া মন।
শৰতৰ সন্ধিয়া নীল আকাশত
জোনবায়ে হাঁহিলে মিচিকিয়াই
গছে-বনে সকলোতে
দিলে পোহৰাই।
শৰৎ ঋতুত ধৰাৰ বুকুত
দেৱী দুৰ্গাৰ হয় আগমন
উগুল-থুগুল কৰি তোলে
আমাৰ কণমানি মন।

ঝৰ্ণালী শৰ্মা বৰকটকী


*বিষ্ণুপ্ৰিয়া দাস, ষষ্ঠ শ্ৰেণী, শালমৰা উচ্চ মাধ্যমিক বিদ্যালয়, নগাঁও*

## অ' পখিলা পখিলা

অ' পখিলা অ' পখিলা
শুনাচোন শুনা
ফুটুকীয়া চোলাটি পিন্ধি
ক'লৈ বাৰু যোৱা
ৰঙা নীলা হালধীয়া
ইমানবোৰ ৰং
ইমান যে ধুনীয়া লাগে সখী
সঁচাই তুমি অতি বিতোপন
ধৰিব খুজিলেই তুমি পিছে
যোৱা লাহেকৈ উৰি
ভয়তে নোচোৱা মোলৈ
এবাৰো ঘূৰি
লাহি-পাহি পাখি কোবাই
আহিবা চোন কাষলৈ
তোমাৰ লগত একেলগে সখী
উৰা মাৰিম ফুলনিলৈ
তোমাৰ স'তে পাতিম সখী
মনৰ সাঁচতীয়া কথা
ফুলৰ মৌ চুহি-চুহি
খেলিম আমি লুকাভাকু খেলা
তুমি ক'বা কুউক
মই ক'ম ভাক
ফুলনিতেই সখী আমি
নাচিম সাতপাক
খেলা শেষ হ'লে
আমি যাম ঘৰাঘৰি
ফুলনিতেই তেনে সখী
নিতে লগ হ'ম আমি।

গায়ত্ৰী দেৱী বৰঠাকুৰ

## পূজা আহিলেই...

**পূজালৈ** আৰু বেছিদিন নাই। বুলবুল আৰু টুলটুলৰ গাত তত নাইকিয়া হৈছে। সিহঁত দুয়োটাই মাকক নতুন কাপোৰ কিনিবৰ কাৰণে আমনি কৰি আছে। সিহঁতৰ খেচখেচনিত থাকিব নোৱাৰি মাকে ক'লে যে তহঁতক এইবাৰ নতুন কাপোৰ দিম; কিন্তু জোতা ল'ব নোৱাৰা। কাৰণ কেইদিনমান আগতে তহঁত দুয়োটাকে জোতা দিয়া হৈছে। মাকৰ কথাত সিহঁত দুয়োটাৰে মনটো বেয়া লাগিল।

বুলবুল আৰু টুলটুল অন্য দিনাৰ দৰে সেইদিনাও একেলগে স্কুললৈ গ'ল। স্কুল ছুটীৰ পাছত সিহঁত দুয়োজনে ঘৰলৈ আহি থাকোতে বাটতে বুলবুলৰ বান্ধৱী পৰীক লগ পালে। পৰীয়ে বুলবুলক পূজাৰ কাপোৰ সিহঁতে কিনিলেনে সোধাত সিহঁতে নাই কিনা বুলি কৈ পৰীয়ে কিনিলিনে সুধিলে। পৰীয়ে বুলবুলক ক'লে যে তাই এইবাৰ পূজাত কাপোৰ নিকিনে কাৰণ তাইৰ মাকৰ অসুখত বহুত টকা খৰচ হৈছে। সিহঁতৰ কাপোৰৰ টকাখিনিৰে যদি মাকে ভাল খাদ্য খাব পাৰে তেনেহ'লে মাক সোনকালে সুস্থ হৈ পৰিব। মাক সুস্থ হৈ উঠিলে সিহঁতে পাছৰ বছৰত নতুন কাপোৰ পিন্ধি পূজা চাবলৈ যাব। এইবাৰ সিহঁতে পুৰণা কাপোৰ পিন্ধিয়ে পূজা চাব। সিহঁতৰ মাকে কৈছে, মানুহে পূজা কৰিব লাগে ভক্তিপূৰ্ণ মনেৰে, দামী-দামী সাজপাৰেৰে নহয়। পৰিষ্কাৰ পৰিচ্ছন্নতাৰে, পবিত্ৰ হৃদয়েৰে যদি দেৱীক প্ৰাৰ্থনা কৰা যায়, তেনেহ'লে বোলে পুৰণি কাপোৰ পিন্ধি পূজা কৰিলেও মা-দুৰ্গা সন্তুষ্ট হয়।

পৰীৰ কথাখিনি শুনি টুলটুল আৰু বুলবুলৰ মনটো বেয়া লাগিল। সিহঁতে মনতে ভাবিলে পৰী সিহঁতৰ একে বয়সৰ। সিহঁতৰ লগতে একে শ্ৰেণীতে পঢ়ে। তাই যদি ইমান সৰুতে ইমান কথা বুজি পোৱা হৈছে। সিহতে কিন্তু মাকে এইবাৰ জোতা নিদিও বুলি কোৱা কাৰণে মাকক খং কৰি আছে। বুলবুল যিহেতু



টুলটুলতকৈ ডাঙৰ গতিকে ভায়েক টুলটুলে কাপোৰ ল'ব কিন্তু তাই এইবাৰ কাপোৰ নিকিনে। তাই মনতে এটা কথা ভাবিলে তাইৰ কাপোৰ কিনা টকাকেইটা মাকক কৈ পৰীৰ মাকৰ চিকিৎসাৰ কাৰণে দিব। পৰী তাইৰ বান্ধৱী। বান্ধৱীক সহায় কৰাটো তাইৰ কৰ্তব্য।

বুলবুলে কথাটো ভাবি ভাবি কেতিয়া ঘৰ পালে তাই গমেই নাপালে। ঘৰ পাই বুলবুলে মাকক ক'লে মা! মই এইবাৰ পূজাত কাপোৰ নিকিনো। মোৰ কাপোৰৰ টকাখিনি মই মোৰ বান্ধৱী পৰীক দিম বুলি ভাবিছো। পৰীৰ মাকৰ বহুত বেমাৰ। পৰীৰ দেউতাকে দিন হাজিৰা কৰি যিকেইটা টকা পাই সেই টকাখিনিৰে সিহঁতৰ ঘৰ চলোৱাত অসুবিধা হয়। তাতে আৰু মাকৰ বেমাৰ। পৰীৰ মাকক যদি আমি অলপ টকা দি সহায় কৰো তেনেহ'লে সিহঁতক অলপ উপকাৰ কৰা নহ'বনে মা! বুলবুলৰ কথা শুনি মাক আচৰিত হ'ল। আৰু তাইক মৰমেৰে বুকুত সাৰটি ধৰিলে। মাকে তাইক ক'লে যে অহা কালি পৰীক আমাৰ ঘৰত লৈ আহিবি। আমি কালি তহঁত দুটাৰ লগতে পৰীৰো কাপোৰ কিনিম। আৰু পৰীৰ মাকৰ চিকিৎসাৰ কাৰণে আমি যি পাৰো অলপ সহায় কৰিম। মাকৰ কথা শুনি বুলবুলৰ মনটো আনন্দৰে ভৰি পৰিল। তাই মাকক ক'লে, মা! তুমি ইমান ভাল।

সঁচাকৈয়ে শক্তিশালী মানুহে আনক তললৈ ঠেলি নিদিয়ে বৰঞ্চ তেওঁলোকক ওপৰলৈহে তোলে।

জাম্বুৱতী দাস

## মোল্লা নাছিৰুদ্দিন হোজাৰ সাধু

*যোৱা সংখ্যাৰ পাছৰ পৰা*

আঙঠিটো খুলিব খুজি নাছিৰুদ্দিনে ক'লে ঃ 'চোৱা, পৃথিৱীত মোৰ আটাইতকৈ প্ৰিয় বন্ধু হ'লা তুমি। সেয়ে তুমি যদি স্মৃতিৰ চিনস্বৰূপে তোমাৰ ডিঙিৰ সেই লকেটটো মোক দিয়া তেনেহ'লে মোৰ ভাব হ'ব তুমিও যেন সকলো সময়তে মোৰ বুকুৰ মাজতে আছা।'

(৩৯)

এদিন নাছিৰুদ্দিনৰ ওচৰলৈ এজন নিৰক্ষৰ লোক আহি চিঠি এখন লিখি দিবলৈ অনুৰোধ কৰি ক'লে ঃ 'মোল্লাচাহেব, মোৰ ঘৰলৈ এখন চিঠি লিখি দিব লাগে। বহুদিন হ'ল, কোনো খা-খবৰ পোৱা নাই। আপুনি অনুগ্ৰহ কৰি মোক চিঠিখন লিখি দিয়ক।'

নাছিৰুদ্দিনে মূৰ জোকাৰি ক'লে ঃ 'ওহোঁ, সেয়া মোৰ দ্বাৰা নহ'ব।'

ঃ কিয়?'

ঃ 'ভৰিত মোৰ প্ৰচণ্ড বিষ।'

ঃ ভৰিৰ বিষৰ লগত চিঠিৰ কি সম্পৰ্ক?'—মানুহজনে আচৰিত হৈ সুধিলে ঃ 'আপুনিতো চিঠি হাতেৰেহে লিখিব।'



নাছিৰুদ্দিনে ক'লে ঃ 'মই লিখা চিঠি মোৰ বাহিৰে সেইখন আন কোনোৱে পঢ়িব নোৱাৰে। সেয়ে মই যালৈ লিখো ময়ে গৈ পঢ়ি শুনাই আহিব গৈ লাগিব। ভৰিত বিষ থাকিলে মই কেনেকৈ যাম?'

(৪০)

এদিন সন্ধ্যা সময়ত ঘৈণীয়েকৰ স'তে নাছিৰুদ্দিনৰ প্ৰচণ্ড কাজিয়া আৰম্ভ হ'ল। ঘৈণীয়েকক তেওঁ বেচ জোৰে জোৰে ধমক দিবলৈ ধৰিলে। ঘৈণীয়েকে খঙতে ওচৰৰে এঘৰলৈ গুচি গ'ল। কিছু সময় পাছত নাছিৰুদ্দিনো গৈ তাত উপস্থিত হ'ল।

সেইদিনা সেই মানুহ ঘৰত ভোজৰ আয়োজন কৰা হৈছিল। গৃহস্থই দুয়োজনকে বুজাই মেলি শান্ত কৰিলে আৰু ভাত নোখোৱাকৈ যাবলৈ নিদিলে।

ভোজ খাই থকাৰ মাজতে নাছিৰুদ্দিনে তেওঁৰ ঘৈণীয়েকক ক'লে ঃ 'তুমি যদি মাজে মাজে মোৰ ধমক খাই এনেদৰে কাৰোবাৰ ঘৰলৈ গুচি আহা, তেন্তে আমাৰ লোকচান নহয় বুলিয়েই জানিবা।'

*ক্ৰমশঃ*

## দ্য বাইচাইকেল স্পাই

মূল ঃ য়না জেলদিছ মেকড'না

অনুবাদ ঃ মাহিৰ আল কিবৰিয়া

*যোৱা সংখ্যাৰ পাছৰ পৰা*

'যি কাম দিছিলো সকলোৰে পুনৰ আৰম্ভ কৰা' মেড্‌ময়জেল বাবনিউৰে ক'লে। কেইমিনিটমানৰ বাবে সকলোৱে মনে মনে লিখি থাকিল, আৰু কেৱল কাগজত লিখি থকা কলমৰ ধ্বনি শুনা পোৱা গৈছিল। খচ্ খচ্ খচ্। তাৰ পাছত ঘণ্টা বাজি উঠিল। দুপৰীয়া ছুটীৰ ঘণ্টা! মাৰ্চেল সকলোতকৈ আগত ওলাই আহিল। শ্ৰেণীকোঠাত দমনমূলক ভাব এটাত আছিল আৰু ভয় লগাও হৈ পৰিছিল, জেইলৰ দৰে। সি বাহিৰলৈ ওলাই যাবলৈ পগলা হৈ পৰিছিল।

স্কুলৰ চোতালত সকলোৱে উত্তেজিত হৈ অফিচাৰবোৰৰ কথা পাতি আছিল।

'সিহঁতৰ বন্দুককেইটা দেখিছিলি নে? গিলোমে সুধিলে।

'কেনেলৈ নেদেখিম আকৌ?' আৰ্ণডে ক'লে। 'সিহঁতে লুকুৱাই থৈ দিয়া নাছিল নহয়।'

মাৰ্চেলৰ মনত পৰি গাটো শিয়ৰি উঠিল। সি বাকীবোৰে কোৱা কথাবোৰ অলপ শুনি আঁতৰি আহিল। ডেলফিন ক'তো নাছিল। তাই ক'লৈ গ'ল? সি ভিতৰলৈ গৈ শ্ৰেণীকোঠাত চালে। তাই তাতো নাই।

অলপ পাছত তাৰ লগৰবোৰ সোমাই আহিল। প্ৰথমে গিলোম, তাৰ পাছত আৰ্ণড, ঠেলা-ঠেলি কৰি হাঁহি খেলি। মেডময়জেল বাবিনিউৰে তেওঁৰ ডেস্কত থকা কাগজখিনি সজাবলৈ ল'লে, যেনিবা এই কামটো পৃথিৱীৰ আটাইতকৈ বেছি দৰকাৰী। তাৰ পাছতে ডেলফিন সোমাই আহিল। তাই শেঁতা আৰু কঁপি আছিল। তাইৰ সাধাৰণতে টান আৰু পৰিপাটিকৈ থকা বেণীকেইডাল বিশৃংখল হৈ আছে। সি হঠাৎ ভাবিলে যে তাই কান্দিছিল। কিন্তু তাই তাৰফালে চোৱা নাছিল আৰু তলমূৰ কৰি লিখা লিখি কৰি আছিল। সি স্কুল শেষ হোৱালৈকে তাইৰ লগত কথা পাতিব নোৱাৰিব, সেয়েহে সি অনিচ্ছুক হৈ তাইৰ পৰা চকু আঁতৰাই তাৰ লিখাত মন দিবলৈ চেষ্টা কৰিলে।

স্কুল শেষ হোৱাৰ পাছত সি ভঁৰালটোলৈ গ'ল আৰু সাৱধানে চাইকেলখন ভিতৰত থ'লে। অলপ পাছত ডেলফিন আহিল এটা ধোঁৱা বৰণৰ কোট আৰু ক'লা স্কাৰ্ফ মূৰত পিন্ধি। যেতিয়া তাই তাক দেখিলে তাই দুখোজ পিছফালে জঁপিয়াই দিলে, তাইৰ শেঁতা হৈ থকা মুখখনত এটা অদ্ভুত ত্ৰাস।

'ঐ, মইহে,' সি ক'লে 'আৰু তুমি জানা মই তোমাক একো নকৰো।'

'নহয়, কিন্তু সিহঁতে কৰিব' তাই কান্দি উঠিল জোৰে।

'কাৰ কথা কৈ আছা?' সি সুধিলে।

'গেষ্টাপ'! 'সেই আমাৰ শ্ৰেণীত অহা মানুহ দুজন।'

'গম পাইছো' 'সি সহৃদয়তাৰে ক'লে 'সিহঁত ভয় লগা আছিল।'

'মই বেয়া পাওঁ সিহঁতক।' তাই খঙত কান্দিলে 'বহুত বেয়া পাওঁ।'

'ময়ো বেয়া পাওঁ,' মাৰ্চেলে ক'লে। তাৰ মাক-দেউতাকৰ কথা আৰু সেই অফিচাৰবোৰৰ পৰা হ'ব পৰা বিপদখিনি ভাবি। 'তুমি ভবাতকৈ বহুত বেছি।'

'কি বুজাব বিচাৰিছা?' তাইৰ নীলা চকুকেইটা জিলিকি উঠিল। 'কি কৈ আছা তুমি?'

মাৰ্চেলে তাইৰ কথা শুনি থমকি ৰ'ল। 'মই বুজাইছো যে...যে চোৱা সি ক'বনে তাইক? ক'ব নে নক'ব? সি ভিতৰৰ পৰা ফাটি ছিঙি যোৱা যেন পালে।

'তুমি কিবা..?' ডেলফিনে ক'ব ধৰিলে।

'নহয়, মোৰ মা-দেউতাই', এইষাৰ কথা কৈ সি সকাহ পালে; কাৰোবাক কৈ। 'তেওঁলোক ৰেজিটেন্সত আছে। তেওঁলোকে



নাজানে যে মই জানো। কিন্তু মই গম্ পাই গ'লো। মই পাউৰুটীৰ ভিতৰত টোকা বিলাই আছো কেইদিনমান ধৰি, বেকাৰীৰ ব্ৰেড আৰু...'

'ৰেজিষ্টেন্স।' তাই পিন্ধি থকা মূৰৰ কাপোৰখন খুলি মজিয়াত দলিয়াই দিলে। 'মই ভাবিছিলো তুমি বেলেগ কিবাহে ক'বা।'

'আৰু বেলেগ কি ক'মনো?' সি তাই আৰু দুখ পোৱা যেন পাই থৰ লাগিল।

বহুত সময় দুয়ো মনে মনে বহি থাকিল, আৰু ডেলফিনে মজিয়াখনলৈ চাই থাকিল। শেষত তাই খেৰ এডাল লৈ টিকনী বনাব ধৰিলে। তাই তাৰ ফালে চাই ক'লে, 'যে তোমালোক ইহুদী' তাই সৰুকৈ ক'লে, 'যে তোমালোক সকলো।'

'ইহুদী?' বিবাহৰ কথা কৈ আছিল তাই? তাই তেনেকৈ ভাবিছিলনো কিয়?

'অ, ইহুদী। মোৰ দৰে'। তাইৰ চকু দুটা এতিয়া চকুপানীৰ বাবে কাচৰ দৰে হৈ আছে, তাৰ ফালে চালে। 'আৰু তুমি প্ৰতিজ্ঞা কৰিব লাগিব— না তুমি শপত ল'ব লাগিব। যে নোকোৱা কেতিয়াও।'

'ঠিক আছে, ঠিক আছে!' মাৰ্চেলে মূৰ দুপিয়াই। 'ইহুদী' সি ক'লে। সি হতভম্ব হৈ পৰিল। সি কেতিয়াও ইহুদী লগ পোৱা নাছিল। সি যিমান চিনি পায় সকলো কেথ'লিক আছিল আৰু চেইণ্ট ভিন্‌চেণ্ট ডি প'ল গিৰ্জাত দেওবাৰে বা পবিত্ৰ দিনত বা ইষ্টৰ আৰু খ্ৰীষ্টমাছৰ সময়ত যায়। 'কিন্তু এইটো হ'বই নোৱাৰে। মানে কেনেকৈ—'

'মোৰ দেউতা এজন উকীল, উকীল আছিল, তেওঁক পাছত আইনৰ কাম কৰিবলৈ নিদিলে। মোৰ দেউতাৰ কিছুমান মানুহ চিনাকি আছিল যিসকলে আমাক উলিয়াই পঠালে। তেওঁলোকক দেউতাই সহায় কৰাৰ বাবে টকা-পইচাও দিলে।'

'সেই কাৰণে নেকি?'

'আমি পেৰিচৰ পৰা আহি য'ত-ত'ত ঘূৰি ফুৰিছো। আহ্' তাই হাতত লৈ থকা খেৰখিনি পেলাই দিলে আৰু তাইৰ বেণীৰ আগটো টানিবলৈ ধৰিলে। 'পেৰিচৰ অৱস্থা বেয়া হৈ আহিছিল। আমি বাউসীত বেণ্ড লগাব লগা হৈছিল, হালধীয়া তৰা থকা, তাৰ মাজত লিখা আছিল 'জুইফ', মোৰ বহুত ভয় লাগিছিল যেতিয়া সেইটো পিন্ধি বাহিৰত ওলাই গৈছিলো আৰু লাজো পাইছিলো— এনে লাগিছিল যে ইহুদী হোৱাটো বৰ বেয়া কথা।'

'সেইবোৰ শুনিবলৈ বৰ অশান্তিকৰ', মাৰ্চেলে ক'লে।

'নিশ্চয়, আৰু পাছলৈ বেছি বেয়া হৈ গ'ল। গৰম দিনত হেজাৰ হেজাৰ মানুহক শীতকালীন ক্ৰীড়া কেন্দ্ৰত গোট খুৱালে। আমি শুনিছিলো যে বহুত বেয়া অৱস্থা আছিল তাত। খোৱা বস্তু, পানী একোৱেই নাছিল তাত, সকলো ঠেলা হেঁচাকৈ আছিল। তাৰ পাছত নিৰ্বাসন কৰা হ'ল।'

'তাৰ মানে কি?' মাৰ্চেলে সুধিলে।

'ক'ৰবাত দূৰলৈ লৈ গ'ল। ক'ত নাজানো। ড্ৰেন্সিলৈ হ'ব পাৰে।' তাৰ হতবুদ্ধি অৱস্থা দেখি তাই ক'লে, সেইটো ইণ্টৰ্ণমেণ্ট কেম্প। ইয়াৰ নিচিনা বহুত আছে জাৰ্মানীত।' তাই বুজালে।

'কিন্তু তোমাৰ পৰিয়াল নাই।' সি ক'লে। ক্ৰমশঃ

## সুৱৰ্ণময় শৈশৱ হিৰন্ময় বৈভৱ

ড° নমিতা ডেকা

**শংখ,** ঘণ্টা, তাল, নামৰ ধ্বনিৰে আকাশ-বতাহ মুখৰিত কৰি ভাদ মাহে বিদায় মাগিলে। ধৰাৰ বুকুলৈ নামি আহিছে আহিন। আহিনৰ আঙুলিত ধৰি লগে লগে আহিছে শৰৎ ঋতু; ঠিক তোমালোকে মা-দেউতাৰ আঙুলিত ধৰি ক'ৰবালৈ যোৱাৰ দৰে। তোমালোকে নিশ্চয় জানা যে শৰতৰ আগমনতে কঁহুৱা ফুলি উঠে, শেৱালি ফুলি চৌপাশ আমোলমোলাই তোলে, আকাশখন নীলবৰণীয়া হৈ উঠে, স্নিগ্ধ জোনাকে পৰিৱেশ শীতল কৰি তোলে। সেয়ে শৰৎ সকলোৰে প্ৰিয় ঋতু। শৰৎকাল বুলি ক'লেই মনলৈ অহা নামটোৱে হ'ল পাৰ্ৱতিপ্ৰসাদ বৰুৱা। তেওঁৰ ৰচনাত শৰতে বিশেষ স্থান লাভ কৰিছে। সেয়ে তেওঁক শৰতৰ গীতিকবি বুলি কোৱা হয়। আজি এইজনা ব্যক্তিৰ কথাই তোমালোকক ক'ম।

১৯০৪ৰ ১৯ আগষ্টত শিৱসাগৰৰ দিখৌ নদীৰ পাৰৰ এটি সম্ভ্ৰান্ত আৰু সংস্কৃতিসম্পন্ন পৰিয়ালত পাৰ্ৱতিপ্ৰসাদ বৰুৱাৰ জন্ম হয়। তেওঁৰ পিতৃ ৰাধিকাপ্ৰসাদ বৰুৱা আৰু মাতৃ হিমলা বৰুৱানী। তেওঁ পূৰ্বপুৰুষ যাদুৰাম ডেকা বৰুৱাৰ নাতি। পাৰ্ৱতিপ্ৰসাদৰ ককায়েকৰ নাম আছিল ভগৱতীপ্ৰসাদ বৰুৱা। পাৰ্ৱতিপ্ৰসাদৰ পৰিয়ালটো এটা আদ্যৰন্ত আৰু কাব্য-সাহিত্য-সংগীতেৰে জীপাল হৈ থকা পৰিয়াল আছিল বাবেই তেওঁ সৰুৰে পৰা এটা সুন্দৰ পৰিৱেশত ডাঙৰ-দীঘল হৈছিল। পাৰ্ৱতিপ্ৰসাদ বৰুৱা সৰু কালৰ পৰাই আছিল শুৱনি চেহেৰাৰ। ককায়েক আৰু তেওঁক মানুহে 'গণেশ-কাৰ্তিক' বুলি কৈছিল। শৈশৱত তেওঁ জোনাকী পৰুৱা ধৰি বৰ ভাল পাইছিল। জিঁয়া-পখিলা খেদি ফুৰিছিল, দিখৌ নদীৰ পাৰৰ বালিত বালি-দ'ল সাজিছিল। তেওঁ ভালদৰে সাঁতুৰিব জানিছিল বাবে দিখৌ নদীত সাঁতুৰি আনন্দ লাভ কৰিছিল। শিৱসাগৰৰ ফুলেশ্বৰী স্কুলত তেওঁ পঢ়া-শুনা কৰিছিল। শৈশৱ কালৰ পৰাই তেওঁ ভালদৰে গীত গাব জানিছিল। স্কুলৰ প্ৰাৰ্থনা-গীতটো পাৰ্ৱতিপ্ৰসাদেই লগাই দিছিল আৰু বাকীবোৰে সুৰ লগাই গাইছিল। শৈশৱ কালত তেওঁৰ চখ্ আছিল পখিলা ধৰি আনি বাৰে বৰণীয়া পাখিৰে এলবামত সজাই থোৱাটো। সেইদৰে ঢেঁকীয়াপাত আৰু সুন্দৰ লতাৰে এলবাম সজাইছিল। ব্ৰজমণিৰ ডাঙৰ কাঁইটত ককায়েকৰ লগতে নিজৰ নাম কাটি ষ্টাম্পৰ দৰে তৈয়াৰ কৰাটো তেওঁৰ আন এটা চখ আছিল। পদ্মধৰ চলিহায়ো পাৰ্ৱতিপ্ৰসাদক গান শিকাইছিল। সৰুৰে পৰা তেওঁ ৰবীন্দ্ৰ সংগীত,



লক্ষীৰাম বৰুৱাৰ গীত, পদ্মধৰ চলিহাৰ গীত গাই সুখ্যাতি অৰ্জন কৰিছিল। তেওঁ আছিল সুন্দৰ আবৃত্তিকাৰ। সেইদৰে অভিনয়ৰ ক্ষেত্ৰতো শৈশৱ কালতেই তেওঁ বিশেষ পাৰদৰ্শিতাৰ পৰিচয় দিছিল। ন-১০ বছৰ বয়সতে তেওঁ জয়মতী নাটকত কে'বাবাৰো গদাধৰৰ ভাও লৈছিল। স্কুলীয়া কালতে তেওঁ ঘৰতে অফিচ পাতি 'থুপিতৰা' নামৰ এখন হাতেলিখা মাহেকীয়া আলোচনী উলিয়াইছিল। ইয়াত তেওঁৰ 'নকওঁ' নামৰ এটা প্ৰবন্ধ আৰু 'ভাওনা' নামৰ এটা কবিতা ওলাইছিল। ১৯২১ত তেওঁ স্কুলীয়া শিক্ষা শেষ কৰি কটন কলেজত উচ্চ শিক্ষা লাভ কৰে। তাৰ পাছত তেওঁ কলকাতাৰ স্কটিচ চাৰ্চ কলেজত কলা বিভাগত নামভৰ্তি কৰে আৰু বি. এ ডিগ্ৰী লৈ ঘৰলৈ উভতি আহে।

শৈশৱৰ এইজন পাৰ্ৱতি প্ৰসাদেই সৰু চৰাই বাগিচাত কাম শিকি ৰজাবাৰী বাগিচাৰ মেনেজাৰ হয়। সৰুৰে পৰা গীত-কাব্য-অভিনয়ৰ চৰ্চা কৰি পৰৱৰ্তী জীৱনত তেওঁ এগৰাকী প্ৰসিদ্ধ কবি, গীতিকাৰ, অভিনেতা, গদ্যলেখক, বোলছবি নিৰ্মাতা হৈ অসমৰ সাহিত্য-সংস্কৃতিৰ জগতখন পোহৰাই তুলিলে। ১৯২৯ৰ শাৰদী পূৰ্ণিমাত তেওঁ আৰম্ভ কৰে 'জোনাকী মেল'। এই অনুষ্ঠানৰ গীত হিচাপে তেওঁ ৰচনা কৰিলে 'শাৰদী সন্ধিয়াৰ জোনাকী মেল, নিৰলা জীৱনৰ ক্ষণিক খেল' এই বিখ্যাত গীতটি। তেওঁৰ গীতৰ পুথি 'গুণগুণনি', 'লুইতী' আৰু কবিতাৰ পুথি হ'ল—'ভঙা টোকাৰীৰ সুৰ', 'শুকুলা ডাৱৰ ঐ কঁহুৱা ফুল' আৰু 'খেল ভঙা খেল'। এই গীত আৰু কবিতাবোৰৰ প্ৰধান বৈশিষ্ট্য হ'ল শৰত কালৰ উল্লেখ। অসমৰ শৰত কালৰ মাধুৰীমাময় ৰূপটো গীত-কবিতাত জীৱন্ত হৈ উঠিছে। অসমৰ সাংস্কৃতিক ক্ষেত্ৰখনলৈ আগবঢ়োৱা বহু মূল্যৱান অৱদানৰ বাবে পাৰ্ৱতি প্ৰসাদে ১৯৬১ত অনুষ্ঠিত হোৱা অসম সাহিত্য সভাৰ সংগীত সন্মিলনৰ সভাপতিৰ আসনখন অলংকৃত কৰিবলৈ সমৰ্থ হৈছিল। পাৰ্ৱতি প্ৰসাদে যেতিয়া পাটৰ চেলেং, চাদৰ,ধুতি পিন্ধি আৰু মূৰত নিজা আৰ্হিত তৈয়াৰ কৰি লোৱা মুগাৰ বনকৰা এড়িয়া কাপোৰৰ টুপিটো পিন্ধি সভাত বহে, তেতিয়া এক অনন্য সৌন্দৰ্যই সভাখন জিলিকাই তোলে। শিশুহঁত, তোমালোকে শুদ্ধকৈ পাৰ্ৱতিপ্ৰসাদৰ গীত গাবলৈ শিকিবা আৰু কবিতাও পাঠ কৰিবা। 'সোণৰ সোলেং' আৰু 'লখিমী' তেওঁ ৰচনা কৰা দুখন সুৰীয়া নাট। তোমালোকে নাট দুখন স্কুলত অভিনয় কৰিবলৈ চেষ্টা কৰিবা।

*ফোন ঃ ৯৭০৬০-১০০৯৭*

## ভাগৱতৰ ৰসাল কাহিনী

## ধ্ৰুৱ আখ্যান

ড° দিলীপ কলিতা

*যোৱা সংখ্যাৰ পাছৰ পৰা*

ধ্ৰুৱই এদিন ৰাতি কোনেও নজনাকৈ ৰাজ্যৰ বাহিৰ হৈ গভীৰ অৰণ্যত প্ৰৱেশ কৰিলে। গভীৰ অৰণ্যৰ মাজত ধ্ৰুৱই নাৰায়ণৰ নাম জপ কৰিবলৈ ধৰিলে। হাবিত থকা বাঘ, ঘোং, সাপ আদিয়েও ধ্ৰুৱৰ কোনো অপকাৰ নকৰিলে। ভগৱানৰ কৃপাত কণমানি ধ্ৰুৱৰ বনৰীয়া হিংস্ৰ জন্তুবোৰৰ প্ৰতিও কোনো ভয় ভাব নোহোৱা হ'ল। তেওঁ একাগ্ৰচিত্তে কেৱল নাৰায়ণক ধ্যান কৰিবলৈ ধৰিলে। এদিন হঠাৎ নাৰদ মুনি বীণা বজাই বজাই 'নাৰায়ণ' 'নাৰায়ণ' বুলি চিঞৰি চিঞৰি আহি ধ্ৰুৱৰ ওচৰত উপস্থিত হ'ল। দেৱৰ্ষি নাৰদক দেখিয়েই ধ্ৰুৱই তেওঁক চিনি পালে কিয়নো আগেয়ে তেওঁ মাকৰ মুখত নাৰদ মুনিৰ কথা শুনিছিল। তেওঁ নাৰদক ভক্তিভাৱে প্ৰণাম জনাই মাহীমাক সুৰুচিয়ে কৰা বেয়া ব্যৱহাৰৰ কথা আৰু পিতাকে কৰা অৱহেলাৰ কথা বিবৰি ক'লে। তাৰ পাছত ধ্ৰুৱই ক'লে, 'হে প্ৰভু, মই নাৰায়ণক লগ পাব বিচাৰিছো। তেওঁক লগ পাবৰ বাবেই মই হাবিৰ মাজত আহি তেওঁক প্ৰাৰ্থনা কৰি আছো। হে দেৱৰ্ষি, তুমি মোক নাৰায়ণৰ ওচৰলৈ লৈ যাব পাৰিবানে? মোৰ তেওঁক লগ পাবলৈ বৰ মন গৈছে দেৱৰ্ষি।' কণমানি ধ্ৰুৱৰ মনোবল দেখি দেৱৰ্ষি নাৰদ আচৰিত হ'ল। তেওঁ খুব মৰমেৰে ধ্ৰুৱক ক'লে, 'বোপাইটি, তুমি একেবাৰে সৰু ল'ৰা। তোমাক মই এতিয়াই নাৰায়ণৰ ওচৰলৈ নিব নোৱাৰিম নহয়। মই নিজে নাৰায়ণক কে'বাবাৰো লগ পাইছো। তেওঁ অতি দয়ালু। তোমাৰ এতিয়া খেলা-ধূলা কৰাৰ সময়। সমনীয়াৰ লগত খেলা-ধূলা কৰাগৈ। ডাঙৰ হ'লে তুমি ঈশ্বৰক ধ্যান কৰিব পাৰিবা। তোমাক দেখা নাপাই তোমাৰ মাতৃৰ লগতে মাহী আই আৰু পিতৃয়েও মনত বৰ দুখ পাই আছে। হেৰা বোপাইটি, তুমি এতিয়াই ঘৰলৈ উভতি যোৱা। ভগৱানক লগ পাবলৈ বহুত দুখ-কষ্ট কৰি, ৰ'দ, বৰষুণ, বতাহ-ধুমুহা এই সকলো আওকাণ কৰি তপস্যা কৰিব লাগিব। তোমাৰ দৰে কণমানি এটিয়ে এতিয়াই ইমান কষ্ট কৰিব নোৱৰা নহয় বোপা। সেয়েহে তুমি এতিয়া ঘৰলৈ উভতি যোৱা।' নাৰদৰ কথা শুনি ধ্ৰুৱই ক'লে, 'হে প্ৰভু, মই তোমাৰ আজ্ঞা নিশ্চয় পালন কৰিম। প্ৰভু, তুমি যদি মোৰ এটা কথা ৰাখা মই কৃতাৰ্থ হ'ম। হে প্ৰভু মই মোৰ পিতা, ককা, আজোককা আদি উপৰিপুৰুষসকলতকৈ উচ্চস্থানত থাকিব বিচাৰো। তাৰ বাবে মই নিশ্চয় হৰিৰ আশীৰ্বাদ লাভ কৰিব লাগিব। হৰিৰ আশীৰ্বাদ লাভ কৰিবৰ বাবে তেওঁক কেনেকৈ প্ৰাৰ্থনা কৰিব লাগিব মোক শিকাই দিয়া প্ৰভু।' ধ্ৰুৱৰ কথা শুনি নাৰদে ক'লে, 'বোপাইটি, মই হৰিক কেনেকৈ ভকতি কৰিব লাগে তোমাক এতিয়াই ভালদৰে শিকাই-বুজাই দিম।' সেইবুলি কৈয়েই নাৰদে ধ্ৰুৱক হৰিক কেনেকৈ ভকতি কৰিব লাগে শিকাই-বুজাই দিলে। তাৰ পাছত নাৰদে ধ্ৰুৱক মধুবন নামৰ এখন অৰণ্যত গৈ হৰিক ধ্যান কৰিবলৈ ক'লে। নাৰদৰ উপদেশ মতে ধ্ৰুৱই মধুবনলৈ গৈ কেৱল ফলমূল আৰু পানী খাই একাগ্ৰচিত্তে হৰিক ধ্যান কৰিবলৈ ধৰিলে। এনেদৰে ছমাহ কঠোৰ তপস্যা কৰাৰ পাছত ভগৱান বিষ্ণু এদিন ধ্ৰুৱৰ প্ৰতি সদয় হ'ল আৰু গৰুড়ৰ পিঠিত উঠি আহি ধ্ৰুৱৰ সন্মুখত উপস্থিত হ'ল। সন্মুখত বিষ্ণুক দেখি ধ্ৰুৱই নানাভাৱে তেওঁৰ গুণানুকীৰ্তন কৰিলে। ধ্ৰুৱৰ প্ৰাৰ্থনাত সন্তুষ্ট হৈ বিষ্ণুৱে ক'লে, 'হে বালক, মই তোমাৰ প্ৰাৰ্থনাত সন্তুষ্ট হৈছো। তুমি মোৰ পৰা কি বৰ বিচৰা?' বিষ্ণুৰ কথা শুনি ধ্ৰুৱই ক'লে, 'প্ৰভু, মই যেন তোমাৰ পৰম ভক্ত হ'ব পাৰো আৰু তোমাৰ ভক্তসকলৰ সংগ যাতে সদায় পাবলৈ সক্ষম হওঁ এয়ে মোৰ কামনা প্ৰভু। মোক আশীৰ্বাদ কৰা প্ৰভু। তোমাৰ নাম ল'লে সকলো পাপ খণ্ডন হয়। সেয়ে মোক তোমাৰ চৰণত শৰণ ল'বলৈ সুবিধা দিয়া প্ৰভু। এয়ে মোৰ তোমাৰ ওচৰত প্ৰাৰ্থনা।' ক্ৰমশঃ



## ৰাক্ষস পণ্ডিত

*যোৱা সংখ্যাৰ পাছৰ পৰা*

মোৰ বৰ দৰকাৰ এটাত বেগাই আগবাঢ়ি যাওঁ, উভতি আহি তিলকহঁতে তহঁতক লৈ যামহি।' সিহঁতে সিহঁতৰ গুৰুৰ কথা খুব শুনিছিল; সেই দেখি সিহঁত পণ্ডিতৰ আজ্ঞামতে তাতে ৰ'ল। পণ্ডিতে আহি জ্ঞাতিক ভোজ দিবৰ নিমিত্তে ঠিক-ঠাক কৰিবলৈ ধৰিলে। ল'ৰাবিলাকে পণ্ডিত আহিব বুলি বাট চাই থাকিল, কিন্তু ভালেখিনি বেলি হ'ল, পণ্ডিত নাই। বাঁৰীৰ ল'ৰাই 'ভাইহঁত, মই পণ্ডিতৰ ঘৰৰ পৰা লৰি আহোঁগৈ, তহঁত ইয়াতে থাক, তেওঁনো কি কৰিছে মই বেগতে গৈ চাই আহোচোন' বুলি কৈ একে লৰেই পণ্ডিতৰ ঘৰ ওলালগৈ। সেই সময়ত পণ্ডিত ঘৰত নাছিল, দিহিঙে-দিপাঙে থকা ৰাক্ষসবোৰ মাতিবলৈ আৰু পাত-পচলা গোটাবলৈ গৈছিল। ৰাক্ষসৰ ঘৰৰ বেৰত আঁৰি থোৱা মানুহৰ মূৰ দুটাই বাঁৰীৰ পুতেকক দেখি ক'লে, 'হেৰৌ তই ক'লৈ আহিছ? তোক ৰাক্ষসে খাব, এতিয়াই এই গাঁৱৰ পৰা পলা, বেগেতে পলা।' সি মূৰ দুটাৰ এই কথা শুনি তাৰ পৰা তুৰন্তে পলাই একেকোবেই লগৰীয়াহঁতৰ লগ পালেহি, পাই সিহঁতক সকলো কথা ভাঙি ক'লে। সিহঁতে শুনি ভয়ত থৰ্‌থৰ্ কৰে কঁপিবলৈ ধৰিলে। বাঁৰীৰ ল'ৰাই 'কোনো ভয় নাই, মই আছো, ব'লহঁক আমি আমাৰ ঘৰলৈ উভতি যাওঁগৈ।' এই বুলি কৈ ঘৰৰ ফালে খোজ ল'লে। এনেতে সিফালৰ পৰা ৰাক্ষসটো লৰি আহি ল'ৰাবোৰক থোৱা ঠাইত নাপাই, অহা বাটেদি লৰি লৰি গৈ বাৰীৰ ল'ৰাই, ৰাক্ষসে যেনেকৈ বুজাই গৈছিল সেইদৰে গৈ, বালিত পুতি থোৱা চুঙা দুটা উলিয়াই লৈ, এটাৰে শোহা মাৰি পানী শুহি আৰু আনটোত ফু মাৰি পানী কৰি থৈ দুইখন নৈ পাৰ হৈ গ'ল। ৰাক্ষসে বাঁৰীৰ ল'ৰাক দূৰৰ পৰা দেখি চিঞৰি ক'লে, 'বাৰু ভাল বুকু চাই কামোৰ মাৰিলি, যা, যা, ময়ো গৈছো পাছতে।' এই বুলি কৈ ৰাক্ষস উভতি গ'ল। বাঁৰীৰ ল'ৰাই মাকৰ ওচৰত কথা ভাঙি ক'লেহি আৰু সি ধন ঘটিবৰ মনেৰে মাকক ক'লে, 'আই, মই এটা ছাগলীৰ বেশ ধৰিম, তই মোক বজাৰত বেচিবলৈ নিবি আৰু কোনোবাই কিনিবলৈ আহিলে তাক মোৰ পঘাডাল নিদি মোক বেচি দিবি। মই তোৰ পাছতে ওলামহি।' মাকে তাৰ এই কথা শুনি 'বাৰু' বুলি শলাগি থাকিল। পুতেক ছাগলী এটা হ'ল। পাছদিনা মাকে তাক হাটত বেচিবলৈ লৈ গ'ল। পাছে সেই ৰাক্ষসেই ভেশচন কৰি আহি ছাগলীটোত বাঁৰীয়ে যিমান বেচ বুলিলে সিমান দি ছাগলীটো লৈ গুচি গ'ল। বাৰীয়ে ঘৰ পালত বাঁৰীৰ পাছতে পুতেক আহি ওলালহি। সি পাছদিনা আকৌ ৰাজহাঁহ হৈ থাকিল। মাকে তাক বেচিবলৈ টোম এটাত ভৰাই লৈ গ'ল। সেই ৰাক্ষসেই বাৰীৰ ল'ৰাক খাবলৈ বুলি আন এটা মানুহ হৈ আহি ৰাজহাঁহটো কিনিলে। এইবাৰো মাকে টোমটো নিদি ৰাখিলে। হাঁহ বেচি মাক ঘৰ পালেহি, সিও পিছে পিছে ঘৰ ওলালহি। ৰাক্ষসৰ মনত মহা খং উঠিল আৰু 'এইবাৰ কিনিব পাৰিলে তাক যিহতে আনে বা যিহেৰে ধৰি বেচিবলৈ আনে সেই বস্তুটো নিদিওঁ' বুলি লি ঠিক কৰিলে। এইবাৰ বাঁৰীৰ পুতেক ঘোঁৰা এটা হৈ থাকিল। মাকে তাক ধৰি লৈ সেই নগৰৰ বজাৰত বেচিবলৈ লৈ গ'ল। ৰাক্ষসেও সিফালৰ পৰা আহি ঘোঁৰাৰ গৰাকীয়নীয়ে যিমান দাম ক'লে সিমান দামকে দি ঘোঁৰাই লেকামে লৈ গুচি গ'ল। ৰাক্ষসেও সিফালৰ পৰা আহি ঘোঁৰাৰ গৰাকীয়নীয়ে যিমান দাম ক'লে সিমান দামকে দি ঘোঁৰাই লেকামে লৈ গুচি গ'ল। বাঁৰীয়ে ক'ত ক'লে লেকামডাল তাইক সি ওভতাই দিবলৈ, কিন্তু সি নিদি লৈ গুচি গ'ল। ৰাক্ষসে সেই নগৰৰ নদী এখনৰ কাষতে কোনো এটা ঘাটত ঘোঁৰাটো খাবলৈ মনতে ঠিক কৰিলে। তেতিয়া ভৰ দুপৰীয়া। ঘোঁৰাটোৱে এবাৰ চল পাই ৰাক্ষসৰ হাতৰ পৰা এৰাই পানীত পৰি মাছ এটা হ'ল। ৰাক্ষসে তাক শিহু এটা হৈ খেদি নিবলৈ ধৰিলে। সেই সময়ত ৰজাৰ জীয়েকে গা ধুবলৈ সেই নৈলৈকে আহে। ৰজাৰ জীয়েকে গা ধোওঁতে অলংকাৰৰ লগত মিহলি হৈ গ'ল। ৰজাৰ জীয়েকে গা ধুই উঠি সেই মণিটো দেখি সেইটো ক'ৰ পৰা তালৈ আহিল, কি কথা, কি বতৰা ইত্যাদি ভাবি-চিন্তি ঠিক কৰিব নোৱাৰি মণিটো ঘৰলৈ লৈ আহিল। ৰাক্ষসে এটা মানুহ হৈ ৰজাৰ আগত গোচৰ দিলেহি যে ৰজাৰ জীয়েকে তাৰ মণিটো বাটত পাই আনিছে আৰু এতিয়া তাক নিদিব কি বুলি ? ৰজাই ৰাক্ষসক 'বাৰু তোমাৰ মণিটো যদি ছোৱালীয়ে আনিছে, মই ক'লেই দিব, তাই সৰু ছোৱালী, সেইবোৰৰ ভূ নাপায়, অলপ পৰ ৰ'বা' বুলি কৈ জীয়েকক মতাই আনি মণিটো দিবলৈ ক'লে। ৰজাৰ জীয়েকে বাপেকৰ কথা শুনি মণিটো মানুহটোৰ আগলৈ পেলাই দিলে। মণিটো মাটিত পৰিয়েই এটা সৰিয়হ হ'ল। সৰিয়হ খাবৰ নিমিত্তে মানুহ হৈ থকা ৰাক্ষসটো এটা কপৌ হ'ল। বাঁৰীৰ ল'ৰাই তৎক্ষণাৎ সৰিয়হ গুচি শেন এটা হৈ কপৌটোৰ বুকুখন ফালি পেলালে। তেতিয়া ৰাক্ষসে নি মূৰ্তি ধৰি এটা ভয়ানক চিঞৰ মাৰি মৰি থাকিল। ৰজাই এইবোৰ চকুৰ আগতে সপোন যেন দেখি ভেবা লাগি ৰ'ল। আন আন মানুহো তবধ লাগিল। তেতিয়া বাঁৰীৰ ল'ৰাই মানুহ হৈ সকলো কথা ৰজাক ভাঙি ক'লত ৰজাই সন্তোষ পাই জীয়েকক তালৈ বিয়া দি তাক বহি-ৰজা পাতিলে। বাঁৰীৰ ল'ৰাই মাককো তাৰ লগলৈ তুলি নি খাই-বৈ সুখেৰে থাকিল।








# ২২ ছেপ্টেম্বৰত এ এছ জে এৰ বাৰ্ষিক ক্ৰীড়া বঁটা প্ৰদান অনুষ্ঠান



**গুৱাহাটী, ২০ ছেপ্টেম্বৰ ঃ** অসম ক্ৰীড়া সাংবাদিক সন্থাই ইতিমধ্যে ঘোষণা কৰা বাৰ্ষিক বঁটাসমুহ অহা ২২ ছেপ্টেম্বৰত গুৱাহাটীৰ লেণ্ডমাৰ্ক হোটেলত আবেলি তিনি বজাত হ'বলগা এক অনুষ্ঠানত আনুষ্ঠানিকভাবে প্ৰদান কৰিব। উল্লেখ্য যে এইবাৰ অসম ক্ৰীড়া সাংবাদিক সন্থাৰ বৰ্ষশ্ৰেষ্ঠ খেলুৱৈ বঁটা লাভ কৰিছে বাৰ্মিংহাম কমনৱেলথ গেমছত দেশৰ হৈ ঐতিহাসিক সোণ লাভ কৰা লনবল খেলুৱৈ নয়নমণি শইকীয়াই। আনহাতে, ৰাষ্ট্ৰীয় অভিলেখ গঢ়ি সোণ জয় কৰা সাঁতোৰ খেলুৱৈ আস্থা চৌধুৰীয়ে লাভ কৰিছে শ্ৰেষ্ঠ জুনিয়ৰ খেলুৱৈ বঁটা। শ্ৰেষ্ঠ দল অইল ইণ্ডিয়া এফ চি। আনহাতে, বলেন্দ্ৰ মোহন চক্ৰৱৰ্তীক জীৱনযোৰা সাধনা বঁটা প্ৰদান কৰা হ'ব। জুনিয়ৰ বঁটা বিজেতাক ২৫ হেজাৰ টকা তথা অন্য তিনিটা বিজয়ীক অসম ক্ৰীড়া সাংবাদিক সন্থাই ৫০ হেজাৰকৈ দিব। ইফালে ৰাজ্যৰ ক্ৰীড়া বাতৰিৰ শতবৰ্ষ উপলক্ষ্যে তিনিগৰাকী নৱাগত খেলুৱৈক জলপানি দিয়াৰ কথা ঘোষণা কৰিছে অসম ক্ৰীড়া সাংবাদিক সন্থাই। সেই অনুসৰি জিমনাষ্ট উপাসা তালুকদাৰ, দাবা খেলুৱৈ ছাহিল দে আৰু পেডলাৰ প্ৰিয়ানুজ ভট্টাচাৰ্যক ১০ হেজাৰকৈ টকা দিয়া হ'ব। অসম ক্ৰীড়া সাংবাদিক সন্থাৰ সভাপতি সুবোধ মল্ল বৰুৱা আৰু সম্পাদক ইমতিয়াজ আহমেদে বঁটা প্ৰদান অনুষ্ঠানত সকলোৰে উপস্থিতি কামনা কৰিছে।



অষ্ট্ৰেলিয়াৰ বিৰুদ্ধে প্ৰথম টি-২০

# ভাৰত পৰাস্ত

**মোহালি, ২০ ছেপ্টেম্বৰ ঃ** ভাৰতে অষ্ট্ৰেলিয়াৰ বিৰুদ্ধে খেলা তিনিখনীয়া টি-২০ মেচৰ প্ৰথমখন খেলত চাৰি উইকেটত পৰাস্ত হৈছে। আজি ম'হালিত হোৱা মেচত পোনতে বেটিং কৰি নিৰ্ধাৰিত ২০ অভাৰত ছয় উইকেট হেৰুৱাই ২০৮ ৰাণ কৰিছে। উল্লেখ্য যে ভাৰতৰ হৈ অপেনাৰ লোকেছ ৰাহুলে ৫৫ ৰাণ কৰে যদিও ব্যৰ্থ হয় দুই অভিজ্ঞ বেটাৰ অধিনায়ক ৰোহিত শৰ্মা (১১ৰ আৰু প্ৰাক্তন অধিনায়ক বিৰাট কোহলি (২ৰঙ্গ কিন্তু সূৰ্যকুমাৰ যাদৱে ৪৬ আৰু হাৰ্দিক পাণ্ডিয়াই অপৰাজিত ৭১ ৰাণ কৰি ভাৰতক শক্তিশালী স্থিতিত উপনীত কৰায়। হাৰ্দিকে ৩০ বলত পাঁচটা ছিক্সাৰ আৰু সাতটা বাউণ্ডেৰীসহ বিস্ফোৰক ইনিংছটো খেলে। কেংগাৰু বাহিনীৰ হৈ নাথন ইলিছে তিনিটা তথা জ'ছ হাজলউদে দুটা উইকেট পায়। প্ৰত্যুত্তৰত অষ্ট্ৰেলিয়াই ১৯.২ অভাৰত ছয় উইকেট হেৰুৱাই ২১১ ৰাণ কৰি সহজ জয় অৰ্জন কৰে। দলৰ হৈ গ্ৰীনে ৬০, স্মিথে ৩৫ আৰু ৱেডে অপৰাজিত ৪৫ ৰাণ কৰে। ভাৰতৰ অক্ষৰে তিনিটা আৰু উমেশে দুটা উইকেট পায়। উল্লেখ্য যে অষ্ট্ৰেলিয়াত অনুষ্ঠিত হ'বলগীয়া আসন্ন টি-২০ বিশ্বকাপ ক্ৰিকেটলৈ সাজু হোৱাৰ বাবে টীম ইণ্ডিয়াই ঘৰত মুঠ ছখন মেচ খেলাৰ যি পৰিকল্পনা লৈছিল তাৰেই প্ৰথমখন মেচ আজি ম'হালীত খেলিছে অষ্ট্ৰেলিয়াৰ বিৰুদ্ধে। উল্লেখ্য যে ভাৰতে প্ৰথমে অষ্ট্ৰেলিয়াৰ বিৰুদ্ধে তিনিখন টি-২০ মেচ খেলাৰ পাছত দক্ষিণ আফ্ৰিকাৰ বিৰুদ্ধেও তিনিখনীয়া টি-২০ ৰ এক শৃংখলাত অংশ ল'ব। স্বাভাৱিকতে এই ছখন মেচ টীম ইণ্ডিয়াৰ বাবে নিজৰ শক্তি আৰু ৰণনীতি বুজি পোৱাৰ এক সুযোগ।

## অসম ভিত্তিত টাইকোৱান-ড' প্ৰতিযোগিতা

**অগ্ৰদূত বাৰ্তা, শুৱালকুছি, ২০ ছেপ্টেম্বৰ ঃ** শুৱালকুছি টাইকোৱানডো এণ্ড কিক বক্সিং একাদেমীৰ উদ্যোগত আৰু কামৰূপ জিলা ক্ৰীড়া ভাৰতীৰ সহযোগত অহা আঠ আৰু ন অক্টোবৰত শুৱালকুছি বুদৰাম মাধৱ সত্ৰাধিকাৰ মহাবিদ্যালয়ৰ এখন অসম ভিত্তিত টাইকোৱানডো প্ৰতিযোগিতা অনুষ্ঠিত হ'ব। অংশগ্ৰহণকাৰী খেলুৱৈয়ে অহা ৩০ ছেপ্টেম্বৰৰ পূৰ্বে সাতশ টকাৰে নামভৰ্তি কৰিব লাগিব। প্ৰতিযোগিতাৰ বাবে ৯৮৫৯২-১৫৭৮৮ আৰু ৯৮৬৪৩-৫৪৩৩৬ যোগাযোগ কৰাৰ বাবে সভাপতি দীপাংকৰ কাকতি আৰু সম্পাদক সুবোধ মেধিয়ে আহ্বান জনাইছে।

খেলো ইণ্ডিয়া পূৱ মণ্ডল জুনিয়ৰ ছোৱালী-যুৱ মহিলাৰ মুকলি বক্সিং ঃ কোৱাৰ্টাৰত পুনৰ অসমৰ ২০ বক্সাৰ

# ছেমিত প্ৰৱেশেৰে অসমৰ পাঁচটা পদক নিশ্চিত



**গুৱাহাটী, ২০ ছেপ্টেম্বৰ ঃ** অসমৰ পাঁচ গৰাকী বক্সাৰে চলিত খেলো ইণ্ডিয়া পূৱ মণ্ডল জুনিয়ৰ ছোৱালী আৰু যুৱ মহিলাৰ মুকলি বক্সিং চেম্পিয়নশ্বিপ-২০২২ৰ ছেমিফাইনেলত প্ৰৱেশ কৰি পদক জয় নিশ্চিত কৰাৰ লগতে অহা ডিচেম্বৰত হ'বলগা ৰাষ্ট্ৰীয় চেম্পিয়নশ্বিপলৈ যোগ্যতা অৰ্জন কৰিবলৈ সক্ষম হৈছে। উল্লেখ্য যে গুৱাহাটীৰ ছাই কেন্দ্ৰৰ ইনড'ৰ ষ্টেডিয়ামত চলি থকা প্ৰতিযোগিতাখনৰ যোৱানিশা হোৱা উভয় শাখাৰ কোৱাৰ্টাৰ ফাইনেলত অসমৰ মুঠ ১১ গৰাকী বক্সাৰে অংশ লৈছিল যদিও ইয়াৰে পাঁচ গৰাকীয়ে নিজৰ মেচত জয়ী হৈ ছেমিফাইনেলত প্ৰৱেশ কৰিবলৈ সক্ষম হয়। বাকী ছয় গৰাকীৰ চাৰি গৰাকী মনিপুৰৰ বক্সাৰ বিৰুদ্ধে পৰাস্ত হোৱাৰ বিপৰীতে দুগৰাকী অসমৰ বক্সাৰে ৰাজ্যৰে সতীৰ্থৰ বিৰুদ্ধে কোৱাৰ্টাৰ ফাইনেলত পৰাস্ত হৈ বিদায় লয়। ছেমিফাইনেলত প্ৰৱেশ কৰা অসমৰ বক্সাৰসকলৰ ভিতৰত আছে জুনিয়ৰ ছোৱালীৰ ৪৬ কিলোগ্ৰাম শাখাত ইলাজ্যোতি পেগু, ৪৮ কিলোগ্ৰাম শাখাত ৰিম্পী পেগু আৰু ৫০ কিলোগ্ৰাম শাখাত ভাৰতী কুমাৰী। উল্লেখ্য যে ইলাজ্যোতিয়ে পৰাস্ত কৰে অসমৰে স্বাগতা লক্ষ্মী দৈমাৰীক। আনহাতে, ৰিম্পী আৰু ভাৰতীয়ে মনিপুৰৰ বক্সাৰক হৰুৱাই ছেমিফাইনেললৈ যোগ্যতা অৰ্জন কৰে। কিন্তু বিজেতা ব্ৰহ্ম আৰু ভাগ্যশ্ৰী ৰাভা কোৱাৰ্টাৰ ফাইনেলত মণিপুৰৰ বক্সাৰৰ বিৰুদ্ধে পৰাস্ত হয়। ইফালে, যুৱ মহিলাৰ ৫২ কিলোগ্ৰাম শাখাৰ কোৱাৰ্টাৰ ফাইনেলত অসমৰ পূণ্যৱতী কুলিয়ে ৰাজ্যৰে ৰশ্মী বালা বসুমতাৰীক পৰাস্ত কৰি ছেমিফাইনেল প্ৰৱেশ কৰাৰ বিপৰীতে ৫৪ কিলোগ্ৰাম শাখাত অসমৰ মাইনাও বড়োই মিজোৰামৰ প্ৰতিদ্বন্দ্বীক হৰুৱাই ছেমিফাইনেললৈ অগ্ৰসৰ হয়। কিন্তু ৫৪ কিলোগ্ৰাম শাখাৰ কোৱাৰ্টাৰ ফাইনেলত অসমৰ সংগীতা দাস আৰু আইকন মিলি মণিপুৰৰ প্ৰতিদ্বন্দ্বীৰ বিৰুদ্ধে পৰাস্ত হৈ প্ৰতিযোগিতাৰ পৰা বিদায় লয়। ইফালে, আজি নিশাও প্ৰতিযোগিতাৰ কোৱাৰ্টাৰ ফাইনেলৰ মেচ অনুষ্ঠিত হয়। অসমৰ মুঠ ২০ গৰাকী বক্সাৰে আজি ৰিঙত নামিছে। জুনিয়ৰ ছোৱালীৰ কোৱাৰ্টাৰ ফাইনেল খেলা ১২ গৰাকী বক্সাৰ হ'ল ৫২ কিলোগ্ৰাম শাখাত মনিকা চুৰ্‌বা, আইশ্ৰী হাজৰিকা, শশাদ্ৰী শইকীয়া আৰু প্ৰিয়া বড়ো। ৫৪ কিলোগ্ৰাম শাখাত সুনসুনি কুমবংগ, অনুশ্ৰী চেত্ৰী আৰু ৰশ্মী চাংমাই। ৫৭ কিলোগ্ৰাম শাখাত স্নেহা সোণোৱাল, নালোসি মাৰ্জাৰী আৰু নিকিতা গগৈ। ৬০ কিলোগ্ৰাম শাখাত পৰী দত্ত আৰু পুৰবী দৈমাৰী। আনহাতে, আজিৰ যুৱ মহিলাৰ কোৱাৰ্টাৰ ফাইনেল খেলা আঠ গৰাকী অসমৰ বক্সাৰ হ'ল ৪৫-৪৮ কিলোগ্ৰাম শাখাত দিক্ষিতা বড়ো, সুজামা বড়ো আৰু ৰূপালী বসুমতাৰী। ৫০ কিলোগ্ৰাম শাখাত উন্নেখা গগৈ আৰু দ্বিপাঞ্জলী দৈমাৰী। ৬০ কিলোগ্ৰাম শাখাত নেনচি নাৰ্জাৰী, প্ৰিয়া বসুমতাৰী আৰু ধৰিত্ৰী চুৰ্‌বা। উল্লেখ্য যে বক্সিং ফেডাৰেচন অৱ ইণ্ডিয়া চমুকৈ বি এফ আয়ে ভাৰতীয় ক্ৰীড়া প্ৰাধিকৰণ চমুকৈ ছাইৰ সহযোগত দেশত মহিলা বক্সিঙৰ নতুন প্ৰতিভা বিচাৰি উলিওৱাৰ বাবে যি অভিলাসী আঁচনি হাতত লৈ চাৰিখন মাণ্ডলিক প্ৰতিযোগিতা আয়োজন কৰাৰ সিদ্ধান্ত লৈছে তাৰেই প্ৰথমখন প্ৰতিযোগিতা সম্প্ৰতি গুৱাহাটীৰ ছাই কেন্দ্ৰৰ ইনড'ৰ ষ্টেডিয়ামত পূৰ্ণগতিত চলি আছে। কাইলৈ প্ৰতিযোগিতাৰ উভয় শাখাৰ ছেমিফাইনেল অনুষ্ঠিত হ'ব। আনহাতে, ২২ ছেপ্টেম্বৰত হ'ব ফাইনেল। ছেমিফাইনেলত প্ৰৱেশ কৰা সকলো বক্সাৰে অহা ডিচেম্বৰত গুৱাহাটীতে হ'বলগা প্ৰাইজমানি সম্বলিত ৰাষ্ট্ৰীয় চেম্পিয়নশ্বিপলৈ যোগ্যতা অৰ্জন কৰিব।



ম'হালিত সূৰ্যকুমাৰ যাদৱৰ বেটিং

## প্ৰাইজমানি ফুটবল নৱজ্যোতি সংঘ ফাইনেলত

**অগ্ৰদুত বাৰ্তা, ঘগ্ৰাপাৰ, ২০ ছেপ্টেম্বৰ ঃ** নলবাৰী জিলাৰ শিলপোতাবড়িত খেলপথাৰত গুৱাকুছি ক্ৰীড়া সন্থাৰ উদ্যোগত চলি থকা প্ৰাইজমানি ফুটবল প্ৰতিযোগিতাৰ আজি দ্বিতীয়খন ছেমিফাইনেল খেল অনুষ্ঠিত হয়। খেলখনত অংশ লয় বৰভাগ আঞ্চলিক ক্ৰীড়া সন্থা আৰু নৱজ্যোতি সংঘ, বাড়িদতৰা দলে। খেলখন নিৰ্ধাৰিত সময়ত ১-১ত সমাপ্ত হোৱাত ৰেফাৰীয়ে টাইব্ৰেকাৰ পদ্ধতি অবলম্বন কৰে আৰু নৱজ্যোতি সংঘই বাড়িদতৰাই ফাইনেলত প্ৰৱেশ কৰে।

জি এছ এ ছুপাৰ ডিভিজন ফুটবল লীগ

## গ্ৰীণভেলীৰ বিৰুদ্ধে নৱজ্যোতিৰ জয়

**গুৱাহাটী, ২০ ছেপ্টেম্বৰ ঃ** গুৱাহাটী ক্ৰীড়া সন্থাৰ আৰ জি বৰুৱা ছুপাৰ ডিভিজন ফুটবল লীগ ২০২২-২৩ ৰ আজিৰ খেলত নৱজ্যোতি ক্লাবে এফ চি গ্ৰীণভেলীক ১-০ গ'লত পৰাস্ত কৰে। খেলৰ ৫১ মিনিটত গ্ৰীণ ভেলীৰ জিৰজাৰ টেৰঙে বল নিজৰ নেটলৈ ঠেলি দিয়াত নৱজ্যোতিয়ে অগ্ৰগতি লাভ কৰে। আত্মঘাতী গ'ল হজম কৰা গ্ৰীণভেলীয়ে পৰৱৰ্তী সময়ত সমতা স্থাপনৰ কেইবাটাও সুযোগ পায়ো নষ্ট কৰে। ইফালে, গুৱাহাটী ক্ৰীড়া সন্থাৰ জীৱেশ্বৰ গোস্বামী এ ডিভিজন ফুটবল লীগত আজি ৰাজবাৰী ক্লাবে ছাই এছ চিৰ বিৰুদ্ধে ৱাকঅ'ভাৰ লাভ কৰে। কাইলৈ ছুপাৰ ডিভিজনত এ এছ ই বিয়ে মহাৰাণা এ চিৰ বিৰুদ্ধে আৰু এ ডিভিজনত ডাইনামো ক্লাবে মেট্ৰ' এছচিৰ বিৰুদ্ধে প্ৰতিদ্বন্দ্বিতা কৰিব।

# দৌৰবিদ ধৃতিমালৈ মাহে পাঁচ হেজাৰকৈ জলপানি ক্ৰীড়া বিভাগৰ

**অগ্ৰদূত বাৰ্তা, হাজো, ২০ ছেপ্টেম্বৰ ঃ** কামৰূপ জিলাৰ হাজো ক্ৰীড়া সন্থাৰ বৰ্ষজোৰা সোণালী জয়ন্তী মহোৎসৱৰ প্ৰাক মুহূৰ্তত অনুষ্ঠিত প্ৰীতি ক্ৰিকেট খেলত অসমৰ কেইগৰাকীও জনপ্ৰিয় কণ্ঠশিল্পী, সাংবাদিক-সাহিত্যিকে অংশগ্ৰহণ কৰে। স্থানীয় পঞ্চতীৰ্থ শিশু-শংকৰদেৱ বিদ্যা নিকেতন খেলপথাৰ প্ৰাঙ্গণত অনুষ্ঠিত প্ৰীতি ক্ৰিকেট খেলখন উদ্বোধন কৰে ছাত্ৰ আৰু যুৱ কল্যাণ বিভাগৰ সদস্য সচিব গীতাৰ্থ গোস্বামীয়ে। বিশিষ্ট শৰীৰ চৰ্চাবিদ বিজিত গগৈ, সদৌ অসম ছাত্ৰ সন্থাৰ উপদেষ্টা প্ৰকাশ দাস থাকে এই খেলখনত। হাজো ক্ৰীড়া সন্থাৰ সোণালী জয়ন্তী বৰ্ষৰ উদযাপন সমিতিৰ সম্পাদক দিপাংকৰ মজুমদাৰে আঁত ধৰা অনুষ্ঠানত সভাপতি ৰাতুল শৰ্মাই আদৰণি ভাষণত কয় যে হাজো ক্ৰীড়া সন্থাৰ জৰিয়তে প্ৰায় সকলো খেলৰ প্ৰশিক্ষণৰ ব্যৱস্থা কৰা হ'ব।এই অনুষ্ঠানতেই পূৱ মণ্ডল ৰাষ্ট্ৰীয় জুনিয়ৰ এথলেটিকচ প্ৰতিযোগিতাৰ ১৪ বছৰ অনুৰ্দ্ধৰ ৬০০ মিটাৰ দৌৰত সোণৰ পদক অৰ্জন কৰা দৌৰবিদ ধৃতিমা উজিৰক সম্বৰ্ধনা জনোৱা হয়। গীতাৰ্থ গোস্বামীয়ে ধৃতিমাক এবছৰৰ বাবে মাহে পাঁচ হেজাৰ টকাকৈ জলপানি দিয়াৰ কথা ঘোষণা কৰে। ইফালে, প্ৰীতি খেলখনত স্থানীয় সাংবাদিক-সাহিত্যিক একাদশ দলক ১৫ ৰানত পৰাস্ত কৰে শিল্পী একাদশে। শিল্পী একাদশৰ হৈ খেলে কণ্ঠশিল্পী ভৃগু কাশ্যপ, ৰোহিত সোণাৰ, দিগন্ত বৰদলৈ, বাবলী, ধ্ৰুৱ, তৰুণ তন্ময়, ঋষি বৰুৱা, দিজু, বাস্তৱ নাথ, ৰেকিবুল, হীৰকে। আনহাতে সাংবাদিক সাহিত্যিক একাদশৰ হৈ প্ৰাঞ্জল কলিতা, এমৰাৰেল দৈমাৰী, ধ্ৰুৱজ্যোতি মালাকৰ, মুন্না কলিতা, মদন দাস, হিৰক দাস, আবেদুৰ ৰহমান, বিকি মেধি, নৱজ্যোতি ৰাজবংশী, ৰোহন বৰুৱা, কৃষ্ণ কলিতা, ৰজনী শালৈ, মুনিন্দ্ৰ মহন্তই অংশগ্ৰহণ কৰে। ধাৰাভাষ্য দিয়ে কণ্ঠশিল্পী নেকিবে। প্ৰতিগৰাকী খেলুৱৈৰ লগতে আম্পায়াৰদ্বয় ভৱানন্দ আঠপৰীয়া আৰু অমৰেন্দ্ৰ মালাকৰক হাজো ক্ৰীড়া সন্থাৰ তৰফৰ পৰা মানপত্ৰ আৰু ফুলাম গামোছাৰে সম্বৰ্ধনা জনোৱা হয়। প্ৰতিযোগিতাৰ বঁটা বিতৰণী অনুষ্ঠানৰ পিছতেই জনপ্ৰিয় কণ্ঠশিল্পী কল্লোল বৰঠাকুৰ, অনুপম শইকীয়া আৰু ভৃগু কাশ্যপে গীত পৰিৱেশন কৰে।



## কেশৱ-মথুৰা ফুটবল আৰম্ভ

**অগ্ৰদূত বাৰ্তা, জালাহ, ২০ ছেপ্টেম্বৰ ঃ** বাকসা জিলাৰ শিমলা গ্ৰাম্য ষ্টেডিয়ামত আজিৰে পৰা আৰম্ভ হৈছে কেশৱ- মথুৰা সোঁৱৰণী প্ৰাইজমানি ফুটবল। চানজাৰাং ক্লাৱৰ উদ্যোগত অনুষ্ঠিত এই প্ৰাইজমানি ফুটবলৰ আজিৰ উদ্বোধনী খেলত এভাৰেষ্ট ক্লাৱে চানজাৰাং ক্লাৱক ১-০ গলত পৰাস্ত কৰি পৰৱৰ্তী ৰাউণ্ডত প্ৰৱেশ কৰে। খেলখন আনুষ্ঠানিকভাৱে উদ্বোধন কৰে ককলাবাৰী পৰিষদীয় সমষ্টিৰ এম চি এল এ মণ্টু বড়োৱে।

## আইটা ছুপাৰ ছিৰিজ টেনিছ প্ৰতিযোগিতা

**যোৰহাট, ২০ ছেপ্টেম্বৰ ঃ** যোৰহাট টেনিছ ক্লাবত চলি থকা এন আৰ এল আইটা ছুপাৰ ছিৰিজ ১৬ বছৰ অনুৰ্ধ্ব টেনিছ প্ৰতিযোগিতাৰ আজি দ্বিতীয় দিনা বংগৰ প্ৰতিষ্ঠাক পৰাজিত কৰি ওড়িসাৰ কিস্পট্টাই ছেমিফাইনেলত নিজৰ স্থান নিশ্চিত কৰে। ইফালে, আজিৰ অন্য খেলত ১৬ বছৰ অনুৰ্ধ্ব ল'ৰাৰ একক শাখাৰ কোৱাৰ্টাৰ ফাইনেল মেচসমূহত মণন নাথে শ্ৰীমন্ত গগৈক, চান্দোগ্য ত্ৰিদিৱ পাঠকে বিদৱান ৰঞ্জন বৰাক, জ্যোতিষ্মান বড়োই জ্যোতিৰাদিত্য কাকতিক, ৰিয়ান কাশ্যপে সুভাসিশ ৰয়ক পৰাজিত কৰে। ইফালে, ১৬ বছৰৰ তলৰ ছোৱালীৰ একক শাখাৰ কোৱাৰ্টাৰ ফাইনেলত ৰিতুজা সাহাই নায়েম হুছেইনক, নেমহা চাৰা কিস্পোটাই প্ৰতিষ্ঠা ৰায়ক ,আদ্ৰিকা ৰাজকুমাৰীয়ে ছাৰা গোমছক,তনিয়া কুমাৰীয়ে অৰ্ণৱী দেৱনাথক পৰাজিত কৰে । ১৬ বছৰৰ অনুৰ্ধ্ব ল'ৰাৰ ডাবলছ শাখাৰ কোৱাৰ্টাৰ ফাইনেলত মোহৰনব বি বৰুৱাই জ্যোতিষ্মান বড়োক, অনিদিত বৰুৱাই সমবিদ বৰুৱাক,বিদ্যান বৰাই অকলান্তজিৎ ফুকনক, আয়ান দত্তই জ্যোতিৰাদিত্য কাকতিক হৰুৱায়। আনহাতে, ১৬ বছৰ অনুৰ্ধ্ব ছোৱালীৰ ডাবলছ শাখাৰ কোৱাৰ্টাৰ ফাইনেলত নবিহা মৰিয়াম-বিষ্ণুপ্ৰিয়া বৰগোহাঞিয়ে আৰিষা মহিন চৌধুৰী আৰু দেৱস্মিতা ৰায় যুটীক পৰাজিত কৰে । নেমহা চাৰা কিস্পোটা - নায়েম হুছেইনে অৰ্ণৱী দেৱনাথ আৰু নিষ্ঠপ্ৰিয়া বেজবৰুৱাক পৰাজিত কৰে।



ম'হালিত যুৱৰাজৰ স'তে বিৰাট

বড়োলেণ্ড গেলান্টচ গ'ল্ডকাপ ফুটবল

## ট্ৰাও মনিপুৰ এফ চি ছেমিত

**অগ্ৰদূত বাৰ্তা, টংলা, ২০ ছেপ্টেম্বৰ ঃ** ডিমাকুছি এবছু আৰু ডিমাকুছি ক্ৰীড়া সন্থাৰ যৌথ উদ্যোগত অনুষ্ঠিত হোৱা ৰূপালী জয়ন্তী বৰ্ষ বড়োলেণ্ড গেলান্টচ গ'ল্ড কাপ ফুটবল টুৰ্ণামেন্টৰ আজিৰ খেলত জয়লাভ কৰি ট্ৰাও এফ চি মনিপুৰ দলে ছেমিফাইনেলত প্ৰবেশ কৰিছে। ডিমাকুছি ষ্টেডিয়ামত হোৱা তীব্ৰ উত্তেজনাপূৰ্ণ খেলত ট্ৰাও এফচি মনিপুৰে ওদালগুৰি দৈমালু এফ চিক ৫ -১ গ'লত পৰাস্ত কৰে। মনিপুৰ দলৰ হৈ বাওৰিংদাউ বড়োই হেট্ৰিকসহ (৭০,৭৮, ৮৬ মিনিট) তিনিটা গ'ল কৰে। আনহাতে এছ বিকাশ সিঙে ৩৮ মিনিটত আৰু কে এইছ ভৰামে ৩৯ মিনিটত এটাকৈ গ'ল কৰে। বিপৰীতে, ওদালগুৰি দৈমালু এফ চিৰ হৈ একমাত্ৰ গ'লটি পৰিশোধ কৰে এছ পি ৰোপে । আজিৰ শ্ৰেষ্ঠ খেলুৱৈৰ বটাঁ লাভ কৰে বাওৰিংদাউ বড়োই।

## চিৰাং জিলা ক্ৰিকেট সন্থাৰ নতুন কমিটী

**অগ্ৰদূত ব্যুৰ, বঙাইগাঁও, ২০ ছেপ্টেম্বৰ ঃ** চিৰাং জিলা ক্ৰিকেট সন্থাৰ সাধাৰণ সভাখন কাজলগাঁৱত অনুষ্ঠিত হয়। ইউ এন ব্ৰহ্ম ছিনিয়ৰ ছেকেণ্ডাৰী স্কুলত সন্থাৰ কাৰ্যকৰী সভাপতি প্ৰণৱ বসুমতাৰীৰ সভাপতিত্বত অনুষ্ঠিত সভাত অসম ফুটবল সন্থাৰ কাৰ্যনিবাহক সদস্য মনোলাল বসুমতাৰী আৰু ক্ৰীড়া সংগঠক দুৰ্লভ তালুকদাৰে সাম্প্ৰতিক সময়ৰ অতি জনপ্ৰিয় ক্ৰিকেট খেলক জিলাখনত প্ৰসাৰ কৰাৰ বাবে জিলা ক্ৰিকেট সন্থাই লোৱা পদক্ষেপক প্ৰশংসা কৰে। সাধাৰণ সম্পাদক দিপাংকৰ সৰকাৰে বিগত বৰ্ষৰ কাৰ্যাৱলীৰ খতিয়ান দাঙি ধৰাৰ পিছত পুৰণি সমিতিখন ভংগ কৰি চিদলী সমষ্টিৰ বিধায়ক জয়ন্ত বসুমতাৰীক সভাপতি হিচাপে লৈ আগন্তুক কাৰ্যকালৰ বাবে নতুন কাৰ্যনিৰ্বাহক সমিতিখন গঠন কৰা হয়। নতুন কাৰ্যনিৰ্বাহক সমিতিখনত প্ৰণৱ বসুমতাৰীক কাৰ্যকৰী সভাপতি, দিপাংকৰ সৰকাৰক সাধাৰণ সম্পাদক, কৃষ্ণানন্দ ব্ৰহ্মক যুটীয়া সম্পাদক, বিশ্বদীপ চক্ৰৱৰ্তী আৰু জেহিনুৰ ৰহমানক সহকাৰী সম্পাদক, সুশাংক মুছাহাৰীক ধনভৰালী, দুৰ্লভ তালুকদাৰ, সুজিৎ ঘোষ, ৰুদ্ৰ দেৱ ৰয়ক উপ-সভাপতি, চন্দন ব্ৰহ্ম, অনুপম সৰকাৰ, বিনোদ ৰয়, গুণশংকৰ ৰাৰী, মনোলাল বসুমতাৰী, চিন্তু চাকলাদাৰক উপদেষ্টা হিচাপে অন্তৰ্ভুক্ত কৰা হৈছে।



বেটিঙৰ সময়ত লোকেছ ৰাহুল

## মোনাবাৰী ছেমিফাইনেলত

**অগ্ৰদূতবাৰ্তা,নদুৱাৰ, ২০ ছেপ্টেম্বৰ ঃ** জামুগুৰিহাটৰ টুপিয়াত টুপিয়া পাঁচ গাঁও ক্ৰীড়া সন্থাৰ উদ্যোগত অনুষ্ঠিত হোৱা চিনানন্দ বৰা আৰু অৱনী বৰা সোঁৱৰণি ফুটবল প্ৰতিযোগিতাখনিত মোনাবাৰী ফুটবল ক্লাবে ছেমিফাইনেলত প্ৰবেশ কৰিছে। আজি অনুষ্ঠিত হোৱা কোৱাৰ্টাৰ ফাইনেলত মোনাবাৰী ফুটবল ক্লাবে কাৰ্বি আংলং জিলাৰ কুৰডপ ফুটবল দলক ৩-১ গলৰ ব্যৱধানত পৰাস্ত কৰি ছেমিফাইনেলত প্ৰবেশ কৰে।



সুব্ৰত কাপ ফুটবলৰ ছোৱালীৰ ১৭ অনূৰ্ধ্বৰ খেলত আজি চি বি এছ ইক ৮-০ ত পৰাস্ত কৰা অসম দলটো। প্ৰথম মেচত অসমে ৩-০ ত গুজৰাটক হৰুৱাইছিল।

## গৰৈমাৰী-হাদলাপাৰা-জেৰামাছাৰ জয়লাভ

**অগ্ৰদূত বাৰ্তা, মাটিয়া, ২০ ছেপ্টেম্বৰ ঃ** গোৱালপাৰা জিলাৰ ডুবাপাৰা উচ্চ মাধ্যমিক বিদ্যালয়ৰ খেলপথাৰত চলি থকা ডুবাপাৰা আঞ্চলিক ফুটবল প্ৰতিযোগিতাৰ আজি অনুষ্ঠিত হোৱা দুখনকৈ খেলত ক্ৰমে গৰৈমাৰী ফুটবল ক্লাবে ৪-০ গ'লৰ ব্যৱধানত ভালুকডুবি ফুটবল ক্লাৱক আৰু হাদলাপাৰা ফুটবল ক্লাৱে ২-১ গ'লৰ ব্যৱধানত উলুপাৰা ফুটবল ক্লাৱক পৰাজিত কৰি পৰৱৰ্তী ৰাউণ্ডত প্ৰৱেশ কৰে । ইপিনে ৰাজাপাৰা আঞ্চলিক ক্ৰীড়া সন্থাৰ সৌজন্যত ৰাজাপাৰা প্ৰাথমিক বিদ্যালয় খেলপথাৰত আয়োজিত ষষ্ঠ বাৰ্ষিক প্ৰাইজমানী ফুটবল প্ৰতিযোগিতাৰ আজি অনুষ্ঠিত হোৱা খেলখনত জেৰামাছা ফুটবল ক্লাৱে ৬-০ গ'লৰ ব্যৱধানত গোপালপুৰ ফুটবল ক্লাৱক পৰাজিত কৰি পৰৱৰ্তী ৰাউণ্ডত প্ৰৱেশ কৰে।

Azadi Ka Amrit Mahotsav

অসম চৰকাৰ



# অভিনন্দন !

**এক লাখ** নিয়োগ প্ৰদানৰ প্ৰতিশ্ৰুতি কৃতকাৰ্যতাৰে পূৰণৰ দিশত ধাৱমান অসম চৰকাৰ

**২৭,৭৩৭** গৰাকী প্ৰাৰ্থীৰ সফল নিযুক্তিৰ পিছত পুনৰ

# ১১,২০২গৰাকী

## সফল প্ৰাৰ্থীলৈ

অসম চৰকাৰৰ **২১টা বিভাগত**

## নিযুক্তি পত্ৰ বিতৰণী অনুষ্ঠান

বিতৰণ কৰিব
অসমৰ মাননীয় মুখ্যমন্ত্ৰী
ড° হিমন্ত বিশ্ব শৰ্মাদেৱে



## বিভাগ অনুযায়ী মুঠ নিযুক্তিৰ সংখ্যা

| বিভাগ | প্ৰাৰ্থীৰ সংখ্যা |
|---|---|
| গৃহ আৰু ৰাজনৈতিক | ৫,৩৩৫গৰাকী |
| উচ্চ/ কাৰিকৰী শিক্ষা | ৯২৭গৰাকী |
| বিদ্যালয় শিক্ষা | ৩,৮১১গৰাকী |
| উদ্যোগ আৰু ৰাজহুৱা প্ৰতিষ্ঠান | ১গৰাকী |
| পঞ্চায়ত আৰু গ্ৰামোন্নয়ন | ২৭৭গৰাকী |
| স্বাস্থ্য আৰু পৰিয়াল কল্যাণ (চিকিৎসা শিক্ষাৰ অন্তৰ্ভুক্তিৰে) | ২৯৯গৰাকী |
| লোক নিৰ্মাণ | ৩০৪গৰাকী |
| পৰ্যটন | ৬গৰাকী |
| জলসিঞ্চন | ১৩৭গৰাকী |
| পৰিৱেশ আৰু বন | ৩৩গৰাকী |

| বিভাগ | প্ৰাৰ্থীৰ সংখ্যা |
|---|---|
| পৰিবহণ | ৩গৰাকী |
| গৃহ আৰু নগৰ পৰিক্ৰমা | ১গৰাকী |
| মহিলা আৰু শিশু উন্নয়ন | ৪গৰাকী |
| জলসম্পদ | ৩গৰাকী |
| জনস্বাস্থ্য কাৰিকৰী | ৪গৰাকী |
| ক্ৰীড়া আৰু যুৱ কল্যাণ | ১৩গৰাকী |
| হস্ততাঁত আৰু বস্ত্ৰশিল্প | ৬গৰাকী |
| ৰূপান্তৰ আৰু উন্নয়ন | ১১গৰাকী |
| সমবায় | ২গৰাকী |
| দক্ষতা, নিয়োগ আৰু উদ্যোগীকৰণ | ২৪গৰাকী |
| তথ্য আৰু জনসংযোগ | ১গৰাকী |

**স্থান: পশু চিকিৎসা মহাবিদ্যালয় খেলপথাৰ, খানাপাৰা, গুৱাহাটী | উপস্থিতিৰ সময়: পুৱা ১০ বজা | তাৰিখ: ২৩ ছেপ্টেম্বৰ ২০২২**

তথ্য আৰু জনসংযোগ সঞ্চালকালয়, অসমৰ দ্বাৰা প্ৰচাৰিত। আমাক অনুসৰণ কৰক /@diprassam https://dipr.assam.gov.in/
অসম বাৰ্তা ছাবস্ক্ৰাইব কৰিবলৈ ৮২৮৭৯১২১৫৮ত Assam লিখি বাটছএপ কৰক
জনসংযোগ/ডি/১২৬৫৭/২২